জ্যোতি-গ্ৰন্থমালা (৫) :—

# জ্যোতিৰ্ধাৰা

: বিবিধ প্ৰবন্ধ সংকলন :


প্ৰণেতা

জ্যোতিপ্ৰসাদ আগৰৱালা



সংকলন আৰু সম্পাদনা

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

[illegible], গুৱাহাটী



জ্যোতিপ্ৰসাদ সোঁৱৰণী সভা

তেজপুৰ, অসম

**Jyotirdhara** :—A Collection of articles on literary and cultural topics by late Jyotiprasad Agarwalla, collected and edited by Prof. Atulchandra Hazarika M. A., B. L., B. T., Tapoban, Gauhati and Published by Sreemati Padma Agarwalla on behalf of the Jyoti Memorial Trust Board, Tezpur, Assam.

প্ৰকাশ—
শ্ৰীপদ্মা আগৰৱালা
জ্যোতিপ্ৰসাদ সোঁৱৰণী সংস্থা
তেজপুৰ, অসম

প্ৰথম তাঙৰণ
আগষ্ট, ১৯৬১ চন

মূল্য—তিন টকা ( ৩৲ )

ছপা কৰোঁতা
শ্ৰীৰাধাগোবিন্দ বসাক
শ্ৰীকান্ত প্ৰেছ
৭৫, বৈঠকখানা ৰোড,
কলিকতা-৯

# নিবেদন

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ চিনাকি আজি আৰু নকৈ দিবৰ সকাম নাই। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বাবে দি থৈ যোৱা তেখেতৰ অমূল্য অৰিহণাৰাশিয়ে সদায় অসমবাসীক চিৰকৃতজ্ঞ কৰি ৰাখিছে।

১৯৫৮ চনতে স্থাপিত হোৱা জ্যোতিপ্ৰসাদ সোঁৱৰণী সম্থাই ৰূপকোঁৱৰৰ অপ্ৰকাশিত পুথি সমূহ আৰু ৰচনাৱলী প্ৰকাশৰ মানসেৰে ১৯৬০ চনত তেওঁৰ অনুপম নাট ৰূপালীম্ ৰাইজলৈ আগবঢ়ালে। ৰূপালীমেই আমাৰ সম্থাৰ প্ৰথম অৰ্ঘ্য। তাৰ পিছতেই এই বাৰ বিভিন্ন সভা-সমিতিত দিয়া তেখেতৰ অমূল্য ভাষণসমূহ আৰু প্ৰকাশিত, অপ্ৰকাশিত বিভিন্ন প্ৰবন্ধাৱলীৰে সমৃদ্ধ "জ্যোতিৰ্ধাৰা" ৰাইজলৈ আগবঢ়াবলৈ পাই আমি আনন্দিত হৈছোঁ। জ্যোতিৰ্ধাৰা জ্যোতি-গ্ৰন্থমালাৰ পঞ্চম গ্ৰন্থ আৰু আমাৰ সম্থাই আগবঢ়োৱা দ্বিতীয় অৰ্ঘ্য। জ্যোতিৰ্ধাৰা সম্পাদনা কৰিছে আমাৰ সম্থাৰ অন্যতম সদস্য অধ্যাপক শ্ৰীযুত অতুল হাজৰিকাই। এই গ্ৰন্থৰ বিষয়ে পাতনিত তেখেতেই বিবৰি কৈছে।

পুথিখনি পোহৰলৈ উলিয়াবৰ বাবে আৰ্থিক সাহায্য দান কৰিছে ৰাজ্যিক প্ৰকাশন পৰিষদে। সেই বাবে অধ্যাপক হাজৰিকা আৰু প্ৰকাশন পৰিষদৰ গুৰিয়ালসকললৈ আমাৰ সম্থাৰ পক্ষৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

নানা আলৈ-আহুকালৰ বাবে সম্থাৰ কাম আশানুৰূপভাৱে আগবাঢ়িব পৰা নাই। সেই বাবে আমি দুঃখিত আৰু ৰাইজৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। এনেবোৰ কামত ৰাইজৰ আগ্ৰহ, সহায়-সহযোগেই হৈছে আচল কথা। তাকেই পাবলৈ কামনা কৰি ৰূপকোঁৱৰৰ আপুৰুগীয়া সৃষ্টি গীত, গল্প আৰু কবিতাসমূহ সোণকালে ৰাইজৰ আগত দাঙি ধৰিবলৈ ভাবসা ৰাখিলোঁ। ইতি

তেজপুৰ
২২।৮।৬১

শ্ৰীকমলাপ্ৰসাদ আগৰৱালা—সভাপতি
শ্ৰীপদ্মা আগৰৱালা—সম্পাদিকা
জ্যোতিপ্ৰসাদ সোঁৱৰণী সম্থাৰ হৈ

# জ্যোতিপ্ৰসাদ সোঁৱৰণী সন্থা

তেজপুৰ, অসম

সদস্যসকল ঃ—

শ্ৰীকমলাপ্ৰসাদ আগৰৱালা ( সভাপতি )
শ্ৰীপদ্মা আগৰৱালা ( সম্পাদিকা )
শ্ৰীঅমিয়কুমাৰ দাস
শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা
শ্ৰীবিষ্ণুপ্ৰসাদ ৰাভা
শ্ৰীভূপেন হাজৰিকা
শ্ৰীবিবেকানন্দ আগৰৱালা
শ্ৰীহৃদয়ানন্দ আগৰৱালা
শ্ৰীফণী শৰ্ম্মা
শ্ৰীভৰত বৰপূজাৰী
শ্ৰীনীৰা ডোগ্ৰা
শ্ৰীঅন্নপূৰ্ণা বৰুৱা
শ্ৰীমীনা আগৰৱালা

# আগকথা

প্ৰকাশন পৰিষদে নিজাকৈ পুথি প্ৰকাশ কৰাৰ উপৰিও অসমৰ লিখকসকলৰ হাতে-লিখা পুথি প্ৰকাশৰ বাবে যোৱা দুবছৰে আৰ্থিক সাহায্য আগবঢ়াই আহিছে। অৱশ্যে প্ৰকাশন পৰিষদৰ পুঁজি প্ৰয়োজনৰ তুলনাত নিচেই সামান্য হোৱাত আশানুৰূপে সাহিত্যসেৱী-সকলক সহায় কৰিব পৰা নাই। এতিয়ালৈকে প্ৰকাশন পৰিষদৰ আৰ্থিক সাহায্যত ২০ খন পুথি প্ৰকাশ হৈছে আৰু ৪৫ খনক প্ৰকাশৰ বাবে আৰ্থিক সাহায্য দিয়া হৈছে।

জীৱিত লিখকসকলক পুথি-প্ৰকাশৰ সাহায্যেৰে উৎসাহ-উদগনি যোগোৱাৰ উপৰিও প্ৰকাশন পৰিষদে এতিয়ালৈকে যিসকল স্বৰ্গগত লিখক-লিখিকাৰ হাতে-লিখা অৱস্থাত পৰি থকা উপযুক্ত পুথি প্ৰকাশৰ বাবে আৰ্থিক সহায় দিছে তাৰ ভিতৰত আছে—হৰকান্ত সদৰামীনৰ 'সদৰামীনৰ আত্মজীৱনী', থানেশ্বৰ হাজৰিকাৰ 'দীনদুখী', জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জ্যোতিৰ্ধাৰা', কাব্যভাৰতী ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ 'জীৱন-তৰী', হৰেশ্বৰ শৰ্ম্মাৰ 'বস্ত্ৰ-শিল্পৰ ইতিহাস' আৰু কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈদেৱৰ 'তীৰ্থযাত্ৰী' আৰু 'হাতেম তাই'।

জ্যোতিধাৰাত ঘাইকৈ স্বৰ্গীয় জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে বিভিন্ন সভা-সমিতিত দিয়া বাছকবনীয়া ভাষণ কেইখনমান আৰু কেইটামান প্ৰবন্ধ সংগৃহীত হৈছে আৰু প্ৰকাশন পৰিষদৰ অৰ্থ-সাহায্যত প্ৰকাশ হৈছে। আশা কৰোঁ জ্যোতিধাৰাই অসমীয়া পঢ়ুৱৈ সমাজৰ সমাদৰ পাব।

২ অক্টোবৰ '৬১
গুৱাহাটী

শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী
সচিব, প্ৰকাশন পৰিষদ, অসম

## —ঃ জ্যোতি-গ্ৰন্থমালা ঃ—

১। শোণিত-কুঁৱৰী

২। কাৰেঙৰ লিগিৰী

৩। লভিতা

৪। ৰূপালীম

৫। জ্যোতিধাৰা

—ঃ ওলাবলগীয়া ঃ—

৬। ৰূপকোঁৱৰ ( নাট )

৭। জয়মতী ( নাট )

৮। জ্যোতি-সাতেশৰী ( চুটি গল্প )

৯। চন্দ্ৰকুমাৰ ( জীৱনী )

১০। লুইতৰ পাৰৰ অগ্নিসুৰ ( কৱিতা )

১১। জ্যোতি-সঙ্গীত ( গীত )

১২। জ্যোতি-ৰামায়ণ ( শিশু-কৱিতা )

পুঃ—আৰু কাৰোবাৰ হাতত কিবা থাকিলে সোঁৱৰণী-সন্থাৰ সম্পাদিকা নামত পঠাওক।

**জ্যোতিপ্ৰসাদ সোঁৱৰণী সন্থা**

তেজপুৰ

# উপহার

..................................................

..................................................

..................................................

....................  ....................



লুইতৰ পাৰৰ আমি ডেকা লৰা
মৰিবলৈ ভয় নাই।

মুকুতি-মেধৰ মহান মেজিত
নেজাল ফিৰিঙতি ছাই
পুৰোহিতো যদি থিতাতে আঁতৰি
ত্ৰাসতে মূৰ্চ্ছা যায়,
আমি আগবাঢ়ি ডিঙি পাতি পাতি
তেজেৰে বলিশাল যামে বোলাই।

তাহানি লাচিতে এৰি থৈ যোৱাৰে
পৰা জননী তোৰ—
লঘু-লাঞ্ছনাৰ দুখে-বেজাৰৰ
আজিও নপৰিল ওৰ।

কোনো কাপুৰুষ পুৰুষে সহিলেও
আমাৰ নসহে গাই
আজিৰ ডেকা লৰাই জীৱন পণ কৰিছে
মোহাৰ চকুলো কলিজাৰ আই!

—জ্যোতিপ্ৰসাদ

# —ঃ জ্যোতির্ধাৰা ঃ—

# সূচী-পত্ৰ



| প্ৰবন্ধ | | পৃষ্ঠা |
|---|---|---|
| ১। | শিল্পীৰ পৃথিৱী | ১ |
| ২। | নতুন দিনৰ কৃষ্টি | ৫০ |
| ৩। | নতুনৰ পূজা | ৬২ |
| ৪। | পোহৰলৈ | ৭২ |
| ৫। | আইদেউৰ জোনাকী-বাট | ৮৩ |
| ৬। | অসমৰ ফিল্ম-শিল্প | ৯৩ |
| ৭। | অসমীয়া স্থাপত্যৰ নৱৰূপ | ১০০ |
| ৮। | অসমায়া সঙ্গীতৰ ধাৰা | ১১৫ |
| ৯। | প্ৰাগজ্যোতিকা | ১১৮ |
| ১০। | ঢেকিয়াজুলি | ১২৪ |
| ১১। | তৰুণ-তৰ্পণ | ১৩১ |
| ১২। | বেজবৰুৱা প্ৰতিভা | ১৩৮ |




জন্ম ১৯০৩ চন

মৃত্যু ১৯৭১ চন





# জ্যোতিৰ্ধাৰা

## শিল্পীৰ পৃথিৱী

এই শিৱসাগৰত, মহামহীয়সী জয়মতীয়ে য'ত আত্মশক্তিৰে এক শক্তিশালী ৰাষ্ট্ৰশক্তিৰ অন্যায় দুৰ্নীতি ব্যৰ্থ কৰি পৃথিৱীৰ বুৰঞ্জীত এক অভূতপূৰ্ব্ব দুষ্কৃতি প্ৰতিৰোধৰ মহান চানেকি জিলিকাই থৈ গ'ল, এই শিৱসাগৰ যিখনি চহৰে আজিও অসমৰ পুৰণি গৌৰৱ কোলাত লৈ অসমীয়া সংস্কৃতিৰ এতিয়াও সেউজীয়া হৈ থকা প্ৰাণক নৱোন্মেষৰ প্ৰেৰণাৰে উজ্জীৱিত কৰি ৰাখিছে, যি শিৱসাগৰৰ এই মাটিত, এই দিখৌৰ পাৰত জন্ম লভা মোৰ মাতৃ কিৰণময়ীয়ে পৃথিৱীৰ পোহৰৰ মুখ দেখুৱাই মোক পোহৰৰ মন্ত্ৰ দি গ'ল -সেই মোৰ পুণ্যতীৰ্থ শিৱসাগৰলৈ, শিল্পীৰ মাজলৈ, আজি মই মোৰ প্ৰাণৰ, মোৰ মনৰ, মোৰ সপোনৰ, মই কল্পনা কৰা নতুন পৃথিৱীৰ দিঠকৰ কথাটো কবলৈ আহিলোঁ।

সদায়েই ভাবি আছিলোঁ, যি সপোন সি মাথোন সপোন হৈয়েই তৰাৱলী আকাশত উৰি ফুৰিব। নিশা আকাশত নীহাৰিকা দেখি ভাবোঁ, সি এটা কাৰোবাৰ জ্যোতিৰ্ম্ময় সুন্দৰ সপোন, আকাশে আকাশে বিয়াকুল হৈ উৰি ফুৰিছে। সেই জ্যোতিপুঞ্জত ব্যাকুল হৈ আকাশৰ অনন্ত বুকুত আলোকবাষ্পৰ ৰূপত ভুৱনে ভুৱনে ভ্ৰমি ফুৰাই ভাবিছিলো তাৰ জীৱন বুলি কিন্তু পৃথিৱীৰ এই ধূলি-মাটি, জুই-পানী গণি-পঢ়ি চোৱা বৈজ্ঞানিকে কলে—সেই নীহাৰিকায়েই ৰূপ লৈ মাটি-পানীৰ পৃথিৱী হয়, তাত জীৱনে ৰূপ লয়, তাত জীৱন আকৌ ৰূপান্তৰৰ মাজে মাজে বিকশিত হয়। প্ৰকাশৰ পিছত নতুন প্ৰকাশলৈ জীৱনে কাক বিচাৰি

প্ৰগতিৰ বাটেদি বীণ বজাই যায় ময়ো কব পৰা নাই—আপোনালোকে জানো কব পাৰে ?

সৌ আকাশত নীহাবিকা উৰে
কত জীৱন কত ৰূপৰ
কত গুণৰ
বৰ্ণ-গন্ধ-গানৰ-সুৰৰ
প্ৰকাশ প্ৰেৰণা
মাটি-পানীৰে ৰূপ লবলৈ
বিশ্বভুৱন ঘূৰে।
তাত আশাই কান্দে
ভাষাই কান্দে
তাত হাঁহিয়ে
ওঁঠ বিচাৰি মৰে,
তাত ময়ো আছিলোঁ
মই হবলৈ বৈ,
তাত তোকো দিছিলে নসজাকৈ
নগঢ়াকৈ থৈ ;
তাত সুন্দৰে যে ফুলাৰ মন্ত্ৰ
অহোৰাত্ৰি মাতে,
সেইহে আজি ইমান ফুল
প্ৰভাতে প্ৰভাতে
সেই মন্ত্ৰ শুনি ৰূপত পালোঁ সাৰ
সেই মন্ত্ৰ শুনি
মোৰ লগৰী
হাঁহি জাগিল,
মোৰ জীৱনৰ বাঁহী জাগিল,
জাগিলে সংসাৰ।

তেন্তে সপোন কালত দিঠক হৈ যায়। নৈ সাগৰলৈ যেনেকৈ বিয়াকুল হৈ দুৰ্নিবাৰ হৈ বৈ যায় সেই দৰে সপোন হাবাথুৰি খাই লৰি যায় দিঠকত ৰূপ লবলৈ। সপোনৰ জনমা সাৰ্থক হয় যেতিয়া সি ৰূপ পায় দিঠকত। এই পৃথিৱীখনো এদিন আছিল সপোন। সি নেদেখা ৰূপৰ পৰা লাহে লাহে আলোক-বাষ্পৰ ৰূপ লৈ নীহাৰিকা হৈ, তাৰ পিছত মাটি-পানীৰ ৰূপ লৈ ফুলে-পাতে, পশু-পতঙ্গে, চৰাই-চিৰিকটিৰে মানুহৰে, ফলে-শস্যে, সভ্যতাই-সংস্কৃতিয়ে সংঘাত-বিঘাতৰ দ্বন্দ্ব বুকুত লৈ সূৰ্য্য প্ৰদক্ষিণ কৰিব লাগিছে। ময়ো মানুহটো এদিন আছিলোঁ। কাৰোবাৰ কল্পনাৰ খোঁটালীত। আছিলোঁ মই সপোন হৈ। আপোনালোকো আছিল সপোন হৈ। আজি আমি ৰূপান্তৰৰ মাজেদি আহি তেজ-মঙহত ৰূপ লৈ, এই পৃথিৱীত, এই চহৰৰ এই ৰভাৰ তলত বহি আকৌ সপোন দেখিছোঁ আৰু এক মানুহৰ জীৱনৰ ৰূপান্তৰৰ। এই সপোনক দিঠকলৈ নিবলৈ বিচাৰিছোঁ নতুন উপায়। মানুহ আমি কোনোবা কালৰ সপোন দিঠক হৈ আকৌ ভৱিষ্যতৰ দিঠকৰ সপোন দেখিছোঁ। এই পৃথিৱীত আমি সপোনকেই হাতে-কামে দিঠকত পৰিণত কৰিবলৈ মেলা পাতিছোঁ। এযুগৰ সপোন এযুগৰ ধূলি-মাটিত ৰূপ লৈ জ্বলি উঠে। এযুগৰ দিঠক অতীতৰ পাহৰণিৰ খোঁটালীলৈ সপোন হৈ উৰা মাৰে। পৃথিৱীৰ জীৱনৰ নৱতম পৰিকল্পনা সপোন হৈ মানুহৰ মনত থিত লৈ তাৰ জ্ঞান, বুদ্ধি, মেধা, মনীষা, প্ৰতিভা আৰু কৰ্ম্মৰ মাজেদি ওলাই পৃথিৱীৰ বুকত ফুলি উঠি আকৌ নতুনৰ কাৰণে ঠাই উলিয়াই জহিখহি গুচি যায়। এইদৰেই পৃথিৱীৰ সপোন দিঠকলৈ ৰূপান্তৰিত হৈ যাব লাগিছে। আকাশৰ সপোন মাটিত নামিছে। মাটিৰ সপোন দিঠক হৈ আকাশলৈ উৰা মাৰিছে। সপোন দিঠকৰ এই মনোময় খেলা। এই খেলাকে খেলিবলৈ আহিল মানুহ। মানুহ হৈছে সপোনক দিঠকলৈ পৰিণত কৰা শিল্পী। সেইহে মই মানুহ—মই শিল্পী। আপোনালোক মানুহ—আপোনালোক প্ৰত্যেক জনেই শিল্পী। পৃথিৱীখন শিল্পীৰ ঘৰ, শিল্পীৰ

কাৰখানা আৰু শিল্পী সাংস্কৃতিক সম্পদৰ প্ৰদৰ্শনী। ইয়াকে শিল্পীয়ে— আজি নিখিল পৃথিৱীৰ শিল্পীয়ে—মানুহক উপলব্ধি কৰাব লাগিব। প্ৰতি জনৰ বুকুত এই শিল্পীটোক তাৰ পূৰ্ণ ৰূপত জ্বলাই জ্বলাই জগাই তুলিব লাগিব। আজি শিল্পীৰ সাধনা হ'ব লাগিব সেয়েই। আৰু শিল্পীয়েই কলা-কুশলতাৰ নিপুণতাৰে চিত্ৰলেখাই উষাৰ সপোন দিঠকলৈ পৰিণত কৰাৰ দৰেই শিল্পীৰ আজি পুৰতিৰ অৰুণ দিঠকলৈ ৰূপান্তৰিত কৰিব লাগিব। আনন্দৰ বীণৰ ঝঙ্কাৰ সেই পৃথিৱীতে বাজি উঠিব। জগতৰ নিমাতী কইনা শান্তিয়ে সেই দিনাহে পৃথিৱীত হাঁহিব- যিদিনা বিশ্বজনতাই ৰূপকোঁৱৰ হৈ সাৰ পাই উঠি নিমাতীৰ কণ্ঠত অভিনৱ গান আৰু সুৰৰ বোধন কৰিব সেই কাৰণে পৃথিৱীৰ শিল্পীদলে আজি নিজৰ চাকিটোৰে জনতাৰ প্ৰত্যেক জনৰ অন্তৰৰ শিল্পীৰ চাকিটো জ্বলাই দি পৃথিৱীৰ জনতাকে সেই শিল্পীৰ পৃথিৱী গঢ়িবলৈ সমৱেত কৰোৱাই লব লাগিব। নতুন বিশ্ব গঢ়িবলৈ বিশ্ব-শিল্পীক জগাই তুলিব লাগিব।

শত যুগৰ কত চাকি
জ্বলাই আহিলি,
আপোনাৰ আনন্দতে নিজে হাঁহিলি,
নিজৰ তই চকুপানী নিজে মচিলি।
শিল্পী মোৰ মনৰে তই—
শিল্পী মোৰ প্ৰাণৰে তই—
শিল্পী মোৰ গানৰে
সুৰৰে
ছবিৰে
ৰূপৰে তই জুই জ্বলালি
নিত্য নতুন হবিৰে
চিনাকি তোৰ যুগ যুগৰে
ৰবিবে।

আজিৰ দিনা
নেমানি মনা
সখি পতালি
বিপ্লৱী মোৰ কৰিৱে।
আজি জাগিল জন শতান্ধা
আহ অ' যত আলোকবাদী
অপ্রমাদী
পোহৰৰে
জোনাকী বসন্ত জগাই,
জ্বলা, জ্বলা
শিল্পী অ' মোৰ
বিশ্বদিপালী
জ্বলা—

মানুহৰ বুৰঞ্জীৰ আদি পাততেই দেখোঁ যে মানুহ পৃথিৱীলৈ আহি প্রথমেই পশুৰ লগৰ এক পশু হৈ তাৰ জীৱিকা প্রয়াস কৰিছে। প্রকৃতিৰ, বতাহ-বৰষুণৰ পৰা নিজৰ দেহ ৰক্ষা কৰিবলৈ খেৰকুটাৰে ঘৰ সাজিবলৈ প্রয়াস পাইছে। প্রকৃতিয়ে দিয়া ফল-মূল আৰু শিলৰ খোৰোং, পৰ্ব্বতৰ গুহা, বৰ গছৰ তল এৰি সি তাৰ মনটো ব্যৱহাৰ কৰিবলৈ ধৰিলে। মানুহৰ মনটোৰে যে প্রকৃতিয়ে পোনপটীয়াকৈ নিদিয়া নতুন বস্তু, খাবলৈ থাকিবলৈ কৰি লব পাৰে এই কথাটো সি প্রথমে বুজিলে যে মনটো মানুহৰ প্রধান অস্ত্র—উপায়, নতুন সৃষ্টি কৰাৰ। তেতিয়াৰ পৰাই সি তাৰ আদিম ধৰণেৰে চিন্তা কৰি এই মনৰ উৎকৰ্ষৰ বাবে চেষ্টা কৰিলে নজনাকৈয়ে। আদিম কৃষ্টি আৰম্ভ হ'ল। সি সৃষ্টিক ৰক্ষা কৰিবলৈ আৰু সৃষ্টি কৰিবলৈ অস্ত্র গঢ়িবলৈ লাগিল। সৌন্দৰ্য্য, ভালপোৱা আৰু সৌন্দৰ্য্যলৈ পিয়াহো তাৰ গাতেই আহিছিল লাগি—পেটৰ ভোক-পিয়াহৰ দৰেই। সি ফল-মূল খাই, বনৰ ফুল-পাত লৈ, জুৰিটিৰ উফৰি পৰা বগা ফেনসোপালৈ চায় আৰু তাৰ কুলকুলনি

শুনে, নীল আকাশত মনটো উৰি ফুৰে, তেতিয়াহে তাৰ সোৱাদ ফলমূল খাই পোৱা তৃপ্তিৰ পূৰ্ণ তৃপ্তি হয়। এই যে মানুহৰ খাই-বৈ তৃপ্তি পোৱাৰ পিছতো জীৱনৰ আনন্দ পূৰ্ণ কৰিবলৈ মধুৰ দৰ্শন, মধুৰ শ্ৰৱণ তাক লাগে—এই যে পেটৰ ভোক-পিয়াহৰ দৰেই তাৰ এই স্বাভাৱিক সৌন্দৰ্য্যমুগ্ধতা- সৌন্দৰ্য্যৰ বাবে হেপাহ—এই হেপাহতেই আছিল সংস্কৃতিৰ নীহাৰিকাৰ ৰূপ। এই হেপাহৰ বাবেই মানুহ পশুতকৈ হল বেলেগ। এনেযে মানুহে পশুৰে এক। কৃষ্টিযে-সংস্কৃতিযে তাক কৰিলে বেলেগ। সেই কাৰণেই আদিম সৃষ্টিতেই জনম পাই চকুত ওপজোতেই সৌন্দৰ্য্যৰ কাজল পিন্ধি অহা মানুহটো শিল্পী। সি শিল্পী হৈযেই কাম কৰিছে। তাৰ জীৱনত অকল সৌন্দৰ্য্যৰ বিলাস—আন কি সি জীৱন ধাৰণ কৰিবলৈ সৃষ্টি কৰা লাগতিয়াল সামগ্ৰীতো সৌন্দৰ্য্য প্ৰযোগ কৰিছে। খোৱা-বোৱা, পিন্ধা-উৰা, থকা-মেলাত, কেৱল তাক আৱশ্যকতাৰ ফালৰ পৰা সৃষ্টি কৰাৰ লগে লগে দেখিবলৈকো সি ভাল কৰি লৈছে। খোৱা লাৰুটো অকল খাবলৈ ভাল হলেই নহব। তাৰ গঢটো দেখিবলৈ ভাল হব লাগিব, তাৰ বৰণটো হব লাগিব মনত আনন্দ দিয়া, তাৰ গোন্ধটোও মন আমোলোৱা হব লাগিব। ঘৰটো কেৱল ৰ'দ-বৰষুণৰ পৰা আশ্ৰয় দিয়া হলেই নহব, সি হব লাগিব মনমোহা। পিন্ধা কাপোৰে কেৱল লাজ গুচালেই নহব, জাৰ গুচালেই নহব, সি দেহৰ ৰৌপিক সৌন্দৰ্য্যৰ গৌৰৱ বঢাব লাগিব, জেউতি চৰাব লাগিব। মানুহৰ শৰীৰৰ সৌষ্ঠৱৰ সৈতে বস্ত্ৰ-সৌন্দৰ্য্য লগ খাই এটা নতুন ৰূপ ফুটাব লাগিব। মানুহে আৱশ্যকতাৰ সৈতে সৌন্দৰ্য্যক এনেকৈ একেলগে বিচাৰিছে যে মানুহৰ জীৱনৰ সৌন্দৰ্য্যও অতি আৱশ্যকীয় জীৱন-প্ৰয়াস হৈ পৰিছে। মানুহৰ জীৱনত কেৱল আৱশ্যকতাক ৰাখি সৌন্দৰ্য্যপ্ৰয়োগক যদি বাদ দিয়া যায় তেন্তে বোধকৰোঁ মানুহৰ জীৱনৰ সকলো মধুৰতা নাশ পাব। মানুহ মাত্ৰ এটা বুদ্ধিৱান পশুৰূপেহে পৃথিৱীত থাকিব। জিভাৰ সোৱাদ আৰু জননক্ৰিয়াৰ পুলকৰ বাহিৰে তাৰ আন একো জীৱনৰ আনন্দ পাবলৈ

বাট নেথাকিব। সেই কাৰণেই মানুহৰ জীৱনত সংস্কৃতি আছে দেখিয়েই আৰু মানুহ স্বভাৱতেই সংস্কৃতি গঢ়া শিল্পী দেখিয়েই আজিৰ মানুহ মানুহ। সজ্ঞানে বা অজ্ঞানে মানুহ শিল্পী দেখিয়েই মানুহ। তথাপিও এতিয়াও মানুহ পূৰ্ণমানুহ হব পৰা নাই কাৰণ সি তাৰ শিল্পীৰূপ উপলব্ধি কৰিব পৰা নাই। সি তাৰ শিল্পীৰূপ উপলব্ধি কৰিলেই তাৰ জীৱন যে অপৰিচ্ছিন্ন তাক বুজি সি সংস্কৃতিকো জীৱনৰ প্ৰত্যেক কথাতেই প্ৰয়োগ কৰি তাক স্থায়ী কৰাৰ উপায় বিচাৰিব।

তাৰেই চেষ্টা চলিছে—হেজাৰ হেজাৰ বছৰ ধৰি উত্থান-পতনৰ মাজেদি। কিন্তু আজিও আমাৰ শিল্পীৰূপে পূৰ্ণ প্ৰকাশ পাব পৰা নাই, সংস্কৃতিৰ সম্পূৰ্ণ বিকাশ হোৱা নাই। মানুহে মনৰ উৎকৰ্ষ সাধন কৰি যিবোৰ জীৱনধাৰণৰ বাবে আৰু জীৱনত আনন্দ পাবৰ কাৰণে, খোৱামেলা থকাৰ পিন্ধাৰ বাবে আৰু সৌন্দৰ্য্য-পিয়াহ পলুৱাবলৈ বস্তু সৃষ্টি কৰিছে—শিল্পপ্ৰচেষ্টা, কলাপ্ৰচেষ্টা আৰু সুকুমাৰ কলাপ্ৰচেষ্টাৰ যোগেদি। তাৰ উপৰিও মানুহে তাৰ স্বভাৱতে পোৱা মনটোৰো এটা সাংস্কৃতিক ৰূপ দিবলৈ বিচাৰিও আজি হেজাৰ হেজাৰ বছৰ ধৰি চেষ্টা কৰি আহিছে। মনৰ সংস্কৃতিৰ সম্পূৰ্ণ ৰূপৰ আধাখিনি ওলায় বাহিৰৰ বাস্তৱিক আৰু অবাস্তৱিক সাংস্কৃতিক সম্পদত—যেনে সুকুমাৰ কলা। সুকুমাৰ কলাৰ ভিতৰত কৱিতা, সঙ্গীত। কোনো বস্তুৰ আলম নোলোৱাকৈ হোৱা দেখিলেও কৱিতা মানুহৰ কণ্ঠৰ শব্দৰ যোগেদি বা লিখা আখৰৰ যোগেদিহে ভাষাৰ মাজেদি প্ৰকাশ পাই মানুহৰ ইন্দ্ৰিয়-গ্ৰাহ্য হয়। সঙ্গীতো সেইদৰে কণ্ঠৰ পৰা ওলোৱা শব্দ বা যন্ত্ৰৰ পৰা ওলোৱা শব্দ বা আনভাৱে আহত হোৱা শব্দৰ পৰা হৈ এক ৰকমে বস্তুৰ যোগেদিহে প্ৰকাশিত হব পাৰে। আলেখ্য, ভাস্কৰ্য্য সি মনৰেই প্ৰতিবিম্ব আৰু স্থাপত্য তেনেই বাস্তৱিকেই যাৱতীয় জীৱন ধাৰণৰ, জীৱনৰ আন প্ৰকাৰ সকলো সজুলিয়েই, সম্পদেই বাস্তৱৰ বুকুত মনৰ সৃষ্টি। মানুহৰ মনটো মানুহৰ হাতৰ আঙুলিমূৰেদিহে যেনিবা বৈ ওলাই গৈ বেলেগ বেলেগ হাথিয়াৰ আৰু হাথিয়াৰৰূপী যন্ত্ৰৰ

যোগেদি মানুহৰ সকলো সম্পদ সৃষ্টি কৰি ফুৰিছে। মনটোৱে এই বাস্তৱক ৰূপ দিয়াৰ লগে লগে তাৰ পৰিপাটিত্বও ৰচনা কৰিছে আৰু সেইবোৰক জীৱন নিৰ্ব্বাহত লগাই তাৰ সম্পূৰ্ণ মূল্য আদায় কৰিবলৈ তাৰ পৰা আৱশ্যকীয়তাৰ আৰু আনন্দ পোৱাৰ সকলোখিনি উপভোগ কৰিবলৈ তাক সুশৃঙ্খলিত আৰু সুনিয়ন্ত্ৰিত কৰিছে। এই সাংস্কৃতিক সম্পদবোৰ মানুহে উপভোগ কৰি শান্তিৰে জীৱন যাপন কৰিবলৈ হলে মানুহৰ মনটোৰ এটা সাংস্কৃতিক ৰূপ দিব লাগিব। নহলে মানুহে স্বভাৱতে পোৱা মনটোৰ ভিতৰত যেনেকৈ উৎকৰ্ষণৰ আৰু সৃষ্টিৰ মনীষা প্ৰতিভা, কল্পনা, ভাব চিন্তা আছে সেইদৰে মানুহৰ পশু প্ৰকৃতি আৰু কাম, ক্ৰোধ, লোভ, মোহ ৰিপুবোৰ আছে। সংস্কৃতিৰ সকলো সমল থকাৰ লগে লগে মনটোৰ ভিতৰত দুষ্কৃতিৰ সমলো আছে। হয়তো এই দুয়োটাৰ সংঘাততহে মানুহৰ মানসিক গতিশীলতা জাগি উঠে। এই কথাৰ বিষয়ে আমি মনোবিজ্ঞানৰ আৰু উন্নতি হলেহে কব পৰা হমগৈ। নাইবা আমাৰ পুৰণি শাস্ত্ৰত এই বিষয়ে কোৱা কোনো শ্লোকাৱলীৰ গূঢ়াৰ্থ ভেদ কৰিব পাৰিলেও বুজিব পৰা যাব। আমি ভাৰতীয় এটা নিজৰ সংস্কৃতিৰ অৰ্থ হেৰুৱাই ভ্ৰান্তিৰ খালত পৰি মৰা জাতি। আজি আমাৰ সংস্কৃতিৰ অৰ্থ বিচাৰি উলিয়াব লাগিব। মানুহৰ যে এই স্বাভাৱিক মনটোৰ এটা সাংস্কৃতিক গঢ় দিব নোৱাৰিলে সি যে মানুহৰ বাহিৰ সংস্কৃতিকো শান্তিৰে মানুহক উপভোগ কৰি শান্তিৰে থাকিবলৈ নিদিয়ে তাক জগতৰ সভ্যতাৰ বুৰঞ্জীয়ে কৈ আছে। আজিৰ আমাৰ চাৰিওফালে পৃথিৱীৰ ফুটন্ত জীৱনেও কান্দি কান্দি তাকেই কব লাগিছে। আজি আমি মানুহে প্ৰচণ্ড অভূতপৰ্ব্ব শিল্প-প্ৰচেষ্টাৰ যোগেদি, কত জীৱন নিৰ্ব্বাহৰ সম্পদ, কত কত জীৱনত আনন্দ পোৱাৰ সুকুমাৰ সম্পদ সৃষ্টি কৰিলোঁ—বিজ্ঞানে নিতৌ আমাৰ লাগতিয়াল আৰু সৌন্দৰ্য্য-পিয়াহ গুচোৱা, সম্পদেৰে পৃথিৱী ওপচাই দিছে কিন্তু তথাপিও মানুহ জাতিটো সেই আদিম বৰ্ব্বৰৰ দৰেই ইটোৰ ভয়ত সিটো ত্ৰাস্তমান, বাঘে-ঘোঙে বনত ইটোক সিটোৱে লগ পালেই, কামোৰা-কামুৰি

কৰাৰ দৰে ইটো জাতিয়ে, সিটো জাতিয়ে, ইটো সম্প্ৰদায়ে সিটো সম্প্ৰদায়ে পৰস্পৰক ধ্বংস কৰাৰ অভিযানত বলিয়া হৈ যাওঁ। ইয়াৰ কাৰণ আমি বাহিৰা সম্পদক সংস্কৃতি কৰিলোঁ আৰু তাৰ বাকী আধা ভাগ অন্তৰ সংস্কৃতি হয় আওহেলা কৰিছোঁ, নহয় চেষ্টা কৰিও আন্তৰিক দুষ্কৃতিক সাংস্কৃতিক শৃঙ্খলা আৰু নিয়ন্ত্ৰণৰ ভিতৰলৈ আনিব নোৱাৰি ইমান কষ্ট, হেপাহেৰে কৰি লোৱা, গঢ়ি লোৱা সাংস্কৃতিক বাহিৰা সম্পদবোৰ শান্তিৰে উপভোগ কৰিব নোৱাৰি অসহায় হৈ ৰিপুবোৰৰ হাতৰ পুতলা হৈ বলিয়া-নাচ নাচিছোঁ। পৃথিৱীৰ এইটোৱেই আজিও সমাধান নোহোৱা সমস্যা। মানুহৰ এইটোৱেই সমাধান কৰিবলগীয়া প্ৰধান বিষয়। তাকে চেষ্টা কৰি আহিছে জগতৰ মহাগুৰুসকলে - শ্ৰীকৃষ্ণই, যিশুখৃষ্টই, বুদ্ধই, মহম্মদে। তাকেই চেষ্টা কৰিছে মাৰ্ক্সে, লেনিনে, অৰবিন্দই, ৰবীন্দ্ৰনাথে, গান্ধীয়ে, আমাৰ শ্ৰীমন্ত শঙ্কৰে। এই মহামানৱসকল মানুহৰ সংস্কৃতিস্ৰষ্টা। এই সকলৰ ভিতৰত শ্ৰীকৃষ্ণ, মহম্মদে মানুহৰ অন্তৰ আৰু বহিঃসংস্কৃতি দুয়োটাতেই নিজৰ ব্যক্তিত্বৰেও প্ৰকাশ দিছিল। শ্ৰীকৃষ্ণ আৰু শ্ৰীমন্ত শঙ্কৰে, ৰবীন্দ্ৰনাথে সুকুমাৰ কলাতো নিজৰ প্ৰতিভা বিকাশ আৰু প্ৰকাশ কৰিছিল। যিশুখৃষ্ট, অৰবিন্দ, গান্ধীয়ে বিশেষ ভাৱে অন্তৰৰ সাংস্কৃতিক সৌন্দৰ্য্য-প্ৰয়োগত প্ৰাধান্য দিছে কাৰণ অন্তৰ সংস্কৃতি অসম্পূৰ্ণ হৈ থাকিলে বাস্তৱ সাংস্কৃতিক জীৱনো অসম্পূৰ্ণ হৈ থাকিব। মানুহৰ সমস্ত বাস্তৱ জীৱনটো মানুহৰ অন্তৰখনৰ প্ৰতিচ্ছবি। অন্তৰ সংস্কৃতি হৃদয় আৰু মন দুয়োৰে সমানেই বিকাশ হব লাগিব। আমি আমাৰ সংস্কৃতিৰ গুৰুসকলক কোনোৱে কোনোবা ভাগত বিশেষ ভাৱে প্ৰাধান্য দিয়া দেখিবলৈ পাওঁ। ইয়াৰ ফলত পিছত সেই গুৰুৰ শিষ্যসকলে সেই প্ৰাধান্য দিয়াৰ ফালটোক ধৰি আনটোক আওহেলা কৰে আৰু মানৱ সংস্কৃতিৰ সমতা নষ্ট হৈ সংস্কৃতি লুটি খাই পৰে। আজি মানুহে, শিল্পীয়ে কিন্তু এফালে অন্তৰ সংস্কৃতিৰ হৃদিক আৰু মানসিক আৰু আনফালে এই অন্তৰ

সংস্কৃতি প্রতিফলিত হোৱা বস্তু সংস্কৃতি দুয়োটাকে সমানে ধৰিব লাগিব। কাৰণ এটাক ধৰিলে মানুহৰ জীৱনৰ প্ৰকাশ সম্পূর্ণ হব নোৱাৰে। কেৱল অন্তৰ সংস্কৃতি ধৰি সন্ন্যাসী হৈ হিমালয়ত ঘূৰি ফুৰিলে শান্তি পাব পাৰি কিন্তু মানুহক যি বাস্তৱিক সৃষ্টিৰ বাবে এই পৃথিৱীত প্ৰকৃতিয়ে সৃষ্টি কৰিছে সেই মানুহৰ মনটোৰ বাস্তৱিক সৌন্দর্য্যৰ সৃষ্টিৰ প্ৰকাশ এনেয়ে থাকি যাব। আকৌ অকল কেৱল মনৰ বুদ্ধিমত্তাকে লৈ হৃদিক সংস্কৃতি বাদ দিলে দুষ্কৃতিয়ে চল পাই উঠি বল কৰে। কাৰণ কেৱল বুদ্ধিমত্তাৰে যুক্তিৰ সহায়েৰেই সংস্কৃতি দুষ্কৃতিৰ স্বৰূপ চিনিব যে পাৰি এই বিষয়ে মোৰ সন্দেহ আছে। বস্তু সংস্কৃতিত ধৰিলে তেতিয়া হলেই ইখনৰ পিছত সিখন যুদ্ধ পৃথিৱীত চলি থাকি মানুহক তাৰ সকলো মানসিক উৎকৰ্ষ থকা সত্বেও পশু কৰিযেই ৰাখিব। সেই কাৰণেই সংস্কৃতিৰ পূর্ণৰূপ দিব লাগিব আজি মানুহে—তাৰ শিল্পী ৰূপৰ পূর্ণ উপলব্ধি কৰি। আজি অসমৰ শিল্পীযে প্রথমতে দূৰলৈ নগৈ ঘৰতেই এনে সংস্কৃতিৰ পূর্ণ ৰূপ দিওঁতা বা দিবলৈ চেষ্টা কৰোঁতা আৰু যি ঐতিহ্যৰ আদর্শক মানৱ সংস্কৃতিৰ পূর্ণ ৰূপ বুলি আমাক কৈ থৈ গৈছে আৰু নিজৰ জীৱনকেই সেই আদর্শৰ বাস্তৱিক উদাহৰণ স্বৰূপে দেখুৱাই যাবলৈ চেষ্টা কৰি গৈছে—নিজৰ সকলো মনীষা প্রতিভা নিয়োজিত কৰি—সেই জনা অসমীয়া সংস্কৃতিৰ মন্ত্ৰ দিওঁতা, ৰূপ দিওঁতা আমাৰ চিৰনমস্য সংস্কৃতিস্রষ্টা শ্ৰীমন্ত শঙ্কৰদেৱক আমি বুজিবলৈ, তেওঁৰ জীৱনৰ অর্থ উলিয়াবলৈ, তেওঁৰ বাণী উপলব্ধি কৰিবলৈ চাব লাগিব। প্রগতিৰ বৰভেটি হৈছে ঐতিহ্যৰ সত্য। আজি আমাৰ সাংস্কৃতিক প্রগতি আমাৰ অসমীয়াৰ, ভাৰতীয়ৰ ঐতিহ্যৰ সত্যৰ ওপৰত অৱশ্যেই প্রতিষ্ঠিত হবই লাগিব। আজি আমি বিশ্বপ্ৰগতিৰ জোনাকী বাটত লগ পোৱা, গণতন্ত্ৰই হওক, সমাজতন্ত্ৰই হওক, সাম্যতন্ত্ৰই হওক, যিহকেই আমি অভাৰতীয় মনীষা প্রতিভাৰ মনৰ পৰা আনিব খোজোঁ—তাকেই আনি কিন্তু আমাৰ দেশত প্রতিষ্ঠা কৰিব লাগিব আমাৰ ঐতিহ্যৰ

সেই সেই তন্ত্ৰ বিষয়ক সত্যৰ ওপৰতহে। আমাৰ ঐতিহ্যৰ ভিতৰত যি তন্ত্ৰৰ সমৰ্থন নাই, তেনে তন্ত্ৰই আমাক অপকাৰহে কৰিব। ভাৰতীয়ৰ জীৱনে সেই তন্ত্ৰৰ মাজেদি তাৰ স্বাভাৱিক বিকাশ নেপাব। তাৰ মানে আমাৰ মৌলিকতাৰে সমন্বয় কৰিহে আমি বিশ্বমনীষা প্ৰতিভাৰ পৰা ওলাই—সি বিশ্বজনীন সত্য যেতিয়া সি আমাৰো সত্য হ'বই—আমাৰ ঐতিহ্যতো নিশ্চয় সেই সত্যৰ প্ৰকাশ কোনো নহয় কোনো বিভাগত আছেই; হয়তো জীৱনৰ কোনোবা বিভাগত সেই সত্যৰ প্ৰয়োগ নোহোৱাকৈ ৰৈ গ'ল। তাৰ মানে ব্যাপ্তিৰ ফালৰ পৰা সি কিবা কাৰণত অসম্পূৰ্ণ হৈ বল। এতিয়া ভাৰতৰ নতুন সংস্কৃতি গঢ়িবলৈ ওলাওঁতা সামাজিক জীৱনৰ নতুন ৰূপ দিবলৈ বিচাৰোঁতা, এতিয়া নৱ জনজীৱনৰ প্ৰকাশ ৰচোঁতা দৰাটোৱে প্ৰগতিৰ বাটত লগ পোৱা সাংস্কৃতিক নতুন কইনাক আমাৰ ঐতিহ্যৰ সত্যৰ ভেটিত আনি থাপিব পাৰিব লাগিব। সেই ভেটিতেই বহি সেই ভেটিকে আপোন কৰি আৰু তায়ো সেই ভেটিৰেই আপোন হৈ, তাইৰ নতুন দৃষ্টিভঙ্গীৰেই আমাৰ ভাৰতৰ নৱ গৃহস্থালি; ভাঙি-পাতি আজিৰ উপযুক্তকৈ ৰচনা কৰিব লাগিব। নহলে তাই মাত্ৰ অভিসাৰিকাৰ দৰে আমাৰ গুপ্ত-প্ৰণয় পালেও আমাৰ বৰভেটিত তাইৰ ঠাই নহলে তাই আমাৰ গৃহলক্ষ্মীৰূপে স্থান নেপাব।

শ্ৰীমন্ত শঙ্কৰ আমাৰ সংস্কৃতিৰ গুৰু। আজিৰ পৰা পাঁচশ বছৰৰ আগতেই এওঁ আমাক যি সাংস্কৃতিক আদৰ্শ দিলে আজি এই নতুন দিনত আমি সেই সাংস্কৃতিক আদৰ্শকেই ধৰি নতুন দিনৰ নতুন পৃথিৱীলৈ যাত্ৰা কৰিব পাৰিম নে নোৱাৰোঁ? ইয়াকেই আজি শ্ৰীমন্ত শঙ্কৰে দি যোৱা সাংস্কৃতিক আদৰ্শক আমি নতুনৰ পোহৰত সূক্ষ্মভাৱে বিশ্লেষণ কৰি চাই সেই মতেই আগবাঢ়িব লাগিব। সেই কাৰণেই শ্ৰীমন্ত শঙ্কৰে দিয়া সংস্কৃতিটোনো কি তাক আমি বুজিবলৈ প্ৰথমতেই চেষ্টা কৰিব লাগিব। শ্ৰীমন্ত শঙ্কৰে দিয়া সংস্কৃতিৰ নাম হৈছে কৃষ্ণ। কৃষ্ণ শব্দৰ বৈয়াকৰণিক অৰ্থ হৈছে সংস্কৃতি। আজি আমি ভাৰতীয়ই,

য়ুৰোপীয়ই, মঙ্গোলীয়ই, গণতান্ত্রিকে, জনতান্ত্রিকে যাক সংস্কৃতি বুলি কওঁ—পুৰণি ভাৰতত থকা হিন্দু সংস্কৃতি গঢ়া আৰু সেইমতে চলা ভাৰতৰ মানুহখিনিয়ে সংস্কৃতিক কৃষ্ণ বুলি নাম দিছিল আৰু কৃষ্ণ বুলি উপাসনা, পূজা আৰু কৃষ্ণই দেখুৱা আদর্শ মতে মানৱ জীৱনত আগবাঢ়িছিল। ভাৰতত সত্য, ত্রেতা যুগ পাৰ হৈ দ্বাপৰত।আহি ভাৰতীয় সংস্কৃতিয়ে যি ৰূপ ধৰিলে সেই ৰূপটোৱেই হৈছে কৃষ্ণ। এই সেই ভাৰতীয়ৰ মহান ঐতিহ্যকেই সেই ঐতিহ্যৰ কৃষ্ণৰূপী সংস্কৃতিকেই শ্রীমন্ত শঙ্কৰে উপনিষদ ভাগৱতৰ পৰা উলিয়াই আনি অর্থাৎ ব্রাহ্মণ্য সংস্কৃতিকেই সেই যুগৰ উপযোগী ৰূপত আমাক দি থৈ গল আৰু তেওঁ নিজে নিজৰ জীৱনত সেই কৃষ্ণ আদর্শকেই জীৱনৰ তেওঁৰ সকলো ক্ষেত্রতে তেওঁ এটা প্রকাশ দি গল। কৃষ্ণৰ দুষ্কৃতিৰে সংঘর্ষত অহা অর্জ্জুনসাৰথিৰ প্রকাশ শ্রীমন্ত শঙ্কৰদেৱৰ জীৱনত আমি নেদেখোঁ। তথাপিও তেওঁৰ জীৱনত আমি দেখোঁ যে তেওঁৰ জীৱনৰ শেষ ছোৱাত সংস্কৃতিবিৰোধী দুষ্কৃতিয়ে তেওঁৰ সৈতে সংঘাতত আহিছিল আৰু এই সংঘাত তেওঁ কোনো প্রতিৰোধমূলক অভিযানেৰে প্রতিহত কৰিবলৈ যোৱা নাছিল।

জগতৰ সকলো সংস্কৃতি প্রচাৰকে প্রতিৰোধৰ অভিযানত নামিছিল। দুষ্কৃতিৰ দমনৰ বাবে যিশুখৃষ্টই কোনো স্থূল অভিযান কৰা নাছিল, কিন্তু তেওঁ মানুহৰ মন আৰু হৃদয়ক সূক্ষ্মভাৱে তেওঁৰ আত্মোৎসর্গৰ জুইৰে উদীপ্ত কৰাই, দুষ্কৃতিৰ সৈতে তেওঁৰ আদর্শ লোৱাসকলক নিয়োজিত কৰাইছিল। মহম্মদে নিজেই সাংস্কৃতিক অভিযান দুষ্কৃতিৰ বিৰুদ্ধে অহিংস উপায়েৰেই কৰিছিল। বুদ্ধয়ো যিশুৰ দৰেই প্রভাৱ কৰি দুষ্কৃতি নাশ কৰিছিল। সেইদৰে মার্কছ যদিও নিজে সংঘাতলৈ অহা নাছিল তথাপি লেলিনে সেই আদর্শক অহিংস সংঘাতেৰে প্রতিষ্ঠা কৰিলে। যিশু বুদ্ধৰ দৰেই শ্রীমন্ত শঙ্কৰেও নিজে শাৰীৰিক সংঘাতমূলক অভিযানলৈ নাহিল। হেমলেটৰ বিশ্ববিখ্যাত স্বগতোক্তি এইখিনিতে উল্লেখযোগ্য।

দুষ্কৃতিৰ ৰঙ্গভূমি হৈছে মানুহৰ মন আৰু হৃদয়। এই দুই ঠাই অবৰোধ কৰি তালৈ তাৰ উপযোগী অস্ত্ৰ নিক্ষেপ কৰিব পাৰিলেই কাম সিজে যেতিয়া শাৰীৰিক ধ্বংস কিয়? মহাত্মা গান্ধীৰো এয়েই সংঘাত দৰ্শন। কিন্তু মহাত্মা গান্ধীৰ বিশেষত্ব এইখিনিতেই যে তেওঁ শাৰীৰিকেও প্ৰয়োগ কৰিব পৰা আৰু সেই অহিংস অস্ত্ৰ লৈ দুষ্কৃতিক আক্ৰমণ কৰি সংঘাতত আহিব পৰা সক্ৰিয় পজিটিভ এক অভিনৱ উপায় আৱিষ্কাৰ কৰিলে। এই আৱিষ্কাৰ এতিয়াও তেনেয়ে চালুকীয়া। মহাত্মাই যিখন স্বাধীন ভাৰতৰাষ্ট্ৰ আমাক দি গৈছে, তাৰ উত্তৰাধিকাৰী জৱহৰলাল হৈছে। ভাৰতৰ আৰু জগতৰ মহাত্মাৰ প্ৰতি থকা মৰমখিনিৰো জৱহৰলাল আংশিকভাৱে উত্তৰাধিকাৰী হৈছে। কিন্তু গান্ধী-প্ৰতিভাৰ সম্পূৰ্ণ উত্তৰাধিকাৰী তেওঁ নহয়। এইখিনি কথা মই জৱহৰলালক আমাৰ বাইজৰ আগত লঘু কৰিবলৈ কোৱা নাই কেৱল বিশ্লেষণৰ খাতিৰতে কৈছোঁ। জৱহৰলালে কৃষ্ণৰূপী সংস্কৃতিৰ আদৰ্শ মানি চলিছে। অহিংসা যে মানৱৰ মহাদৰ্শ, তাক মানিছে। বাস্তৱ ক্ষেত্ৰত উপায় নেপাই দুষ্কৃতিনাশৰ বাবে সহিংস অস্ত্ৰ লবলগীয়াত পৰিছে। এতিয়া যদি গান্ধীয়ে দি যোৱা অহিংস অস্ত্ৰ দুষ্কৃতি প্ৰতিৰোধ কৰাত আৰু দুষ্কৃতি বিনাশ কৰাত কাৰ্য্যকৰী কৰি বাস্তৱ ক্ষেত্ৰত দেখুৱাব নোৱাৰি তেন্তে গান্ধী, যিশু আৰু বুদ্ধৰ দৰেই মানুহৰ মাত্ৰ ভালপোৱা এটা আদৰ্শ হয়েই থাকিব আৰু পৃথিৱীয়ে আগৰ দৰেই নিজৰ দ্বন্দ্বৰ মীমাংসা সহিংস উপায়েৰেই কৰি গৈ থাকিব,—তাকে নকৰি কৰিব কি? অহিংসাৰে যদি নোৱাৰে সহিংসাৰেই মানুহ বৰ্ত্তিবলৈ বিচাৰিবই। সংস্কৃতি ৰক্ষা কৰিবই। তাৰ মানে ভাৰতীয় সংস্কৃতিৰ এতিয়াও কৃষ্ণ ৰূপেই ভাৰতীয়ৰ কি পৃথিৱীৰ সংস্কৃতিৰেই কৃষ্ণৰূপ। অহিংসা যদিও মহামানৱৰ আদৰ্শ বুলি মানি লৈছে তথাপিও অহিংস অস্ত্ৰৰ কাৰ্য্যকাৰিতা নথকাৰ বাবে অহিংসা প্ৰচাৰ কৰোঁতাজনেও অহিংসাৰ বাণী প্ৰচাৰ কৰিও নিজে হয়তো অস্ত্ৰ নধৰাকৈয়ো থাকিও বাস্তৱ ৰক্ষাৰ বাবে সহিংস সংঘাত সমৰ্থন কৰিবলগীয়া হৈছে। তেন্তে দ্বাপৰৰ

কৃষ্ণৰূপী সংস্কৃতি আজিও সত্য। মাত্র গান্ধীৰ যোগেদি দুষ্কৃতি নাশ কৰিব পৰা অহিংস অস্ত্রৰ যে কার্য্যকৰীৰূপ ওলাব পাৰে তাৰ এটা *বিশ্বাসযোগ্য আভাস ভালকৈ পোৱা গৈছে মাথোন।*

এইখিনিতে 'কৃষ্ণ' যে স স্কৃতিৰ পুৰণি ভাৰতীয় নাম এই বিষয়ে অলপ বহলাই আলোচনা কৰা যাওক। এই আলোচনা মই কোনো পাণ্ডিত্যৰ অভিমানেৰে কৰিবলৈ যোৱা নাই। পুৰণি শাস্ত্রত মই বিদগ্ধ পণ্ডিত নহওঁ। মোৰ মাথোন এটা শিল্পী মন আছে। এই মনটোৰে, মোৰ প্ৰাণটোৰে মই জীৱনৰ অর্থ বুজিবলৈ চেষ্টা কৰোঁ। মোৰ মনটোক স্বাধীন ভাৱে শাস্ত্রৰ কথাবোৰ বুজিবলৈ সুবিধা দিছোঁ আৰু যি বুজোঁ তাকে বাস্তৱৰ সৈতে ৰিজাই উপলব্ধি কৰিবলৈ বিচাৰি যি পাওঁ তাকে একো আৰবেৰ নৰখাকৈয়ে অন্তৰৰ উপলব্ধিটো নির্ভয়ে নিঃসঙ্কোচে যেয়ে মোৰ কথা শুনিবলৈ মাতে তাৰে আগত কওঁ।

পুৰণি ভাৰতৰ আৰ্য্যৰ উৎকর্ষিত মনটোৱে, এই বিশ্বজগতৰ মানুহৰ জীৱনৰ বিষয়ে যিটো মহাসনাতন সত্য বুলি উপলব্ধি কৰিলে তাকেই কৃষ্ণৰ ভুৱনমোহন চিৰসুন্দৰ মূৰ্ত্তিত থাপনা কৰিলে। কৃষ্ণৰ যি মানৱী লীলাৰ জীৱন সি সেই উপলব্ধিৰ বাস্তৱিক জীৱনৰ উদাহৰণ। ই ৰূপক। এই কৃষ্ণ আৰু কৃষ্ণৰ জীৱনক আমি ৰূপক হিচাপে ললেও আমাৰ কাম সিজে আৰু ৰূপক হিচাপে নলৈ ঐতিহাসিক বুলি ললেও একো ক্ষতি নাই। কৃষ্ণ ৰূপকো হব পাৰে আৰু ঐতিহাসিকো হব পাৰে নাইবা দুয়োটায়েই হব পাৰে। কৃষ্ণ বুলি ঐতিহাসিক এনেকুৱা এজন ব্যক্তি হয়তো আছিল যাৰ জন্মত, জীৱনত, যাৰ মনীষা প্রতিভাত, যাৰ চিন্তাত, মানুহৰ এই পৃথিৱীৰ জীৱনৰ যি সত্যৰূপ, যিটো সত্যৰ ওপৰতেই নির্ভৰ কৰি অন্ধকাৰ জয় কৰি মানুহৰ আলোকময় জীৱনৰ বিকাশ আৰু প্রকাশ হৈ আহিছে আৰু যুগে যুগে মাত্র ৰূপান্তৰ হৈ সেই সত্যৰ ওপৰতেই প্রতিষ্ঠিত হৈ জীৱনে জীৱনে প্ৰকাশ আৰু বিকাশ পাই যাব, তেওঁৰ জীৱনত সেই মানুহ জীৱনৰ সত্যটো সম্পূর্ণৰূপে

প্ৰতিফলিত, সেইহে তেওঁক প্ৰতীক কৰি ললোঁ। আৰ্য্যৰ বেদবেদান্ত উপনিষদৰ চিন্তা, জ্ঞান, ধ্যান মানৱ প্ৰকৃতিৰ বিষয়ে অভ্ৰান্ত। সুগভীৰ অভিজ্ঞতা, জাগতিক সকলো বিষয়ৰেই হেজাৰ হেজাৰ বছৰ ধৰি নিভুৰ্ল অভিজ্ঞতাৰ পৰা হোৱা চূড়ান্ত সিদ্ধান্ত হৈছে কৃষ্ণ! মানুহ জীৱনৰ মহাঅৰ্থ হৈছে কৃষ্ণ। কৃষ্ণ যি সত্যৰ প্ৰতীক সেই সত্যৰ ওপৰতেই আৰ্য্যৰ আন্তৰিক আৰু বাস্তৱিক জীৱন প্ৰতিষ্ঠিত। সেই সত্যৰ আলোকতে জীৱন নিয়ন্ত্ৰিত আৰু তাত যদি কিবা অসম্পূৰ্ণতা আছে তাকেই পূৰ্ণ কৰিবলৈ মানৱৰ প্ৰগতি যাত্ৰা। কৃষ্ণৰ জীৱনত কৃষ্ণই এই আলোকযাত্ৰী মানৱৰ জীৱনাদৰ্শক বাস্তৱত প্ৰতিফলিত কৰিছে। মানুহৰ এই যিটো জোনাকী বাটৰ জীৱনযাত্ৰাৰ কাৰ্য্যকৰী আদৰ্শ সেইটোৱেই মানুহৰ সংস্কৃতি। এই সংস্কৃতিৰ আদৰ্শেৰে আমি জীৱনৰ যি বাস্তৱত সম্পাদিত প্ৰকাশ মাটি-পানী ধূলি-বালিৰে দিওঁ, তাৰ কেৱল লাগতিয়াল ভাগটোক সভ্যতা বুলিব পাৰোঁ আৰু য'ত সজ্ঞানে সৌন্দৰ্য্য প্ৰয়োগ কৰোঁ আৰু যিখিনি কেৱল সৌন্দৰ্য্যৰ পিয়াহ-ভোক গুচাবলৈ সৃষ্টি কৰোঁ। আৰু লাগতিয়াল সকলোতেই, বস্তুৱেই হওক বা নীতিয়েই হওক বা প্ৰণালীয়েই হওক, জীৱন নিৰ্ব্বাহৰ তাক ডুস্কৃতিৰ পৰা মুক্ত কৰি ৰাখি সুন্দৰ কৰিবলৈ যাওঁ অৰ্থাৎ তাৰ পৰা পাবলগীয়া উপকাৰৰ ফাল্লৰ পৰা তাক সম্পূৰ্ণ কৰিবলৈ যাওঁ, সিয়েই সংস্কৃতি প্ৰচেষ্টা আৰু এই সংস্কৃতি প্ৰচেষ্টাৰ ফলেই সংস্কৃতি। সংস্কৃতি-পোহৰ। সংস্কৃতি সুন্দৰ। এই সংস্কৃতিকেই আৰ্য্যই কৃষ্ণ ৰূপত জীৱনত প্ৰতিষ্ঠা কৰি মানৱৰ আদৰ্শ কৰিলে। সেই কাৰণেই কৃষ্ণক ঈশ্বৰো বুলিছে। মানৱ সংস্কৃতিয়েই যে কৃষ্ণ এইটো কৃষ্ণৰ ব্যক্তিৰূপী জীৱন সাধুটো আমি পৰীক্ষা কৰি চালেই ওলাই পৰিব।

পাশ্চাত্য জগতে মানৱ জীৱনৰ ৰহস্যৰ যি 'নীলা চৰাই'টো যাক তেওঁলোকে ধৰি ৰাখিব পৰা নাই বা যি ধৰা পৰিও আকৌ আন এখন ৰহস্যময় ঠাইলৈ উৰা মাৰে, সেই নীলা জীৱন-ৰহস্যটো আৰ্য্যৰ উপনিষদত আহি ধৰা দিছিল একে বাৰেই মানুহে বুজিব পৰা বাস্তৱৰ

মানুহৰ ৰূপতেই, কৃষ্ণ ৰূপেৰে। মেটাৰলিঙ্কৰ সেই মানুহৰ জীৱনৰ ৰহস্যটোৰ প্ৰতীক চৰাইটো নীলা কৰিছে এই বাবে যে আকাশৰ বৰণ নীলা। পৃথিৱীক আমি বুজিছোঁ কিন্তু আকাশ চিৰৰহস্যময়ী। মানুহৰ কাৰণে চিৰৰহস্যৰূপী আকাশৰ বৰণ নীলা দেখিয়েই সেই জীৱন ৰহস্যৰ চৰাইটো নীলা। আৰ্য্যৰ জীৱন-ৰহস্য সেই কাৰণে কৃষ্ণৰ বৰণ নীলা আকাশৰ দৰেই। পাশ্চাত্যত কিন্তু নীলা চৰাই আজিও ধৰিব পৰা নাই তিলতিল আৰু মিতিলে। কিন্তু হেজাৰ হেজাৰ বছৰৰ আগতেই ভাৰতৰ উপনিষদৰ মনীষাৰ নিমন্ত্ৰণত জীৱনৰ নীলা ৰহস্যই কৃষ্ণৰূপ লৈ অন্তৰৰ থাপনাত আহি বহি বজালেহি মোহন বাঁহী। বাস্তৱত মানুহৰ আদৰ্শ জীৱনৰ চানেকি দেখুৱাই, কুৰুক্ষেত্ৰত দুষ্কৃতিৰে কি প্ৰণালীৰে সংঘাত কৰিব লাগিব আৰু সেই সংঘাতৰ মাজতো সংস্কৃতিয়ে বা পোহৰৰ আদৰ্শ লোৱা মানুহে কিদৰে ব্যৱহাৰ কৰিব লাগিব তাকো দেখুৱাই মানুহৰ বিশ্বজীৱনৰ, বিশ্বপ্ৰাণৰ সৈতে কি সম্বন্ধ আৰু তাৰে সৈতে কেনেকৈ যোগাযোগ কৰি মানুহৰ জীৱনৰ সম্পূৰ্ণ প্ৰকাশ বিকাশ দিব পাৰি বাস্তৱিকে আৰু আন্তৰিকে এই সকলো দেখুৱাই দিলে। আমি আনি পোহনীয়া কৰা নীলা চৰাই আমাৰ সংস্কৃতিৰ বৰফুলনিত থাকে কিন্তু তাৰ আৰু আমি গান নুবুজা হলোঁ। তাৰ গাত বিচিত্ৰ বৰ্ণেৰে লিখা সুন্দৰৰ হাতৰ আখৰ আমি পঢ়িব নোৱাৰা হলোঁ। আমাৰ নীলবৰণীয়া মুখৰ মোহন বাঁহীৰ কৃষ্ণৰ আমি নাচৰ অৰ্থ নুবুজা হলোঁ। বাঁহীৰ ফুটাত আমি মলি ভৰাই তাৰ ধ্বনি বন্ধ কৰিলোঁ। আজিও কৃষ্ণৰ জীৱনী মহাভাৰতত ৰূপ সলাই সলাই যুগে যুগে পৃথিৱীৰ মানৱ জীৱনত প্ৰকাশ পাব লাগিছে। পৃথিৱীৰ প্ৰতি যুগেৰেই ইতিহাস মহাভাৰতেই। সেই একে আৰম্ভ—একে দ্বন্দ্ব—একে পৰিণতি—মাত্ৰ ভাৱৰীয়াবোৰৰ ৰূপ আন আন। আজিৰ পৃথিৱীৰ জীৱনত, আজিৰ ভাৰতৰ জীৱনত দেখিব মহাভাৰতৰেই সাধুটো আকৌ প্ৰতিফলিত হৈ উঠিছে। ইয়াকেই মাথোন মই কলোঁ। অন্তৰে অন্তৰে গমি চালেই বুজিব পাৰিব আজি কণা ধৃতৰাষ্ট্ৰ কোন ?

আৰু কৃষ্ণ কোন গোকুলত ডাঙৰ দীঘল হব লাগিছে কোন গুৱালৰ গাঁৱত—কি নতুন ৰূপত ?

এতিয়ালৈকে কৃষ্ণৰ জীৱনেই এই পৃথিৱীৰ মানৱ-জীৱনৰ বিষয়ে সনাতন সত্য হৈ আছে। এই সংস্কৃতিৰ প্ৰতীকৰ জন্ম হয় দুষ্কৃতিৰ মাজতেই। একে মওহত একে বওহতেই দুষ্কৃতিৰ মাজতেই সংস্কৃতিয়ে জন্ম লয়। দুষ্কৃতিৰ তালৈ ভয়, তাক বধিবলৈ বিচাৰি ফুৰে। সি আহিব বুলি ভয়ত আগৰ পৰাই সন্ত্ৰস্ত। তাক জন্ম দিয়া মাকক সাৱধানেৰে থয় বন্দীশালত। দুষ্কৃতিৰ টোপনি নাই। সংস্কৃতিয়ে বন্দীশাল পোহৰ কৰি জন্ম গ্ৰহণ কৰে; কিন্তু চালুকীয়া অৱস্থাত সি অজ্ঞাতবাস খাটিবগৈ লাগে গুৱালৰ ঘৰতহে। এই গুৱাল জনতাইহে আতোপিতোকৈ ৰাখি তাক তুলি-তালি ডাঙৰ-দীঘল কৰে। দুষ্কৃতিয়ে তাক মাৰিবলৈ সকলো ষড়যন্ত্ৰ কৰি থাকে পুতনাক পঠিয়াই। কিন্তু সকলো দুষ্কৃতিৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰি সংস্কৃতিৰূপী কৃষ্ণই শিশুকালতেই নিজৰ শক্তিৰ পৰিচয় দিয়ে গাঁৱৰ লৰাৰ লগত গৰু চৰাই আৰু বজাই সুকুমাৰ ক'লাৰ বাঁহী—যি বাঁহীয়ে মানুহক মুগ্ধ কৰে। সুকুমাৰ কলাৰ মাজেদি বাল্য-জীৱনৰ প্ৰকাশ দিয়াৰ লগে লগে যৌৱনত সুকুমাৰ কলাৰ পূৰ্ণ প্ৰকাশ দি বৃন্দাবন মতলীয়া কৰে। সংস্কৃতিৰূপী কৃষ্ণৰ বাঁহীত মুগ্ধ হৈ নাৰীৰ সংস্কৃতি-পিয়াহ জাগি উঠে কৃষ্ণপ্ৰেম ৰূপেৰে। সংস্কৃতিৰ বাবে ঘৰুৱা কামকাজো এৰি সংস্কৃতিৰ বাঁহী শুনি বলিয়া হৈ যাব খোজে।

এই কৃষ্ণৰূপী নতুন সংস্কৃতিৰ স্পৰ্শত পুৰণি সংস্কৃতিৰ ৰূপে সাৰ পাই উঠি নতুন ৰূপত হাঁহি উঠে। এই নযোৱানৰূপী কৃষ্ণ-সংস্কৃতিৰ হাতত পৰি পুৰণি হৈ আপচু হোৱা সাংস্কৃতিক সুকুমাৰ সম্পদে নৱীন যৌৱন লাভ কৰে। কুঁজী ধামনি বাই কৃষ্ণাইৰ লগ পাই ষোল বছৰীয়া হয়। আজিও অসমৰ যি সংস্কৃতি-সম্পদ কুঁজীৰ দৰে বয়সৰ ভৰত জীৱনৰ বাবে অকৰ্ম্মণ্য হৈছে— যাৰ সৌন্দৰ্য্য ম্লান পৰি গৈছে- যি কুঁজীৰ নবীন যোৱান কৃষ্ণৰ অনুৰক্ত অৰ্থাৎ নতুন সংস্কৃতিত খাপ খাব পৰাকৈ তাক

আজি নকৈ ওপজা সংস্কৃতিৰ ৰূপে গৈ ছুই দি নবীন কৰি দিব লাগিব। এই কৃষ্ণৰূপী সংস্কৃতিয়েই বলিষ্ঠ হৈ উঠি অত্যাচাৰীৰ বিৰুদ্ধে সংগ্ৰামত প্ৰবৃত্ত হয়। আপোনাৰ মোমায়েক হলেও কংসক বধি লাহে লাহে জীৱনৰ বহল সংঘাতৰ মাজলৈ কুৰুক্ষেত্ৰলৈ গৈ পৃথিৱীৰ সংস্কৃতি আৰু দুষ্কৃতিৰ আজিলৈকে হৈ থকা সংঘাতৰ মাজত সংস্কৃতিভক্ত পাণ্ডৱৰ শ্ৰেষ্ঠবীৰ অৰ্জ্জুনৰ ৰথৰ সাৰথি হৈ থিয় হয়গৈ। সংস্কৃতি জীৱনৰ দুষ্কৃতিৰ সৈতে চূড়ান্ত সংগ্ৰাম শিল্পীৰ অকল অহিংস নৈতিক অস্ত্ৰৰেই শিল্পীৰূপেই কৰিব নোৱাৰি কৃষ্ণাৰ্জ্জুন হৈ সংগ্ৰামত প্ৰবৃত্ত হয়। অৰ্জ্জুনক মোহমুক্ত কৰি দুষ্কৃতিৰ তন্ত্ৰত ভাগ্যৰ ফেৰত বা কৰ্ম্মৰ বাবে বান্ধ খোৱা কিন্তু সংস্কৃতিৰ একান্ত সেৱক ভীষ্ম দ্ৰোণাদিৰো বিৰুদ্ধে থিয় কৰায় আৰু নিজে কিন্তু সহিংস অস্ত্ৰ নধৰি মানৱ-দৰ্শনৰ মহাদৰ্শ অহিংসাৰ বাণীকেই প্ৰচাৰ কৰি হাতত সুদৰ্শন অস্ত্ৰ, নৈতিক অস্ত্ৰ লৈ মীমাংসাৰ মহাসমৰত প্ৰবৃত্ত হয়।

উপনিষদৰ মনীষাই এক কৃষ্ণকেই চূড়ান্ত মানৱ সংস্কৃতিৰ বিষয়ে সত্য বুলি কৈছে যদিও আজি-কালিৰ দাৰ্শনিকে কবৰ দৰে চিৰন্তন সত্য বা সনাতন সত্য নাই বেলেগ বেলেগ অৱস্থাত সত্যৰ বেলেগ প্ৰকাশ বুলি এই কথাও নোকোৱাকৈ থকা নাই। মানুহৰ প্ৰাণৰ হেঁপাহৰ আদৰ্শ যে কৃষ্ণ অৰ্থাৎ শিল্পীৰূপে মানৱজীৱনৰ প্ৰকাশ আৰু এই কৃষ্ণ আদৰ্শকেই যে বাস্তৱলৈ ৰূপায়িত কৰিব পাৰিলে মানুহৰ পূৰ্ণ বিকাশ—চিৰানন্দ চিৰশান্তি আৰু এই আদৰ্শ লৈ শিল্পী হৈ মানুহে দুষ্কৃতি প্ৰতিৰোধ যে কৃষ্ণাৰ্জ্জুনৰ দৰেই কৰিব লাগিব—ইয়াকো কৈ গৈছে যে তথাপিও দুষ্কৃতিৰ স্বৰূপভেদে অৰ্থাৎ বাস্তৱ অৱস্থাভেদে মানৱ সংস্কৃতি ৰক্ষা কৰি জীৱনৰ ৰূপ ফুলাবলৈ আন ৰূপো ধৰিব লাগিব। তেতিয়া ঠিক কৃষ্ণ সত্য দুষ্কৃতি সংঘাত ক্ষেত্ৰত নেখাটিব। তেতিয়া কৃষ্ণই দুৰ্গাৰ ৰূপ ধৰে। ভীষ্ম, দ্ৰোণ লগত থকা, সংস্কৃতি জ্ঞান থকা, কিন্তু সংস্কৃতি জ্ঞানক অৱহেলা কৰি ভ্ৰষ্ট হৈ দুষ্কৃতিপৰায়ণ হোৱা কৌৰৱ নহৈ, দুষ্কৃতিৰ স্বৰূপ যদি বৰ্ব্বৰ মহিষাসুৰৰ দৰেই হয়, তেতিয়া মানুহে

শক্তিকহে প্ৰধান কেন্দ্ৰস্থলত বহুৱাই, সংস্কৃতিৰ আন কথা একাষৰীয়াকৈ থৈ নৈতিক বা আধ্যাত্মিক শক্তিক কেন্দ্ৰত লৈ আৰু পশুবলক ( সিংহ ) নিজৰ নৈতিক অধিকাৰৰ তলত ৰাখি সংগ্ৰামত নিয়োজিত হব লাগিব তেতিয়াহে দুষ্কৃতি নাশ কৰিব পাৰে। তেন্তে অৱস্থা ভেদে সত্যই বেলেগ মূৰ্ত্তি ধৰিলে। সেইদৰেই কৃষ্ণই কালীৰ ৰূপ ধৰে অৰ্থাৎ যেতিয়া ভয়াবহ বৰ্ব্বৰতা, ঘোৰ তামসিকতাৰ মাজেদি প্ৰকাশ পোৱা দুষ্কৃতি নাশ কৰিব লাগিব, তেতিয়া আৰু ভয়ঙ্কৰী কালী মূৰ্ত্তিৰে আন কি নিজৰেই আৰাধ্য সংস্কৃতিৰ শিৰত গচকিবলৈকো ভ্ৰূক্ষেপ নকৰি সংগ্ৰামত প্ৰবৃত্ত হব লাগিব। অৱস্থাভেদে সত্যই ৰূপ সলাই যাব। অৱস্থাভেদে যদিও মানুহে দুৰ্গা-কালীত শৰণ লব লাগিব অৰ্থাৎ কৃষ্ণ-সত্যৰ ঠাইত কালী আৰু দুৰ্গাৰ পাছৰ সত্যক লব লাগিব তথাপিও মানুহৰ প্ৰাণৰ হেঁপাহৰ সত্যটো হৈছে কৃষ্ণৰূপ অৰ্থাৎ শিল্পীৰূপ।

আজি পৃথিৱীজোৰা দুষ্কৃতিৰ স্বৰূপটো কৌৰৱৰ দৰেই। ইহঁত যদিও দুষ্কৃতি, শকুনিৰ মন্ত্ৰণাত চলি দুষ্কৃতিপৰায়ণ হৈছে তথাপিও ইহঁতৰ সংস্কৃতিত ভক্তি নথকা নহয়। ইহঁতৰ বান্ধোনত, ভাগ্য ফেৰত কৰ্ম্মভোগত বান্ধ খাই সংস্কৃতিভক্ত ভীষ্ম-দ্ৰোণো আছে। গান্ধাৰীৰ দৰে সতী সিহঁতৰ সংস্কৃতি কুজ্ঞানো আছে কিন্তু চকু বান্ধি ভাগ্যৰ ফেৰত কণা ধৃতৰাষ্ট্ৰৰ সহধৰ্ম্মিণী হবলগীয়া হোৱাত যি ফালেই ধৰ্ম্ম সেই ফালেই জয় বুলি থাকিবলগীয়া হৈছে। সিহঁত সম্পদৰ গৰাকী হোৱাত কণা ধৃতৰাষ্ট্ৰৰ দৰেই কণা। শকুনিৰ মন্ত্ৰণাই সিহঁতৰ সকলো। কৃষ্ণক—সংস্কৃতিক সিহঁতক লাগে কিন্তু মন্ত্ৰণা নুশুনে। মাত্ৰ সংস্কৃতিক লাগে সিহঁতৰ ফলীয়া হৈ যুদ্ধ জয় কৰি দিবলৈ। কিন্তু সংস্কৃতি কৃষ্ণ থাকে সিহঁতৰ বিৰুদ্ধেহে সিহঁতক ধ্বংস কৰিবলৈ। আজি ধনতন্ত্ৰবাদ, সাম্ৰাজ্যবাদৰ স্বৰূপটো এই কৌৰৱৰ দৰেই। সেই কাৰণেই আজি সংস্কৃতি ৰক্ষা হব মানুহে কৃষ্ণাৰ্জ্জুন ৰূপেই সংগ্ৰামত প্ৰবৃত্ত হলে। কালী আৰু দুৰ্গাৰ ৰূপত নোলালেও হয়। এই শিল্পীৰূপেৰেই

কৃষ্ণাৰ্জ্জুনৰ আদৰ্শত সংগ্ৰামত জয়ী হলেই মানৱৰ হৈঁপাহৰ কৃষ্ণৰ —শিল্পী-জীৱনৰ ৰূপ ফুলাব পাৰিব মানুহে এই পৃথিৱীত। আমি আজি শিল্পীৰূপেৰেই দুষ্কৃতি নাশ আৰু সংস্কৃতি গঢ়িবলৈ কৃষ্ণ-সত্যৰ ওপৰতেই আমাৰ অভিযান প্ৰতিষ্ঠা কৰিব পাৰোঁ। এহাতেৰে যুদ্ধ আৰু আন হাতেৰে সৃষ্টি।

এইখিনিতে মই আমাৰ ভাৰতৰ নবীনসকলক, দুষ্কৃতিৰে সংঘাত কৰি সংস্কৃতি গঢ়িবলৈ ওলোৱা সকলোকেই সকলো আদৰ্শবাদীকেই কব খোজোঁ যে যদি বাস্তৱৰ মীমাংসাৰ বাবে তেওঁলোকে অৰ্জ্জুনৰ দৰে হাতত গাণ্ডীবো তুলি লবলগীয়া হয় তথাপিও তেওঁলোকে মানৱাদৰ্শৰূপে ভাৰতীয় তেজৰ সন্তান হৈ অহিংসাই যে মানৱ-জীৱনৰ চৰম আদৰ্শ, তাক মানি লবই লাগিব। জীৱনৰ সকলো ক্ষেত্ৰতেই অহিংসা প্ৰয়োগ কৰিব পাৰিলে মানৱ-সংস্কৃতিৰ পূৰ্ণ বিকাশ হব। সকলো অৰ্থ নৈতিক সামাজিক সমস্যা মীমাংসা হোৱাৰ পিছত অহিংসাৰ বাটেদিয়েই তো মানৱে মহাপ্ৰগতিলৈ যাত্ৰা কৰিব লাগিব। অশোকৰ বাটেদিয়েই তো তেতিয়া আমি যাব লাগিব আগবাঢ়ি। ভাৰতৰ মাটিৰ, ভাৰতৰ আকাশৰ, ভাৰতৰ মনীষাৰ, ভাৰতৰ প্ৰতিভাৰ, ভাৰতৰ সকলো চিন্তাৰ, ভাৰতৰ দুখৰ বেদনাৰ ব্যথাৰ, ভাৰতৰ গোপনৰ, ভাৰতৰ সপোনৰ. মৰ্ম্মবাণী হৈছে অহিংসা। মানৱৰ মহাপ্ৰগতি বাটৰ ধ্ৰুৱজ্যোতি অহিংসা। আদিম ভাৰতৰ মনীষাই দিয়া এই প্ৰদীপৰ পোহৰতেই, বৰ্ব্বৰ হিংসাপূৰ্ণ পৃথিৱীত কালী হৈ, দুৰ্গা হৈ, বস্তুৰ ব্যৱহাৰ কৰিও সংস্কৃতিক ৰক্ষা কৰি ভাৰতবৰ্ষ উত্থান-পতনৰ মাজেদি আগবাঢ়ি আহিব লাগিছে। আৱশ্যক হলে ভাৰতীয় নবীনে যদিও সহিংস উপায়েৰে বাস্তৱ ৰক্ষা কৰিবলৈ ওলাবলগীয়া হয় তথাপিও এই ভাৰতীয় ঐতিহ্যৰ আদৰ্শৰ মুনুমুৱা চাকিটো আমি অনিৰ্ব্বাপীকৈ জ্বলাই ৰাখিব লাগিব। যি দিনাই এই আদৰ্শৰ চাকি ভাৰতত নুমাব সেই দিনাই ভাৰতৰ কপালত ঐতিহ্যই আঁকি দিয়া পোহৰৰ ইন্দ্ৰধনু মচখাই যাব। ভুৱনভুলোৱা চিৰসুন্দৰৰ বাঁহী হৈ যাব নিস্তব্ধ। শিল্পীৰ

সকলো সপোন আন্ধাৰত জাহ গৈ হৈ যাব চূৰমাৰ। আৰ্য্যমনীষাই দ্বাপৰত আহি মানুহটো যে শিল্পী এই কথাটো উপলব্ধি কৰিলে। ত্ৰেতাত সংস্কৃতিৰ প্ৰতীক আজি ৰামায়ণৰ সীতা। সৎ আৰু অসৎ ইয়াৰ ওপৰতেই সংস্কৃতি আৰু দুষ্কৃতি প্ৰতিষ্ঠিত। তেতিয়া মানুহে-জীৱনৰ ৰহস্যৰ সত্যটো পাইছিল ৰামৰূপত। মানুহে ৰামৰ আদৰ্শমতে প্ৰাণৰো প্ৰিয় সংস্কৃতিক—সীতাক তেতিয়া ৰক্ষা কৰিব লাগিছিল বীৰৰূপে। সেই কাৰণেই তেতিয়া আৰ্য্যৰ মানৱাদৰ্শৰূপত ৰাম। তেতিয়া মানুহ জীৱনৰ সত্যটো দুষ্কৃতিৰে সৈতে সংঘাত কৰি সংস্কৃতি ৰক্ষা কৰাটোৱেই মানৱাদৰ্শ আৰু তাকে কৰিবলৈ বহু গুণসমন্বিত ৰামকেই মানৱাদৰ্শ কৰি দিছিল।

ইয়াকে মাথোন থোৰতে কব খোজোঁ যে তাৰ পিছত দ্বাপৰত হ'ল গৈ আৰ্য্যমনীষাই মানুহ যে শিল্পীহে আৰু তাৰ সৌন্দৰ্য্য সৃষ্টি কৰা মতে তাৰ দুষ্কৃতি বিনাশটোও একেলগেই থাকিব লাগিব আৰু সেইটোহে মানুহৰ পূৰ্ণ ৰূপ আৰু অপৰিচ্ছিন্ন জীৱনেইহে মানুহৰ পূৰ্ণ জীৱন। ইয়াকেই দ্বাপৰত উপলব্ধি হল। সেই বাৰ সংস্কৃতিৰ যি মূৰ্ত্তি সাজিলে তাক সাজিলে সুন্দৰ, ললিতবলিত অঙ্গৰ, ত্ৰিভঙ্গ, বঙ্কিম, বংশীবাদক, বৃন্দাবনৰ সুকুমাৰ কলাবিশাৰদ কৃষ্ণৰ মোহনমালা আকাৰত আৰু এই চিৰসুন্দৰ শিল্পীৰ মুখৰ বাঁহীৰ লগতেই, নাচৰ ভঙ্গীৰ দেহাতেই দিলে কুবলয় হাতীকো ওফৰাব পৰা বল একেলগে সুকুমাৰ কলা শিল্পী আৰু অজস্ৰ অসুৰক বধিব পৰা বল। মানুহৰ পূৰ্ণ অৰ্থ পালে আৰ্য্যমনীষাই। সেই অৰ্থ লিখিলে কৃষ্ণৰ ছবিৰে। সংস্কৃতিয়ে প্ৰথমেই সুকুমাৰ কলাৰ যোগেদি জগত মুগ্ধ কৰি জনতাৰ মৰমেৰে পৰিপুষ্ট হৈ জীৱনৰ মহাসংঘাতত তাৰ প্ৰতিষ্ঠাৰ বাবে মানৱ জীৱনৰ চৰম সাংস্কৃতিক আদৰ্শকেই মানি লৈয়ো বাস্তৱতাৰ বাবে সহিংস অস্ত্ৰেৰেই দুষ্কৃতি বিনাশত নিয়োজিত হয়। দুষ্কৃতিক সমূলঞে নাশ কৰি সংস্কৃতিয়ে জয়জয়কাৰ ঘোষণা কৰে। দুষ্কৃতিৰ সৈতে মহা-সংঘাতৰ মাজতো বৰ্ব্বৰ প্ৰণালীৰ আশ্ৰয় লবলগীয়া হৈয়ো মানুহৰ

মহামহত্ত্বৰ জীৱনৰ আদর্শ আৰু সেই আদর্শ কেনেকৈ পাব পাৰি সংস্কৃতিয়ে তাকো কৈ দিয়ে। মানৱ-প্রকৃতি ভাঙিছিঙি বুজাই দিয়ে। মানৱ-প্রকৃতি সাংস্কৃতিক আৰু দুষ্কৃতিমূলক হোৱাৰ তত্ত্বও কৈ দি মানুহক মানুহ জীৱনৰ মহার্থ আৰু সেই অর্থমতে চলি মানুহৰ জীৱনৰ এই পৃথিৱীৰ পূর্ণতা লাভ কৰি বিশ্বৰ অর্থ বুজিবলৈ কোন বাটেদি যাব লাগিব তাৰো ইঙ্গিত দিয়ে। এইদৰেই হৈছে আর্য্য-সংস্কৃতিৰ প্রতীকৰূপী কৃষ্ণৰ মই উপলব্ধি কৰা অর্থ। এই অর্থ পাই আৰু মোৰ মনত সদায়ে মোক জুমুৰ দি থকা কথাটো মানুহ যে শিল্পীহে, শিল্পী হয়েই সি জীৱনক অপৰিছিন্নভাৱে চাব লাগিব, ধৰিব লাগিব আৰু শিল্পীৰূপেই তাৰ জীৱন আদর্শ পূর্ণ উপলব্ধি হব, ইয়াত মোৰ গভীৰ বিশ্বাস হৈছে। বিশেষকৈ মই ভাৰতীয় জীৱনত সমাজত এই শিল্পীটোৰেই ৰূপ জাগৰিত হৈ উঠা দেখিছোঁ। আমাৰ জীৱনত প্রত্যেক বিভাগতেই সৌন্দর্য্য-প্রয়োগৰ প্রাচুর্য্যাই মোৰ মনত বিস্ময় ওপজায়। বাস্তৱিক জীৱন ভাগৰ কথা নকওঁৱেই, অন্তৰ সংস্কৃতিৰ অভিনৱ আৰু বিস্ময়ত অভিভূত কৰাব পৰা অশোকৰ জীৱন দেখি বুজিছোঁ যে ভাৰততেই এই মানৱৰ অন্তৰৰ শিল্পীটোৱে পূর্ণ ৰূপ লবলৈ প্রচণ্ড এটা চেষ্টা কৰিছিল। কিন্তু কাৰণত সি প্রতিহত হৈ গল। সেই শিল্পীটোৱে কি ভুল কৰি দুষ্কৃতিৰ সৈতে পৰাজিত হল, তাক আজি আমি আমাৰ ঐতিহ্য ফালিছিৰি চাই উলিয়াব লাগিব। কৃষ্ণৰ জীৱনতেই তাৰ উত্তৰ আছে। কৃষ্ণয়েই ব্যাধৰ শৰত দেহত্যাগ কৰে। কৃষ্ণৰ নিজৰ যদুবংশয়েই ধ্বংস হৈ যায়। কৃষ্ণ কিয় ব্যাধৰ শৰত মৰে? যদুবংশ কিয় ধ্বংস হয়? ইয়াৰ অর্থ উলিয়াই তাৰ প্রতিকাৰ কৰিব পাৰিলেহে সংস্কৃতি স্থায়ী হব। স্থায়ী হব মানে ৰূপান্তৰেদি স্থায়ী হব কিন্তু এতিয়া পৃথিৱীত দেখা গৈছে যে সংস্কৃতিৰ মৰণ হলে দুষ্কৃতি ৰাজপাটত বহে। সংস্কৃতিয়ে আকৌ সেই দুষ্কৃতিৰ ভিতৰত জন্ম লৈ তাক ধ্বংস কৰে। তেন্তে ই এটা চক্র নে কি? সুখ-দুখ চক্রৰ দৰে পৰিৱর্ত্তনৰ দৰে সংস্কৃতি আৰু দুষ্কৃতিয়ে এই দৰেহ

ঘূৰাঘূৰি কৰি থাকে নে কি? এয়েই তেন্তে মানৱ-জীৱনৰ মহা সত্য নে কি? মহাত্মাই কিন্তু কয়, সংস্কৃতিক সাংস্কৃতিক অস্ত্ৰেৰেই ৰক্ষা কৰা উপায় উলিয়ালেই ইয়াৰ সমাধান হব। দুষ্কৃতিক ধ্বংস কৰিবলৈ যাওঁতে সংস্কৃতিয়ে যদি দুষ্কৃতিৰ উপায় হিংসা, কুটনীতি, ছল-চাতুৰী এইবোৰ ব্যৱহাৰ কৰে তেন্তে সংস্কৃতিও এইবোৰ সংক্ৰামক ব্যাধিৰে দুষ্ট হৈ পিছত সেই ব্যাধিৰেই কবলত পৰি নিজে নষ্ট হয়। কৃষ্ণৰ জীৱনেও তাকেই কয়। এই যে মানৱ-জীৱনৰ ৰহস্যটো কৃষ্ণৰ ৰূপকত ভাঙিছিঙি কৈ থৈছে, ইয়াক আজি আমি বুজিব নোৱাৰি ই সত্য নে বুলি সন্দেহ কৰিবলৈ ধৰি কেৱল কৃষ্ণৰ মূৰ্ত্তিটোৰ—প্ৰতীকটোৰ এটা অৰ্থ নুবুজিলেও বাপতিসাহোনৰ মৰমেৰে তাক বুকুত বান্ধি আছোঁ মাথোন।

যাক আমি ৰহস্য বোলোঁ সিনো কি? সেই ৰহস্যটোতো আন একো নহয়। আমি বুজিব নোৱাৰিলে তাক ৰহস্য আখ্যা দিওঁ। তাৰ মানে সি আমাৰ মানসিক অক্ষমতা বুজায়, আমাৰ জ্ঞানৰ অভাৱ বুজায়। জোনত আমি চৰ্ম্মচকুৰে যি ছাঁ দেখোঁ তাক কোনোবাই তুলসী গছৰ তলত হৰিণা চৰি থকা যেন দেখে, য়ুৰোপীয়বিলাকে মানুহ এটা যেন দেখে, আন কোনোবাই হয়তো এজনী ছোৱালীৰ ক'লা চুলিতাৰি যেন দেখে। সি ৰহস্য। মানুহৰ যেতিয়া চৰ্ম্ম-চকুৰে তাৰ স্বৰূপ ঠিককৈ ধৰিব নোৱাৰিলে তেতিয়া মানুহে বুদ্ধিৰ উৎসৰ্গ কৰি বিজ্ঞানৰ বলেৰে সাজিলে শক্তিশালী দূৰবীণ আৰু এই দূৰবীণৰ আগত জোনৰ চাঁৰ স্বৰূপ ওলাল যে সেই ছাঁবোৰ, তাৰ খলাবমাত হৰিণাও নাই, মানুহো নাই। ৰহস্য তেন্তে থাকে আমাৰ নুবুজাতহে—জোনত নহয়, আমাৰ মনত। ইয়াৰ পিছত ধৰক পৃথিৱীত কিবা বিপৰ্য্যয় হৈ সভ্যতা নষ্ট হৈ গল। দূৰবীণ ভাগিছিগি গল, কিন্তু জোনৰ ৰহস্যটোৰ অৰ্থ-পাঠ আঁকা জোনৰ খলা-বমা দেখুৱা ৰিলিফ মেপখনেই যে জোনৰ আচল ছবি সি থাকি গল প্ৰথমতে থকা মানুহৰ মনত। সেই মানুহে পো-পোৱালিক

তাকে আঁকি জোনৰ আচল ছবি বুলি দি গল। লৰাইঁতে তাকেই লৈ পিতৃপুৰুষৰ সেই জোনব ছবি লৈ থাকিল। কেবা শতাব্দীৰ পিছত যেতিয়া দূৰবীণ থকা সেই বৈজ্ঞানিক অৱস্থা পৃথিৱীত নেথাকিল তেতিয়া আকৌ চৰ্ম্মচকুৰে মানুহে জোনত তুলসী, হৰিণা দেখিবলৈ লাগিল। সিহঁতৰ সেই বৈজ্ঞানিক উন্নতিও নাই, দূৰবীণো নাই কিন্তু হাতত আছে সেই শতাব্দীৰ আগৰ জোনৰ দূৰবীণেৰে চোৱা ৰিলিফ মেপ। তাক বাপতিসাহোন বুলি মৰম কৰি ৰাখিছে কিন্তু তাক আৰু সত্য বুলি নধৰে। তাক পিতৃপুৰুষৰ কিবা ভ্ৰান্তি বুলি উপলুঙা কৰে। সিহঁতৰ ভিতৰত লাহে লাহে বিকাশৰ বাটত আগবাঢ়োঁতা কোনোবা বৈজ্ঞানিক মনীষাই তাক কলেও তাৰ মানসিক সুস্থতাৰ বিষয়ে সন্দেহ কৰিবলৈ ধৰে। আজি কৃষ্ণ ছবিৰো প্ৰায় সেই অৱস্থাই হৈছে। অৰবিন্দই যে কয় অত্যুচ্ছ অৱস্থালৈ উঠিব পাৰিলে সৃষ্টিৰ ৰহস্য মানুহে বুজিব পাৰিব, পৃথিৱীত থকা দুষ্কৃতিৰ অৰ্থ পাব এই কথা মই বিশ্বাস কৰোঁ। কিন্তু উপনিষদৰ যি ঋষিসকলে মানুহৰ বিষয়ে সকলো উপলব্ধি কৰিলে তেওঁলোকেতো যোগৰ দ্বাৰায়েই মনৰ অত্যুচ্চ শিখৰলৈ উঠি, নিৰাকাৰ নিৰঞ্জন ব্ৰহ্মাৰ সত্তা উপলব্ধি কৰিছিল—যাক আমাৰ শাস্ত্ৰই এনে মনৰ অত্যুচ্চ অৱস্থাক আধ্যাত্মিক চৰমপ্ৰকাশ আখ্যা দিছে, য'ত গৈ সেই মূল বস্তুক, সৎ-অসৎ আৰু সৎ-অসৎৰ উপৰিও যি আছে সিও সেই মূলেই বুলি বুজিছে। এই উপনিষদৰ ঋষিসকলৰ চিন্তাৰ চূড়ান্ত বা উপলব্ধিৰ শেষটোকে বেদান্ত বুলিছে অৰ্থাৎ জনা আৰু বুজাৰ অন্ত। ইয়াৰ পিছত বুজিবলৈ একো নাই জীৱনৰ ৰহস্যৰ বিষযে। তেন্তে মানুহ জীৱনটোৱো পৃথিৱীত পোহৰ আৰু আন্ধাৰ, সংঘাত আৰু সমন্বয়ত তেনেকৈ প্ৰতিফলিত হৈ এই মানুহৰ ধেমালি সৃষ্টি কৰিছে তাক চূড়ান্তভাৱে বুজি সেই বুজা সত্যটো যিবোৰ শ্লোকৰে ৰচি গল সেই শ্লোকবোৰৰেই সলনি মানুহৰ প্ৰতীক হিচাপে সাজিলে কৃষ্ণৰ

ছবিটো হয়। ত্ৰেতাত এই মনীষাই বুজিছিল যে মানুহৰ জীৱনৰ দৃষ্টিভঙ্গী হব লাগে বীৰত্ব। সেই কাৰণেই ত্ৰেতাৰ সংস্কৃতি সীতাক ৰক্ষাকাৰী ৰাম হল বীৰ, দুষ্কৃতিৰে যুজা বীৰ, সাংস্কৃতিক গুণ-সমন্বিত বীৰ। বীৰত্বৰ দৃষ্টিৰেহে মানুহ জীৱনৰ পূৰ্ণ বিকাশ হব পাৰে। কিন্তু দ্বাপৰত মনীষাৰ পূৰ্ণ উপলব্ধি হল—মানুহৰ দৃষ্টিভঙ্গী হব লাগিব শিল্পীসুলভ অৰ্থাৎ শিল্পীহে মানুহ। এই শিল্পীটো হব লাগিব প্ৰধান। জীৱনক কালজয়ী ৰূপ দিবলৈ যাওঁতে দুষ্কৃতিৰ সৈতে যুদ্ধ আছেই। তাৰ বাবে বাৰত্ব তো লাগিবই। কিন্তু মানুহৰ পূৰ্ণ জীৱন শিল্পীৰূপতহে ওলাব। সেই বাবেই কৃষ্ণক শিল্পী, সুকুমাৰ কলাবিশাৰদ, চিৰসুন্দৰ মূৰ্ত্তিৰে আঁকিলে। আৰু এটা ডাঙৰ কথা যে কৃষ্ণক ব্যৱসায়ী সুকুমাৰ কলাসেৱী কৰি অকা নাই—আঁকিলে জীৱনৰ শিল্পীকৈ। সুকুমাৰ কলাৰ মাজেদিয়ে কৃষ্ণৰ প্ৰথম প্ৰকাশ কিন্তু সেই প্ৰকাশ একেবাৰে বাস্তৱ জীৱনৰ উতলি থকা জীৱনৰ মাজত। বাস্তৱ জীৱনক্ষেত্ৰ আৰু বাস্তৱৰ ভাৱৰীয়া হৈযেই কৃষ্ণৰ শিল্পীৰূপ প্ৰতিভাত—একেবাৰে জনতাৰ জীৱনৰ সোঁমাজতে। মানুহ যে শিল্পী আৰু তাতেই গৈ তাৰ পূৰ্ণ বিকাশ আৰু প্ৰকাশ হব আৰু ব্যক্তি শিল্পীটোৱে জীৱনৰ কেন্দ্ৰজ্যোতি হৈ জনতাকো শিল্পীৰূপ দি জীৱনৰ পূৰ্ণৰাস পাইব লাগিব এই সত্য ধৰা পৰিল দ্বাপৰতেই আমাৰ মনীষাত। এতিয়া এই যে মানুহৰ শিল্পীৰূপ এই কথাটো লাহে লাহে প্ৰতিভাত হৈ আহিছে পাশ্চাত্যত এই বিংশ শতিকাতহে। ই মাথোন এটা শিল্পীৰ হেঁপাহৰূপেহে পাশ্চাত্যত দেখা দিছেহি কিন্তু ভাৰতত দ্বাপৰতেই যি ঋষিসকলেই আৰ্য্যৰ ধৰ্ম্মগুৰু সভ্যতা সংস্কৃতিৰ গুৰু—যাৰ চৰণৰ ধূলা ৰাজচক্ৰৱৰ্ত্তীয়ে লৈ জীৱননীতি, ৰাষ্ট্ৰনীতি, অৰ্থনীতি, সমাজনীতি ধৰ্ম্ম সংস্কৃতি যাৱতীয় জীৱন সকলো কথাৰ বাবে আৰু সকলো নিযন্ত্ৰণৰ বাবে নিৰ্দ্দেশ লৈ চলিছিল সেই ধৰ্ম্ম, সমাজদ্ৰষ্টা, আৰু বিশ্বৰ অভ্যন্তৰদ্ৰষ্টা ঋষিসকলেই মানুহৰ শিল্পীৰূপেইহে সত্যৰূপ আৰু মানুহৰ জীৱনৰ শিল্পীৰূপেইহে পূৰ্ণপ্ৰকাশ আৰু চৰম বিকাশ তাক

'কৃষ্ণ' মূৰ্ত্তিৰ যোগে আৰু কৃষ্ণৰ উদাহৰণেৰে বা জীৱনৰ যোগে কৈ গল।

শ্ৰীমন্ত শঙ্কৰেও এই 'কৃষ্ণ'কে আমাক সংস্কৃতিৰ প্ৰতীক কৰি দি গৈছে। তেওঁৰ নিজৰ জীৱনতো এই কৃষ্ণ-শিল্পীৰূপ মানৱ-জীৱনক প্ৰকাশ দিবলৈ তেওঁৰ প্ৰতিভাৰে, মনীষাৰে চেষ্টা কৰি গল। প্ৰায়বোৰ ধৰ্ম্মপ্ৰচাৰকেই সন্ন্যাসীৰ দৰে সত্য প্ৰচাৰ কৰি ফুৰে কিন্তু শ্ৰীমন্ত শঙ্কৰে 'কৃষ্ণ'ৰ অৰ্থটো ভালকৈ বুজিছিল সেইহে কৃষ্ণৰ আদৰ্শতে সেই যুগৰ উপযোগী জীৱন গঢ়িছিল আৰু সেইদৰে নিজৰ জীৱন গঢ়ি জগতকো জীৱন কেনে হব লাগে উদাহৰণ দেখুৱাইছিল। সেই কাৰণেই তেওঁ দৈহিক সৌন্দৰ্য্যযুক্ত হৈ মানুহৰ শাৰীৰিক সৌন্দৰ্য্য যে থাকিব লাগে তাক উপলব্ধি কৰি শৰীৰচৰ্চ্চা, ব্যায়াম আদি কৰি শৰীৰৰ দৈহিক ভাগলৈ সম্পূৰ্ণ মন দিছিল। তেওঁ শৰীৰৰ শক্তিকো উপেক্ষা নিশ্চয় কৰা নাছিল। ভৰবাৰিষা লুইত পাৰ হোৱা, ষাঁড় গৰুৰ শিঙত ধৰি পেলোৱা তেওঁৰ দৈহিক শক্তি আৰু শৰীৰ পুষ্ট কৰা খেল-ধেমালিকো তেওঁৰ কৰ্ত্তব্যৰ ভিতৰত ধৰিছিল। তেওঁ মানসিক স্থিৰাৱস্থাৰ বাবে নিজৰ দেহৰ, মনৰ, হৃদয়ৰ সকলো গুণাগুণৰ ওপৰত নিয়ন্ত্ৰণ কৰিবৰ কাৰণে ব্ৰহ্মচৰ্য্য, যোগাভ্যাস সকলো কৰিছিল। তেওঁ সংসাৰী হৈ, গৃহী হৈ, আদৰ্শ গৃহস্থ, আদৰ্শ সংসাৰীৰ চানেকি দেখুৱাইছিল। তেওঁ সকলো শাস্ত্ৰত পণ্ডিত হৈছিল। তেওঁ স্বকুমাৰ কলাৰ আটাই কেউবিধ কৱিতা, সঙ্গীত, স্থাপত্য, ভাস্কৰ্য্য, আলেখ্যত বিশাৰদ হৈছিল। তেওঁ কৱিতা লিখিছিল, তেওঁ গীত লিখিছিল, তেওঁ সুৰ সংযোগ কৰিছিল, তেওঁ ছন্দ যোজনা কৰিছিল, তেওঁ নৃত্য পৰিকল্পনা কৰিছিল, তেওঁ গাইছিল, বজাইছিল, নাচিছিল। তেওঁৰ চৰিত্ৰকাৰে তেওঁ যে এজন মানুহ মোহিত কৰিব পৰা অতি সুদক্ষ শিল্পী আছিল তাক কৈ গৈছে। তেওঁৰ কৱিতা, গীত, সুৰে আজিও পাঁচশ বছৰৰ পিছতো তাৰ মাজেদি অহা তেওঁৰ প্ৰতিভাৰ শতদলৰ সুৰভিয়ে অসম দেশ আমোলমোলাই থৈছে। তেওঁৰ স্থাপত্য

প্ৰতিভাৰ বিপ্লৱী আৰু প্ৰগতিশীল দৃষ্টিভঙ্গীৰ বিষয়ে মই ৰাইজক কৈছোঁৱেই আগতেই। আজি বিশ্বস্থাপত্যৰ যৌগিক সৰলতা আৰু স্তূপ সমাবেশৰে ৰচনা কৰিব খোজা স্থাপত্যৰ সৌন্দৰ্য্যৰ আদিম প্ৰকাশ শ্ৰীমন্ত শঙ্কৰৰ নাম-ঘৰতেই মই দেখিছিলোঁ। হিন্দু বৌদ্ধ আৰু মোগল স্থাপত্যৰ প্ৰভাৱৰ মাজত এনে স্থাপত্যৰ বৈপ্লৱিক ভঙ্গীয়ে মোৰ মনত বিস্ময় ওপজায়। ১৯৩০ চনত বাৰ্লিনত ভাৱিম্যিতিক আধুনিক স্থাপত্যৰ কেইটামান নতুনকৈ সজা ৰাজহুৱা ঘৰ দেখি চক্ খাই উঠি সেই বিদেশৰ চহৰৰ পৰাই এই অসমৰ মহাপ্ৰতিভালৈ শিৰ দোঁৱাইছিলো। ইয়াৰ পিছত য়ুৰোপৰ পৰা মই উভতি আহি ১৯৩১ চনত বৰদোৱা সত্ৰলৈ গৈ তাত নাম-ঘৰৰ খুটাত কাটি থোৱা ভাস্কৰ্য্যৰ নিদৰ্শন দেখি আকৌ এবাৰ বিস্ময়ত অভিভূত হৈছিলোঁ। সেই সময়ত বিশ্ববিশ্ৰুত ভাস্কয্য শিল্পী Epstein অৰ নতুন ভাস্কৰ্য্যৰ এক অভিনৱ কাৰিকৰীত জগতত এটা ৰোমাঞ্চৰ সৃষ্টি হৈছিল। বিখ্যাত সমালোচক সকলে Epstein অৰ ভাস্কৰ্য্য কাৰিকৰীত ভাৰতীয় প্ৰভাৱ আছে বুলি কৈছিল। সেই কাৰিকৰীকেই দেখিলোঁ বৰদোৱা নাম-ঘৰৰ খুটাত কটা মূৰ্ত্তিবোৰত। আচৰিত হলোঁ। ভকতক প্ৰশ্ন কৰোঁতে কলে—সেই খুটা বোলে গুৰুৰ দিনৰেই। তেন্তে এই ভাস্কৰ্য্যতো হিন্দুৰ দেৱদেৱীৰ ভাস্কৰ্য্যৰ কাৰিকৰীৰ নহয়। ই নাম-ঘৰৰ স্থাপত্যৰ দৰেই বৈপ্লৱিক ভাস্কৰ্য্যটো দৃষ্টিভঙ্গীৰ পৰা ওপজা কাৰিকৰী। যি কাৰিকৰী অলপ হেৰফেৰ হৈ আজি পাঁচশ বছৰৰ পিছত Epstein অৰ বটালিয়েদি ওলাই জগত ৰোমাঞ্চিত কৰিছে। তেতিয়া মোৰ মনে গাই উঠিছিল—

“আগে নিচিনিলো আবেসে জানিলোঁ
তেন্তে তুমি শ্ৰীৰাম,
অজ্ঞানীক মোক প্ৰভু ক্ষেমিয়োক
চৰণে কৰো প্ৰণাম।”

পশ্চিমীয়া শিক্ষা পাই অহঙ্কাৰত অন্ধলা হৈ ঘৰৰে মহাপ্ৰতিভাক

চিনি নেপাই ফুৰা মোৰ মনটোৰ সকলো অহঙ্কাৰ সেই দিনা একেবাৰেই ধূলিস্যাৎ হৈ গল। সেই দিনাৰ পৰাহে মই অসমীয়া হবলৈ আৰম্ভ কৰিলোঁ। মোৰ ভিতৰৰ চাহাবটো ওলাই লৰ মাৰিলে।

তাৰ পিছত নামঘৰৰ ভিতৰলৈ সোমাই গৈ দেখিলোঁ—থাপনাখন দেখোন Cubist designঅৰ। তাত অঁকাবকাবোৰ কোনোটো impressionist, কোনোটো symbolist শিল্পীৰ আলেখ্যৰ দৰে। বাৰে বাৰে এটা প্ৰশ্ন জাগিবলৈ ধৰিলে—বিলাতলৈ কেলেই পঢ়িবলৈ গৈছিলোঁ? যি বিচাৰি গৈছিলোঁ ঘূৰি আহি দেখোন ঘৰতে পালোঁ। তেতিয়াৰে পৰা শ্ৰীমন্ত শঙ্কৰৰ সৰ্ব্বতোমুখী প্ৰতিভা বুজিবলৈ চেষ্টা কৰি আহিছোঁ। আজিও তো সকলো বুজি শেষ কৰিব পৰা নাই। ইয়াকে কৰিছিল শ্ৰীমন্ত শঙ্কৰে জনতাৰ মাজত—গাঁৱৰ মাজত, জনতাক সাংস্কৃতিক জীৱন দিবলৈ। সেই কাৰণেই জনতাই বুজি পোৱা সৰল অসমীয়া ভাষালৈ তেওঁ ভাঙি দিলে ভাগৱত যি আছিল সংযত ভাষাত জনতাই হাতেৰে চুকি নোপোৱাত। তেওঁ তাক আনি একেবাৰে জনতাৰ কোলাত বহুৱালে। তেওঁ জীৱনৰ মহাশিল্পী হৈ অসমীয়া জনতাৰ মাজত বহিল—অসমীয়া জনতাৰ নৱজীৱন গঢ়িবলৈ। এই নতুন সমাজ সৃষ্টিৰ অভিযানত তেওঁ প্ৰথমেই সুকুমাৰ কলাশিল্পী হৈয়েই ওলাই গৈ পিছত সামাজিক সংগঠনৰ সকলো বিভাগতেই সেই শিল্পীৰ সৌন্দৰ্য্যসৃষ্টি দৃষ্টিৰেই সেই বৈপ্লৱিক ভঙ্গীৰেই দেখা দিলে।

আজি আমি অসমীয়া যি সমস্যাত পৰিছোঁ আমাৰ পৰ্ব্বতীয়া ভাইসকল আৰু নৱাগতসকলক লৈ সেই একে সমস্যাতেই পৰিছিল এই আমাৰ সংস্কৃতিগুৰু। তেওঁ অসমীয়া গীত-পদত ব্ৰজাৱলী আৰু অসমীয়া ভাষাৰ মিশ্ৰণ দিও এটা ভাষা সমন্বয়ৰ নীতি দেখুৱাই গৈছে। সুকুমাৰ কলাতো, অসমীয়া থলুৱা সম্পদেৰে সৈতে আন আন প্ৰদেশৰ সুকুমাৰ সম্পদেৰে এটা সমন্বয় দেখুৱাই গৈছে। পৰ্ব্বতীয়া ভাইসকলৰে সৈতে আমি সাংস্কৃতিক ঐক্যসূত্ৰেৰে কেনেকৈ বান্ধ খাই আমাৰ বহল অসমীয়া জীৱন ৰচনা কৰিব লাগিব তাকো কৈ গৈছে।

আমাৰ ভিতৰত অস্পৃশ্যতাই আমাৰ সমাজ খুলি খাই ধ্বংস কৰিব খোজা ব্যাধিৰ নিৰাকৰণৰ বাবে কি সামাজিক বৈপ্লৱিক ব্যৱস্থা তেওঁ লৈছিল তাক নজনা কোনো নাই।

"ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি সমতুল॥"

আজি মহাত্মাৰ অভিযান শ্ৰীমন্ত শঙ্কৰে কোন কাহানিযেই অসমত আৰম্ভ কৰিছিল। কৃষ্ণকেই যদিও তেওঁ সনাতন মানৱ সংস্কৃতিৰ সত্য বুলি জানি আকৌ তাকেই অসমীয়াক দি গৈছে কিন্তু এই বাৰ কৃষ্ণ নামটোহে লবলৈ আৰু কৃষ্ণৰ গুণ গাবলৈ কলে। তাৰ মানে শুদা নামটো লৈ থাকি তাৰ গুণ, নাম অৰ্থ নুবুজিলে. কৃষ্ণৰ আগেয়ে প্ৰতিমাটোকে পূজা কৰি অৰ্থ পাহৰি যি সাংস্কৃতিক ভ্ৰষ্টতা আহিছিল তাকে হব বুলি গুণো গাবলৈ কলে। এই যে কৃষ্ণকে—ব্ৰাহ্মণ্য সংস্কৃতিকে আকৌ দিলে কেৱল সেই যুগৰ উপযোগীকৈ তাক নাম-ধৰ্ম্ম কৰি দিলে। ইয়াতেই ওলাই আছে যে 'কৃষ্ণ'টো সলাবৰ উপায় নাই। সি সনাতন কিন্তু তাৰ ৰূপ যুগে যুগে পৰিবৰ্ত্তন হবই লাগিব। আজি আমি কৃষ্ণৰ নামো লৈছোঁ, গুণো গাইছোঁ কিন্তু তাৰ অৰ্থ হেৰুৱাইছোঁ। আজিও আমি 'কৃষ্ণ'কেই লব লাগিব কিন্তু বৃন্দাবনৰ বংশীবাদকৰ মূৰ্ত্তিৰে, আন কি কৃষ্ণ নামটোৰেও কৃষ্ণক-লব নোৱাৰোঁ। এই দুয়োটা নাম হিন্দুৰ ধৰ্ম্মৰ বাহ্যিক ৰূপৰসৈতে সোমাই আছে। আজি আমি যিখন ভাৰত গঢ়িম, যিখন অসম গঢ়িম সেই ভাৰতত, অসমত, হিন্দু, মুছলমান, জৈন, খৃষ্টিয়ান, ইহুদী, শিখ আৰু নানা ধৰ্ম্মৰ মানুহ আছে। এওঁলোকবো নিজৰ নিজৰ সংস্কৃতিৰ প্ৰতীক আছে 'কৃষ্ণ'ৰ দৰে। এতিয়া আমি কৃষ্ণৰ অৰ্থটোহে উলিযাই আনিব লাগিব আজিৰ যুগলৈ। তাৰ ভিতৰৰ যি সত্য সি বিশ্বজনীন। সেই সত্যতো পৃথিৱীৰ আন ধৰ্ম্মৰ বা সংস্কৃতিৰ প্ৰতীকৰ পিছত থকা সত্যৰ সতে একে হবলৈ বাধ্য। আমাৰ প্ৰতীকৰ ৰূপ মিলাব নোৱাৰোঁ। তাৰ অৰ্থৰ মিল অৱশ্যেই আছেই—তাকেই আমি কৰিব লাগিব।

সাংস্কৃতিক সমন্বয়ৰ এইটোৱেই অৰ্থ। সাংস্কৃতিৰ ঐক্যৰ এইটোৱেই ব্যৰ্থ নোহোৱা উপায়। এই অৰ্থ উলিয়াই সকলোৰে লগত যেতিয়া সি মিলিব তেতিয়া তাৰ সকলোৱে লব পৰা নাম দিব লাগিব। সেইটোৱেই হৈছে আজিৰ 'কৃষ্ণ'ৰ অৰ্থ। সকলো ধৰ্ম্মৰ অৰ্থৰ সৈতে মিলা অৰ্থৰ এই যুগৰ নামকৰণ হৈছে 'সংস্কৃতি'। আজি আমাৰ সকলো ভৰসাৰ থল হৈছে এই সংস্কৃতিয়েই। শ্ৰীমন্ত শঙ্কৰৰ সংস্কৃতি ৰূপান্তৰৰ নীতি খটালেই আমি 'কৃষ্ণ' নামৰ ঠাইত সংস্কৃতি নামটো পাওঁ। সংস্কৃতি কি, কাক বোলে তাক আজি হিন্দু, মুছলমান, খৃষ্টান, ইহুদী সকলোৱেই জানে, সকলোৱেই বিচাৰে—যাক নললে মানুহ দুষ্কৃতিৰ আক্ৰমণত ধ্বংস পাব—যাক হেলা কৰিলে উন্নতিৰ বাটত প্ৰগতিৰ বাটত পাছপৰি যাব লাগিব। সংস্কৃতি মানৱ-জীৱনৰ পোহৰ, সৌন্দৰ্য্য আৰু আনন্দ। আজি আমি ভাৰতবৰ্ষই, পৃথিৱীয়ে এই বেলিৰ পোহৰতেই জীৱনৰ নৱতম বিকাশ দি এক অভূতপূৰ্ব্ব মানসিক প্ৰকাশলৈ আগবাঢ়ি যাব লাগিব। এই সাস্কৃতিৰ পতাকাৰ তলতে সকলো সমবেত হব পাৰে। পৃথিৱীত সংস্কৃতিৰ কোন পূজাৰী নহয়? যি নহয়, তাৰেই সৈতে আমাৰ শিল্পীৰ যুদ্ধ নিশ্চয়। সেই দুষ্কৃতি আমাৰ শত্ৰু হলেও আমাৰ বন্ধু। সিহঁতৰ সৈতে আমাৰ সংঘাত অনিবাৰ্য্য হলেও বা চিৰন্তন হলেও সেই সংঘাততেই সাংস্কৃতিক জীৱন বিকাশ আৰু প্ৰকাশ সৌন্দৰ্য্য ফুটি উঠে। দুষ্কৃতৰ সৈতে আমাৰ সংঘাত আছে নিশ্চয় কিন্তু আমাৰ কোনো দ্বেষ নাই, ঘৃণা নাই। দ্বেষ আৰু ঘৃণা শিল্পীৰ নহয়, ই সংস্কৃতিৰ বস্তু নহয়।

হে মোৰ সকলো শত্ৰু
তোক নমস্কাৰ—
তোক বন্ধু ৰূপেহে চাওঁ
তোৰে সতে মোৰ
সংঘাত লাগি
মোৰ জীৱনতে

ধুনীয়া প্ৰকাশ পাওঁ ;
মোৰ প্ৰতিভাৰ নুফুলা ফুলৰ
শতপাহি বিকশাও ;
তোক বন্ধুৰূপেহে চাও
প্ৰতি সংঘাতে নতুন শক্তি পাওঁ ।
তোৰে সতে মোৰ
সংঘাত লাগি
কণ্ঠত জাগে
অভিনব ওঙ্কাৰ—
তোৰে সতে মোৰ
সংঘাত লাগি
মোৰ গানৰ সুৰৰ
নবতম ঝঙ্কাৰ
হে শত্ৰু নমস্কাৰ !
নিজৰাৰ দৰে মোৰ জীৱনে
অগ্নি মনে
তোৰ, বাধাৰ শিলত
আঘাত কৰি
উফৰি উফৰি পৰি,
শুভ্ৰ ফেনীল পেখম মেলি
ফুটন্ত মোৰ প্ৰাণ উছলাই
গন্ধ-গানৰ ঢৌ তুলি যায়
নিতৌ নতুন ৰূপ ধৰি ।

বিশ্ববিশ্ৰুত এগৰাকী য়ুৰোপীয় দাৰ্শনিক নাট্যশিল্পী এডলভ এপিয়া (Adolphe Appia) ই পৃথিৱীৰ ভাৱিষ্যতিক ৰঙ্গমঞ্চৰ বিষয়ে কওঁতে কলা আৰু শিল্পীৰ ভৱিষ্যতৰ বিষয়ে কৈছে এইদৰে—

Art is an attitude. This attitude ought to be

humanity's collective heritage. Instead, we have narrowed it down, made it the personal attribute of the artist alone, of the creator of the work of art. Histories of art thus made to consist of chronological lists of such works and of their different methods. We have music, architecture, sculpture painting, as though art must necessarily cosist of carven stones, sounds, colours, even words. Our museums, conceccts and libraries seem to confirm this view. Not twenty years ago, these institutions appeared to us unshakable, they stood for art, as its glorious trustees and guardians

Today, they are so no longer. We have left our chairs. We are erect, we want to be "of it", we shrink from no violence to reach our goal, we seek for art and we wish to find it in ourselves. We break the barriers a sunder, surmonnt in a stride the steps that separate us from the stage, descend unflinching into the arena.

এই যে জনগণৰ জীৱনৰ ৰঙ্গমঞ্চত নিজেই শিল্পী হোৱাৰ হেঁপাহ—ইয়েই নকয় নে যে মানুহ শিল্পী। সি জীৱনৰ কলাৰূপ বিচাৰে। সি নিজেই গৈ অকল ব্যৱসায়ী শিল্পীকেই কলাৰ প্ৰকাশ দিওঁতা হবলৈ এৰি নিদি নিজেই তাৰ নিজৰ জীৱনৰ ৰঙ্গমঞ্চতেই শিল্পী হৈ জাগি উঠিব খোজে।

"Adolphe Appia ই আকৌ কৈছে—A time will come when professionals in the theatre and the plays written for them will be a thing of the past, never

to return. When mankind, free now, will sing in living symbols, more or less dramatic, and adopted by all, their joys and their sorrows, their harvests, their labours their struggles, their defeats and their triumphs, and they alone will be spectators whom age or infirmity will gather round us in common, living sympathy. The time when we shall be artists living artists—because we willed it so. with all my heart I pray for that time to come.

দ্বাপৰতে আমি এই কেৱল সপোনকেই দেখা নেপাইছিলো— মানৱ প্ৰকৃতিৰ বিষয়ে চূড়ান্ত তথ্য ধৰা পেলাই, মানৱৰ যে পৃথিৱীৰ জীৱনৰ ঢৌ শিল্পীৰূপেহে পূৰ্ণ প্ৰকাশ পায় তাক উপলব্ধি কৰি সেই উপলব্ধি ‘কৃষ্ণ' ৰূপত লিখি থলোঁ। ‘কৃষ্ণ’ই যদি মানৱ সংস্কৃতিৰ মহাসত্য তেন্তে ‘কৃষ্ণ’ ব্যাধৰ শৰত মৰে, কৃষ্ণৰ নিজৰ বংশই বাৰুণী সুৰা খাই নিজৰ ভিতৰত কটাকটিকৈ মৰে। তাৰ পিছত দুষ্কৃতিৰ ৰাজত্ব, দুষ্কৃতি ধ্বংস কৰি সংস্কৃতিৰ জয় ঘোষণা কৰিবলৈ সংস্কৃতিয়ে আকৌ নতুন যুগত, নতুন ৰূপত ওলাই, নতুন ৰূপৰ দুষ্কৃতিৰে সংঘাত আৰম্ভ কৰে। তেন্তে এয়েই সংসাৰ চক্ৰ নেকি? তেন্তে আজি আমাৰ ভাৰততো সেইদৰেই চক্ৰ ঘূৰিব ধৰিছে নেকি? এই যুগৰ ভাৰতীয় সংস্কৃতিৰ প্ৰতীকৰূপী মহাত্মা গান্ধী ব্যাধৰ শৰত গ’ল। আজি মহাত্মাক গুৰু মানি বৃটিছ শাসনৰূপী দুষ্কৃতিৰে যুঁজি জয়যুক্ত হোৱা কংগ্ৰেছ গান্ধী-সংস্কৃতিৰ পৰা ভ্ৰষ্ট হব ধৰিছে বুলি দেশময় এটা হাহাকাৰ উঠিছে। আজি ৰাষ্ট্ৰ-ক্ষমতাৰ বাৰুণী সুৰাই কংগ্ৰেছৰ মূৰ আচন্দ্ৰাই কৰিছে নেকি? দেশলৈ স্বাধীনতা অহাৰ পিছতো স্বাধীনতাক সন্দেহ কৰিবলগীয়া হৈছে কিয়? জনতাক ভাল পোৱা, দেশক ভাল পোৱা,—সংস্কৃতিৰ সেৱকসকল আমাৰ নিজৰ স্বাধীন গৱৰ্ণমেণ্টৰ দ্বাৰাই ধৰ্ষিত হবলগীয়া হৈছে কিয়? সিদিনালৈকে দেৱতা

যেন দেখা আমাৰ দেশৰ নেতাসকলক আজি জনতাই কিয় সন্দেহ কৰিবলৈ ধৰিছে? সকলো ৰাষ্ট্ৰ-ক্ষমতাৰ হাতত থকা, জনশক্তিৰ ওপৰত সুপ্ৰতিষ্ঠিত হৈ থকা বুলি ভবা আমাৰ জাতীয় গৱৰ্ণমেণ্ট কিয় দেশত থকা মুষ্টিমেয় চোৰাংকাৰবাৰীক ইমান দিনে উভালি পেলাব পৰা নাই? গৱৰ্ণমেণ্টৰ আঠুৱাতলৰ মহ, গৱৰ্ণমেণ্টৰ দুৰ্নীতিপৰায়ণ কৰ্ম্মচাৰীকো গৱৰ্ণমেণ্টে কিয় ইমান দিনে সাংস্কৃতিক নিয়ন্ত্ৰণৰ ভিতৰলৈ আনিবলৈ অক্ষম হৈছে? সত্যাগ্ৰহীৰ অমোঘ অস্ত্ৰ নিজৰ মৃত্যু। আত্মনিগ্ৰহেই সত্যাগ্ৰহীৰ অস্ত্ৰ। নিজেই মৃত্যু বৰণ কৰি দুষ্কৃতৰ হৃদয় পৰিবৰ্ত্তন কৰাবলৈ বিচৰাটোৱেই হৈছে সত্যাগ্ৰহীৰ পাশুপত অস্ত্ৰ। ভাৰতৰ যুগ-সংস্কৃতিৰ প্ৰতীক মহাত্মা গান্ধীয়ে এই পাশুপত নিজৰ আত্মদানেৰে প্ৰয়োগ কৰি যোৱাতো চোৰাংবজাৰ আৰু দুৰ্নীতি বাঢ়ি যোৱাতো জাতীয় গৱৰ্ণমেণ্টে, সেই চোৰাংবজাৰীৰ মাক ধনতন্ত্ৰবাদ আৰু দুৰ্নীতিৰ প্ৰতি অনুকম্পা প্ৰকাশ কৰিবলৈ কি সাংস্কৃতিক কাৰণ থাকিব পাৰে? আজি আমাৰ শিল্পীৰ মনত ঘোৰ সন্দেহ উপস্থিত হৈছে। আজি কংগ্ৰেছৰ সাংস্কৃতিক ত্ৰুটি ঘটিছে নে কংগ্ৰেছ এক সাংস্কৃতিৰ প্ৰতিষ্ঠান হৈও দুষ্কৃতিৰ স্বৰূপ দেখিও তাক প্ৰতিৰোধ কৰিবলৈ সাহৰ অভাৱত নাইবা কিবা সাংস্কৃতিক ভ্ৰান্তিত পৰি ৰাইজৰ আগত দিয়া প্ৰতিশ্ৰুতি পালন কৰিব নোৱাৰি পেপুৱা খাইছে? নে কৃষ্ণ সত্যৰ পৰিণতিৰ ভাগে কংগ্ৰেছৰ ভিতৰত ক্ৰিয়া আৰম্ভ কৰিছে?? আজীৱন কংগ্ৰেছকৰ্ম্মী, কোনো ত্যাগলৈ কুণ্ঠা নকৰি কংগ্ৰেছৰ নিৰ্দ্দেশ পালন কৰি অহা শিল্পী মই আজি অন্তৰে অন্তৰে অনুভৱ কৰিছোঁ যে There is something wrong in the state of Denmark.

দেশৰ গৱৰ্ণমেণ্টৰ যোগেদিয়েই দেশৰ অপৰিছিন্ন সাংস্কৃতিক ৰূপটো জনতাৰ বুকত ফুটাই তুলিব লাগিব। সেই কাৰণে শিল্পীয়ে দেশৰ গৱৰ্ণমেণ্টক নিজৰ আলোচনাৰ বাহিৰত ৰাখিব নোৱাৰে। সাম্পদিক সংস্কৃতি সৃষ্টি কৰাৰ প্ৰধান আহিলা দেশৰ অৰ্থনীতিৰ গৱৰ্ণমেণ্টই সৰ্ব্বময়কৰ্ত্তা যেতিয়া গৱৰ্ণমেণ্টৰ ওপৰত শিল্পীৰ তীক্ষ্ণ

দৃষ্টি থাকিবই লাগিব। শিল্পীৰ মনীষাৰ দূৰবীক্ষণেৰে গৱৰ্ণমেণ্টৰ দূৰৈৰ অভ্যন্তৰৰ অস্পষ্ট ৰূপটো সি সাংস্কৃতিক নে দুষ্কৃতিৰ তাক তন্ন-তন্নকৈ চাব লাগিব। গৱৰ্ণমেণ্টৰ শাসননীতিৰ তেজৰ টোপাল আনি তাক শিল্পীৰ সূক্ষ্ম বিশ্লেষণৰ অনুবীক্ষণৰ তলত থৈ তাত দুষ্কৃতিৰ বীজাণু আছে নে নাই তাক চোৱাটো, দেশত সংস্কৃতি প্ৰতিষ্ঠা কৰিবলৈ ওলোৱা শিল্পীৰ অপৰিহাৰ্য্য কৰ্ত্তব্য। কাৰণ কোনো সাংস্কৃতিক ব্যক্তি বা দলে কোন কেতিয়া তাৰ ভিতৰত দুষ্কৃতিৰ সূক্ষ্ম চৰ্ম্ম চকুৰে নেদেখা বীজাণু সোমায় নিজেই কব নোৱাৰে আৰু সেই দুষ্কৃতিৰ প্ৰমেহ, যক্ষ্মাৰ বীজাণুৰে যেতিয়া অন্তৰ জুৰি তাৰ চূড়ান্ত প্ৰকাশ শৰীৰৰ ওপৰত দেখুৱায় তেতিয়া তাৰ আৰু চিকিৎসাৰো উপায় নেথাকে, তাৰ মৃত্যু অনিবাৰ্য্য হৈ পৰে। তাৰ উপৰি এটা দুষ্কৃতিৰ বিষয়ে সত্য যে সি যেতিয়া তাক চিনি পাব পৰা ৰূপত আহিলে তাক ধৰিব পাৰিব, সি তেতিয়া সংস্কৃতিৰ মুখা, সাজপোছাক, ব্যৱহাৰ সকলো অতি নিপুণতাৰে তাত পাৰদৰ্শিতা লাভ কৰি সাংস্কৃতিক আক্ৰমণ কৰে। সি পুতনাৰ দৰে মাকৰ মৰম দেখুৱাই আহে। সি স্বৰ্ণমৃগ দেখুৱাই সংস্কৃতি ৰক্ষাকাৰী ৰামক আঁতৰ কৰি, সীতাৰ আগত সাধুৰ ৰূপত আহি সংস্কৃতিক চুৰ কৰে। এইদৰে দুষ্কৃতিয়ে সংস্কৃতিক ভুৱা দি তাকেই ধ্বংস কৰি তাৰ ঠাইত সংস্কৃতিৰ ভাৱৰীয়া হৈ অন্তৰত তাৰ নিজৰ স্বৰূপটো ৰাখি নিজৰ স্বাৰ্থ সিদ্ধি কৰে। কেতিয়াবা সংস্কৃতিৰ আচল ভক্তইও দুষ্কৃতিৰ এই ছলনা বুজিব নোৱাৰি আন্তৰিকতাৰেই দুষ্কৃতিক সংস্কৃতিৰ সঁচা ৰূপ বুলি তাকে আঁকোৱালি ধৰি থাকে।

সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদ এই দুইটাই পৃথিৱীৰ বুৰঞ্জীত সংস্কৃতিৰ ৰূপত ছদ্মবেশী দুষ্কৃতিৰ পূৰ্ণ ৰূপ। আমি যদি এনে ছদ্মবেশ আমাৰ সূক্ষ্ম মনীষাৰ অভাৱত ধৰিব নোৱাৰোঁ তেন্তে এটা কথাত তাৰ নিৰ্ঘাত প্ৰমাণ ওলায়। সেইটো হৈছে সেই বাদবোৰে জনতাৰ জীৱনত ৰাইজৰ এই সংসাৰী জীৱনৰ ওপৰত আৰু সিহঁতৰ নৈতিক জীৱনৰ ওপৰত কি প্ৰতিক্ৰিয়া কৰিছে তাক চালেই হল। সাম্ৰাজ্যবাদে

আমাৰ জনতাক কি কৰিলে, ধনতন্ত্ৰবাদে তাৰ বৈজ্ঞানিক শোষণ-নীতিৰে জনতাক কি কৰিলে বা কৰিছে সি আজি সকলোৰে আগত জলজল্ পটপট্ হৈ ওলাই আছে। দুষ্কৃতিয়ে যি মেধা বুদ্ধিৰ উন্নতি কৰি দুষ্কৃতি-মূলক বিকৃত ব্যক্তিগত জীৱন-দৰ্শন, সমাজ-দৰ্শন, অৰ্থনীতি, শাসননীতি সকলো বৈজ্ঞানিক প্ৰণালীৰে কৰি লয় আৰু তাক সংস্কৃতি বুলি দেখুৱাই আৰু সংস্কৃতিভক্ত মানুহকো ভ্ৰান্তিত পেলাই তাৰ ফলীয়া কৰি জনতাৰ ভাগ্য কাঢ়ি নিয়ে। এই সাম্ৰাজ্যবাদ, ধনতন্ত্ৰবাদ আমাৰ ভাৰতীয় ঐতিহ্যৰ নহয়। ইয়াক যুগ-যুগান্তৰ ভাৰতীয় সংস্কৃতিয়ে সি যি যুগীয় যি ৰূপতে প্ৰকাশ পাইছে তাৰেই সৈতে সংগ্ৰাম কৰি আহিছে। আনকি সংস্কৃতিক নিপাত কৰিবলৈ দুষ্কৃতিয়ে যি জীৱনব বাহ্যিক সাম্পদিক প্ৰকাশেদি জনসাধাৰণক আক্ৰমণ কৰে তাকেই প্ৰতিহত কৰিবলৈ মায়াবাদৰূপী দাৰ্শনিক প্ৰতিষেধক দি আমাৰ জীৱনৰ বাহ্যিক প্ৰকাশকেই বিপন্ন কৰি তুলিছিল পূৰ্ণ সংস্কৃতিৰ সমতা নষ্ট কৰি। সাম্ৰাজ্যবাদ প্ৰতিহত কৰি আমি আজি তাৰেই যজা ভায়েক কিন্তু ধনতন্ত্ৰবাদক সংস্কৃতি বুলি ভুল কৰাৰ উপক্ৰম কৰিছোঁ। নে কূটনৈতিক কাৰণত কৰা ই এটা আপোছ? দুষ্কৃতিৰ সৈতে আপোছ মানে আমি জানিশুনি দুষ্কৃতিক মানি লব লাগিব। আজি বুদ্ধ-যুগৰ পিছৰ পৰা শুই থকা এই ভাৰতীয় মনটোৱে সমাধিৰ পৰা উঠি যদি পৃথিৱীক দিবলৈ একো নতুন সংস্কৃতিৰ ৰূপ লগত লৈ অহা নাই তেন্তে ভাৰতীয় স্বাধীনতাৰে যি সংস্কৃতি সভ্যতা আমি এতিয়া ইয়াত গঢ়িম সি তেন্তে উচ্ছিষ্ট সংস্কৃতি সভ্যতাহে হব। আজি অতদিন উচ্ছিষ্ট খাওঁতেই আমাৰ দিন গল. স্বাধীনতা আনি আকৌ উচ্ছিষ্ট খাব লাগিব নেকি? তাকে কৰিলে আচল ভাৰতীয় সংস্কৃতি বুজোঁতা শিল্পীৰ মনটোৱে অৱশ্যেই বিদ্ৰোহ কৰিব।

মানৱ-সংস্কৃতিয়ে তাৰ বিকাশ বিচাৰোঁতে উচ্চতা, বিচাৰ আৰু প্ৰসাৰতা বিচাৰে। তাৰ মানে তাৰ vertical থিয় গতি আৰু horizontal বহল গতি হয়। সংস্কৃতি যদি এটা ত্ৰিভুজ আকাৰত

লোৱা যায় তেন্তে দেখা যায় যে সি ওপৰলৈ যিমান উঠিব সি সেই ওপৰলৈ উঠাৰ অনুপাতে তাৰ গুৰিটো বহলাব লাগিব তেহে যি এটা শক্তিশালী গাঁথনি হিচাপে তিষ্ঠিব পাৰিব। স্থাপত্যতো সেই কথা খাটে। মানৱ-সংস্কৃতিৰ উচ্চতা বিকাশ হয় মানৱ মনীষা, প্ৰতিভা কল্পনা, মেধা বুদ্ধি থকা মনটোৰ মাজেদি আৰু তাৰ ব্যাপকতা বিকাশ হয় জনতাৰ মাজত আৰু গভীৰতা বাস্তৱ সাম্পদিক সৃষ্টিত। সেই কাৰণে যি যিমান উচ্চ-সংস্কৃতি সি সিমান বহল হৈ জনতাক সামৰিব লাগিব। যি সংস্কৃতি বিশ্বশৃঙ্গলৈ উঠিব তাৰ ভেটি বান্ধিব লাগিব বিশ্বজনতাৰ ওপৰত, বিশ্বজনতাৰ হৃদয়ত, মনত, দুখত, আনন্দত। তেতিয়া হলেই মানৱ সংস্কৃতিয়ে তাৰ স্বাভাৱিক বিশ্বৰূপত ওলাব। এই বিশ্বসংস্কৃতিৰ পূৰ্ণৰূপ প্ৰকাশ হলেহে তাৰ পোহৰত বিশ্বতন্ত্ৰ সম্ভৱ আৰু সি সনাতনতন্ত্ৰ হব। নহলে অসম্পূৰ্ণ বিশ্বসংস্কৃতিৰে দুষ্কৃতিয়ে সৈতে আপোচ কৰি যদিওবা বিশ্বতন্ত্ৰ হয় তাক কেতিয়াবা দুষ্কৃতিয়ে সুবিধা আৰু চলত পাই, বিশ্ব-সংস্কৃতিৰেই হয়তো মুখা পিন্ধি আকৌ দুষ্কৃতিৰ প্ৰভাৱ বিস্তাৰ কৰিব, তেতিয়া আকৌ সংস্কৃতিয়ে সংঘাত আৰম্ভ কৰিব লাগিব। এইদৰেই দুষ্কৃতি সংস্কৃতিৰ সংঘাত-দ্বন্দ্ব পৃথিৱীৰ ৰঙ্গমঞ্চত চলি থাকিব। মানুহ জাতিটো এইদৰে দুষ্কৃতি সংস্কৃতিৰ দ্বন্দ্বৰ সংঘাতত গৈ একেবাৰে দুষ্কৃতি বিনাশ কৰি সংস্কৃতিক পৃথিৱীত চিৰসুন্দৰ হিচাপে অধিষ্ঠিত কৰিব পাৰিলে, শিল্পীৰ পৃথিৱী, মানৱ-স্বৰ্গ ৰচিত হব নহলে যদি সংস্কৃতি দুষ্কৃতিৰ হাতত পৰাজিত হৈ লুপ্ত পায় আৰু দুষ্কৃতিয়েই পৃথিৱীৰ একছত্ৰ অধিপতি হয়। তেন্তে কেতিয়াবা সেই দুষ্কৃতিৰ ভিতৰতেই দুষ্কৃতিৰ প্ৰকাৰ ভেদৰ সংঘাত জাগি ধ্বংস হয় আৰু মানৱ জাতি একেবাৰেই, অসুৰ, দানৱ, যক্ষ, ৰক্ষ ইত্যাদি পৃথিৱীৰ আগৰ অন্ধ জাতিবোৰ নাইকিয়া হোৱাৰ দৰেই নাইকিয়া হৈ যাব। ইফালে যদি সংস্কৃতিৰ প্ৰকাৰ ভেদ হৈ সংঘাতলৈ আহে তেতিয়া সমন্বয় হয় আৰু এই সমন্বয় হলেই দুটা ৰাগিণী একেলগ হলে যেনেকৈ

এটা নতুন মিশ্র ৰাগিনীৰ উৎপত্তি হয় সেইদৰে সংস্কৃতিৰ এটা সমন্বয়যুক্ত নতুন সৌন্দর্য্য প্রকাশ পায়। যদি শিল্পীৰ সপোন নফলিয়ায়, মানুহৰ অন্ধতাত মানুহ ধ্বংস হয় তেন্তে পৃথিৱীয়ে আকৌ কাক ওপজাই পৃথিৱীৰ সেই শিল্পীৰ সপোনটো বাস্তৱত ৰূপায়িত কৰাবলৈ নতুন প্রাণী সৃষ্টিৰ অভিযান কৰে তাক ভাবি আজিলৈ আমাৰ কল্পনাক ভাগৰ নলগালেই ভাল। কিন্তু আমাৰ শিল্পীক লাগে যেয়ে যতে নহওক পৃথিৱীত সংস্কৃতিৰ জয় হওক, পৃথিৱীত চিৰসুন্দৰৰ জয় হওক। আমাক লাগে প্রতিভা-মনীষাৰ জখলাইদি বিশ্বসংস্কৃতি ওপৰলৈ উঠি যাওক। বিশ্বজনতাকে সাৰটি তাৰ গুৰিটো বহল কৰি সেই উচ্চতা নকঁপাকৈ ৰাখিবলৈ বিশ্বজন সমৰ্থনৰে শক্তিমন্ত হওক, পৃথিৱীত সংস্কৃতি স্থায়ী হওক।

পশু-জগতত অতিকায় জন্তু বোৰ যেনেকৈ নাইকিয়া হৈ গল, জগতৰ অসুৰ দানৱবোৰ যেনেকৈ নাইকিয়া হল, মানুহৰ নিজৰ অন্ধতাৰ বাবে সিও কেতিয়াবা যে নাইকিয়া হৈ যাব পাৰে এইবোৰ বুৰঞ্জীয়ে ইঙ্গিত দিয়া প্রমাণী কথা। এইবোৰ কৱিৰ কাল্পনিক নহয়। আমাৰ শিল্পীক লাগে যাতে আমি এই মানুহে মানসিক ৰূপান্তৰেদি পৃথিৱীৰ সেই ভবিষ্যতৰ সাংস্কৃতিক প্রাণীটো হবগৈ পাৰোঁ। বাইবেলত কৈছে যে The earth will be inherited by the meek. তেন্তে পৃথিৱীত সকলো সৃষ্টি প্রতিভাৰ ভিতৰত নিৰীহ কোন? এই শিল্পী মানুহটোৱেই। শিল্পীয়ে যদি গোটেই পৃথিৱীৰ মানুহক সঁচা শিল্পীলৈ পৰিণত কৰিব পাৰে তেন্তে পৃথিৱীখন দুষ্কৃতিৰ পৰা মুক্ত হৈ যাব। শিল্পী মানুহহেই পৃথিৱীৰ উত্তৰাধিকাৰী। বাইবেলৰ এই meek এই নিৰীহটোৱেই আচল শিল্পী। শিল্পী যি সি কেৱল সুন্দৰ সৃষ্টিৰ সপোন দেখে, তাক বাস্তৱত ৰূপ দিবলৈ প্রাণেৰে মনেৰে সৰ্ব্বশক্তিৰে নিজৰ সকলো ত্যাগ কৰি জীৱন মৃত্যুক সমান ভাবে চাই চিৰবিশ্বাসী হৈ, আপোনাৰ অস্তিত্ব সমূহত লুপ্ত কৰি সমূহৰ আশা, ভাষা, দুখ, আনন্দ আপোনাতে জ্বলাই তুলি, যি লগে ভাগে স্বৰ্গলৈ

গোটেই সমূহকে লৈ যায়, সংস্কৃতিয়েই যাৰ সকলো পূজাৰ থল, যাৰ গুৰু, যাৰ সকলো সাধনা, প্ৰাৰ্থনা, উপাসনাৰ কেন্দ্ৰজ্যোতি, যি শিল্পী দুষ্কৃতিৰ চিৰশত্ৰু, এই শিল্পীয়েই পৃথিৱীৰ গৰ্ভত পোহৰৰ চুমাত ওপজা পৃথিৱীৰ সুসন্তান। দুষ্কৃতিৰ উপাসক যত তাৰ বুদ্ধিমত্তা যিমানেই কি নহওক সিহঁত পৃথিৱীৰ কুসন্তান। সিহঁতৰ বাবেই পৃথিৱীৰ শান্তি নাই, সুখ নাই পৃথিৱীৰ গৰ্ভত সিহঁত আন্ধাৰৰ বলাৎকাৰৰ পৰা হোৱা সন্তান। কুৰু-পাণ্ডৱৰ দৰে এই দুই সন্তান অৱশ্যেই সংঘাতলৈ আহিব আৰু শিল্পী অৰ্জ্জুনটোৱে সংস্কৃতিক অৰ্থাৎ আগৰ যুগৰ ৰূপত প্ৰকাশ হোৱা কৃষ্ণক সাৰথি কৰি লৈ. এই মীমাংসাৰ কুৰুক্ষেত্ৰত কোনোবা দিনা নামিবই লাগিব। এই নিৰীহ শিল্পীৰ সৈতে পাব নিৰীহ জনতাক, যি শতাব্দী শতাব্দী ধৰি, বলীৰ, অত্যাচাৰীৰ, ছলাহীৰ সকলোৰেই উৎপাত মূৰ পাতি, নিজৰ চকুপানী নিজেই মছি, নিজৰ দুখৰ সাধুটো নিজেই বুকত সাঁচি নিৰীহ ভাবে সকলো সহ্য কৰি আহি আছিল। এই জনতাক শিল্পীৰূপ দি সংস্কৃতি এই জনতাৰ হাতত পৃথিৱীখনক দিয়াই শিল্পীৰ পলিটিকছ্. এই জনতাক খাই-বৈ সুস্থ সবল হৈ শিল্পীৰূপে প্ৰকাশ হবলৈ সকলো বাস্তৱিক সুযোগ সুবিধা দিয়াই শিল্পীৰ অৰ্থনীতি—যি সমাজৰ গাঁথনিত, মাথোন সকলো শিল্পীৰ প্ৰকাশৰ বিকাশৰ সমান অধিকাৰ সুযোগ সুবিধা সেয়েই শিল্পীৰ সমাজনীতি। যি প্ৰকাৰৰ সংঘাতৰেই দুষ্কৃতিৰ বিনাশ হব সেয়ে শিল্পীৰ সমৰনীতি। শিল্পীয়ে মানুহক ধৰে এক সংস্কৃতিক জীৱ বুলি। শিল্পীয়ে মানুহৰ জীৱনৰ প্ৰত্যেক বিভাগতেই এই সংস্কৃতিৰ চিৰসুন্দৰ ৰূপ বিকশাই তুলিবলৈ যায়। সেই কাৰণে আজি অন্তৰ সংস্কৃতি কৰিবলৈ যোৱা শিল্পীটোৱে এফাল মানুহৰ অন্তৰ সংস্কৃতিক ধ্বংস কৰিবলৈ ওলাওঁতা দুষ্কৃতিৰূপী দুৰ্নীতিৰ সৈতে যুজিব লাগিব আৰু বাস্তৱ সাম্পদিক সংস্কৃতি সৃষ্টি কৰিবলৈ ওলোৱা শিল্পীয়ে বাস্তৱ সম্পদ সৃষ্টিৰ প্ৰধান সঁজুলি অৰ্থনীতিত সংস্কৃতিৰে প্ৰভাৱ বিস্তাৰ কৰি তাক সংস্কৃতিৰ পোহৰত সালসলনি কৰি লব লাগিব। আজি সকলো কথাকেই জনতাৰ কল্যাণৰ কষটি শিলত ঘহি সি আচল সোণ নে পিতল পৰীক্ষা

কৰি চাব লাগিব। যি অৰ্থনীতিৰ দ্বাৰা জনতাই সংস্কৃতি গঢ়িবলৈ সুবিধা নেপায় সেই অৰ্থনীতি অনুপযোগী। সি সাংস্কৃতিক অৰ্থনীতি নহয়। সি দুষ্কৃতিমূলক অৰ্থনীতি। আজি পৃথিৱীৰ সকলো নীতিয়েই সাংস্কৃতিক হব লাগিব। সাংস্কৃতিক ৰাষ্ট্ৰনীতি, সাংস্কৃতিক অৰ্থনীতি, সাংস্কৃতিক সমাজনীতি, সাংস্কৃতিক ৰণনীতি, সাংস্কৃতিক শিল্পনীতি আৰু বাণিজ্যও যদি সূক্ষ্মভাবে চাই তাক সাংস্কৃতিক পৰিধিৰ ভিতৰত সুমুৱাই লব পাৰি তেন্তে বাণিজ্য-নীতিও সাংস্কৃতিক হব লাগিব। বৰ্ত্তমানে পৃথিৱীৰ প্ৰায় সকলো দেশতেই বাণিজ্য-নীতি দুষ্কৃতিমূলক আৰু বৰ্ত্তমান পৃথিৱীত অন্তৰ-সংস্কৃতিৰ মৃতপ্ৰায় অৱস্থা হোৱাত এই বাণিজ্য-নীতিৰ নিলৰ্জ্জ উলঙ্গ নৃত্য হৈছে চোৰাং বজাৰত।

মুঠৰ ওপৰত আমি যি কৰ্ম্মই কৰোঁ, যি চিন্তাই কৰোঁ, যি সপোনেই দেখোঁ সকলোকেই এই সংস্কৃতিৰ ত্ৰিভুজটো সমান অনুপাতে ওখ আৰু বহল কৰাত খটাব লাগিব। ওখ নকৰিলে তাক বহলাবও নোৱাৰি আৰু বহলাই ওখকৈ নিলেহে তাৰ স্থায়িত্ব শক্তিমন্ত হয়। সাংস্কৃতিক ওখ কৰি স্থায়ী কৰিবলৈ তাক বহলাৰই লাগিব আৰু বহলালে ওখ কৰিবই লাগিব। নহলে বহলাবলৈকে নাটিব।

এইখিনিতেই সংস্কৃতিয়ে আজি জনতাৰ মাজত বিশ্বৰূপ ধৰিবলৈ যে ওলাই আহিছে আৰু আজি জনতাইহে সংস্কৃতি গঢ়িবলৈ বিশ্ব-শিল্পীৰূপে পৃথিৱীত থিয় দিছে সেই বিষয়ে মই পৃথিৱীৰ বুৰঞ্জীৰ পৰা কি বুজিলোঁ অলপ আভাস দিবলৈ ওলালোঁ। পৃথিৱী জোৰা বা এখন মহাদেশ জোৰা পৃথিৱীত আগতে সংহত ৰাজত্ব নাছিল। আদিম তামসিক স্তৰৰ পৰা মানুহে পৃথিৱীৰ বেলেগ ভাগত সংস্কৃতি-দুষ্কৃতিৰে সংগ্ৰাম কৰি আহি উন্নতিৰ যেতিয়া সৰ্ব্বোচ্চ শিখৰত উঠে, তেতিয়াও যি ৰাজতন্ত্ৰই জনতাৰ জীৱন নিয়ন্ত্ৰিত কৰিছিল, সেই ৰাজতন্ত্ৰবোৰৰ সৰহ ভাগেই সংস্কৃতি আদৰ্শৰ আছিল। ভাৰতত ব্ৰাহ্মণ্য সংস্কৃতিস্ৰষ্টা ব্ৰাহ্মণ আছিল ৰজাৰ গুৰু। তেতিয়া ৰাজতন্ত্ৰই সংস্কৃতিৰ মন্ত্ৰদাতা ব্ৰাহ্মণৰ চৰণৰ ধূলা লৈ জনমঙ্গলৰ কাৰণে শাসন

কৰিছিল আৰু যেতিয়াই যতে দুষ্কৃতিৰ প্ৰাদুৰ্ভাৱ হৈছিল তাৰ সতে সমৰত প্ৰবৃত্ত হৈছিল। জনতাৰ ৰক্ষক আছিল ৰাজতন্ত্ৰ, জনতাৰ কল্যাণকামী আছিল ৰাজতন্ত্ৰ আৰু সংস্কৃতিৰ গুৰুসকল আছিল সেই ৰাজতন্ত্ৰৰ সৰ্ব্বময় উপদেষ্টা আৰু ৰাজতন্ত্ৰক সংযত কৰি জনতাক সংস্কৃতিৰে ওখ আৰু বহল জীৱনলৈ প্ৰেৰণা দিওঁতা। তেতিয়া দুষ্কৃত ৰজাক সংস্কৃতিভ্ৰষ্ট শাসকদলক সংস্কৃতি আদৰ্শ ধৰোঁতা ৰাজতন্ত্ৰই পৰাজিত কৰি জনতাৰ স্বাৰ্থৰক্ষা কৰি জনতাৰ সামাজিক আৰু নৈতিক কল্যাণ কৰি আহিছিল। আমাৰ ভাৰতত দ্বাপৰ যুগৰ পিছত কলি যুগৰ আৰম্ভত কিবা কাৰণত সংস্কৃতিৰ গুৰি ধৰোঁতা ব্ৰাহ্মণসকলে তেওঁলোকৰ মূল চৰিত্ৰ হেৰুৱালে। সমাজৰ, ৰাষ্ট্ৰৰ বাঘজৰী ধৰোঁতা এই ব্ৰাহ্মণৰ মূল চৰিত্ৰ সলনি হোৱাত ক্ষত্ৰিয়কো তেওঁলোকৰ ৰাজসিক গুণবোৰ সংযত কৰি ৰাখিবলৈ সাত্বিক আদৰ্শৰ ফালৰ পৰা কোনো নোহোৱাৰ দৰেই হল। লাহে লাহে ক্ষত্ৰিয় ৰাজতন্ত্ৰত দুষ্কৃতি সোমাল। জনকল্যাণৰ আদৰ্শ ক্ষীণ হৈ আহিল। জন-শোষণৰ দুষ্কৃতিৰ কলিয়ে লাহে লাহে প্ৰৱেশ কৰিলে। লাহে লাহে সকলোবোৰ ৰাজতন্ত্ৰৰ গতি এনেকুৱা হল। সংস্কৃতিমূলক ৰাজতন্ত্ৰতকৈ দুষ্কৃতি-মূলক ৰাজতন্ত্ৰ বাঢ়িল। পাশৱিক শক্তিৰে সিহঁত বেছি বলশালী হল। ব্ৰাহ্মণ ওলাল তপোবনৰ পৰা। যাজকতন্ত্ৰ প্ৰতিষ্ঠা হল। সংস্কৃতিৰ অৰ্থ হেৰাল। প্ৰতীক থাকিল, মূৰ্ত্তি থাকিল পূজা খাই- সোণৰ মাটিৰ পুতলা হৈ। এই ভ্ৰষ্টতাৰ লগে লগে বৈশ্যও হল ভ্ৰষ্ট। লগে লগে শূদ্ৰৰ ওপৰত তিনিওৰো চলিল শোষণ। দুষ্কৃতি আহলবহল হৈ জুৰি বহিল। ক্ষত্ৰিয়ৰ ভিতৰত থকা সংস্কৃতিৰ পোহৰ ব্ৰাহ্মণ্য সংস্কৃতি ভ্ৰষ্টতা আৰু তাৰ ফলত ক্ষত্ৰিয় ৰাজতন্ত্ৰ ভ্ৰষ্ট হোৱাত বিদ্ৰোহ কৰি জ্বলি উঠিল। জগত পোহৰ হল। বুদ্ধ আহিল। অশোক বুৰঞ্জীত সৃষ্টি হল। ভাৰতৰ জনতাৰ মহত্ব হিয়েনচাঙে গাই গল। ব্ৰাহ্মণ্য সংস্কৃতিয়েই আকৌ এবাৰ জ্বলি উঠিবলৈ প্ৰয়াস পালে। শঙ্কৰাচাৰ্য্য আহিল। কিন্তু এইবাৰ সংস্কৃতি সুস্থ কৰিবলৈ মায়াবাদৰূপী অতি

বিকৃত দৰ্শনৰ প্ৰতিষেধক দিয়াত ই ভাৰতীয় জীৱনৰ ওপৰত, বিশেষকৈ বাস্তৱিক জীৱনৰ ওপৰত বৰ বেয়া ভাবে প্ৰতিক্ৰিয়া কৰিলে। আমাৰ সংস্কৃতিৰ গঢ় লৰাই দিলে। ইতিমধ্যে অভাৰতীয় দুষ্কৃতিমূলক অভিযান আহিল। বাস্তৱিক জীৱনক উপেক্ষা কৰিবলৈ কৰোৱা মায়াবাদ দৰ্শনে আৰু ভাৰতৰ সংস্কৃতি ভ্ৰষ্টতাৰ ফলত হিংসাহিংসি থকা ৰাজতন্ত্ৰবোৰে সংযত হৈ সেই অভিযানবোৰক প্ৰতিৰোধ কৰিব নোৱাৰি আৰু বাস্তৱ জীৱন উপেক্ষা কৰি বস্তু-বিজ্ঞানক আওহেলা কৰাৰ ফলত আনৰ পদানত হল। হল যদিও ইছলাম সংস্কৃতিৰ আদৰ্শ ধৰা মোগলৰ তলত ভাৰতীয় সংস্কৃতি উজ্জীবিত হবলৈ সুবিধা পালে যদিও— অৰ্থহেৰুৱা প্ৰতীকৰ পূজালৈ ভাৰতীয় মন বিতশ্ৰদ্ধ হৈ ইছলামৰ নিৰ্ম্মল ধৰ্ম্মলৈ আকৃষ্ট হল আৰু আৰবীয় সভ্যতাৰ নতুন ৰূপেও ভাৰতীয়ক মুগ্ধ নকৰাকৈ থকা নাছিল। ফলত সৃষ্টি হল তাজমহল। ইয়াৰ পিছত হিন্দু ধৰ্ম্মৰ বাহ্যিকতা আৰু ইছলাম ধৰ্ম্মৰ বাহ্যিকতাৰে সংঘাত হবলৈ ধৰিলে। মোগলৰ ভিতৰতো সংকীৰ্ণতা সোমাল। এই বাৰ ৰাজতন্ত্ৰৰ, যাজকতন্ত্ৰৰ অন্ত পৰিল। যদিও এই যুগতো সংস্কৃতিয়ে ভাৰতত সন্মান হেৰুৱা নাছিল তথাপিও দুষ্কৃতিৰ প্ৰতিষ্ঠা হৈ আহিল ভালকৈয়ে। ৰাজতন্ত্ৰ আৰু যাজকতন্ত্ৰৰ দ্বাৰা জনতা মাজে মাজে ভালকৈয়ে উৎপীড়িত হবলৈ ধৰিছিল। বনিক আহিল-ভাৰতত কিন্তু সিহঁত এক শোষকতন্ত্ৰত পৰিণত হোৱা নাছিল। যদিও সিহঁতে লাভৰ ওপৰতেই সিহঁতৰ সম্পদ প্ৰতিষ্ঠা কৰিছিল তাক উৎকট দুষ্কৃতিপূৰ্ণ উপায়েৰে সাধাৰণতে কৰা নাছিল আৰু সিহঁতে যোত্ৰ হৈ তন্ত্ৰ প্ৰতিষ্ঠা কৰি এটা লাভ উৎপন্ন কৰা প্ৰাণহীন যন্ত্ৰ হৈ পৰা নাছিল। সাংস্কৃতিক সিহঁতে আপনাৰ পৰা নমাই দিয়া নাছিলে। কিন্তু দুষ্কৃতি আহি সেই থাপনাৰ চাৰিওফালে ঘূৰি ফুৰিছিল।

এনে অৱস্থাতেই আহিল য়ুৰোপৰ সাম্ৰাজ্য বিচৰা ধনীৰ দল। ইহঁতেই ধনিকতন্ত্ৰৰ কুদৰ্শন প্ৰথমে উলিয়ালে। পিছত ইহঁতে ভ্ৰষ্ট ৰাজতন্ত্ৰৰ সৈতে সখি পতাই, ৰাজতন্ত্ৰক নাম মাত্ৰ কৰি পৃথিৱীৰ বুৰঞ্জীত

এক অভূতপূৰ্ব্ব শাসন আৰু শোষণৰ প্ৰণালী উলিয়াই আৰু তাৰ ব্যাক্ত জীৱন-দৰ্শন, সমাজ-দৰ্শন উলিয়াই বৈজ্ঞানিক প্ৰণালীৰে জনতাক সিহঁতৰ বাবে সকলো বিলাসৰ সামগ্ৰী তৈয়াৰী কৰাবলৈ লগালে। এই সাম্ৰাজ্যবাদী ধনিকতন্ত্ৰৰ ভিতৰটো পূৰ্ণ দুষ্কৃতিৰ, তাৰ বাহিৰা আভৰণ সাংস্কৃতিক। বিজ্ঞানৰ অভ্যুদয়ৰ ইহঁতে পূৰ্ণ সুবিধা ললে। পৃথিৱীত সকলো ঠাইতে ভ্ৰষ্ট ৰাজতন্ত্ৰই এইদৰেই ধনিকতন্ত্ৰৰ সৈতে যোগ হৈ জনতাৰ ভাগ কাঢ়ি খাবলৈ লাগিল। পৃথিৱীৰ ইমান দিন যি প্ৰধানতে সংস্কৃতিৰ প্ৰতিষ্ঠাতা, প্ৰচাৰক আৰু ৰক্ষক আছিল সিহঁত দুষ্কৃতিৰ প্ৰধান পাণ্ডা হোৱাত এতিয়া আৰু জনতাক ৰক্ষা কৰিবলৈ প্ৰায় কোনো নোহোৱা হোৱাত যিখিনি সংস্কৃতিৰ পোহৰৰ চাকিটো মুমুমুৱাকৈ জ্বলাই ৰখা মানুহ পৃথিৱীত থাকিল এওঁলোকৰ সকলো উপদেশ মন্ত্ৰণা অৰণ্য ৰোদন হোৱাত এই মহামনীষা এই পৃথিৱী জোৰা ধনিকতন্ত্ৰক উচ্ছেদ কৰিবলৈ বিদ্ৰোহ কৰি জনতাৰ বুকত সোমালগৈ। এই সাধুৱেই নিখিল পৃথিৱীতেই তাৰতম্যৰে প্ৰতিফলিত এই জনতাৰ বুকত সোমোৱা মনীষাৰ পোহৰত, দুখ-যন্ত্ৰণাত, চকুপানী টোকা জনতাই ৰিশ্বৰূপ দেখিবলৈ পাই জীৱনৰ অনুপ্ৰেৰণা পালে। আজি এই মনীষাসকলৰেই পোহৰত আৰু মন্ত্ৰত উদ্বোধিত জনতাই সিহঁতৰ অন্তৰত সদায় পাৰি থোৱা সংস্কৃতিৰ আসনত সংস্কৃতিক বহুৱাই সকলো মোহ-ভ্ৰান্তি এৰিছে। নিজৰ মহাশক্তিৰ গম পাইছে। নিজৰ জীৱনৰ মহান বিকাশৰ, প্ৰকাশৰ সাধু শুনি বিস্ময় বিমুগ্ধ হৈ মূঢ় ৰূঢ় জনতাৰ পৰা ৰূপান্তৰিত হৈ প্ৰবুদ্ধ হৈ থিয় হৈছে। জনসংহতিতেই যে জনমুক্তি তাক উপলব্ধি কৰি আজি ভাৰতত, এছিয়াত, য়ুৰোপত, আমেৰিকাত জনতাৰ প্ৰাণত মহাজীৱনৰ সঞ্চাৰ জাগিছে। মহাপোহৰৰ বাটে আগবাঢ়ি এই জনতাই বিশ্বৰূপ ধৰি থিয় হৈছে। পৃথিৱীৰ পৰা দুষ্কৃতিক বিনাশ কৰিবলৈ আজি এই জনসংস্কৃতি যাৰ হব লাগে, নতুন সৃষ্টি কৰিবলৈ শিল্পীৰ সুন্দৰ ৰূপ সেই জনতাই বিশ্বৰূপ লৈ সংহাৰ মূৰ্ত্তি ধৰিছে। প্ৰথমেই দুষ্কৃতি নাশ কৰিবলৈ সেই ভয়ঙ্কৰ ৰূপ দেখি পৃথিৱীত ত্ৰাসৰ

সঞ্চাৰ হৈছে। আমাৰ শিল্পীৰো অন্তৰ আত্মাৰ সতে কঁপি উঠিছে—

ৰূপং মহৎ তে বহুবক্ত্ৰনেত্ৰং
মহাবাহো বহুবাহূৰুপাদম্।
বহূদৰং বহুদংষ্ট্ৰাকৰালং
দৃষ্ট্বা লোকাঃ প্ৰব্যথিতাস্তথাহম্ ॥

শিল্পীৰ প্ৰাৰ্থনা - এই সংহাৰ মূৰ্ত্তি সম্বৰিত হওক জনতাৰ বিশ্বশিল্পী-ৰূপ অচিৰেই জ্বলি উঠক।

এতিয়া মাথোন শ্ৰীমন্ত শঙ্কৰৰ এই 'কৃষ্ণ' সংস্কৃতিৰ মৰ্ম্ম বৃটিছ যুগৰ আমাৰ অসমীয়া প্ৰতিভা মনীষাতো জাগি আছিল। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই শঙ্কৰ-প্ৰতিভা উপলব্ধি কৰি সেই বিষয়ে আজীৱন প্ৰচাৰ কৰি গৈছে। তেওঁ শঙ্কৰ-প্ৰতিভা কিমান গভীৰভাবে উপলব্ধি কৰিছিল, তাক তেওঁৰ এই লিখা খিনিৰ পৰাই বুজি অসমীয়া ভাষাক যে শঙ্কৰদেৱে কি ৰত্নৰে বিভূষিত কৰি থৈ গৈছে, ভাবিলে শৰীৰ ৰোমাঞ্চিত হয়। শঙ্কৰে দিয়া 'কৃষ্ণ' সংস্কৃতিৰ ৰূপ উপলব্ধি কৰিয়েই তেখেতে নতুন অসমত সংস্কৃতি প্ৰচাৰ কৰিবলৈ উলিৱা কাকতৰ নাম 'বাঁহী' দিছিলে আৰু বাঁহীৰ পাতত তেওঁৰ 'কৃষ্ণকথা'ত তেওঁ কেনেকৈ 'কৃষ্ণ' উপলব্ধি কৰিছিল তাকে প্ৰকাশ কৰিছিল। আৰু এজন আমাৰ সাহিত্যগুৰু পদ্মনাথ গোহাঁঞি বৰুৱাৰো এই মানৱ আদৰ্শটো যে শিল্পী উপলব্ধি হৈছিল তেওঁৰ কৃষ্ণভক্তিত। পদ্মনাথৰ এই উপলব্ধিৰ সাহিত্যিক কীৰ্ত্তি শ্ৰীকৃষ্ণ অসমীয়া সাহিত্যলৈ মহৎ দান। শিল্পীৰ পৃথিৱীৰ বিষয়ে উপলব্ধি কৰোঁতাঅসমীয়া সাহিত্যৰ বৰ নামঘৰৰ থাপনাত 'জোনাকী' চাকি জ্বলাওঁতা, মনীষী কৱি চন্দ্ৰকুমাৰ। এইজন গীতা উপনিষদ বেদান্ত দৰ্শনত পণ্ডিত নীৰৱ শিল্পীপ্ৰাণ কৱি চন্দ্ৰকুমাৰৰ 'সুন্দৰৰ আৰাধনা জীৱনৰ খেল' এই কৱিতা শাৰীত আমাৰ শিল্পীৰ পৃথিৱীৰ ফটফটীয়াকৈ দেখা সপোনটো ছাঁযামাযাকৈ জ্বলি উঠিছে। তেন্তে আমাৰ ভাৰতীয় মনীষাই, দ্বাপৰৰ পৰা কালিলৈকে সেয়ে এক উপলব্ধিকেই

কৰিছে। দ্বাপৰৰ সেই উপলব্ধিটো হেৰাই যোৱাৰ পিছতো গন্ধময় বৃটিছ যুগতো এজন অসমীয়া কৱিৰ মনীষাই যিজন বাস্তৱ জীৱনত পাইটোলৈকে হিচাপ কৰা এজন কাৰবাৰী মানুহ আছিল, তেওঁৰ সকলো পাণ্ডিত্য আৰু মানুহ জীৱনৰ প্ৰত্যক্ষ অভিজ্ঞতা মথি কৈ গল—"সুন্দৰৰ আৰাধনা জীৱনৰ খেল" বুলি। তেন্তে আমাৰ ঐতিহ্যৰ মৰ্ম্মবাণী হল —মানুহ শিল্পী সি চিৰসুন্দৰৰ অনন্ত আৰাধনা কৰি তাৰ শিল্পীৰ মহাসপোনটো পৃথিৱীৰ ধূলি-মাটিৰ বাস্তৱত ৰূপায়িত কৰি তাৰ আদিম প্ৰভাতৰে পৰা চেষ্টা কৰিছে। সকলো বাধা প্ৰতিহত কৰি সি শিল্পীৰূপেই ফুলি উঠিবলৈ পোহৰলৈ আকুল হৈ চাই—থাকে আন্ধাৰৰ সৈতে প্ৰাণ পণে যুজি। এয়েই তেন্তে আমাৰ অতীতৰ গোপনৰ সোণৰ সাধুটো আজিও ৰূপ লবলৈ বাট চাই চকুপানীৰে বৈ থকা সপোনটো।

আমাৰ সংস্কৃতিৰ বিশ্বৰূপ, মানুহৰ শিল্পীৰূপ, এই ঐতিহ্যৰেই আলোকময় কৰ্ম্মলৈ আৰু শিল্পীৰ পূৰ্ণ স্বৰূপ আমি উপলব্ধি কৰি আজি অসমৰ শিল্পীয়ে ভাৰতৰ শিল্পীয়ে আলোকযাত্ৰা কৰিব লাগিব—প্ৰগতিৰ বাটেদি দুষ্কৃতিক পদে পদে জীৱনৰ ক্ষেত্ৰে ক্ষেত্ৰে প্ৰতিহত কৰি কঠোৰ সাধনাৰে, উগ্ৰ তপস্যাৰে, পোহৰৰ পৃথিৱীলৈ এক অপূৰ্ব্ব জনজীৱনলৈ, যুগ যুগ ধৰি ধৰ্ষিত, নীপিড়িত, দলিত, বঞ্চিত জনতাক লৈ। যি জনতাই সদায়, দুষ্কৃতিৰ আক্ৰমনত কেঁচুৱাতে ধ্বংস হব খোজা সংস্কৃতিক নিজৰ বুকত সুমাই তুলিতালি ডাঙৰ দীঘল কৰে, যি জনতাই সদায় সংস্কৃতিৰ পৰাজয় হলেই দুষ্কৃতিৰ অত্যাচাৰ মূৰ পাতি লবলগীয়া হয়, যি জনতাৰ অন্তৰত সংস্কৃতিলৈ মৰম নুনুমুৱা বেলিৰ দৰে সদায়ে জ্বলি থাকে, যি জনতা সংস্কৃতিৰ বাঁহীত চিৰকাললৈ মুগ্ধ, যি জনতাৰ চকুপানীয়েই সংস্কৃতিৰ নিৰ্ম্মল গাত দুষ্কৃতিয়ে সানি দিয়া মলিবোৰ ধুৱাই-পখলাই নিকা কৰি ৰাখে, যি জনতাই দেখা মাত্ৰকে সংস্কৃতিক চিনি পাই মাকে নিজৰ পুতেকক চিনি পোৱাৰ দৰেই, যি জনতাই নিজৰ বুকৰ তেজ যুগে যুগে দিও সংস্কৃতিক জীয়াই ৰাখি দুষ্কৃতিৰ পৰা সিহঁতৰ যাউতিযুগীয়া দুখ-কষ্ট গুচাই জীৱনৰ হাঁহি ফুলাব বুলি বাট চাই আছে, আজি শিল্পীয়ে

প্ৰথমেই সকলো ভয়, দুৰ্ব্বলতা ভ্ৰান্তি গচকি, খচকি, সুকুমাৰ কলাৰ অস্ত্ৰ লৈ সেই দুৰ্ভগীয়া জনতাৰ মাজতেই থিয় হবগৈ লাগিব—মোহমুক্ত অৰ্জ্জুন যেনেকৈ থিয় হৈছিল সংগ্ৰামৰ কাৰণে। আজি আমাৰ সাৰথি হৈছে সংস্কৃতি আৰু আমাৰ শত্ৰু হৈছে দুষ্কৃতি। জনতাৰ অন্তৰৰ ভিতৰত শিল্পীটো যে নিশ্চয়কৈয়ে আছে তাৰেই আমি জনতাক জ্ঞান দিব লাগিব। আমি জনগণৰ মনৰ সেই শিল্পীটোৰেই মূৰ্ত্ত প্ৰতীক হৈ জনগণকে কব লাগিব—

জনতা তোৰ প্ৰাণৰো প্ৰাণত
মনৰো মনত,
শিল্পী যে মই
লুকাই লুকাই আছোঁ;
তোৰ সপোনৰ কত ছবিত
কত যে ফুল বাছোঁ,
লুকাই লুকাই আছোঁ;
তই নাজান,
মই জানো তোৰ গোপনৰ আশা,
মইহে জানো তই নজনা
তোৰ নিজৰেই ভাষা।
তোৰ সেই নিজ্ঞানত
সেই গহনত
তোৰেই ময়েই
শিল্পীয়েই
তোৰ আন্ধাৰক নাশিবলৈ
তোৰ বুকতেই
বিপ্লৱী হৈ জাগিম,
পোহৰলৈ তোক নিবলৈ
তোৰেই পূজা নিতৌ পাতি
তোৰেই আশিস মাগিম।

আজি অসমৰ অসমীয়া শিল্পীয়ে অসমৰ বিচিত্ৰ জনতাৰ চোতালতেই থিয় হৈ এই শিল্পীৰ সপোনক বাস্তৱলৈ ৰূপায়িত কৰিবলৈ শুদ্ধ অন্তঃকৰণেৰে থিয় হওক। এই শিল্পীৰ বিশ্ব-সপোনকেই অসমীয়া ভাষাৰ মাজেদি প্ৰকাশ কৰোক। যি অসমীয়া ভাষাৰ মাজেদি শ্ৰীমন্ত শঙ্কৰে মানৱৰ এক সৰ্ব্বোচ্চ সংস্কৃতিক অনায়াসে প্ৰকাশ দিব পাৰিছিল, যি অসমীয়া ভাষাৰ মাজেদিয়েই মানৱ জীৱনৰ মধুময় ৰূপ আৰু প্ৰকৃতিৰ অবৰ্ণনীয় বিৰাট সৌন্দৰ্য্যক বৰ্ণে-গন্ধে লাৱণ্যে-মহিমাই ফুলাই মানৱ মনত ৰসৰ পূৰ্ণ সৃষ্টি কৰোৱাব পাৰিছিল শঙ্কৰৰ সেই শ্ৰীমন্ত, অসমীয়া ভাষাকেই আমি আজি যদি বিকশিত কৰি শিল্পীৰ বিশ্বসপোনৰ হাঁহি তাত নিখুঁত ভাবে প্ৰতিফলিত কৰিব পাৰোঁ তেন্তে অসমীয়া ভাষা বিশ্বসভাৰ সন্মানত আসনত বহিবগৈ যে পাৰিব ই মোৰ ধ্ৰুব বিশ্বাস।

শ্ৰীমন্ত শঙ্কৰে দি যোৱা, সুকুমাৰ কলা—আলেখ্য, ভাস্কৰ্য্য, সঙ্গীত স্থাপত্যৰেই স্বৰূপ চাই, তাৰ বিশিষ্টতাৰ কাৰিকৰী বুজি বাজিলৈ আজি অসমীয়া শিল্পীয়ে সাধনাৰে কলানিপুণতা, ৰূপদক্ষতা, সূক্ষ্মাতিতম কলা কৌশলতা অৰ্জ্জন কৰি যদি আজি নতুন যুগৰ অসমীয়া সুকুমাৰ কলা, পুৰণি অসমীয়া কলা কৌশলৰ বিশিষ্টতাৰ আলম লৈ সৃষ্টি কৰি তাৰ মাজেদি অসমীয়া সংস্কৃতিৰ বিশ্বৰূপৰ বিশ্ববিমোহন প্ৰকাশ দিব পাৰে তেন্তে নিশ্চয়েই আমি অসমীয়া জাতিটো অকনমান হৈয়ো এখণ্ড সৰু হীৰাৰ দৰে জ্বলি পৃথিৱী লখিমীৰ মুকুটত জ্বলি থাকি জগত পোহৰাব পাৰিম। শ্ৰীমন্ত শঙ্কৰে দিয়া বিশ্ব সংস্কৃতিৰ ৰূপান্তৰৰ শিল্পী হৈ আজি অসমীয়া শিল্পী বিশ্বশিল্পীহৈ জনতাৰ কোলাত জ্বলি উঠক। অসমীয়া শিল্পীৰ সাধনাত—ভগীৰথৰ তপস্যাত গঙ্গা নমাদি চিৰ সুন্দৰ পৃথিৱীৰ জীৱনলৈ নামি আহক।

কোনে পাতিব খুজিছ সোণৰ দেশ
আই অসমীক, পিন্ধাব খুজিছ
পোহৰ ধুনীয়া বেশ,
কোনে পাতিব খুজিছ সোণৰ দেশ ?

মোৰ ই দেশত, পথাৰত সোণ
আপুনি আপুনি ফুলে,
সোণ-পুৰতিৰ, সোণ-হাঁহিয়ে
লুইত সন্ধিয়াৰ
বুকু জিলিকায়
সোণ বৰণৰ ধলে ।
সোণ উজলা মুগাৰ কাপোৰ
গাভৰু ধুনীয়া কৰে,
ৰূপৰ বালিত, সোণৰ ধূলিয়ে
জিল্‌মিল্ ৰূপ ধৰে ।
সোণ-কেতেকীৰ সোণৰ ৰেণু উৰে,
শিল্পীদলৰ সোণ-সপোনে
সেউজী বনত ফুৰে ।
সোণৰ দেশৰ
মহাপুৰুষৰ
শঙ্কৰ-মাধৱৰ
সোণমূলীয়া সংস্কৃতিয়ে
পোহৰ দিয়ে
এই পৃথিৱীত
সোণৰ জীৱনৰ ।
মহামনীষাৰ
মহাপ্ৰতিভাৰ
জনজীৱনৰ, সোণৰ সপোনৰ ।
এই দেশতেই সোণ ভৱিষ্যৰ সোণৰ জ্যোতি জ্বলক,
এই দেশতেই শিল্পী মনৰ
মহাসপোনৰ
এই পৃথিৱীৰ সোণ-দিঠকৰ

সোণ-চানেকী
সোণ-ছবিৰে তোলক
বোধন কৰি বিশ্বশিল্পী মনক,
এই দেশতেই
জনজীৱনত
সোণ-মনটি
সোণ-পাহীৰে
সোণ-হাঁহিৰে ফুলক।
হে মোৰ ভাৰতৰ
চিৰসুন্দৰ চিৰশ্যামল
বিশ্বৰূপ জ্যোতিস্বৰূপ সংস্কৃতি !
মই মানুহে, মই শিল্পীয়ে,
তোমাক নমস্কাৰ কৰোঁ।
মই তোমাক আগৰ পৰা
মই তোমাক পাছৰ পৰা
মই তোমাক ওপৰৰ পৰা
মই তোমাক তলৰ পৰা
মই তোমাক পূবৰ পৰা
মই তোমাক পশ্চিমৰ পৰা
মই তোমাক উত্তৰৰ পৰা
মই তোমাক দক্ষিণৰ পৰা
মই তোমাক সোঁমাজৰ পৰা
নমস্কাৰ কৰোঁ,
মই অকলে তোমাক নমস্কাৰ কৰোঁ,
মই লগেৰে তোমাক নমস্কাৰ কৰোঁ,
মই বাৰে বাৰে
তোমাক নমস্কাৰ কৰোঁ।*

---

* শিৱসাগৰত সদৌ অসম শিল্পী সঙ্ঘৰ প্ৰথম অধিবেশনৰ সভাপতিৰ ভাষণ, ১৮৭০ শক।

৭

# নতুন দিনৰ কৃষ্টি

১৯৪৭ চন। আজি আমাৰ ভাৰত-বুৰঞ্জীৰ এক মহাসংক্ৰান্তিৰ দিন। ভাৰতবৰ্ষই বহু শতাব্দীৰ পিছত স্বাধীনতা-সংগ্ৰামত জয়যুক্ত হৈ, এটা ৰ'জনৈতিক আমূল পৰিৱৰ্ত্তনৰ সফলতা সাধনা কৰি আন্তৰ্জাতিক ক্ষেত্ৰত নিজলৈ এখন যোগ্য আসন উলিয়াই লব পৰা অৱস্থালৈ আহিছে বুলিয়েই মই মহাসংক্ৰান্তিৰ দিন পৰিছে বুলি কব খোজা নাই—কিন্তু তাতোকৈও আমাৰ ভাৰতৰ আৰু এটা গভীৰ আৰু অভিনৱ ৰূপান্তৰ সংঘটিত হব ধৰিছে দেখিহে মই মহাসংক্ৰান্তি বুলি কব খুজিছোঁ। এই ভাৰতীয় মহাজাতিৰ মহামনটোৰ ঘোৰ প্ৰতিক্ৰিয়া মূৰ দাঙি উঠা স্বত্বেও এটা প্ৰচণ্ড মৌলিক প্ৰকাশ আৰু বিকাশৰ অভ্যুত্থান, ধ্যানে-জ্ঞানে আৰু সপোনে দেখিব লাগিছোঁ।

বিশ্বময় সৃষ্টিৰ অখণ্ড প্ৰৱাহ চলিব লাগিছে। ধ্বংস আহিছে মাথোন নতুন সৃষ্টিৰ বাবেই। এই পৃথিৱীত মানুহক সৃষ্টি কৰিব পৰা মন এটা দি আৰু সৃষ্টিৰ যাবতীয় সাজ-সঁজুলি দি স্থাপন কৰা হৈছে—সৃষ্টি কৰি যাবৰ কাৰণেই। এই জগতখনত যাতে নতুন নতুন বিচিত্ৰতা কৰি, মানুহে নিজে তাৰ আনন্দ লভি এটা নৱ প্ৰকাশ আৰু বিকাশৰ আনন্দৰ পৰা আন এটালৈ গৈ সৃষ্টিৰ বিচিত্ৰতাৰ অখণ্ডতা ৰাখি থব পাৰে। সেই গুণেই ইয়াত আৰু নিখিল বিশ্বত সৃষ্টিৰ পিছত নতুন, সৃষ্টি, সভ্যতাৰ পিছত নতুন সভ্যতা, এক মানসিক বিকাশৰ পিছত আৰু এক মানসিক বিকাশ। এটা জাতিৰ যেতিয়ালৈকে এই সৃষ্টি-ক্ষমতাৰ উৎস নুশুকুৱাকৈ থাকিব, যেতিয়ালৈকে তাৰ নৱোন্মেষৰ অফুৰন্ত পাহি মেল খাই থাকিব, তেতিয়ালৈকে তাৰ জগতত স্থান। তাকে হেৰুৱালে কালৰ পদাঘাতত সি স্থানচ্যুত হব লাগিব আৰু সৃষ্টিকাৰী নৱোন্মেষশালিনী মনীষা আৰু প্ৰতিভাক ঠাই এৰি দি কেতিয়াবা পদদলিত হৈ হীন জীৱন যাপন কৰিব লাগিব নাইবা একেবাৰে সৃষ্টি-ক্ষমতাত সৰ্ব্বস্বান্ত হলে উচ্ছেদ হৈ যাব

লাগিব। কত উন্নত সভ্যতাৰ জাতিয়ে সৃষ্টি-ক্ষমতা হেৰুৱাই পৃথিৱীৰ পৰা চিন-চাব নোহোৱা হৈ গল, কত জাতিয়ে তাক হেৰুৱাই নতুন সৃষ্টি-প্ৰতিভাৰ আগত মূৰ দোঁৱাই সিইতৰ মাথোন দাস হৈ পৃথিৱীত দলিত, ধৰ্ষিত হৈ পৰি আছে আজি পৃথিৱীৰ ইতিহাস পঢ়াসকলৈ সেই কথা জ্বলজ্বল পটপট।

আমাৰো ভাৰতে এই নৱোন্মেষশালিনী সৃষ্টি-প্ৰতিভা হেৰুৱা বাবেই বা কোনো কাৰণত সেই বোৱঁতী সুঁতি বন্ধ হৈ যোৱাতেই এটা ভ্ৰষ্ট অৱস্থাত পৰিল। আজি দুহেজাৰ বছৰ ভাৰতৰ মহামনটোৰ একো সাৰি-সঁহাৰি নাই। পৃথিৱী কঁপাই দিব পৰা মহাপ্ৰতিভা প্ৰচণ্ড আগ্নেয়গিৰিৰ দৰে জ্বলি উঠা নাই। পিছে, যোৱা শতাব্দীৰ পৰা ভাৰতৰ জীৱনত সেই মহামনটোৰ পুনৰভ্যুদয়ৰ এনেকুৱা কিছুমান মহৎ লক্ষণ প্ৰকাশ পাইছে আৰু সেই মহামনটোৰ স্ফুৰণ হবলৈ আৰম্ভ কৰি এনেকুৱা কেটামান মহা-প্ৰতিভাৰ অভিনৱ পাহি মেল খাই ওলাইছে, তাৰ পৰা ভালকৈয়ে বুজিব পৰা হৈছে যে ভাৰতে সৃষ্টিক্ষমতা হেৰুৱাই এটা নিৰ্জীৱ অৱস্থালৈ যোৱা নাছিল। আদি যুগৰে পৰা এই প্ৰচণ্ড আধ্যাত্মিক আৰু মানসিক বিকাশ সীমান্ত পাই আৰু এটা মহাবিকাশৰ তত্ত্ব, তথ্য, সত্য আৰু পৰিকল্পনা বিচাৰি ধ্যানত বহি প্ৰায় দুহেজাৰ বছৰ সমাধিমগ্ন অৱস্থাতহে আছিল। আজি সেই গভীৰ সমাধিৰ অন্ত পৰিছেহি। এটা আলোড়ন কম্পন আৰম্ভ হৈছে। ভাৰতৰ আধ্যাত্মিক আৰু দাৰ্শনিক চিন্তাত অভিনৱ সত্যাই পৃথিৱীত এটা আলোকবাষ্পৰ সৃষ্টি কৰিছে। তাৰ মানে পৃথিৱীত আকৌ এটা মহাজাতীয় মহাপ্ৰতিভা মুকলি হবলৈ ধৰিছে। এটা নতুন দিনৰ নৱসভ্যতাই ভাৰতৰ উদয়াচলতেই পূৱৰুণ দিছেহি।

বৌদ্ধ-যুগ শেষ হোৱাৰ লগে লগেই ভাৰতীয় মহামনটোৰ নৱবিকাশ বন্ধ। তাৰ পিছত ভাৰতৰ জীৱনত ক্ষেত্ৰে ক্ষেত্ৰে যিবোৰ প্ৰতিভা আৰু মনীষাই কাম কৰিছে, সকলোবোৰেই মাত্ৰ ভাৰতৰ পুৰণি মৌলিক কৃষ্টি আৰু সভ্যতাক নষ্ট হোৱা বা বিজ্বতৰীয়া হোৱাৰ পৰা ৰক্ষাহে কৰি আছিল।

গীতা-উপনিষদ, বেদান্ত-দৰ্শনৰ মাথোন নতুন ব্যাখ্যা। অধ্যাত্ম-বিজ্ঞান আৰু দৰ্শনৰ কোনো নতুন মৌলিক তত্ত্ব, তথ্যৰ আৱিষ্কাৰ নাই। এইদৰেই ভাৰতীয় সঙ্গীত, ছয় ৰাগ, ছয়ত্ৰিছ ৰাগিণীৰ মাত্ৰ নতুন যোগ-বিয়োগ অদলবদলেৰে পুৰণি মূল সাঙ্গীতিক তথ্যবোৰকে কেন্দ্ৰ কৰি ঘূৰি আছিল। সঙ্গীত-বিজ্ঞানৰ ফালৰ পৰা ক্ৰমোন্নতি নাই। আমাৰ স্থাপত্যত বৌদ্ধ-যুগৰ পিছৰ পৰা একো নতুন গঢ় আৰু জ্যামিতিৰ ফালৰ পৰা নতুন পৰিকল্পনা আৰু সৌন্দৰ্য্যৰ নতুন সমাৱেশ নাই। আমাৰ ভাস্কৰ্য্যৰ প্ৰকাশতো কোনো নতুন মৌলিক দৃষ্টিৰ প্ৰকাশ নাই। চিত্ৰবিদ্যা আৰু তাৰ লগৰীয়া আন কলাবোৰতো নৱ বিকাশৰ সোঁত শুকাই নাইকিয়া হল। আমাৰ শিল্পবোৰ মাত্ৰ আগৰ সৌন্দৰ্য্য সৃষ্টিবোৰতেই আৱদ্ধ। আয়ুৰ্ব্বেদতো আৰু উন্নতি নোহোৱা হল। মুঠতে আমাৰ ভাৰতীয় সভ্যতা আৰু কৃষ্টিৰ মৌলিক বিকাশ অন্ত পালে। এই দুহেজাৰ বছৰে আমাৰ ভাৰতত যিবোৰ প্ৰতিভা ওলাল, তেওঁলোকে বাহিৰৰ আক্ৰমণৰ পৰা মাথোন ভাৰতীয় কৃষ্টিৰ বিশিষ্টতা আৰু মৌলিকতা ৰক্ষা কৰাতেই নিয়োজিত হৈ থাকিল। এতিয়া আকৌ শ্ৰীঅৰবিন্দ আৰু গান্ধী-প্ৰতিভাইহে ভাৰতীয় মহামনটোৰ সমাধি ভগাৰ বাতৰি দিছে আৰু এক অভিনৱ সভ্যতা আৰু কৃষ্টিৰ সূচনা কৰিছে।

বৌদ্ধ-যুগৰ পিছৰ পৰা আয়নীয়, ইছলামীয় আৰু য়ুৰোপীয় কৃষ্টি আৰু সভ্যতাৰ ঢৌৱে ভাৰত ঢৌৱাই গৈছে আৰু ইয়াৰ ফলত বিশেষকৈ শিক্ষিত ভাৰতত এটা উপৰুৱাকৈ সংমিশ্ৰিত কৃষ্ট গঢ়ি উঠিছে কিন্তু গম্ভীৰতম ভাৰতীয় যি মহামনটো সমাধিগ্ৰস্ত আছিল তাৰ এই বাহিৰা প্ৰভাৱবোৰৰ সৈতে যোগাযোগ নাই। কেৱল তাৰ অৰ্দ্ধচেতন অৱস্থাত থকা উপৰুৱা স্তৰটোৱেহে এই বাহিৰৰ কৃষ্টি আৰু সভ্যতাৰ সৈতে এটা বুজাবুজি কৰিবলৈ চেষ্টা কৰি এটা কৃষ্টি আৰু সভ্যতা সৃষ্টি কৰিছিল যদিও সি পৃথিৱীৰ বুৰঞ্জীত জিলিকি উঠিব পৰা বিধৰ নহয়। ই পৃথিৱীত ভাৰতীয় মৌলিকত্ব হিচাপে একো প্ৰভাৱ কৰিব পৰা নাই। পিছে, যোৱা শতাব্দীৰ পৰা যে ভাৰতীয় মহামনৰ

পুনৰভ্যুদয় হয়। আমি তাৰ জাননী পাইছিলোঁ স্বামী বিবেকানন্দৰ প্ৰতিভাৰ পৰা আৰু দেখাকৈয়ে চিন ওলাল ৰবীন্দ্ৰ-প্ৰতিভা বিকাশৰ পৰা। শ্ৰীঅৰবিন্দ আৰু গান্ধী-প্ৰতিভাই তাৰ পূৰেৰুণ ফটফটীয়াকৈ উলিয়াই আনিলে। ইয়াৰ লগে লগেই আমাৰ দেশত এটা প্ৰচণ্ড ৰাজনৈতিক জাগৰণ আৰু আমাৰ নযোৱানসকলৰ বৈপ্লৱিক মনোবৃত্তিয়ে তাক একেবাৰেই মূৰ্ত্ত কৰি আনিছে। নতুন সৃষ্টিৰ আগতেই ঘোৰ ধ্বংসকাৰী বিপ্লৱ আহে। বিপ্লৱৰ ৰক্ত-ৰাগেই অৰুণোদয়ৰ ৰঙা আকাশৰ দৰেই নতুন দিনৰ নতুন পোহৰৰ আগমণিৰ প্ৰথম প্ৰকাশ। ভাৰতত আজি বিপ্লৱৰ জুইৰ ৰঙা ফিৰিঙতি দেখিয়েই বুজিব পৰা হৈছে যে ভাৰতলৈ এক নতুন সভ্যতা আৰু কৃষ্টিৰ আলোক-বসন্ত আহিব লাগিছে।

অতি মহৎ উদ্দেশ্য সাধনৰ কাৰণে যুদ্ধ-বিপ্লৱ আদি ধ্বংসকাৰী অভিযানৰ আশ্ৰয় লবলগীয়া হলেও এই দুই কথাই মানুহৰ মনটো বৰ্ব্বৰতাৰ ফালে ঢাল খুৰাই নিব খোজে। হিংসা, ঘৃণা, ক্ৰোধ আদি ৰিপুবোৰে এই সময়ত ভালকৈয়ে আসৈ পায়। ৰাজনৈতিক আৰু সামাজিক শৃঙ্খলা নষ্ট হোৱাৰ ফলত মানুহৰ সংস্কৃতিৰে বান্ধজৰী লগাই ৰখা পাশৱিক আৰু নীচ প্ৰবৃত্তিবোৰে চল পায়। কেতিয়াবা ইয়াৰ বাবেই সমাজ আৰু দেশ আদৰ্শভ্ৰষ্ট হৈ যি মহৎ উদ্দেশ্যৰ বাবে অবাঞ্ছনীয় যুঁজ-বাগৰ কৰিবলগীয়া হয়, তাতেই অপৱিত্ৰতাৰ চেকা পেলায়। যুদ্ধ আৰু বিপ্লৱ উকলি যোৱাৰ পিছত বিজেতাই হওক বা বিজিতেই হওক আগতকৈ কৃষ্টিৰ এটা তলৰ স্তৰলৈ নামি যাব খোজে। সেই কাৰণে সংগ্ৰাম আৰু বিপ্লৱৰ সময়তো দেশৰ কিছু সংখ্যাই কৃষ্টি আৰু সভ্যতাৰ চাকিবোৰ মুমুমুৰাকৈ জ্বলাই ৰাখিব লাগে। জ্বলাই ৰাখিব নোৱাৰিলে, তাৰ পৰিণতি সাংঘাতিকো হব পাৰে। সেই কাৰণেই নিশ্চয় গীতাৰ কুৰুক্ষেত্ৰৰ আসন্ন যুদ্ধৰ সময়তো সৈন্য-বাহিনীৰ সোঁমাজতে ৰথ ৰাখি শ্ৰীকৃষ্ণই অৰ্জ্জুনক যুদ্ধৰ অনিবাৰ্য্যতাৰ কথা কৈ উদগোৱাৰ লগে লগে আধ্যাত্মিক তত্ত্বৰ জ্ঞান দি দৈৱী-আদৰ্শৰ

বিষয়ে বহলাই বুজনি দিছে। যুদ্ধতো কৰিব লাগিবই তথাপিও যুদ্ধৰ পৰা যাতে অৰ্জ্জুনৰ আধ্যাত্মিক আৰু সাংস্কৃতিক ভ্ৰষ্টতা আহিব নোৱাৰে তাৰ বাবেও শ্ৰীকৃষ্ণ অতিকৈ সতৰ্ক। সেইহে সংগ্ৰামৰ মাজত শাস্ত্ৰ আৰু আগ্নেয়অস্ত্ৰৰ প্ৰচণ্ড প্ৰয়োগৰ মাজতো শ্ৰীকৃষ্ণ নিজেই নিৰস্ত্ৰ।

আমাৰ আজি যি জীৱনৰ সমস্যা তালৈ চাই আমাৰ কৃষ্টি-মূলক চৰ্চ্চাৰ আৱশ্যক হৈ পৰিছে সংগ্ৰামৰ সমানেই। বিজেতাই আজি সিহঁতৰ সভ্যতা আৰু কৃষ্টিৰ প্ৰভাৱেৰে আমাৰ মনটোক নাকী-জৰী লগাই লৈ ফুৰাইছে। এই মনটোক আমি প্ৰথমেই সম্পূৰ্ণ মুক্ত কৰিব লাগিব আৰু তেতিয়া মুক্ত মনটোৱে আমাক সকলো বিষয়ে মুক্ত কৰিবলৈ কাৰ্য্য কৰিবলৈ ধৰিব। এই মনৰ স্বাধীনতা প্ৰায় আমি লাভ কৰিছোঁৱেই যদিও এতিয়াও আমাৰ কৃষ্টি আৰু সভ্যতাৰ প্ৰত্যেক ক্ষেত্ৰতে মহাপ্ৰতিভাৰ নৱ-বিকাশ নোহোৱাৰ বাবেই সি সম্পূৰ্ণ হব পৰা নাই। অৱশ্যে সময় লাগিব। তথাপিও আজি আমাৰ মনটো এটা নতুন পোহৰৰ ফালে উৰ্দ্ধমুখী হৈ উন্মুক্ত। সেইহে আজি ভাৰতত বৰ্ত্তমানে প্ৰধানকৈ ৰাজনৈতিক ক্ষেত্ৰত, বিদ্ৰোহৰ জুই অনিৰ্ব্বাপিত হৈ জ্বলি থাকি সময়ে সময়ে একোটা বৈপ্লৱিক ভূমিকম্প কৰিবলৈ আৰম্ভ কৰিছে। এই বৈপ্লৱিক ভূমিকম্পৰ পৰাই সময়ত আমাৰ জীৱনলৈ প্ৰচণ্ড পৰিবৰ্ত্তন আহিব আৰু ই আমাৰ বৰ্ত্তমানৰ সকলো ওলটপালট কৰি ভাৰতৰ জীৱনৰ অপহ্নুতা, অসুৰা আঁতৰাই এই মহাদেশখনত এক মহাসভ্যতা গঢ়ি উঠিবৰ কাৰণে যেনেকৈ ক্ষেত্ৰ প্ৰস্তুত কৰিব লাগে তাকে কৰিছে নিজম পৰিবৰ্গে। সেই ভূমিকম্পৰ অগ্ন্যুৎপাতত স্নান কৰি নতুন পোহৰৰ বন্দনা কৰিবলৈ দেশৰ নযোৱানসকল ক্ষেত্ৰে ক্ষেত্ৰে সাজু হোৱাৰ আজিয়েই সময়।

মানৱীয় কৃষ্টি তামসিক, ৰাজসিক আৰু সাত্বিক। সভ্য জাতিবোৰে পৃথিৱীত প্ৰধানতে ৰাজসিক কৃষ্টিৰ আদৰ্শকে সংসাৰত মানি চলিছে। সাত্বিক কৃষ্টিৰ আদৰ্শ মানি লোৱাৰ বাহিৰে জীৱনত বহলভাবে খটুৱাৰ

পৰা নাই। ভাৰতৰ তপোবনত যদিও সাত্ত্বিক কৃষ্টিৰ ৰাজত্ব তথাপি সংসাৰক্ষেত্ৰত ৰাজসিক কৃষ্টিহে। সংসাৰী ক্ষেত্ৰত সাত্ত্বিক কৃষ্টি কাৰ্য্যকৰী কৰিব নোৱাৰাটোৱেই ইয়াৰ কাৰণ। বুদ্ধ আৰু যিশুখৃষ্টই মানৱ জাতিক সমূহীয়াকৈ সেই কৃষ্টিৰ আদৰ্শ লৈ নিব খুজিছিল কিন্তু তথাপিও আজিলৈকে সংসাৰত ৰাজসিক কৃষ্টিৰেই প্ৰাধান্য চলি আছে আৰু সাত্ত্বিক কৃষ্টিৰ আদৰ্শই মাত্ৰ ৰাজসিক কৃষ্টিৰ ভ্ৰষ্টতা বা উগ্ৰতা কোমলাই ৰখাতহে নিয়োজিত হৈছে।

মানুহে সাত্ত্বিক সভ্যতা আৰু কৃষ্টিৰ সপোন দেখি থাকিও তাক এই সংসাৰৰ বাবে অকাৰ্য্যকৰী বুলি ৰাজসিক কৃষ্টি আৰু সভ্যতাৰে অনুশীলন কৰাৰ কাৰণ হৈছে যে এতিয়ালৈকে সাংসাৰিক বহু সমস্যাৰ সমাধানৰ বাবে ৰাজসিক কৌশলৰ বাহিৰে উপায়ান্তৰ নাই। যেতিয়াই মানুহে সাত্ত্বিক কৌশল আৱিষ্কাৰ কৰি এই সমস্যাবোৰ তাৰে সমাধান কৰিব পৰা হব তেতিয়াই মানৱ সমাজৰ ৰূপান্তৰ ঘটিব আৰু মানুহৰ সভ্যতা অতিমানৱীয় কৃষ্টি আৰু সভ্যতাৰ স্তৰলৈ উঠি যাব।

এই দৈৱী সাত্ত্বিক সভ্যতা কৃষ্টিলৈ যাবলৈ মানুহৰ সভ্যতাৰ প্ৰথম প্ৰভাতৰ পৰাই পুৰুষাৰ্থ চলিব লাগিছে কিন্তু মানুহৰ স্বভাৱক জয় কৰিব নোৱাৰি আৰু সাত্ত্বিক কৌশল আৱিষ্কাৰ কৰিবলৈ অক্ষম হৈ ৰাজসিক কৃষ্টিকে আশ্ৰয় কৰি আছে। বিশেষকৈ সাংসাৰিক কন্দল ভাঙিবলৈ পাশৱিক শক্তি প্ৰয়োগৰ বাহিৰে আন উপায় নাপাই আৰু মানুহৰ স্বভাৱত দকৈ শিপাই থকা, পাশৱিক প্ৰবৃত্তিবোৰৰ পৰা মুক্ত হব নোৱাৰাৰ বাবেই। কিন্তু আজি হেজাৰ হেজাৰ বছৰ ধৰি মানুহে যি বাবে অতি মানৱীয় স্তৰলৈ উঠিব পৰা নাই সেই কাৰণৰ বিষয়ে আজি ভাৰতে জগতক এটা মীমাংসা দিবলৈ ওলাইছে। শ্ৰীঅৰবিন্দৰ দৈবীবাদে মানুহ ক্ৰমোন্নতিৰ বাটেদি সঠিকৰূপে অতিমানৱীয় স্তৰলৈ যে গতি কৰিছে তাক দাৰ্শনিক তত্ত্ব-তথ্যেৰে জগতক সজ্ঞাত নিয়াইছে আৰু ইফালে সত্যাগ্ৰহ-দৰ্শন আৰু বিজ্ঞানে সাত্ত্বিক কৌশলৰ কাৰ্য্যকৰী প্ৰয়োগৰ কৃত-

কাৰ্য্যতা দাঙি ধৰিছে। সময়ত এই সত্যাগ্ৰহ-দৰ্শন আৰু বিজ্ঞানৰ পূৰ্ণ বিকাশ ঘটিবগৈ। ইয়াৰ পূৰ্ণ বিকাশ হলেই সশস্ত্ৰ যুদ্ধ পাশৱিক বলপ্ৰয়োগ সভ্য মানুহৰ কাৰণে অনাৱশ্যকীয় হৈ পৰিব। পৃথিৱীৰ জীৱনলৈ অতিমানৱ নামিবহি। সেই মহাসভ্যতাৰ প্ৰথম পোহৰ ভাৰততে জিলিকিছেহি। সেইহে কব খুজিছোঁ যে ভাৰতীয় মহামনটো দুহেজাৰ বছৰ সমাধিমগ্ন হৈ থাকি নৱালোক আৰু নবীন সভ্যতাৰ পৰিকল্পনা পাই, সাৰ পাই উঠিছে। সেইহে আমাৰ দেশৰ মহান ভৱিষ্যতৰ বিষয়ে প্ৰাণত এটা সুনিশ্চিত আশা হৈছে। এই পোহৰ উদ্ভাসিত হৈ অহাৰ লগে লগেই ভাৰতৰ সকলো সভ্যতা আৰু সাংস্কৃতিক ক্ষেত্ৰতো অভিনৱ প্ৰতিভাই দেখা দিবহি আৰু সেই প্ৰতিভাৰ নৱ বিকাশে আমাৰ ভাৰতৰ সভ্যতা আৰু কৃষ্টিৰ সম্পূৰ্ণৰূপে বৰণ সলাইতো দিবই, তাৰ লগে লগে গোটেই পৃথিৱীকেই এটা নতুন সভ্যতা আৰু কৃষ্টিৰ ঢৌৱে ঢৌৱাই পেলাব। বৰ্ত্তমানৰ যান্ত্ৰিক সভ্যতা আৰু বৈজ্ঞানিক কৃষ্টি সেই মহাসভ্যতাৰ মাজত নিশ্চয়ে জীণ গৈ তাৰ কোনোবা বিভাগৰ পুষ্টিহে সাধন কৰিব মাথোন।

সৰ্ব্বভাৰতীয় ক্ষেত্ৰত যি ধ্বনি উত্থিত হয়, ভাৰতৰ বিভিন্ন প্ৰদেশবোৰত তাৰ মাথোন প্ৰতিধ্বনিহে হয়। সেই কাৰণে ভাৰতৰ প্ৰাদেশিক কৃষ্টি সভ্যতাবোৰ প্ৰাতিধ্বনিক। বেলেগ বেলেগ প্ৰদেশ-বোৰৰ বেলেগ বেলেগ ভৌগোলিক, প্ৰাণীতাত্ত্বিক আৰু পাৰিপাৰ্শ্বিক বিভিন্নতা থকাৰ বাবেহে সেই প্ৰতিধ্বনিবোৰৰ এটা বিভিন্নতা ওপজে। এই প্ৰাতিধ্বনিক বিভিন্নতাইহে ভাৰতীয় প্ৰদেশবোৰৰ কৃষ্টি, সভ্যতা, সুকুমাৰ কলা, সঙ্গীত, স্থাপত্য ভাস্কৰ্য্য, শিল্প-চিন্তা, কল্পনা আৰু প্ৰতিভাৰ প্ৰকাশত এটা বিশিষ্টতা উলিয়াই দিয়ে। ই সৰ্ব্বভাৰতীয় কৃষ্টি-সভ্যতাৰ বিচিত্ৰতা সাধন কৰে আৰু এটা প্ৰাদেশিক জাতীয়ত্বৰ সৃষ্টি কৰে। সৰ্ব্বভাৰতীয় ক্ষেত্ৰত যি ধ্বনিৰ জন্ম যি প্ৰদেশত হয় সেই প্ৰদেশৰ বিশিষ্টতাই আন আন প্ৰদেশতো দেখা দিয়ে। তাৰ বাবেই প্ৰাদেশিক

বিশিষ্টতাৰো সৰ্ব্বভাৰতীয় কৃষ্টি-সভ্যতালৈ দানস্বৰূপ হয়। এইদৰেই সৰ্ব্বভাৰতীয় আৰু প্ৰাদেশিক কৃষ্টি-সভ্যতা পাৰস্পৰিক সহযোগ আৰু প্ৰভাৱেৰে সৃষ্টি হৈ থাকে। ভাৰত আৰু প্ৰদেশ সম্পৰ্কে যেনেকৈ এই ধ্বনি আৰু প্ৰতিধ্বনিৰ কথা খাটে সেই দৰেই একে কথাই হব লাগিছে নিখিল পৃথিৱী আৰু দেশবোৰ সম্পৰ্কে। বিশ্বকৃষ্টি আৰু জাতীয় কৃষ্টিও এইদৰে ধ্বনি-প্ৰতিধ্বনিৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সমন্বয়ত গঢ়ি উঠিব লাগিছে।

অসমীয়া সভ্যতা আৰু কৃষ্টি সেই সৰ্ব্বভাৰতীয় ধ্বনিৰ প্ৰাতি-ধ্বনিক কৃষ্টি আৰু সভ্যতা। অসমত আদিযুগতে আসুৰীয়া কৃষ্টি আৰু সভ্যতা আছিল! তাৰ পিছত এই সভ্যতাৰ আৰ্য্য-সভ্যতাৰ সৈতে এটা সমন্বয় হৈ, প্ৰাগজ্যোতিষৰ সভ্যতাই গঢ় লয়। প্ৰাগজ্যোতিষৰ পৰা সৰ্ব্বভাৰতীয় কৃষ্টিলৈ দানৰ বিষয়ে সকলোৱে আনে। প্ৰাগজ্যোতিষৰ সভ্যতাৰ পিছত কামৰূপী কৃষ্টি আৰু সভ্যতাও ভাৰতীয় সভ্যতাৰ অন্তৰ্গত হৈয়েই বিকশিত। স্থানীয় উপজাতিবোৰৰ প্ৰভাৱ কামৰূপী সভ্যতাৰ ওপৰত পৰাতকৈও চাৰিও ফালৰ উপজাতিবোৰে কামৰূপী সভ্যতা আৰু কৃষ্টি গ্ৰহণ কৰি নিজৰ জাতীয়তাৰো ৰূপান্তৰ কৰাৰ নিদৰ্শন মণিপুৰ। ইয়াৰ পিছত আহোমসকলে এই দেশৰ অধিপতি হোৱাত কামৰূপী সভ্যতা আৰু কৃষ্টিৰ কোনো কোনো ক্ষেত্ৰত সামান্য বেলেগ গঢ় লয়। আহোমসকলে কামৰূপীয় কৃষ্টি গ্ৰহণ কৰি মঙ্গলীয় কৃষ্টিৰ কিছু দান আগবঢ়ায় আৰু ইয়েই কামৰূপী সভ্যতা কৃষ্টিৰ ৰূপ দিছে। কামৰূপীয় কৃষ্টিৰ পিছৰ ছোৱা কাল শঙ্কৰ-মাধৱৰ প্ৰতিভাৰে প্ৰভাৱান্বিত আৰু সেই মহাপুৰুষীয়া কৃষ্টিয়েই আজিও অসমীয়াক ধৰি আছে। মহাপুৰুষীয়া কৃষ্টিৰ বাবেই আমাৰ অসমীয়া বুলি প্ৰধানতে স্থিতি। আমাৰ কৃষ্টিত যদিও উপজাতিৰ পূৰ্ণ প্ৰভাৱ পৰিব পৰা নাই তথাপিও দেখা গৈছে যে আমাৰ কলা, শিল্প, সঙ্গীতৰ কোনো কোনো স্তৰত সেই উপজাতিৰ কম-বেছি পৰিমাণে প্ৰভাৱ পৰি আমাৰ অসমীয়া সভ্যতাক বিশেষকৈ পূৰ্ব্বএছিয়া আৰু ভাৰতীয় সভ্যতাৰ

মনোৰম গঢ় দিছে। বৰ্ত্তমান যুগত পাশ্চাত্য সভ্যতা-কৃষ্টিৰ যথেষ্ট প্ৰভাৱ আমাৰ ভিতৰলৈ আহিছে যদিও মহাপুৰুষীয়া কামৰূপী সভ্যতা আৰু কৃষ্টিয়ে আমাৰ জীৱনত আজিও পূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰিব লাগিছে।

আজি আমাৰ জাতীয় কৃষ্টি আৰু সভ্যতা আকৌ এটা ৰূপান্তৰৰ দুৱাৰদলিত আৰু এই ৰূপান্তৰ সৰ্ব্বভাৰতলৈ আৰু বৰ্ত্তমান পৃথিৱীলৈ যি নতুন সভ্যতা আৰু কৃষ্টি আহিব লাগিছে তাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছে। বৰ্ত্তমান পৃথিৱীত বিজ্ঞানৰ অপূৰ্ব্ব বিকাশৰ লগে লগে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰতো নতুন বিপ্লৱকাৰী আদৰ্শবাদ আহি মানৱ সমাজৰ চিন্তা-ৰাজ্যত ভূমিকম্প কৰিছেহি আৰু এই বিশ্ববিপ্লৱে জগতৰ জাতিসমূহৰ কৃষ্টি-সভ্যতা আৰু জীৱনলৈ অভাৱনীয় পৰিৱৰ্ত্তন আনি দিয়াৰ আগন্তুক কৰিছে। এই বিপ্লৱী আদৰ্শবাদ আহি আমাৰ ভাৰততো আৰু অসমতো এটা আলোড়ন তুলিছে। সেই কাৰণেই আমাৰ কাইলৈৰ সভ্যতা আৰু কৃষ্টিয়ে কেনে ৰূপ ধৰিব তাক ভাবি-চিন্তিও সঠিককৈ কবলৈ টান হৈ পৰিছে। এই কাৰণেই যে ভৱিষ্যতৰ ভাৰতীয় উদ্বোধিত মনটোৱে বৰ্ত্তমান পাশ্চাত্যৰ পৰা অহা বৈজ্ঞানিক কৃষ্টিক কি হিচাপে গ্ৰহণ কৰিব আৰু বৰ্ত্তমান যি সাম্যবাদ আৰু জনতান্ত্ৰিক আদৰ্শই আমাৰ ভাব-ৰাজ্যত আৰু জীৱনৰ ক্ষেত্ৰত প্ৰভাৱ কৰিছে, তাক কেনেকৈ লব? কাৰণ সঁচাকৈয়ে কবলৈ গলে পৃথিৱীত আচল জনতন্ত্ৰ আজিলৈকে কোনো দেশতেই হৈ উঠা নাই। ইংলণ্ড আৰু আমেৰিকা এই ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক আদৰ্শবাদ ভাৰতে গ্ৰহণ কৰিলেও, ভাৰতত অভ্যুদয় হোৱা হাসভ্যতাৰ সৈতে সেইবোৰৰ এটা সমন্বয় হৈ যাবও পাৰে নাইবা ভাৰতৰ অভ্যুদয় হোৱা মহাসভ্যতাই সেই মহাসভ্যতাৰ দৰ্শন আৰু সংস্কৃতিৰ আদৰ্শৰ সৈতে মিলা সাম্যবাদ আৰু জনতন্ত্ৰৰ অভিনৱ আৰু মৌলিক সংস্কৰণ, তত্ত্ব, তথ্য আৰু তন্ত্ৰৰ বিকাশ কৰি এক জ্ঞানময় জনতন্ত্ৰ ৰচনা কৰি, পৃথিৱীত মানুহে বিচৰা চিৰসুখ চিৰশান্তিৰ ৰাজ্য স্থাপন কৰাৰ সপোন দিঠকলৈ আনিব পাৰে।

সেই কাৰণেই প্ৰত্যেক ভাৰতীয় ডেকাই আজি তেওঁ যি ৰাজনৈতিক বা অৰ্থনৈতিক আদৰ্শবাদীয়েই নহওক সদায় সেই আদৰ্শবোৰৰ মৌলিক নতুন তত্ত্ব-তথ্যৰ বিষয়ে সজাগ হৈ থকাৰ দৰকাৰ। অসমীয়াৰো কৃষ্টি-সভ্যতা সেই গঢ়তে গঢ়ি উঠিব যদিও সেই সময়ৰ ইয়াৰ স্থানীয় অৱস্থা, এই প্ৰদেশৰ ভৌগোলিক, প্ৰাণীতাত্ত্বিক গঠনে আৰু আমাৰ পুৰণি কৃষ্টি-সভ্যতাৰ যিখিনি সনাতন মূল্যৰ সম্পদ তেতিয়াও থাকি যাব, সিয়েইহে গৈ সেই অসমীয়াই গ্ৰহণ কৰা নৱ সভ্যতাত জাতীয় মৌলিকতাৰ আৰু বিশিষ্টতাৰ ৰহণ খুৱাই এটা স্বকীয়া ৰূপ দিবগৈ। মুঠৰ ওপৰত পৃথিৱীৰ—ভাৰতৰ—অসমৰ ভৱিষ্যতৰ সভ্যতা হৈছে এটা সমন্বয় সভ্যতা আৰু কৃষ্টি। আমাৰ ভাবতেই সেই সভ্যতা কৃষ্টিৰ মুকুটৰ জগত পোহৰোৱা কহিনুৰডোখৰ দিয়াৰ উপৰিও আৰু নানান মণিসম্ভাৰে সেই বিশ্ব-সভ্যতাক জ্যোতিৰ্ম্ময় কৰি তুলিব বুলি আজি আমাৰ প্ৰাণৰ আশা।

এইখিনিতে আমি এটা কথা বিচাৰ কৰি চাবলগীয়া হৈছে। সেইটো হৈছে যে আজি আমাৰ অসমীয়াৰ সভ্যতা আৰু কৃষ্টি যি অৱস্থাত পৰিছে, এই অৱস্থাৰ পৰা সি গৈ ওপৰত কৈ অহা নৱসভ্যতাৰ ভাগ লৈ তাত স্বকীয়া ৰহন দি নিজৰ ভৱিষ্যতৰ স্থিতি ৰাখিব পাৰিব নে নোৱাৰে? আজি আমাৰ প্ৰদেশ বাগিচাৰ বনুৱা, মৈমনছিঙীয়া, নেপালী, বঙালী, মাৰোৱাৰী আৰু আন আন প্ৰদেশৰ মানুহ আহি ইয়াত বসতি কৰি সিহঁতৰ নিজৰ নিজৰ প্ৰাদেশিক বিশিষ্টতাকে ৰাখি যাব লাগিছে। এতিয়া এই জন-সংখ্যাৰ মানুহৰ সৰহ ভাগকেই যদি আমি ইয়াৰ ভাষা, কৃষ্টি আৰু সভ্যতা দি আমাৰ ভিতৰত সুমুৱাব নোৱাৰোঁ তেন্তে আমাৰ বিপদ আছে।

অসমৰ বুৰঞ্জীয়ে দেখুৱাইছে যে অসমীয়া জাতিটো ভাৰতৰ আন আন প্ৰদেশৰ পৰা অহা নানা ভাৰতবাসী মানুহৰ সোঁত আৰু অসমৰ থলুৱা মানুহৰ নানা উপজাতি লগ খাইহে বৰ্ত্তমানৰ এই অসমীয়া জাতি হৈছে। অসমীয়া জাতি এটা সংমিশ্ৰণৰ পৰা হোৱা জাতি।

সেই কাৰণেই আমি চেষ্টা কৰি সেই সংমিশ্ৰিত অসমীয়া জাতিটোৰ কলেবৰ বৰ্ত্তমান অহা আন আন জাতিৰ মানুহক জীণ নিয়াই বঢ়াব পাৰোঁ। ই বুৰঞ্জীসিদ্ধ। সেই কাৰণে নিঃসন্দেহে আমি কামত লাগিব পাৰোঁ। এইদৰে অসমীয়া জাতি গঢ়ি উঠাৰ বিষয়ে অসম সাহিত্য সভাৰ সপ্তম অধিবেশনত সাহিত্যৰথী বেজবৰুৱাই কৈছে ঃ— "*আৰু এইদৰেই পিছৰ কালডোখৰতো, আনকি আজিলৈকে অসমীয়া জাতিৰ বৰজালখন গোঁথা হৈ আহিব লাগিছে। কনৌজীয়া, হিন্দুস্থানী, পাঞ্জাবী, বঙালী, উৰিয়া, নেপালী, গুজৰাটী, আদিৰ পাহ পৰি অসমীয়া জাতিৰ কলেৱৰ বৃদ্ধি হোৱাটো কোনে নাজানে? কত বিজয়ী আহোম বংশৰ মানুহ, কত চিংফৌ, মৰাণ, নগা, মিকিৰ, মিৰি, দফলা, গাৰো, লাহে লাহে হিন্দু-ধৰ্ম্ম আৰু হিন্দুৰ প্ৰভাৱৰ ভিতৰলৈ আহি কোচ-কেওট আদি জাতিৰ ভিতৰত সোমাই নাইকিয়া হৈ একেবাৰেই অসমীয়া হিন্দু হৈ অসমীয়া জাতি পৰিপুষ্ট বলিষ্ঠ কৰিছে, তাৰ সীমা-সংখ্যা নাই। এইদৰে মুছলমানৰ অসম আক্ৰমণৰ কালৰ পৰা বহুত বিদেশী মুছলমান আহি অসমত বাস কৰি অসমীয়া জাতিৰ সংখ্যা আৰু বল বৃদ্ধি কৰিব লাগিছে।"

এই সকলোকে অসমীয়া কৰিবলৈ আৰু তেওঁলোকক আমাৰ কৃষ্টিৰ প্ৰভাৱৰে প্ৰভাৱান্বিত কৰিবলৈ হলে উপায় হৈছে সামাজিক সমন্ধ স্থাপন—ললিত কলা, শিল্প, সাহিত্য, স্থাপত্য, আৰু সঙ্গীতৰ পোহৰে তেওঁলোকক আমাৰ ভাষা কৃষ্টিলৈ আকৰ্ষণ কৰি অনাটো। এই অভ্যাগতসকলৰ মাজত আমাৰ কৃষ্টি প্ৰচাৰৰ বাহিৰে আন কাৰ্য্যকৰী উপায় নাই। কিন্তু এনে অসমীয়া কৃষ্টিৰ আৰু জাতীয় বিপদৰ দিনতো এই কৃষ্টিমূলক বিষয়বোৰৰ সাধনা নাই কিয়? আজি এই কৃষ্টিমূলক বিষয়বোৰ আমাৰ জাতীয়তা ৰক্ষা কৰাৰ প্ৰধান অস্ত্ৰস্বৰূপ। এই অস্ত্ৰৰ সাধনা আজি আমি সমুখ-সংগ্ৰামৰ সময়ত যুদ্ধৰ আহিলা উৎপাদন কৰাৰ দৰে বিষয়ত কাম কৰিব লাগিব। কিন্তু ক'তা? এইবিলাক

আমাৰ জাতীয় প্ৰতিভা টিমিক-টামাক। এয়ে হলে আমাৰ পৰিত্ৰাণ নাই। আমি এই বিষয়ৰ চাকিবোৰ উগ্ৰ সাধনা আৰু কঠোৰ তপস্যাৰে জ্বলাই তাৰে লুইতৰ পাৰত প্ৰতিভাৰ দীপাৱলী পাতিব লাগিব নহলে আমাৰ ভৱিষ্যতৰ সোণালী সপোন ধোঁৱা হৈ উৰি যাব। অসমীয়া ডেকা আজি দৃঢ়প্ৰতিজ্ঞ হৈ ৰাজনৈতিক সংগ্ৰামৰ সমান প্ৰাবল্যৰেই এই কৃষ্টিমূলক বিষয়বোৰৰ সাধনাৰ তপস্যাত বহি যাওক। অসমীয়া ডেকাৰ মেধা, মনীষা, প্ৰতিভা নোহোৱা নহয়—কেৱল সাধনা আৰু তপস্যাৰ বিমুখতাৰ বাবেই আমি তাক ফুলাই তুলিব পৰা নাই। সেই কাৰণেই আজি মই কব খোজোঁ যে সাধনা—সাধনা—উগ্ৰ সাধনা, তপস্যা—কঠোৰ তপস্যাত আজি ডেকাসকল নিমগ্ন হওক। এই সাধনা, তপস্যাত নিজৰ জীৱনৰ আন আশা-আকাঙ্ক্ষা এৰি হলেও দেশৰ কিছু ডেকাই এই বিষয়বোৰৰ বাবে আত্মোৎসৰ্গ কৰক। সাধনাত নিশ্চয়েই সিদ্ধিলাভ হব। অসমৰ নতুন কৃষ্টি আৰু সভ্যতা জিলিকি উঠক—অসমীয়া জাতিৰ জয় হওক।*

---

* ডিব্ৰুগড়ৰ ছাত্ৰ-কংগ্ৰেছৰ কৃষ্টি সভাৰ সভাপতিৰ ভাষণ। ১৯৪৭ চন

# নতুনৰ পূজা

আজি প্ৰকৃতিয়ে ফুলে-পাতে, গন্ধে-বৰ্ণে নৱোন্মেষিত হৈ নতুন সৃষ্টিৰ উদ্বোধনী-পূজা পতাৰ মাহেন্দ্ৰ ক্ষণত আমি মানুহেও প্ৰকৃতিৰ সেই নতুনৰ মন্ত্ৰকেই মাতি, মানুহৰ জীৱনতো নতুনৰ প্ৰকাশ বিচাৰি আমাৰ সংস্কৃতি-সৃষ্টিৰ শ্ৰেষ্ঠ মানসিক সম্পদ সুকুমাৰ কলাৰ পত্ৰপুষ্পেৰে নতুনক আমাৰ মাজলৈ মাতিবলৈ, নতুনক জীৱনত গ্ৰহণ কৰিবলৈ এই বিহুমেলাৰূপী নতুনৰ পূজা পাতিছোঁ। প্ৰকৃতিত বাৰিষাৰ নৱজীৱন সঞ্চাৰিণী প্লাৱনে যেনেকৈ ধুমুহা বিজুলী, বজ্ৰপাতৰ ভয়াবহ মূৰ্ত্তিৰ মাজেদি বিয়পি, পৃথিৱীৰ উদ্ভিদ-জীৱনত নতুন সৃষ্টিক জগাই দিছে, সৌন্দৰ্য্যৰ নতুন প্ৰকাশ জীৱন-ধাৰণৰ নতুন সামগ্ৰীক বিকশিত কৰি তুলিছে, সেইদৰেই আমাৰ জীৱনৰ ওপৰেদি বাগৰি যোৱা নতুন ভাবৰ, নতুন সাংস্কৃতিক সৃষ্টিৰ আশাৰ বৈপ্লৱিক প্লাৱনেও তাৰ বুকত বান্ধি লৈ অহা সেই নতুনৰ প্ৰেৰণাৰ বীজবোৰ আমাৰ মনত, আমাৰ হৃদয়ত আমাৰ মনীষাত, অ'মাৰ প্ৰতিভাত সপি দি আমাৰ এক অভিনৱ সাংস্কৃতিক জীৱনৰ সৃষ্টি কৰক। হৃদয়ে হৃদয়ে নতুনৰ পূজা হওক। আজি কণ্ঠে কণ্ঠে নতুনৰ গান হওক। আজি চকুৱে নতুৰ ছবি উজ্বলক। আজি সপোনে সপোনে নতুনৰ হঁাহিৰ ইন্দ্ৰধনু সুৰঞ্জিত হৈ উঠক। আজি মানুহৰ আশাই আশাই নতুনৰ অৰুণ-অগ্নি দীপ্ত হওক, প্ৰতিভাই প্ৰতিভাই হওক নতুন সৃষ্টিৰ কল্পনাৰ জন্ম আৰু মনীষাই মনীষাই হওক নতুন পোহৰৰ নৃত্য। আজি যেন আমি প্ৰত্যেকেই ভাৱতলৈ মহাৰূপান্তৰৰ মাজেদি আহিব খোজা নতুন সাংস্কৃতিক, হেজাৰবছৰীয়া পুৰণি সাংস্কৃতিক সোণৰ শিকলি, তাৰ সোণসেৰীয়া যুগমূল্য থকা স্বত্ত্বেও তাৰ মোহ এৰি তাক ছিঙি-ভাঙি নতুনক তাৰ ঠাইত বহুৱাই মানৱ প্ৰগতিৰ জোনাকী বাটেদি আগবাঢ়ি যাবলৈ সাহ কৰিব পাৰোঁ।

অতীতৰ সংস্কৃতিৰ জোন-তৰাৰে শুৱনী নিশাক বিদায় দি, তাৰ সপোনৰ জালৰ পৰা নিজকেই মুক্ত কৰি, আজিৰ বৈজ্ঞানিক যুগৰ পুৱতিৰ অৰুণালোকত সত্য, সুন্দৰ আৰু শিৱৰ নতুন উপলব্ধিক বুজিব পাৰিবলৈ সক্ষম হওঁ। আমি আজি যাতে আমাৰ জীৱনলৈ আহিব খোজা মহাৰূপান্তৰক সঁচাকৈয়ে মানুহৰ বুৰঞ্জীত মানৱ প্ৰগতিৰ আৰু এক নৱপ্ৰভাত বুলি মৰ্ম্মে মৰ্ম্মে অনুভৱ কৰিব পাৰোঁ।

"ৰাত্ৰি প্ৰভাতিল উদিল —ৰবি-ছবি পূৰ্ব্ব উদয়গিৰি ভালে।
গাহে বিহঙ্গম পুণ্য সমীৰণ নৱজীৱন ৰস ঢালে ॥"

ৰবীন্দ্ৰৰ এই কৱিতা আজি ভাৰতৰ জীৱনত আখৰে আখৰে ফলিয়াওক।

পশুৰ পৰা মানুহ বেলেগ তাৰ কৃতিৰ বাবে। আদিম বৰ্ব্বৰতকৈ আজিৰ মানুহ বেলেগ তাৰ সংস্কৃতিৰ বাবে। সাধাৰণতে মানুহে তাৰ দেহ-ধাৰণৰ বাবে আৰু স্বাভাৱিকত তাৰ ইন্দ্ৰিয়ৰ যোগেদি আনন্দ পাবৰ কাৰণে যি কৰে আৰু তাৰ উৎকৰ্ষণৰ বাবে মানুহৰ যি যত্ন আনি তাক কৃতি বুলিব পাৰোঁ। এই কৃতিকেই যেতিয়া মানুহে সৌন্দৰ্য্য সৃষ্টিৰ দৃষ্টিৰে চাই তাত কলা প্ৰয়োগ কৰে তেতিয়াৰ পৰাই সেই কৃতি সংস্কৃতিৰ অন্তৰ্ভুক্ত হয়। সেই কাৰণেই মই কব খোজোঁ সংস্কৃতি হৈছে সুন্দৰৰ পূজা। আমাৰ আৱশ্যকতাৰ ফালৰ পৰা আমি এটা বাহানি যিমানেই মানসিক উৎকৰ্ষ খটুৱাই নকৰোঁ, সি সংস্কৃতি নহয়। তাক সভ্যতা বুলিব পাৰোঁ কিন্তু যেতিয়াই সেই আৱশ্যকীয় বাহানিত তাক আৱশ্যকতাৰ ফালৰ পৰা গঢ়োঁতে আমাৰ সৌন্দৰ্য্য-বোধৰ ফালৰ পৰাও তাক প্ৰভাৱ কৰি সেইদৰে ৰূপ দিবলৈ যাওঁ, সি তেতিয়াই সাংস্কৃতিক বস্তু হৈ পৰে। আমি বাস্তৱিক জীৱনৰ সকলো আহিলাতে সৌন্দৰ্য্য প্ৰয়োগ কৰাৰ লগে লগে আমাৰ মন আৰু হৃদয়ৰ গুণতো সৌন্দৰ্য্য প্ৰয়োগ কৰোঁ। এই বাহিৰ আৰু ভিতৰ দুয়োৰে উৎকৰ্ষণ আৰু তাত সৌন্দৰ্য্য প্ৰয়োগ হলেই মানুহৰ সংস্কৃতিৰ পূৰ্ণৰূপ প্ৰকাশ পায়। এজন মানুহ যদি সুকুমাৰ কলাৰ

সৃষ্টিত অভিনৱ সৌন্দৰ্য্য সৃষ্টি কৰিব পৰা হৈও, মানুহৰ সৈতে ব্যৱহাৰত আৰু সমন্ধত মানসিক সুগুণবোৰ প্ৰকাশ কৰিব নোৱাৰে তেন্তে সেই মানুহজনৰ সংস্কৃতি নিশ্চয় অসম্পূৰ্ণ বুলিব লাগিব।

সৌন্দৰ্য্য স্পৃহায়েই মানুহৰ কেৱল মাত্ৰ জীৱন-প্ৰয়াসক মধুৰ কৰি তুলিছে। মানুহৰ কাৰণে জীৱনক আনন্দৰ বস্তু কৰি তুলিছে। সেই কাৰণেই মানুহে যাবতীয় জীৱন-প্ৰয়াসৰ সকলো মানসিক, দৈহিক, আৰু বাস্তৱিক ৰান্ধনি বাঢ়নিব পৰা থকা মেলা, পিন্ধা-উৰা, চলন-ফুৰণ আচাৰ-ব্যৱহাৰ আৰু জীৱন-দৃষ্টিতো সৌন্দৰ্য্য প্ৰয়োগ কৰিবলৈ যত্ন কৰে। বাহিৰে-ভিতৰে এই সৌন্দৰ্য্য প্ৰয়োগেই সংস্কৃতি।

সুকুমাৰ কলা আমাৰ জীৱনৰ বাহিৰ ভাগৰ শ্ৰেষ্ঠ সম্পদ। এই কাৰণেই যে ইয়েই মানুহৰ জীৱনত সৌন্দৰ্য্য প্ৰয়োগ কৰাৰ আটাইতকৈ শ্ৰেষ্ঠ উপায় আৰু মানুহত জীৱনৰ আনন্দ ইয়াৰ যোগেদিয়েই বেছিকে লব পাৰি। খোৱা, বোৱা পিন্ধা-উৰা, খেল-ধেমালিত আমি সঙ্গীত শুনি আনন্দ বেছিকৈ পাওঁ। আৰু এই সুকুমাৰ কলাৰ শ্ৰষ্টা হৈ কৰি হৈছে শিল্পী। কৰি শিল্পীয়ে অকল এইবোৰ সৃষ্টিয়েই নকৰে ইয়াৰ যোগেদি মানুহৰ আভ্যন্তৰীণ সাংস্কৃতিক জীৱনটোও সৃষ্টি কৰে আৰু নতুন সৃষ্টিৰ ইঙ্গিত দি মানুহক প্ৰগতিৰ বাটেদি পোহৰৰ পৰা পোহৰলৈ লৈ যায়। ইয়াকেই সঁচাকৈয়ে কৰিব পাৰে তেওঁলোকে আচল কৰি আচল শিল্পী। সেই কাৰণেই প্ৰগতিশীল সমাজত কৰিৰ, শিল্পীৰ সম্মান সকলোতকৈ বেছি হব লাগিব।

মানুহক স্বাধীনতা কিয় লাগে? জীৱনক বিকাশ কৰি উচ্চ সংস্কৃতি গঢ়িবলৈ। ইংৰাজে আমাক গচকা মাৰি ধৰি আমাক আমাৰ প্ৰগতিৰ পৰা সংস্কৃতি গঢ়া মহান সুযোগৰ পৰা বঞ্চিত কৰি থৈছিল। সেই কাৰণেই আমি ইংৰাজৰ সৈতে যুঁজি-বাগৰি আমাৰ হাতলৈ ৰাষ্ট্ৰক্ষমতা আনি আমাৰ জীৱিকা প্ৰয়াসৰ সুবিধা উলিৱাৰ লগে লগে সংস্কৃতি গঢ়াৰ সুযোগ উলিয়াই লৈছোঁ। আমাৰ পৰাধীনতাৰ দিনত আমাৰ সাংস্কৃতিক প্ৰেৰণা নোহোৱা হৈছিল।

আমি অধঃপতনৰ তলিত পৰি আমাৰ মনৰ সৃষ্টি ক্ষমতা হেৰুৱাই, নিজে একো কৰিব নোৱাৰি কেৱল আনৰ সাংস্কৃতিক সৃষ্টিৰেই, আমাৰ ভোক গুচাইছিলো। তাৰ উপৰি আমি পৰাধীন অৱস্থাৰ বাবে অৰ্থ-নৈতিক অসুবিধাত পৰি, আৰ্থিক আৰু সাংসাৰিক আন সুখ-সুবিধাৰে ইংৰাজসকলক তুষ্ট কৰিবলৈ পোৱাত, সেই ক্ষমতাধাৰীসকলকেই পূজা কৰি ক্ষমতাৰ উপাসক হৈছিলোঁ। সেই কাৰণে আমি আমাৰ পৰাধীনতাৰ দিনত ক্ষমতাসম্পন্ন গৱৰ্ণৰ, বৰচাহাব, হাকিম, ইত্যাদি উচ্চপদস্থ আৰু পদস্থ কৰ্ম্মচাৰীসকলকেইহে সমাজৰ উচ্চ সন্মান দিছিলোঁ। কাৰণ আমাৰ জীৱিকা বিপন্ন হৈ উঠাত আৰু ৰক্ষণশীল মনোবৃত্তিৰ বাবে নতুন সংস্কৃতি সভ্যতা গঢ়াৰ ধাৰ নাধাৰিছিলো আৰু তাৰ বাবেই যিবোৰৰ দ্বাৰাই সংস্কৃতি-সভ্যতা গঢ়ি উঠে, তেওঁলোককো সমাজে বিশেষ আৱশ্যক বুলি নাভাবিছিল। কিন্তু যেতিয়াই আমালৈ স্বাধীনতা আহিল, আমাৰ মনটো নতুন সভ্যতা-সংস্কৃতি সৃষ্টি কৰিবলৈ মুকলি হ'ল। তেতিয়াই আমাক লগা হ'ল, নতুনৰ কল্পনা দিবলৈ কৱি, শিল্পী আৰু তাক বাস্তৱত পৰিণত কৰিবলৈ বৈজ্ঞানিক। এই সংস্কৃতি-সভ্যতাৰ নায়কসকলেইহে আমাক আগুৱাই বাঞ্ছিত ৰাজ্যলৈ নিব পাৰিব। ক্ষমতাত থকাসকলে, ৰাষ্ট্ৰৰ কাৰ্য্যকাৰক-সকলে মাত্ৰ কৱি, শিল্পী, সাহিত্যিক বৈজ্ঞানিকৰ ইঙ্গিতমতে ৰাষ্ট্ৰ পৰিচালনা কৰি যাব লাগিব, সমাজ নিয়ন্ত্ৰণ কৰি যাব লাগিব—সেই ইঙ্গিতৰ আদৰ্শত জনসমূহক উপনীত কৰাবলৈ। পৃথিৱীৰ স্বাধীন দেশত সেই কাৰণেই কৱিৰ, শিল্পীৰ, বৈজ্ঞানিকৰ, দাৰ্শনিকৰ ঠাই আৰু সন্মান সমাজৰ আগশাৰীত। সেই কাৰণেই মানুহৰ নৱতম সাত্ত্বিক মহাসংস্কৃতিৰ স্ৰষ্টা এক অভিনৱ মানৱীয় জীৱনৰ সপোন-দেখোঁতা, বিশ্ব-মানৱৰ মনত এক মহান সৌন্দৰ্য্য গঢ়িবলৈ ওলাওঁতা, জীৱনৰ মহাশিল্পী মোহনদাস গান্ধীৰ আগত আজি মহাক্ষমতাৰ অধিকাৰী ৰজা, মহাৰজা, ৰাষ্ট্ৰপতি, ৰাষ্ট্ৰনায়কবো শিৰ দোঁ খাই আছে।

সেই কাৰণে মই কব খোজোঁ যে আজি আমাৰ নতুন সভ্যতা-সংস্কৃতি গঢ়াৰ দিনত কৰি, শিল্পী, বৈজ্ঞানিকলৈ ৰাইজৰ মনত পৰিব লাগিব ভালকৈয়ে। আমাৰ পৰাধীনতাৰ দিনৰ দৰে আজি আকৌ যদি ক্ষমতাৰ আসনত থকা মানুহখিনিকেই ৰাইজে মূৰত তুলি লৈ ফুৰায় তেন্তে আমি আচলতে স্বাধীন হলোঁ নে নাই তাক কবলৈ টান হব। অনাদৰ আওহেলাত পৰি যি জাতীয় সৃষ্টি-প্ৰতিভা মুমূৰ্ষ অৱস্থাত আছিল, তাক যদি ৰাইজে পাবলগীয়া পূজা দি বোধন কৰিব নোৱাৰে, তেন্তে বুজা যাব যে ভৰিৰ শিকলি ৰাইজৰ খুলিল যদিও মনৰ শিকলি খুলি যোৱা নাই। নতুন সৃষ্টি কৰিব পাৰিলেহে এখন দেশৰ, এটা জাতিৰ স্বাধীনতাৰ সাৰ্থকতা। সেই কাৰণেই আজি মই এই নৱ বৰষৰ প্ৰথম দিনা, এই আমাৰ স্বাধীন দিনৰ প্ৰথম বিহুৰ সোণালী ক্ষণত ৰাইজক কওঁ—আজি এই স্বাধীন ভাৰত, এই স্বাধীন অসমত এক নতুন সংস্কৃতি-সভ্যতা যদি গঢ়িব খুজিছে তেন্তে দেশৰ কৰি, শিল্পী, সাহিত্যিকসকলক তেওঁলোকৰ যি স্থান, যি মান তাক দি দেশৰ সৃষ্টি-প্ৰতিভাৰ উদ্বোধন কৰক। মানুহৰ শ্ৰেষ্ঠ সম্পদ যাৰ পৰা পাব তাকেই দিয়ক শ্ৰেষ্ঠ সম্মান। প্ৰতিভা-মনীষাৰ অভিমান বৰ বেছি। যি দেশত সিহঁতে পাবলগীয়া শ্ৰেষ্ঠ পূজা নাপায়, তালৈ সিহঁত নাহে—আহিলেও গুচি যায়। দেশৰ সংস্কৃতি তেতিয়া তল খাপত পৰি থাকে।

আজিলৈকে অসমীয়াক অসমীয়া কৰি ৰাখি থৈছে কোনে? আমাৰ তাহানিৰ স্বাধীন অসমৰ ৰাষ্ট্ৰক্ষমতা থকা ৰজাসকলে, পাত্ৰ-মন্ত্ৰীসকলে নে বৰফুকন, বৰবৰুৱা, বৰুৱা ফুকন বিষয়াসকলে? আমাক আজি অসমীয়া বুলি আমাৰ জাতীয় সভ্যতা সংস্কৃতিৰ বিশিষ্টভাবে এটা প্ৰগতিশীল জাতিকৈ ৰাখি থৈছে অসমীয়া সংস্কৃতি সৃষ্টি কৰি দি যাওঁতা, অসমীয়া সুকুমাৰ কলাক এটা নিজস্ব বৈশিষ্ট্য দি থৈ যাওঁতা, অসমীয়া সামাজিক জীৱনক এটা বিশিষ্ট গঢ় দি যাওঁতা, অসমত এখন সাংস্কৃতিক ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰি থৈ যাওঁতা অসমীয়া জীৱনৰ মহাকলাকাৰ শিল্পীৰো শিল্পী মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে। সেই মহাপ্ৰতিভাৰ বলতেই আমি ডেৰ়শ

বছৰ এটা প্ৰচণ্ড পাশ্চাত্য সভ্যতা-সংস্কৃতিৰ দুৰ্নিবাৰ আক্ৰমণতো আমাৰ অসমীয়া সংস্কৃতিৰ বিশিষ্টতা নেহেৰুৱাই আজি স্বাধীনতাৰ দিনত, সেই শঙ্কৰদেৱে গঢ়ি দি যোৱা সাংস্কৃতিতে ভেটি বান্ধি, নতুন সংস্কৃতি গঢ়িব পৰা অৱস্থাত আছোঁ। ইয়াৰ পৰাই আমি বুজিব লাগিব আমাৰ কাৰণে ৰাষ্ট্ৰ ক্ষমতাধাৰীসকল মূল্যৱান নে কৰি, শিল্পী, সাহিত্যিক বেছি মূল্যবান।

আমি ইমান দিনে মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ প্ৰতিভাৰ মূল্য ভালকৈ উপলব্ধি কৰিব পৰা নাছিলোঁ। শঙ্কৰদেৱক কেৱল এজন ধৰ্ম্ম-সংস্কাৰকৰ শাৰীত থৈয়েই আৰু তেওঁৰ কিছু কৱিত্ব-প্ৰতিভাৰ বিষয়েই আধাডুখৰীয়া আলোচনা কৰি তেওঁৰ বিষয়ে সামৰণি মাৰিছিলো। তেওঁৰ মহাপ্ৰতিভা বুজিবলৈ ভালকৈ চেষ্টা নকৰাৰ কাৰণ আমাৰ সেই সময়ৰ ৰাজনৈতিক দাসত্বৰ লগে লগে সাংস্কৃতিক দাসত্ব। আজিও যে সেই সাংস্কৃতিক দাসত্বৰ পৰা আমি মুক্ত হব পাৰিছোঁ, তেনে কথা মই নকওঁ। মহাপুৰুষ শঙ্কৰদেৱৰ বিষয়ে বহলাই আলোচনা কৰিবলৈ আজি সময় নাই। মাথোঁ মই ইয়াকেই কওঁ যে তেওঁৰ দৰে বৈপ্লৱিক দৃষ্টিৰ সংস্কৃতিস্ৰষ্টা সেই সময়ৰ ভাৰতৰ কথা নকৰেই, পৃথিৱীৰ ভিতৰতে বিৰল হব। তেওঁ প্ৰথমতে অগাধ পণ্ডিত, অকল ধৰ্ম্ম-সংস্কাৰকেই নহয়, উপনিষদৰ ওপৰত প্ৰতিষ্ঠা কৰি তেওঁ প্ৰায় এক নতুন ধৰ্ম্মই দি গৈছে। আজি পাঁচশ বছৰৰ আগতেই তেওঁ অস্পৃশ্যতাৰ বিৰুদ্ধে বৈপ্লৱিক প্ৰচাৰ আৰম্ভ কৰে আৰু বিপ্লৱীৰ কপালত যি নিৰ্য্যাতন ভোগ থাকে তাকো ভোগ কৰি গৈছে। সমাজলৈকো তেওঁ মন দি নতুনকৈ সমাজ সংগঠন কৰে। সুকুমাৰ কলা, কৱিতা, সঙ্গীত, স্থাপত্য, ভাস্কৰ্য্য, আৰু আলেখ্যক তেওঁ এক অভিনৱ ৰূপ দি অসমীয়া সুকুমাৰ কলাৰ বৈশিষ্ট্য সৃষ্টি কৰি যায়। এইখিনিতে শঙ্কৰ-প্ৰতিভাৰ বৈপ্লৱিক ভঙ্গীৰ কথা কৈ মই আজিলৈ শঙ্কৰদেৱৰ কথা সামৰিম। অসমীয়া স্থাপত্য আৰু ভাস্কৰ্য্যতেই মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ বৈপ্লৱিক সৃষ্টিৰ মনটো আটাইতকৈ বেছিকৈ প্ৰকাশ পাইছে। হিন্দু, বৌদ্ধ, গুপ্ত স্থাপত্যৰ প্ৰভাৱেই গোটেই ভাৰতত আৰু অসমত যি সময়ত প্ৰাধান্য কৰিছিল, সেই সময়ত ভাৰতৰ সকলো ধৰ্ম্মপ্ৰচাৰকৰ ভিতৰত

কেৱল শঙ্কৰদেৱকেইহে সেই স্থাপত্যৰ প্ৰাধান্যৰ পথমুক্ত হৈ এক নতুন স্থাপত্যিক ৰূপ সৃষ্টি কৰিবলৈ যোৱা দেখা যায়। অসমত হিন্দু, বৌদ্ধ, গুপ্ত স্থাপত্যই আধিপত্য কৰি থকা কালতো শঙ্কৰদেৱে অসমীয়া নামঘৰত এক অভিনৱ স্থাপত্যিক ৰূপ দিয়ে আৰু নামঘৰৰ স্থাপত্য ইমান ভাৱিষ্যতিক সেই সময়ত যে ভাবিলে আচৰিত হ'বলগীয়া হয়। আজিকালিৰ বিশ্বস্থাপত্য যি অলঙ্কাৰ বৰ্জ্জিত সৰলতা আৰু ৰৈখিক সৌন্দৰ্য্যৰ আদৰ্শৰ, অসমীয়া নামঘৰ তাৰ প্ৰাথমিক সংস্কৰণ বুলিব পাৰি। ভাৰতৰ আন আন প্ৰদেশৰ ধৰ্ম্ম-প্ৰচাৰকসকলে যিবোৰ মঠ-মন্দিৰ কৰাইছিল সেইবোৰ আগৰ হিন্দু, বৌদ্ধ স্থাপত্যৰ আদৰ্শৰেই, শঙ্কৰদেৱৰ দৰে স্থাপত্যত বৈপ্লৱিক ৰূপান্তৰ কোনেও দিয়া নাই। এই দৰে চালে আমি শঙ্কৰদেৱৰ প্ৰতিভাৰ প্ৰত্যেক ক্ষেত্ৰৰ বিকাশতেই এটা বৈপ্লৱিক ভঙ্গী দেখিবলৈ পাওঁ। সেই কাৰণেই শঙ্কৰদেৱক আমি প্ৰগতিশীল বুলিব পাৰোঁ। তেওঁৰ দৰে সৰ্ব্বোতোমুখী প্ৰতিভাৰ বিকাশ সেই সময়ৰ পৃথিৱীৰ কিয়, আজিৰ পৃথিৱীৰ মহাপুৰুষসকলৰ ভিতৰতো দেখা যায় নে নাযায় সন্দেহ। তেওঁ নতুন ধৰ্ম্মপ্ৰৱৰ্ত্তক, দাৰ্শনিক, তেওঁ বিদগ্ধ পণ্ডিত। তেওঁ সমাজ-সংগঠক, নতুন সংস্কৃতিৰ স্ৰষ্টা। তেওঁ নিজেই নাট্যকাৰ, নাটকীয় কাৰিকৰি উদ্ভাৱক নাটকৰ প্ৰযোজক, পৰিচালক, অভিনেতা। সঙ্গীতৰ এটা ধাৰাৰ প্ৰৱৰ্ত্তক, গীত আৰু সুৰ ৰচনাত সিদ্ধহস্ত, নতুন নৃত্যভঙ্গীৰ পৰিকল্পনা দিওঁতা আৰু নিজেও নৃত্যবিশাৰদ। নতুন ধৰণৰ বাদ্য-বাজনা, খোল, ভোৰতাল ইত্যাদিৰ স্ৰষ্টা আৰু নিজেও সেইবোৰৰ ওজা বায়ন। অসাধাৰণ কবিত্ব-প্ৰতিভাৰ কবি, নাট্যসাহিত্যৰ ওজা নাট্যকাৰ। আনফালে সত্ৰাদি স্থাপন কৰি এখন সাংস্কৃতিক ৰাষ্ট্ৰ গঢ়োঁতা ৰাষ্ট্ৰনৈতিক, আধ্যাত্মিক জীৱনৰ সুউচ্চ শিখৰত থাকিও সকলো মানসিক উৎকৰ্ষৰ শিৰোমণি, বাস্তৱ জীৱনকো উপেক্ষ নকৰি গৃহী। শঙ্কৰদেৱতেই মানুহৰ, আধ্যাত্মিক, মানসিক, আৰু বাস্তৱিক এনে মহা-বিকাশ দেখিবলৈ পোৱা গৈছে আৰু এই তিনিওবো সামঞ্জস্য আৰু

সমতা দেখা যায়। সেইহে কব খোজোঁ যে শঙ্কৰদেৱৰ দৰে প্ৰতিভা বুৰঞ্জীত বিৰল। তেওঁ মানুহৰ পূৰ্ণ সংস্কৃতিৰ প্ৰতীক। আজি অসমীয়াই নতুন সংস্কৃতি গঢ়া দিনত এই শঙ্কৰ-প্ৰতিভাৰ, বিশেষকৈ সেই মহাপ্ৰতিভাৰ বৈপ্লৱিক দৃষ্টিৰ বিষয়ে গভীৰভাৱে আলোচনা কৰিবৰ অতিকৈ আৱশ্যক।

অসমীয়া বিহু উৎসৱত অসমীয়া উচ্চ সংস্কৃতিৰ লগতে থাকে জনসংস্কৃতিৰ পোহৰ। অসমীয়া বিহু উৎসৱ আচলতে এখন অসমীয়া সাংস্কৃতিক মেলা—য'ত উচ্চ সংস্কৃতি আৰু জনসংস্কৃতিৰ বছৰেকীয়া মিলন হয়। সেই কাৰণেই বিহু উৎসৱ অসমীয়া সাংস্কৃতিক জীৱনৰ এটা বছৰেকীয়া সমাবেশ। প্ৰকৃতিয়ে নতুন ৰূপ লোৱাৰ সময়ত অসমীয়া মানুহেও জীৱনৰ সকলো ক্ষেত্ৰৰে ভালৰো ভালখিনি লৈ সেই দিনা থিয় হয় নতুন বছৰক আদৰিবলৈ, নতুন দিনৰ সপোন দেখি। সেই কাৰণেই নতুন দিনৰ সপোন দেখা অসমীয়াৰ কাৰণে আজি বিহু উৎসৱ আটাইতকৈ মূল্যৱান উৎসৱ—নতুন সংস্কৃতি গঢ়াৰ ফালৰ পৰা। বিহুৰ মাজেদি আমি প্ৰকৃতিৰ ৰূপান্তৰ-বাণীকেই উপলব্ধি কৰিবলৈ বিচাৰিব লাগিব। পৃথিৱীৰ বুৰঞ্জীয়ে দেখুৱায় কেনেকৈ প্ৰকৃতিয়ে নগৰ গুচাই সাগৰ কৰিছে আৰু সাগৰ গুচাই নগৰ কৰিছে। প্ৰকৃতিৰ পৰিৱৰ্ত্তনৰ দৰে মানুহৰো পৰিৱৰ্ত্তন, মানুহৰ সংস্কৃতি সভ্যতাৰো ৰূপান্তৰ। সেই কাৰণেই এদিন বৈপ্লৱিক মনোবৃত্তিৰেই মহাকলাকাৰ শঙ্কৰদেৱে আমাক যি নতুন সংস্কৃতি দি গৈছিল—পুৰণিক আঁতৰাই আৰু পুৰণিৰ ভিতৰত যিখিনিক আমি নতুনৰ সৈতে খাপ খুৱাব পৰা আৰু তাৰ ভিতৰৰ চিৰনতুন বস্তু যিখিনি আছিল তাকে লৈ সেই সময়ৰ নৱতম সংস্কৃতি গঢ়ি দি গ'ল, আজি আমিও আমাৰ এই যুগৰ নতুন সংস্কৃতি গঢ়াৰ দিনতো শ্ৰীশঙ্কৰদেৱৰ সেই বৈপ্লৱিক মনোবৃত্তি আৰু তেওঁ যিবোৰ নতুন সংস্কৃতি গঢ়াৰ সমন্বয়ৰ প্ৰিন্সিপল্ বা নীতি লৈছিল তালৈহে আমি মন কৰিব লাগিব। আজি নতুন অৱস্থাত শঙ্কৰদেৱে দি যোৱা সাংস্কৃতিক সম্পদতকৈয়ো তেওঁৰ বৈপ্লৱিক মনোবৃত্তি আৰু

সংস্কৃতি-সৃষ্টিৰ দৃষ্টিকেইহে আমি লব লাগিব। তেতিয়া হ'লে আজিৰ দিনত আমাৰ জীৱনলৈ অহা সকলো নতুন সাংস্কৃতিক সোঁতৰ সৈতে আমি সমন্বয় কৰিব পাৰিম। শঙ্কৰদেৱে উচ্চ সংস্কৃতিক জনতাৰ মাজলৈ নিবলৈ তেওঁৰ শক্তি প্ৰয়োগ কৰিছিল আৰু তেওঁৰ কৃতকাৰ্য্যতাৰ বাবেই আজি অসমীয়া জনসাধাৰণ উচ্চ সংস্কৃতিসম্পন্ন। ভাৰতৰ আন ঠাইত যি নৃত্য, ভাৰতীয় উচ্চশ্ৰেণীৰ কলাবিদসকলে চৰ্চ্চা কৰে, অসমীয়া জনসাধাৰণৰ সেই উচ্চ ধৰণৰ নৃত্যকলাৰ চৰ্চ্চা কৰে গাঁৱে-ভূঁয়ে। অৱশ্যে আন ঠাইৰ দৰে গ্ৰাম্য-নৃত্যও আমাৰ গাঁৱে-ভূঁয়ে প্ৰচলিত যদিও উচ্চ নৃত্য আৰু সঙ্গীতে জনসাধাৰণৰ মাজত পূৰ্ণ পয়োভৰেৰেই আছে। অসমীয়া জনসাধাৰণৰ বৈশিষ্ট্য সেইখিনিতেই। আজিৰ দিনত মহাপুৰুষৰ এই কথাটোলৈকো আমি ভালকৈয়ে মন কৰি নতুন সংস্কৃতি গঢ়ি, জনতাকো সেই সংস্কৃতি দি জনতাৰ জীৱনকো উচ্চ সাংস্কৃতিক স্তৰলৈ তুলি আনিব লাগিব। জনতাক লগত নললে আজিৰ সংস্কৃতি হবই নোৱাৰে।

নৱ বৰষৰ উৎসৱৰ বিহু বুলি অসমীয়া বিশিষ্টতাৰে যদিও আমি পালন কৰোঁ, ই আমাৰ অসমীয়াৰেই নহয়। নৱ বৰষৰ উৎসৱ জাতি-বৰ্ণ-ধৰ্ম্ম নিৰ্ব্বিশেষে সমস্ত ভাৰততেই পালন কৰে। সেই কাৰণে এই উৎসৱৰ যোগেদি আমি আমাৰ মহাজাতীয় ঐক্য ৰাখিবলৈ যি সাংস্কৃতিক আদান-প্ৰদান, সমন্বয় আৱশ্যক তাক কৰিবলৈ সুবিধা পাম। আজি অসমত যি যি স্বকীয়া সংস্কৃতি আহি উপস্থিত হৈছেহি সেই সকলোৰে এটা সমন্বয় কৰি এটা নতুন পূৰ্ব্বভাৰতীয় সংস্কৃতি গঢ়ি তুলিবলৈ আমাৰ নৱ বৰষৰ উৎসৱৰ মাজেদি চেষ্টা হ'ব লাগে। বঙ্গৰ নৱাগত, উত্তৰ ভাৰতৰ হিন্দুস্থানী, মাৰোৱাৰী, শিখ, নেপালী, দক্ষিণ ভাৰত আৰু মধ্য ভাৰতৰো অসংখ্য লোক আহি নিগাজীকৈ অসম দেশত বহিছেহি। তাৰ উপৰিও আমাৰ চাৰিওফালে আৰু আমাৰ মাজতো উপভাষা-ভাষী পৰ্ব্বতীয়া অসমীয়াসকলৰ নিজৰ নিজৰ বিচিত্ৰ সংস্কৃতিৰে জকমকাই আছে। আজি আমি এই সকলোকে নিজৰ মাতৃভাষা, দোৱান, সংস্কৃতি এৰি আমাৰ মহাপুৰুষীয়া সংস্কৃতি—যাক আমি অসমীয়াইয়ো ৰূপান্তৰিত

কৰিব খুজিছোঁ।—সেই পুৰণি সংস্কৃতি লৈ নিজৰবোৰ এৰিবলৈ কোৱাটো মহাপুৰুষ শঙ্কৰদেৱৰ সমন্বয়ৰ নীতিৰ ফালৰ পৰাও অসঙ্গত। মহাপুৰুষে যদিও ভৈয়ামত থকা অসমীয়াৰ সৈতে এটা সাংস্কৃতিক সংগঠন লৈ মিৰি মিকিৰ, গাৰোসকলক আনিছিল তথাপিও তেওঁলোকৰ জাতীয় ৰীতি-নীতি যি খাপৰ সংস্কৃতি তেওঁলোকৰ আছিল, তাৰ বৈশিষ্ট্য নষ্ট হ'বলৈ নিদিয়াকৈ সেই সংগঠনত সুমুৱাইছিল। নিজৰ ভিতৰৰ-সংস্কৃতিৰ যেনেকৈ বৈপ্লৱিক ৰূপান্তৰ কৰিছিল, সেইদৰে যাৰ সৈতে সমন্বয় কৰিব তাকো নতুন সংস্কৃতিৰ পোহৰত সলাবলৈ মাথোন বিচাৰিছিল। আজি আমি তাকেই কৰিব লাগিব। নতুনৰ পোহৰত আমাৰো পুৰণি সংস্কৃতিৰ কিছু এৰিব লাগিব, সেইদৰে আনসকলেও এৰিব লাগিব তেওঁলোকৰ লগত লৈ অহা পুৰণি সংস্কৃতি। এই পূৰ্ব্বভাৰতীয় সমন্বয়, আন কথাত অসমীয়া সংস্কৃতিৰ নৱ প্ৰকাশ আমি ৰচনা কৰিব লাগিব। এই পূৰ্ব্বভাৰতীয় নতুন সংস্কৃতি আজি অসমৰ পৰ্ব্বতীয়া, ভৈয়মীয়া, অসমীয়া আৰু অসমলৈ অহা নৱাগতসকলৰ মাজত ৰূপ লৈ ভৱিষ্যতৰ এদিন ফুলেপাতে জাতিষ্কাৰ হৈ মহাভাৰতীয় ভৱিষ্যতৰ মহাসংস্কৃতিক এক নৱতম বিচিত্ৰতাৰে সুন্দৰ কৰি তুলিবলৈ বুলি আশা কৰি আজি মই এই নতুন বছৰৰ প্ৰথম দিনা ৰাইজলৈ সেৱা জনাই মেলানি মাগিলোঁ।।*

---

* জ্ঞানদায়িনী সমিতিৰ উদ্যোগত পতা ডিবুৰুৰ এখনি ব'হাগীমেলাৰ, মৌ-মেলৰ সভাপতিৰ ভাষণ।

# পোহৰলৈ

সুন্দৰৰ পূজাই হৈছে কৃষ্টি বা সংস্কৃতি। সংস্কৃতিৰ পূৰ্ণ বিকাশতেই মানুহৰ জীৱনৰ পৰম আনন্দ। মানুহে সংস্কৃতিৰে, সভ্যতাৰে সুন্দৰকেই মানুহৰ জীৱনলৈ নমাই আনিবলৈ বিয়াকুল। আন্ধাৰ অতীতত পোহৰলৈ পোহৰলৈ বুলি যি ধ্বনি উঠিছিল, তাতেই ঘোষিত হৈছিল মানৱৰ সাংস্কৃতিক অভিলাষ, পোহৰৰ পিয়াহ।

মানুহ এক সাংস্কৃতিক জীৱ। এই পোহৰ বিচৰা প্ৰাণীটোৱে তাৰ নিজৰ ভিতৰৰেই বিৰোধী প্ৰবৃত্তিৰে আৰু বাহিৰৰ সংস্কৃতি ভ্ৰষ্ট কৰোঁতা সমাজৰ দুষ্কৃতিৰ সৈতে সংঘৰ্ষ কৰি, কেতিয়াবা সংস্কৃতিৰ বাটেদি আগবাঢ়ি, কেতিয়াবা স্খলিত হৈ ভ্ৰষ্টতাৰ পৰা তাৰ প্ৰাণৰ অন্তৰতম সাংস্কৃতিক মহাপ্ৰেৰণাৰে পুনৰ উদ্বুদ্ধ হৈ আগতকৈও আৰু এক কৃষ্টিৰ উচ্চ স্তৰলৈ উঠি, যুগান্তৰৰ মাজেদি বাট বুলি আহিব লাগিছে। সেই-গুণেই ৰবীন্দ্ৰ কৱিতাত ধ্বনিত হৈছে,—'পতন অভ্যুদয় বন্ধুৰ পন্থা, যুগ যুগ ধাবিত যাত্ৰী,' আৰু আমাৰ দাৰ্শনিক কৱি চন্দ্ৰকুমাৰৰ বীণবৰাগীৰ বীণত ঝঙ্কৃত হৈ উঠিছে—'সুন্দৰ আৰাধনা জীৱনৰ খেল' বুলি।

সভ্যতাৰ যোগেদি মানুহে এটা সাংস্কৃতিক অৱস্থা সৃষ্টি কৰিবলৈ বিচাৰে। ইয়াৰ উদ্দেশ্য হৈছে মানুহৰ জীৱনত শান্তি প্ৰতিষ্ঠা কৰি, সৌন্দৰ্য্য সৃষ্টিৰ অৱসৰ উলিয়াই জীৱনৰ মাজেদি জীৱনৰ আনন্দ লাভ কৰা। এটা সাংস্কৃতিক অৱস্থালৈ উঠি, তাত এক সৌন্দৰ্য্য আনন্দ লভি তাতোকৈ আৰু এক মানসিক উচ্চস্তৰৰ সাংস্কৃতিক অৱস্থালৈ যাবলৈ মানুহৰ যত্ন ; ইয়ে হৈছে প্ৰগতি।

আমাৰ ভিতৰে আৰু বাহিৰে সুপ্ৰবৃত্তি আৰু কুপ্ৰবৃত্তিৰ সংঘৰ্ষ থকাৰ বাবেই আমাৰ ব্যক্তিক আৰু সমাজক সুনিয়ন্ত্ৰিত কৰিব নোৱাৰিলে আমি সাংস্কৃতিক উন্নতি কৰিব নোৱাৰোঁ। আমাৰ সকলো বিধ উন্নতিৰ আৰু উৎকৰ্ষণৰ সুযোগ আৰু সুবিধা দি সমাজক সম্পূৰ্ণ কৈ বিকাশ কৰি তুলিবৰ

কাৰণে মানুহৰ সমষ্টিক সুশৃঙ্খলভাৱে আগবঢ়াই নি এটা সাংস্কৃতিক সৃষ্টিৰ বাবে অপৰিহাৰ্য্য শান্তিৰ অৱস্থালৈ মানৱ জীৱনক পৰিচালিত কৰিবলৈকে লাগে শাসনতন্ত্ৰ আৰু শাসনযন্ত্ৰ। এই শাসনতন্ত্ৰ আৰু যন্ত্ৰই কেন্দ্ৰীভূত শক্তিৰ সহায়েৰে ভিতৰুৱা সংঘৰ্ষ আৰু বাহিৰৰ দুষ্কৃতৰ আক্ৰমণৰ পৰা জনসমষ্টিক ৰক্ষা কৰি সংস্কৃতি-সৃষ্টিৰ বাটেদি লৈ গৈ আনন্দৰ অৱস্থাত উলিয়াবগৈ পাৰিব লাগিব। ইয়াকে কৰিব নোৱাৰিলে সেই শাসনতন্ত্ৰৰ একো সাৰ্থকতা নাই। সেই কাৰণেই শাসনতন্ত্ৰ আৰু শাসনযন্ত্ৰ মানুহৰ সাংস্কৃতিক জীৱন বিকাশ কৰোৱাৰ প্ৰধান উপায়। আন কথাত কবলৈ গলে গবৰ্ণমেণ্ট বা চৰকাৰ হৈছে এটা সামাজিক সাংস্কৃতিক প্ৰতিষ্ঠান।

সমাজক প্ৰকৃত সাংস্কৃতিক জীৱন বিকাশ কৰিবলৈ দিবলৈ হলে, সেই সমাজৰ ভিতৰত থকা সংস্কৃতিবিৰোধী সকলো কথাৰ সমাধান হব লাগিব। মানুহৰ স্বাৰ্থপৰতা, লোভ, সঙ্কীৰ্ণতা, আৰু ক্ষমতালিপ্সাৰ পৰা উদ্ভব হোৱা মানৱ সমাজৰ নানা গোধ আঁতৰ কৰিব লাগিব। এইবোৰকেই আঁতৰ কৰিবলৈ মানুহৰ প্ৰতিৰোধ আৰু সংঘাতমূলক অভিযানেই হৈছে বিপ্লৱ। সংস্কৃতিৰ ভ্ৰষ্টতা ৰোধ কৰিবলৈ আৰু ভ্ৰষ্টতাৰ পৰা হোৱা কুসংস্কাৰক ধ্বংস কৰি নতুন সংস্কৃতি গঢ়িবৰ বাবে বিপ্লৱ অনিবাৰ্য্য হৈ পৰে। মনৰ মাজেদি বিপ্লৱে ক্ৰিয়া কৰি বাহিৰৰ সংঘাতলৈ ওলাই যায়। তেতিয়াই হয় ৰাষ্ট্ৰবিপ্লৱ, সমাজবিপ্লৱ।

বিপ্লৱে যদিও আমাৰ মাজত এটা ভয়াবহতাৰ সৃষ্টি কৰি ধ্বংসাত্মক মনোভাব জগাই নানা বিপৰ্য্যয় সজ্ঘটিত কৰে এটা কদাকাৰ দৈত্য ৰূপেৰে, কিন্তু তথাপিও সি তাৰ মূৰত ভাৰ বৈ আনে এক নৱ সংস্কৃতিৰ নতুন সৃষ্টিৰ মণিসম্ভাৰ। সেই কাৰণেই নতুন সংস্কৃতিৰ স্ৰষ্টা আৰু দ্ৰষ্টাসকল বিপ্লৱী ৰূপেৰে সমাজত দেখা দিয়েহি। বাৰিষাৰ ঘোৰ জটাজালত বিদ্যুৎ বহ্নি দেখিও খেতিয়কৰ যেনেকৈ আনন্দ জাগে কিয়নো এই বহ্নিয়েই ডাৱৰৰ বুকু ফালি সৃষ্টিৰ সুৰধুনী বোৱাই, তাৰ পথাৰ সোণোৱালি শইচেৰে ভৰপূৰ কৰি থৈ যাব—সেইদৰেই শিল্পীৰ আনন্দ, বিপ্লৱৰূপে নামি অহা মহাকালৰ প্ৰলয় তাণ্ডৱ-ভঙ্গীৰ মাজতো দেখি জ্বলন্ত কপালৰ

আলোকসম্পাত কিয়নো সেই আলোক-প্ৰপাতে গঢ়ি তুলিবহি মানৱ জীৱনত এক অভিনব সংস্কৃতি আৰু জগাই দিয়েহি অভূতপূৰ্ব্ব কলাসৃষ্টিৰ সৌন্দৰ্য্য সৃষ্টিৰ মহাপ্ৰতিভা।

সমাজত এটা সাংস্কৃতিক অৱস্থা সৃষ্টি কৰিবলৈ, ব্যক্তিক সমষ্টিক এটা সংহত ব্যৱস্থাৰ মাজেদি কাম কৰাই নিবলৈ হলেই এটা কেন্দ্ৰীভূত শক্তিৰ দৰকাৰ আৰু এই শক্তি পৰিচালনা কৰিবলৈ লাগে ৰাষ্ট্ৰ, শাসনতন্ত্ৰ। পৃথিৱীত প্ৰথমৰে পৰা ৰাষ্ট্ৰৰ যোগেদি ৰাজকীয় আৰু যাজকীয় শক্তিয়েই সমাজ নিয়ন্ত্ৰণ কৰি আহিছিল। কিন্তু সময়ত দেখা গৈছে যে পৃথিৱীত পূৰ্ণ সাংস্কৃতিক অৱস্থা বা সাৰ্ব্বভৌম সাংস্কৃতিক অৱস্থা এই দুই শক্তিয়েতো আমাক আনি দিব নোৱাৰিলেই, আনি দিয়ক চাৰি সাংস্কৃতিক আদৰ্শৰ পৰা ভ্ৰষ্ট হৈ, মানৱ জীৱনৰ লক্ষ্যৰ পৰা অবাটে গৈ, সংস্কৃতিৰ সমল সঁজুলি, সাংস্কৃতিক সৃষ্টি, ব্যসনৰ বাবে ব্যৱহাৰ কৰি, এই দুই শক্তিয়ে আজি মানুহৰ সমাজক এটা মানসিক ওখ স্তৰৰ বৰ্ব্বৰতাত পেলালেহি। এতিয়া দেখা গৈছে যে মানুহৰ মনত এটা সাংস্কৃতিক সুস্থ অৱস্থা সৃষ্টি হোৱাতকৈও এটা সাংস্কৃতিক বিকাৰৰ অৱস্থাহে হৈছে। আজি মানুহৰ জীৱনত এটা বিভ্ৰাট উপস্থিত। এনে হোৱাৰ কাৰণ যে ৰাজকীয় আৰু যাজকীয় শক্তিৰ অপব্যৱহাৰ। সেই শক্তিয়ে সমূহক বঞ্চিত কৰি সেই শক্তি খটালে স্বাৰ্থৰ বাবে। ৰাজকীয় আৰু যাজকীয় শক্তি স্বাৰ্থত যেতিয়া অন্ধলা হল, তেতিয়া তাৰ পৰিণাম কি হ'ল তাক পৃথিৱীৰ বুৰঞ্জী পঢ়োঁতাক নকলেও হব।

মানুহৰ সমাজক সাংস্কৃতিক যেই সেই এক অৱস্থালৈ নিবলৈ হলেই শক্তি, ক্ষমতা আৰু তাৰ আধাৰ লাগিবই। সেই কাৰণেই ৰাজকীয় শক্তিয়ে আমালৈ বাঞ্চিত সাংস্কৃতিক অৱস্থা আনিবলৈ অকৃতকাৰ্য্য হোৱাত আজি আমি জনশক্তিলৈ ইমান হেপাহেৰে চাবলগীয়াত পৰিছোঁ। ৰাজকীয় বা যাজকীয় শক্তি বা নকৈ মুখা পিন্ধি ওলোৱা সেই দুই শক্তিৰেই জনতাক ভুৱা দিয়া সংস্কৰণৰ পৰা জনশক্তিৰ হাতলৈ মানৱৰ সংস্কৃতি-সৃষ্টিৰ প্ৰধান আহিলা ৰাষ্ট্ৰক—শাসনতন্ত্ৰক আনিবলৈ যি

জনতাৰ প্ৰচণ্ড চেষ্টা সিয়েই হৈছে গণবিপ্লৱ। আচল বিপ্লৱৰ উদ্দেশ্য সদায়েই সেই মহান সাংস্কৃতিক অৱস্থা সমাজলৈ অনাটোৱেই। সেই কাৰণেই সংস্কৃতিৰ সৈতে, বিপ্লৱৰ সমন্ধ। অৰ্থনীতি, ৰাজনীতিৰ পৰা বীজাণুতত্ত্বলৈকে, দৰ্শন বিজ্ঞানৰ পৰা ৰন্ধা-বঢ়ালৈকে সংস্কৃতিৰে সমন্ধ।

ইমান দিনে পৃথিৱীত জনসাধাৰণে এটা মানসিক তলৰ খাপৰ সংস্কৃতিতে নিজকে সন্তুষ্ট কৰি আছিল। কিন্তু আজি মানুহৰ মাজৰ মহানুভৱ মনীষাৰ পোহৰে জনসাধাৰণৰ পদূলিয়ে পদূলিয়ে বীণ বজাই এক উন্নততৰ জনজীৱনৰ গীত শুনাই ফুৰিছে। সেই নৱ-জীৱনৰ গীতৰ ঝঙ্কাৰে জনগণৰ হৃদয়ে হৃদয়ে এক উন্নততৰ সাংস্কৃতিক জীৱনৰ হাবিয়াস জগাই তুলিছে। আজি জনসাধাৰণ আহি জগতৰ অকলশৰীয়া আলোক-যাত্ৰীসকলৰ লগ লাগিছেহি। পৃথিৱীলৈ এক পোহৰৰ যুগ আনিবলৈ আজি জনতাৰ আলোকযাত্ৰা। আজি জনতাৰ জীৱনলৈ সুন্দৰ নামি আহিব খুজিছে। পৃথিৱীৰ মাটি, পানী বোকাত জনমা জনতা আজি মাটি-পানীৰ গৰ্ভ বিদাৰি পোহৰলৈ উঠি আহি পদুমৰ দৰে সহস্ৰদলেৰে বিকশিত হৈ সাংস্কৃতিক সৃষ্টিত নিজৰ ভাগ লবলৈ, নিজৰ স্থান লবলৈ নিজৰ দান দিবলৈ আহিছে।

সংস্কৃতিৰ বাটেদিয়েই মানুহে পশু-জীৱনৰ পৰা ওলাই উৰ্দ্ধ স্তৰৰ জীৱনলৈ ওলাইছে। মানুহে আদি সভ্যতা সৃষ্টি কৰোঁতে আৱিষ্কাৰ কৰিলে মানুহৰ মনটো। দেখিলে যে মনটোৱেইহে মানুহ। মনৰ উৎকৰ্ষণেই হৈছে মানুহৰ ওপৰলৈ গতি কৰাৰ উপায়। এই উৎকৰ্ষণেই হৈছে সংস্কৃতি। এটা সাংস্কৃতিক স্তৰত উপস্থিত হৈ মানুহে তাৰ প্ৰেৰণাৰে পাৰিপাৰ্শ্বিকতা সৃষ্টি কৰি লয়। সিয়েই হৈছে সভ্যতা। সেই সাংস্কৃতিক অৱস্থাত মানুহৰ নৱোন্মেষশালিনী মনটোৱে নতুন সৃষ্টিৰ প্ৰয়াস কৰে। এই প্ৰয়াসত মানুহে আকৌ উন্নততৰ সাংস্কৃতিক অৱস্থালৈ গতি কৰে। আদিম মানুহটোৱে পৃথিৱীত প্ৰথমে থিয় হৈয়ে আৰম্ভ কৰিলে তাৰ সৌন্দৰ্য্যৰ পূজা। সি তাৰ মুখ ধুনীয়া কৰিবলৈ সানিলে ৰং। তাৰ কাৰৰ অস্ত্ৰ ধনু-কাঁৰত আঁকিলে কৰচন চৰাইৰ বিচিত্ৰ পাখি। তাৰ

প্ৰেয়সীক শুৱনী কৰিবলৈ সি বিচাৰি আনিলে ৰঙ নীলা কঁজলা শিলগুটি। শিলগুটিটোৰ গঢ় আৰু ধুনীয়া কৰিবলৈ সি তাক ঘঁহি-পিহি ঘূৰণীয়া কৰিবলৈ গ'ল। এইদৰে কলা সৃষ্টি আৰম্ভ হল। মানুহৰ এই সৌন্দৰ্য্য পূজাই গঢ়ি আনিলে সভ্যতা-সংস্কৃতি। এই সৌন্দৰ্য্য-পূজাই মানুহক প্ৰগতিৰ বাটেদি ভৱিষ্যতৰ আদৰ্শ মানৱ সংস্কৃতিলৈ লৈ যাব লাগিছে। সেই কাৰণেই 'সুন্দৰৰ আৰাধনা জীৱনৰ খেল' কথাষাৰৰ মাজেদি মানুহৰ বিষয়ে এক মহাসত্য ফুটি উঠিছে বুলি মই গভীৰ ভাবে পতিয়ন গৈছোঁ। সংস্কৃতি হৈছে জীৱনত সৌন্দৰ্য্যৰ সুপ্ৰয়োগ। সৌন্দৰ্য্যপূজাৰী মানুহটোৱে সাংস্কৃতিক উন্নতিৰ খাপে খাপে উঠি আহি জীৱনৰ সকলো ক্ষেত্ৰতেই সৌন্দৰ্য্য নমাবলৈ চেষ্টা কৰিছে। মানুহৰ আধ্যাত্মিক জগতলৈ সৌন্দৰ্য্য নমাবলৈ, সি হৈছে দাৰ্শনিক। মানুহৰ সমাজলৈ সৌন্দৰ্য্য নমাবলৈ সি ধৰ্ম্ম সৃষ্টি কৰিছে। দৈহিক সৌন্দৰ্য্য সৃষ্টি কৰিবলৈ তাৰ ব্যায়াম প্ৰসাধন। পান-ভোজনত সৌন্দৰ্য্য সৃষ্টি কৰিবলৈ ৰন্ধন-কলা। মানুহৰ সমাজত যি অৰ্থনৈতিক অসামঞ্জস্যতাই সমাজৰ এভাগক সাংস্কৃতিক জীৱনৰ পৰা বঞ্চিত কৰি আপচুকৈ থৈছে, অসুন্দৰ কৰি থৈছে, সেই ভাগতো সৌন্দৰ্য্য নমাবলৈ মানুহৰ নৱতম সামাজিক ক্ষেত্ৰত সৌন্দৰ্য্য-প্ৰয়াস হৈছে সাম্যবাদ। মানুহৰ এই শাসনতন্ত্ৰই ৰাজ-তন্ত্ৰৰূপে, যাজকতন্ত্ৰৰূপে, আমোলাতন্ত্ৰৰূপে, জনসমাজক সমূহীয়াকৈ সেই অভিলষিত সাংস্কৃতিক স্তৰলৈ নিৰলৈ অকৃতকাৰ্য্য হোৱাত আজি গণতন্ত্ৰ বা জনতন্ত্ৰৰ কথা জনগণে ভাবিছে আৰু বিপ্লৱৰ যোগেদি তাক দিঠকলৈ আনিবলৈ চেষ্টা কৰিছে। জনসাধাৰণে এই জনতন্ত্ৰৰ যোগে-দিয়েই পূৰ্ণ সাংস্কৃতিক জীৱনৰ বিকাশ ফুলাই তুলিব পাৰিব বুলি পৃথিৱীৰ মনীষীসকলে জনগণক কৈছে। আজি জনতন্ত্ৰৰ কেবাবিধো আহি ৰাইজৰ আগত উপস্থিত আৰু এই নানা বিধৰ জনতন্ত্ৰ আমাৰ সমাজৰ সেই সেই বিধৰ তন্ত্ৰৰ বিশ্বাসীয়ে জনসাধাৰণক সেই তন্ত্ৰৰ যোগেদিয়েই জনগণৰ চৰম জীৱনৰ বিকাশ পাব বুলি তাক গ্ৰহণ কৰিবলৈ বুজাইছে। তাৰ লগে লগে স্বাৰ্থসেৱী প্ৰভুত্বকামী মানুহেও এই জনতন্ত্ৰৰে কোনো

এবিধলৈ তাৰ যোগেদিয়েই জনতাক সমৃদ্ধিশালী কৰি তুলিব বুলি দুষ্কৃতিমূলক আদৰ্শবাদ প্ৰচাৰ কৰি, জনগণক সাংস্কৃতিক সামূহিক কল্যাণৰ আদৰ্শৰ পৰা ভ্ৰষ্ট কৰি, স্বাৰ্থসেৱীসকলৰ প্ৰভুত্ববিস্তাৰৰ অস্ত্ৰস্বৰূপে জনশক্তিক ব্যৱহাৰ কৰিবলৈ ওলাইছে। সেই কাৰণেই আজি শিল্পী, সাহিত্যিক, কৱিসকলক আমাক নহলেই নোহোৱা হৈছে। জনসাধাৰণৰ মাজত সংস্কৃতিৰ আদৰ্শ নুনুমুৱাকৈ জলাই ৰাখি আৰু আন ফালে দুষ্কৃতিৰ স্বৰূপ দেখুৱাই জনসাধাৰণক ভ্ৰান্ত পথেদি পৰিচালিত হোৱাৰ পৰা ৰক্ষা কৰিবলৈ আমাক তেওঁলোকক লাগে।

সেই কাৰণেই কৱি, শিল্পী, সাহিত্যিকসকল মাত্ৰ সাংস্কৃতিক আদৰ্শত স্থিৰ হৈ থাকি, ৰাজনৈতিক আৰু অৰ্থনৈতিক আদৰ্শবাদবোৰৰ পৰা নিৰপেক্ষ হৈ থাকিব লাগিব। নিৰপেক্ষ মানে সেইবোৰৰ পৰা নিজকে আঁতৰ কৰি ৰখা নহয়, কিন্তু পদুম পাতৰ পানীৰ দৰে সকলো আদৰ্শৰে স্বৰূপ চাবলৈ তাৰ তত্ত্ব-তথ্য, তাৰ পিছত কি সত্য তাক জানিবলৈ আৰু তন্ত্ৰবাদীসকলৰ মনস্তাত্ত্বিক পৰিস্থিতি অৱগত হবলৈ সকলোৰে মাজলৈকে গৈ নিজকেই অনাসক্তকৈ ৰাখি এটা নিৰপেক্ষভাৱে সকলোকে চাব পৰা মনৰ অৱস্থালৈ আহিব লাগিব। তেতিয়াহে শিল্পীয়ে, কৱিয়ে, সাহিত্যিকে সাংস্কৃতিক আদৰ্শৰ কোন ফালেদি সফলতা হব তাক জনগণক কব পাৰিব। সেই কাৰণেই শিল্পীয়ে নিৰপেক্ষ হৈ, অনাসক্ত হৈ মানুহৰ জীৱনৰ ভাল-বেয়ালৈ, উত্তম, মধ্যম, অধম স্তৰলৈ, মিলনলৈ, বিভেদলৈ গৈ সকলোৰে স্বৰূপ চাব লাগিব। মনত ৰাখিব লাগিব শিল্পীয়ে সংস্কৃতিৰ বাটেদি লৈ যায় মানুহক পোহৰলৈ আৰু থৈ যায় পৃথিৱী ধুনীয়াকৈ।

এই দৃষ্টিৰেই চাই আমি ভৱিষ্যত অসমৰ সংস্কৃতিও গঢ়িব লাগিব। বৰ্ত্তমান পৃথিৱীত এই বৈজ্ঞানিক যুগত একেবাৰে আছুতীয়াকৈ কোনো দেশৰ-প্ৰদেশৰ, মহাজাতিৰ, জাতিৰ বা উপজাতিৰ সংস্কৃতি হব নোৱাৰে। এতিয়া এক সমন্বয়-সংস্কৃতি সভ্যতাৰ পৰা আৰু এক সমন্বয়-সংস্কৃতি সভ্যতালৈ মহাজাতি জাতি উপজাতিবোৰ যাবলৈ ধৰিব। পৃথিৱীৰ

বুৰঞ্জীত এনে সমন্বয় কেতিয়াবাৰ পৰাই আৰম্ভ হৈছে। সমন্বয় প্ৰণালীতো এটা জাতিৰ, উপজাতিৰ সমন্বয় কৰাৰ ধৰণৰ মৌলিকতা ফুটি উঠিব লাগিব। সেই মৌলিকতা উদ্বুদ্ধ কৰি সমন্বয়ত সেই মৌলিকতা প্ৰকাশ কৰিব লাগিব আৰু এই জাতীয়, উপজাতীয় মৌলিকতাইহে পৃথিৱীৰ সমন্বয় হোৱা সংস্কৃতি-সভ্যতাবোৰত বৈচিত্ৰ্যত ফুটাই তুলিব। এই বৈচিত্ৰ্য আমাক লাগিবই, আমি তাক ৰক্ষা কৰিবই লাগিব। এই সমন্বয় আৰু বৈচিত্ৰ্য ৰক্ষা কৰাৰ নীতিকে আজি জগতৰ জাতি-উপজাতিয়ে মানি চলিলেই—আমি সংঘৰ্ষৰ পৰা হাত প্ৰায়েই সাৰিব পাৰিম। অৱশ্যে এটা জাতিৰ বা উপজাতিৰ সকলো মানুহেই যে এই সাংস্কৃতিক নীতি লব তাক কব নোৱাৰি। ইমান দিন পৃথিৱীত চলি অহা, নিজৰ আত্মপ্ৰসাৰে আনক গিলি খাই নিজৰ অভিমান-অহঙ্কাৰক সন্তুষ্ট কৰা প্ৰবৃত্তিবোৰক আজিও পৃথিৱীত সুসভ্য সংস্কৃতিসম্পন্ন জাতি-বোৰেও মানৱ ধৰ্ম্ম বুলি মানি চলাত, আমি এই সংস্কৃতিবিৰোধী দুষ্কৃতৰ পৰা প্ৰতিক্ৰিয়ামূলক প্ৰতিৰোধ পাম। নিশ্চয়েই সেই ক্ষেত্ৰত সেই মনোবৃত্তিৰ মানুহৰ সৈতে, ব্যক্তিৰ বা সমষ্টিৰ সৈতে আমি সংঘৰ্ষত আহিবই লাগিব। শাস্ত্ৰেৰে আমাৰ নতুন সাংস্কৃতিক সংগঠন আৰু অস্ত্ৰৰে আমি দুষ্কৃতক দমন কৰিবলৈ থিয় হবই লাগিব। পাত্ৰাপাত্ৰ চাই আমি সত্যাগ্ৰহৰ অস্ত্ৰাগাৰৰ পৰা অস্ত্ৰ আনিব লাগিব আৰু আৱশ্যক হলে আমি খাৰ-বাৰুদৰ কুঠৰিলৈকো যাব লাগিব। অহিংসায়েই যে মানৱ সংস্কৃতিৰ চৰম পৰিণতি তাক অৱশ্যে মনত ৰাখিছে। এইখিনিতে আমি এটা কথা সদায় মনত ৰাখিব লাগিব যে সংস্কৃতিয়ে সংস্কৃতিয়ে কেতিয়াও সংঘৰ্ষ নহয়, সংঘৰ্ষ হয় দুষ্কৃতিৰে সৈতে। সংস্কৃতিয়ে সংস্কৃতিয়ে মাথোন সমন্বয়হে হয়। সাধুৱে সাধুৱে সংঘৰ্ষ নহয়। সাধু আৰু অসাধুৰ সংঘৰ্ষ অৱশ্যে হয়েই।

আমাৰ জীৱনৰ সকলো স্তৰতে সংস্কৃতিৰ পোহৰ পৰিব লাগিব। দৈনন্দিন কাৰ্য্যবোৰৰ পৰাও আনন্দ পাবৰ কাৰণে তাতো সৌন্দৰ্য্যৰ সমাৱেশ হব লাগিব। সেই কাৰণে আজি বিজ্ঞানৰ সহায়েৰে উন্নত

সংস্কৃতিৰ মানুহে ৰান্ধনী-ঘৰটোও এটা সৌন্দৰ্য্যৰ বস্তু কৰি তুলিছে। আজি আমাৰ এটা সুৰদি গীত বা সুৰ শুনি মনলৈ যেনে আনন্দ আহে ঠিক সেই দৰেই আমি এটা আধুনিক ৰান্ধনী ঘৰত সোমালে আনন্দ পাব লাগিব। মুঠতে সংস্কৃতিয়ে আমাৰ ৰাজনীতিৰ পৰা ৰান্ধনী-ঘৰলৈকে প্ৰভাৱ কৰিব লাগিব। তেতিয়াই আমি মানুহ জীৱনৰ পূৰ্ণ আনন্দ লাভ কৰিব পাৰিম। সংস্কৃতিয়েই জীৱন ধুনীয়া কৰে আৰু এই সংস্কৃতিৰ যেতিয়াই বিভ্ৰাট উপস্থিত তেতিয়াই মানুহৰ সমাজত বেমেজালি আৰু কদৰ্য্যতাই দেখা দিয়ে। সাংস্কৃতিক ভ্ৰষ্টতাৰ মাত্ৰা অনুসৰি সমাজৰ সকলো ক্ষেত্ৰতে বেমেজালি বাঢ়ি যায়, মানৱ সমাজ তললৈ নামিবলৈ ধৰে।

যুদ্ধ আৰু বিপ্লৱে —এই দুয়োটা কথা আজিলৈকে হিংসানীতিৰ ওপৰত প্ৰতিষ্ঠিত হৈ থকাৰ বাবে সমাজৰ কোনো সমস্যা সমাধানকল্পে ইয়াৰ প্ৰয়োগ হলে মানুহৰ নীচ সংস্কৃতি বিৰোধী আৰু দুষ্কৃতিৰ পৰিপোষক প্ৰবৃত্তিবোৰ সাৰ পাই উঠি ক্ৰিয়া কৰিবলৈ ধৰে। সেইবোৰক সেই যুদ্ধ আৰু বিপ্লৱৰ সময়ত সংযতকৈ ৰাখিব পৰা সংস্কৃতিৰ পহৰীয়াবোৰক নিয়োগকৈ ৰাখিব নোৱাৰিলেই, সংস্কৃতিক একাষৰীয়া কৰি দুষ্কৃতিয়ে সমাজত প্ৰভুত্ব কৰিবলৈ ধৰে। তাৰ ফলতে সমাজত যুদ্ধ আৰু বিপ্লৱৰ সময়ত আৰু তাৰ পিছতো ঘোৰ দুৰ্নীতিয়ে দেখা দিয়ে। পৰাধীনতাই আমাৰ এক প্ৰচণ্ড সাংস্কৃতিক ভ্ৰষ্টতা আনি দিছিল। এনে অৱস্থাত আমাৰ ভাৰতলৈ, অসমলৈ আহিল যুদ্ধ আৰু বিপ্লৱ। তাৰ মাজত সংস্কৃতিৰ চাকিবোৰ আমি যিমান উজ্জ্বলকৈ জ্বলাই ৰাখিব লাগিছিল তাকে কৰিব নোৱাৰা বাবে আমাক দুষ্কৃতিয়ে জয় কৰিলে। আজি আমাৰ গোটেই সমাজখনতে, অকল গৱৰ্ণমেণ্টৰ বা আমোলাতন্ত্ৰৰ বা ধনিক-বণিক সম্প্ৰদায়ৰ বা মধ্যবিত্তৰ, বয়সীয়া বা ছাত্ৰৰ ভিতৰতেই নহয়, আমাৰ চহৰৰ, গাঁৱৰ সৰ্ব্ব-সাধাৰণৰ ভিতৰতো দুৰ্নীতি। ইয়াৰ কাৰণ আন একো নহয়— যুদ্ধৰ আগতে গোটেই ওপৰৰ পৰা তললৈ আমাৰ সমাজখন যি এটা সাংস্কৃতিক স্তৰত আছিল তাৰ পৰা সি এটা ভ্ৰষ্ট অৱস্থালৈ খহি পৰিল।

সাংস্কৃতিক জীৱনৰ ৰাজহাড় নৈতিকতাক, যুদ্ধৰ মাজত চল পাই উঠা মানুহৰ নিজৰ ভিতৰতেই থকা বেয়া প্ৰবৃত্তিয়ে খুলি খাই ভেমেচা কৰিলে। সেহ কাৰণেই আজি গোটেই সমাজতেই এটা আপচুতাই গোজ পুতি বহিব খুজিছে। এতিয়া আমি চেষ্টা কৰিছোঁ এই মানসিক ব্যাধি গুচাবলৈ শাৰীৰিক উপায়েৰে —নতুন নতুন আইন জাৰি, নতুন শাস্তিৰ ব্যৱস্থা ইত্যাদিৰে মানুহক সন্ত্ৰাসিত কৰি। সমাজৰ বৰ্ত্তমান এটা সাময়িক মনোবিকাৰ হৈছে ( Temporary Social Insanity )। পিছে আমাৰ গৱৰ্ণমেণ্টে এতিয়া পগলা ফাটেকত আগৰ দিনত পগলাক, খুন্দি-পিটি, কোবাই-কিলাই নিজানত বন্ধ কৰি থৈ, শাৰীৰিক কষ্ট দি মানসিক ব্যাধি ভাল কৰাৰ পুৰণি আৰু জধলা উপায়েৰেহে তাক শুধৰাবলৈ তৎপৰ হোৱা দেখা গৈছে। আজিকালি মনোবিজ্ঞানৰ উন্নতিৰ ফলত পগলা ফাটেকবোৰ পগলাৰ হাস্পতালহে৲ কৰা হৈছে। সেই কাৰণে আমি এতিয়া আজিৰ সমাজক দুৰ্নীতি আৰু তাৰ পৰিণাম সামাজিক ধ্বংসৰ পৰা ৰক্ষা কৰিবলৈ হলে বৈজ্ঞানিক প্ৰণালীৰে সেই ৰোগ নিবাৰণৰ কাম হাতত লব লাগিব। সাংস্কৃতিক ভ্ৰষ্টতাৰ পৰাই যেতিয়া আজিৰ সামাজিক ব্যাধিৰ উৎপত্তি তেন্তে নিশ্চয় আমি সেই সাংস্কৃতিক সুস্থ অৱস্থা সৃষ্টি কৰিব লাগিব। তাৰ আচল বেজ হৈছে শিল্পী, সাহিত্যিক, কৱি, দাৰ্শনিক আৰু আদৰ্শবাদীসকল। সেই কাৰণেই আজি শিল্পী, সাহিত্যিক, কৱি, দাৰ্শনিকৰ আদৰ্শবাদীৰ আগত সমাজৰ প্ৰতি মহাকৰ্ত্তব্য উপস্থিত। শিল্পী, সাহিত্যিক, কৱি, দাৰ্শনিক হৈ আজি দেশৰ এই সাংস্কৃতিক ভ্ৰষ্টতাৰ পৰা উদ্ধাৰ কৰিবলৈ যি নিজৰ কৰ্ত্তব্যৰ আওহেলা কৰিব, নিজৰ ৰাইজৰ প্ৰতি কৰ্ত্তব্য উপলব্ধি নকৰি মাথোন পলাতকৰ মনোবৃত্তিৰে সমাজৰ, দেশৰ জীৱনৰ বেমেজালিৰ পৰা আঁতৰি সপোনৰ মায়াজালৰ বুলনি চ'ৰাতেই থাকিব খুজিব সেই সকল নিশ্চয়েই আজি বিপদৰ সময়ত দেশৰ প্ৰতি কৰ্ত্তব্য পালন নকৰাৰ দোষত পৰিবই লাগিব। শিল্পীসকলে ভাবিব নেলাগে যে তেওঁলোক

ক্ষমতাৰ আসনত নেথাকে বুলিয়েই তেওঁলোকৰ সমাজত মূল্য নাই। ভাবিব নেলাগে পদে পদে ক্ষমতা-উপাসকে তেওঁলোকক হৈধ্বনি দি লৈ নুফুৰায় দেখিয়েই তেওঁলোকৰ অস্তিত্ব মিছা।

মানৱক জনসাধাৰণক এই সাংস্কৃতিক আদৰ্শত স্থিৰকৈ ৰাখিবলৈকে কৱি, শিল্পী, সাহিত্যিকসকলৰ সমাজত প্ৰধান অস্তিত্ব। কৈয়েই আহিছোঁ যে ৰাষ্ট্ৰ-শাসনতন্ত্ৰই হৈছে জনতাক সমূহীয়াকৈ উচ্চতৰ সাংস্কৃতিক অৱস্থালৈ তুলি নিবলৈ প্ৰধান উপায়। সেই কাৰণেই আজি আমাৰ শাসনৰ গুৰি-ধৰোঁতাসকল হব লাগিব মহাসংস্কৃতিসম্পন্ন লোক। এই সংস্কৃতি আদৰ্শবোধ নথকা, অকল বিশেসজ্ঞসকলেই শাসনৰ গুৰি ধৰোঁতা হলে, তেওঁলোকৰ মনলৈ ক্ষমতান্ধতা আহে। সেই কাৰণেই ভৱিষ্যতৰ জ্ঞানময় জনতন্ত্ৰৰ গুৰি-ধৰোঁতা সকল কৱি-দাৰ্শনিক, শিল্পী-দাৰ্শনিক ( Artist Philosopher )—যিসকল একেলগে স্ৰষ্টা আৰু দ্ৰষ্টা, হবগৈ লাগিব বুলি মোৰ মনত এটা গভীৰ বিশ্বাস হৈছে।

আজি আমাৰ দেশৰ, আমাৰ জীৱনৰ এক মহা যুগ-পৰিবৰ্ত্তনৰ সময়ত আমাৰ জীৱনৰ স্বাধীনতাৰ অৰুণোদয়ৰ ক্ষণত শিল্পীসকলে একালে মানৱ-জীৱনত মহান সাংস্কৃতিক আদৰ্শত অবিচলিত হৈ থাকি আৰু আনফালে নৱজীৱনৰ আলোকযাত্ৰা প্ৰতিহত কৰিবলৈ ওলোৱা দুষ্কৃতৰ সৈতে অৰ্জ্জুনৰ সম বীৰত্বেৰে যুজিবলৈ ওলাই আহক। আমাৰ নতুন দিনৰ সপোনক শিল্পীৰ লিখনীৰে দিঠকলৈ ৰূপায়িত কৰক। আজি এই প্ৰাগজ্যোতিষত—এই লুইতৰ পাৰত থিয় হৈয়েই অসমীয়া ভাৰতীয় নবীনৰ দলে, অসমী মাটিৰ সৃষ্টিৰ মন্ত্ৰলৈ কাণ পাতি, নিখিল পৃথিৱীকেই আহ্বান কৰক নৱমানৱীয় সংস্কৃতিলৈ--

আমি কৰিব লাগিব পৃথিৱী আলোকময়—
জ্ঞান-বিজ্ঞানৰ
সকলো ধৰ্ম্মৰ
নানা আদৰ্শৰ নানা বিভেদৰ
কৰিব লাগিব মহান সমন্বয়,

মহামহত্ত্বৰ বিৰোধী আসুৰী
সকলো শত্ৰু কৰিব লাগিব জয়।
এই পৃথিৱীলৈ আনিব লাগিব
মহত্ত্বৰ মহাজয়,
কৰিব লাগিব গোটেই জগত
অমৃত আনন্দময়।
মানুহ ফুলিব লাগিব বিকশি
কৰিব লাগিব বিশ্বখনকে
স্বৰগী সুৰভিময়।
জয় হওক পোহৰৰ জয়
জয় হওক মানৱৰ মহত্ত্বৰ আদৰ্শৰ জয়
চিৰমঙ্গলৰ, চিৰকল্যাণৰ
জগতৰ এই মহাবিকাশৰ
হওক যুগে যুগে জয়
চিৰসুন্দৰ জয়। *

—:০:—

* অসম ছাত্ৰ সন্মিলনৰ কৃষ্টি-শাখাৰ সভাপতিৰ ভাষণ। ২৪।১।৫৭, গুৱাহাটী

# আইদেউৰ জোনাকী-বাট

পৃথিৱীক সজাইপৰাই ধুনীয়া কৰিবলৈ বিচাৰোঁতা, মানুহক বাহিৰে-ভিতৰে সুন্দৰ কৰিবলৈ হেঁপাহ কৰোঁতা, দুৱাৰে দুৱাৰে ফুৰি পদূলিয়ে পদূলিয়ে বৈ সুন্দৰৰ বীণ বজাই ফুৰি, কত ব্যৰ্থতাৰ, কত বেজাৰৰ ব্যথা-বেদনাৰ ভাৰ বৈ, কত নুফুটা প্ৰাণৰ কথা বুকুত সাঁচি থৈ দুষ্কৃতিৰ ভ্ৰূকুটি পুৱা-সন্ধিয়া কত বাৰ উপেক্ষা কৰি নানা সংঘাত-বিঘাতৰ ধুঁৱলি-কুঁৱলিৰ মাজেদি অহা পোহৰৰ জিলিকনিৰ ৰেখ চাই আগবঢ়াবলৈ প্ৰাণপণে চেষ্টা কৰা শিল্পীদলৰ হে মই মাতৃসকলক প্ৰণিপাত কৰি কেষাৰিমান কথা কবলৈ আগবাঢ়িলোঁ।

যি কথাই, যি কামে, যি চিন্তাই, যি প্ৰয়াসে, যি প্ৰচেষ্টাই মানুহক আৰু মানুহৰ বাস্তৱ জীৱনক সুন্দৰ আৰু মহান কৰে, মানুহৰ বৰ্ব্বৰ প্ৰকৃতিৰ পৰা, মানুহক তাৰ আদিম পৰিবেশৰ পৰা ওপৰলৈ তুলি নি মানুহক দিব্য প্ৰকৃতি দিয়ে, এই পৃথিৱীৰ বাস্তৱ-জীৱন ধুনীয়া কৰি, মনোময় কৰি, মানুহক মানুহ জীৱনৰ সুখ-শান্তি আৰু আনন্দ পাবলৈ যোগান ধৰি, আনন্দৰ পৰা আনন্দলৈ লৈ যায় সিয়েই হৈছে সংস্কৃতি। মানুহৰ সেই কথাই, সেই কামেই, সেই চিন্তা, সেই জীৱনৰ সকলো বিভাগৰ প্ৰচেষ্টা আৰু প্ৰয়াসেই হৈছে সংস্কৃতি। মানৱ জীৱনৰ সংঘাত-বিঘাতৰ সাৰথি হৈছে সংস্কৃতি। আন ফালে যিবোৰ কথাই, কামে, চিন্তাই, প্ৰয়াসে আৰু প্ৰচেষ্টাই মানুহক তলৰ খাপলৈ নমাই নি মানুহৰ জীৱনক দুঃখময়, ব্যাধিময়, দুৰ্নীতিময় কৰি নিৰানন্দময় কৰি তোলে, মানুহক মানুহ গুচাই-পিশাচ কৰে, অসুৰ কৰে—সিয়েই দুষ্কৃতি।

আমি আদি যুগৰ পৰা এই পৃথিৱীত সংস্কৃতি আৰু দুষ্কৃতিৰ চিৰন্তন সংঘৰ্ষ দেখি আহিছোঁ। পৃথিৱীৰ সকলো দেশতেই, সকলো যুগতেই এই সংঘাত। আজি মানৱ-জগতত এটা সংহত চেষ্টা হব ধৰিছে

পৃথিৱীৰ পৰা দুষ্কৃতিক চিৰকাললৈ নাইকিয়া কৰি পৃথিৱীত সংস্কৃতিৰ চিৰস্থায়ী আনন্দৰ ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ। এই আলোক-যাত্ৰাৰেই নানা অভিযান চলিছে আজি এই শতিকাত। পৃথিৱীৰ জনসাধাৰণ আজি এই আলোক-যাত্ৰাৰ প্ৰধান অভিযাত্ৰী আৰু এই শতিকাৰ এই-খিনিতেই অভিনৱ বিশেষত্ব। ভাৰতৰ জনসাধাৰণেও আজি এই আলোক-তীৰ্থযাত্ৰী হৈ ওলাইছে। আজি অসমত থকা, অসমীয়া, বঙালী, হিন্দুস্থানী, নেপালী আৰু পৰ্ব্বতীয়া আইদেউসকলৰ চকুত সেই অৰুণ পোহৰৰ জ্যোতিৰেখা জিলিকি উঠিছে। অসমৰ আইদেউসকল আজি জোনাকী বাটেদি আগবাঢ়িছে।

সংস্কৃতি মাথোন কৱিৰ কৱিতা, ছান্দিকৰ লীলায়িত ৰজনজনাই যোৱা ঝঙ্কৃত ছন্দ, কাৱ্যিতিক সাহিত্যিকৰ, কাৱ্য, সাহিত্য; শিল্পীৰ মনমোহা আলেখ্য, কাল বিজয়ী স্থাপত্য, ভাস্কৰ্য্য, সঙ্গীতবিশাৰদক সুৰ লয় তাল মান, নৃত্যকুশলীক অভিনব অঙ্গ ভঙ্গ, ৰূপ ৰস গন্ধ বৰ্ণ আৰু গানৰ মনভুলোৱা জোনাকী মেলাই নিশ্চয় নহয়। ই সংস্কৃতিৰ মাত্ৰ সুকুমাৰ এটা প্ৰকাশহে। মানৱ জীৱনৰ ঘোৰ বাস্তৱৰ মাজতেইহে সংস্কৃতিৰ পূৰ্ণ ৰূপ বিকশিত হৈ উঠে। এই মানৱ জীৱনত, বাস্তৱিক, মানসিক, আধ্যাত্মিক পূৰ্ণানন্দ পাবৰ কাৰণে মানুহে জীৱনৰ প্ৰত্যেক বিভাগতেই যি কৰে, সিয়েই সংস্কৃতিৰ ভিতৰত পৰে। সেই কাৰণেই মানৱৰ পৃথিৱীৰ জীৱন এটা সাংস্কৃতিক অভিযান। এই অভিযানত দুষ্কৃতিৰে সৈতে সংঘাত আছে। এই পৃথিৱীত দুষ্কৃতি কিয় আছে তাক আজিলৈকে কোনো দাৰ্শনিকে আমাক পতিয়ন নিয়াব পৰাকৈ কব পৰা নাই। পৃথিৱীত দেখা গৈছে যে এই দুটাৰ সংঘাত সদায় আছেই। সেই কাৰণেই পৃথিৱীত সাংস্কৃতিক জীৱন ৰচনা কৰিবলৈ সংস্কৃতি গঢ়িবলৈ ওলোৱা সকলো সভ্যতা ৰচনা কৰা শিল্পী হোৱাৰ লগে লগেই, যুঁজাৰুও হবই লাগিব। সেই কাৰণে এটা জাতি অতি উচ্চ সংস্কৃতি সৃষ্টি কৰিব পৰা প্ৰতিভা থকা হৈও যদি দুষ্কৃতিৰে সংঘাত কৰি জয়ী হব পৰা শক্তিত দুৰ্ব্বল হয়, তেন্তে সেই জাতি পৃথিৱাত তিষ্টিব নোৱাৰে। ভাৰতবৰ্ষ

এনেকুৱা জাতিৰ এটা উদাহৰণ। ইমান উচ্চ সংস্কৃতিসম্পন্ন হোৱা স্বত্বেও আমি জগতত তল পৰি আছিলোঁ। যেতিয়াৰ পৰাই দুষ্কৃতিৰে সংঘাত কৰিব পৰা হলোঁ, তেতিয়াৰ পৰা আমি আকৌ ওপৰলৈ উঠি আহিলোঁ। সেই কাৰণে মই শিল্পী হৈ সংঘাতৰ কথা কওঁ— সংগ্ৰামৰ কথা কওঁ। সপোন দেখি ছবি আঁকি থকা শিল্পীৰ দ্বাৰা আজি আমাৰ কাম নহয়। আজি নিজৰ তেজেৰে পুৱাৰ ৰঙা বেলিৰ ছবি আঁকিব পৰা শিল্পীহে আমাক লাগে।

আগতেই কৈছোঁ এই জীৱনক ধুনীয়া কৰা সকলো কথাই এই জীৱনৰ যোগেদি আনন্দ পোৱা সকলো কথাই সংস্কৃতি। ৰন্ধা-বঢ়া কৰিছে খাবলৈ সোৱাদ লগাকৈ, শৰীৰৰ উপকাৰ হোৱাকৈ, তৃপ্তিৰ আনন্দ পোৱাকৈ; অকল খাওঁতেই নহয় তাক আগত দিওঁতে আনন্দ পোৱাকৈ, অতাই-পিতাই, সজাই-পৰাই, পৰিবেশনৰ কলা খটুৱাই যি কৰিছে সিও সংস্কৃতি। থাকিবলৈ উপযোগীকৈ ঘৰটো সাজিছে, তাক দেখিবলৈ ধুনীয়া কৰিছে, তাক বিচিত্ৰ কাৰুমণ্ডিত কৰিছে, তাত থাকি সুখ পাবলৈ, থকাৰ আনন্দ পাবলৈ বৈজ্ঞানিক উপায়েৰে নানা কলাকৌশল প্ৰয়োগ কৰিছে, নানা ৰকমে কলা-নিপুণতাৰে গৃহসজ্জা কৰিছে - আগবাৰীত ধুনীয়া ফুলনি কৰি আমোল-মোলোৱা ফুল ৰুইছে এইবোৰৰ পৰা আনন্দ পাইছে শাৰীৰিক, মানসিক কল্যাণ হৈছে—ইও সংস্কৃতি। নিজৰ দৈহিক সৌন্দৰ্য্যৰ সাধনা কৰি, ব্যায়াম আদি শৰীৰ-বিজ্ঞান চৰ্চ্চা কৰি দৈহিক সুস্থতা আৰু সৌন্দৰ্য্যৰ পৰা নিজেও আনন্দ পাইছে আনকো আনন্দ দিছে ইও সংস্কৃতি। নানা বস্ত্ৰ, অলঙ্কাৰ, প্ৰসাধন আৱিষ্কাৰ কৰি, সাজপোছাকৰ নানা বৈচিত্ৰ সৃষ্টি কৰি নিজেও আনন্দ পাইছে, মানুহৰ কল্পনাৰ, বুদ্ধিৰ এটা কলামস্ত বিকাশ প্ৰকাশ কৰিছে— ইও সংস্কৃতি। সেইদৰেই মানুহৰ ভিতৰৰ আদিম বৰ্ব্বৰ প্ৰকৃতিকো সুন্দৰ কৰিবলৈ মহতোমহীয়ান কৰিবলৈ—হিংসা, দ্বেষ, কপটতা, ক্ৰুৰতা, এই পৈশাচিক আৰু পাশৱিক প্ৰবৃত্তিক নিয়ন্ত্ৰণলৈ আনি স্নেহ, ক্ষমা, দয়া, সাম্য, লোককল্যাণ ইত্যাদি গুণবোৰক আগভাগ দি তাক বিকশাই তোলাটোও

সংস্কৃতি। বাহিৰখন সুন্দৰ কৰাটো হল বহিঃসংস্কৃতি আৰু মানুহৰ মন আৰু হৃদয় সুন্দৰ কৰাটো হল অন্তৰসংস্কৃতি। এই প্ৰত্যেকেই পূৰ্ণ-সংস্কৃতিৰ আধাভাগহে। মানুহটো সম্পূৰ্ণ সাংস্কৃতিক জীৱ হৈ প্ৰকাশ পাবলৈ হলে এই ভিতৰ-বাহিৰ দুয়োটাকেই বিকাশ কৰিব লাগিব। নহলে সেই ব্যক্তিজনৰ বা সমাজৰ সংস্কৃতি অসম্পূৰ্ণ।

সেই কাৰণেই কব খোজোঁ যে আজিৰ পৃথিৱীত যদিও বৈজ্ঞানিক উন্নতিয়ে হিমালয় শিখা ছোওঁ ছোওঁ কৰিছে অৰ্থাৎ থকা-মেলা, খোৱা-পিন্ধা, ফুৰা-চকা ( অৱশ্যে আংশিকৰহে ) কিছু মানুহৰ উচ্চ বাস্তৱিক-সংস্কৃতিৰ স্তৰলৈ গৈছে তথাপিও মানুহ অন্তৰ-সংস্কৃতিৰ ফালৰ পৰা পশুতকৈ বৰ ওপৰলৈ উধাব পৰা নাই। ব্যক্তি জীৱনত কিছু উধাইছে যদিও, আন্তৰ্জাতিক ক্ষেত্ৰত এতিয়াও বনৰীয়া প্ৰকৃতি জাতিবোৰে এৰিব পৰা নাই। আজি পৃথিৱীত অশান্তিৰ মূল কাৰণ হৈছে অন্তৰ-সংস্কৃতিৰ শোকলগা অৱস্থাৰ পৰা। যি সমাজত বা দেশত অন্তৰ-সংস্কৃতিৰ পূৰ্ণ বিকাশ, সেই সমাজত এদলে এদলক শোষণ নকৰে, এদলে বিলাসিতাত উটি-বুৰি ফুৰি, আন আন লক্ষ লক্ষক খাবলৈ নাপাই, শুকাই-খীণাই মৰিবলৈ এৰি দিব নোৱাৰে। এদলে সমাজৰ ওখ আসনত বহি আন লক্ষ লক্ষক বোকাত পেলাই থৈ ৰং নাচায়। য'ত অন্তৰলৈ সুন্দৰ নামিছে তাত দেশৰ এভাগত ধুনীয়া ফুলনি, আৰু আন ফালে ভগা উৱলি যোৱা উৰুষা পঁজাত আধাপেটীয়া মাকে বুকুৰ মাজত সুমাই পেটৰ পোৱালিক ৰাখিব নালাগে। যি দেশত, যি সমাজত অন্তৰ-সংস্কৃতিৰ সুপ্ৰতিষ্ঠা হৈছে সেই দেশৰ মহানগৰীত পান-ভোজনৰ উভৈনদী ৰেষ্টুৰাঁ, হোটেলৰ আগৰ ময়লা পেলোৱা ডাষ্টবিনৰ পৰা জঁকা ওলোৱা মানুহে চুৱাপাতৰ পৰা চোবাই পেলোৱা আহাৰ বিচাৰি কোনোমতে প্ৰাণটো ৰাখিব নালাগে। কিন্তু আজি শিল্পীৰ বেজাৰ যে পৃথিৱীৰ ছবি এইখনেই। আজিৰ পৃথিৱীৰ বাহিৰখন ধুনীয়া, ভিতৰখন পচা। যি পৃথিৱীত মানুহৰ অন্তৰত সংস্কৃতিৰ প্ৰতিষ্ঠা হৈছে, সেই পৃথিৱীত শোষণ নাথাকে, দলন নাথাকে, পীড়ন নাথাকে কিন্তু

আজিৰ পৃথিৱীত অন্তৰ-সংস্কৃতি নাই। অন্তৰ-সংস্কৃতি সাহকৈ প্ৰতিষ্ঠা কৰিবলৈ ওলোৱা জীৱনৰ শিল্পী মহাত্মাই গুলী খাই মৰিবলগীয়া হল। আজিৰ পৃথিৱীত, দুষ্কৃতি অধিষ্ঠিত হৈ থকা পৃথিৱীত সংস্কৃতিৰ কথা সাহকৈ কওঁতাৰ কপালত গুলী লাগে। আলোকৰ আদৰ্শৰ কথা কওঁতাৰ মাত আজি বন্দুক-বৰতোপৰ শব্দেৰে তল নিয়াব খোজে। কিন্তু এই কথা ধ্ৰুৱ সত্য বুলি মোৰ গভীৰ বিশ্বাস হৈছে যে ৰাইফলৰ গুলীৰে মানুহক হত্যা কৰিব পাৰি কিন্তু আদৰ্শক হত্যা কৰিব নোৱাৰি। ৰাইফলেৰে যিসকলে মানৱৰ কোনো আলোকময় আদৰ্শক প্ৰতিহত কৰিব পাৰিম বুলি ভাবিছে সেইসকলে ৰাইফল হাতত তুলি লোৱাৰ আগতে অতি গভীৰভাবে চিন্তা কৰা উচিত। আজিৰ পৃথিৱীত দুৰ্গতিৰ যদিও সাম্পদিক কাৰণ যথেষ্ট আছে তথাপিও অন্তৰৰ সংস্কৃতিৰ এনে ভয়াবহ অৱস্থাৰ পৰাইহে আমাৰ মানৱ সমাজৰ কষ্টৰ মাত্ৰা বেছি। সেই কাৰণেই আজি প্ৰগতিৰ বাটৰ আলোকযাত্ৰীৰ প্ৰথম কৰ্ত্তব্য আৰু প্ৰধান সাধনা হব লাগিব—মানুহৰ অন্তৰ সংস্কৃতি প্ৰতিষ্ঠা কৰাটো। আমি হয়তো সংঘাতৰ যোগেদি পৃথিৱীৰ অৰ্থ নৈতিক অসামঞ্জস্য-তা কিছু দিনলৈ গুচাব পাৰো কিন্তু লগে লগে অন্তৰ-সংস্কৃতি প্ৰতিষ্ঠা কৰিব যদি নোৱাৰোঁ, তেন্তে পৃথিৱীত আকৌ অৰ্থ নৈতিক অসামঞ্জস্যতাই দেখা দিবই, কাৰণ মানুহৰ যি সাংস্কৃতিক দৃষ্টিভঙ্গী থাকে সিয়েই অৰ্থনীতি সমাজনীতি আৰু ৰাজনীতিত প্ৰতিফলিত হয়। সেই কাৰণে গুৰি কথা হৈছে, অন্তৰ-সংস্কৃতি যদি সুন্দৰ হয় তেন্তে তাৰ জিলিঙনি পৰিব সমাজৰ সকলো কথাতেই সকলো বিভাগতেই।

আজি হেজাৰ হেজাৰ বছৰ ধৰি ধৰ্ম্মপ্ৰচাৰকে মানুহৰ হৃদয়লৈ আবেদন জনাই ব্যৰ্থ হল। পৃথিৱীৰ দুষ্কৃত মানুহ আৰু দলবোৰ মহান সংস্কৃতিৰ আদৰ্শৰ ধৰ্ম্মবোৰত দীক্ষা লৈও সাংস্কৃতিক ভৱিৰে গছকি দুৰ্নীতিৰে নিজৰ হাতত ক্ষমতা যেনে তেনে প্ৰকাৰে ৰাখি পৃথিৱীখনক অশান্তিময় কৰি থৈছে। এই অন্তৰ-সংস্কৃতিহীন মানুহৰ বাবেই সমাজে, জনসাধাৰণে কষ্টৰ ভাগী হবলগীয়া হৈছে। পৃথিৱীৰ বুৰঞ্জীয়ে কয়

যে বিনা সংঘাতেৰে দুষ্কৃতিৰ দমন নহয়। আজি আমাৰ সংস্কৃতিসেৱীৰ প্ৰধান কৰ্ত্তব্য হৈছে আমাৰ দেশত যি ক্ষেত্ৰতেই দুষ্কৃতিৰ প্ৰাদুৰ্ভাৱ হৈছে সেই ক্ষেত্ৰতেই তাক প্ৰতিৰোধ কৰাটো—তাক সমূলঞ্চে নিৰ্ম্মূল কৰাটো। দুষ্কৃতিক বিনাশ কৰি সংস্কৃতি প্ৰতিষ্ঠা কৰা সংহত উপায় হৈছে বিপ্লৱ। সংস্কৃতি-সৃষ্টিৰ বিপ্লৱেই হৈছে সমূৰ্ত্ত অভিযান। সংস্কৃতি প্ৰতিষ্ঠা কৰিবলৈ বিপ্লৱ সদায় সৃষ্টিমূলক আৰু সাংস্কৃতিক হব লাগিব। সিহে আচল বিপ্লৱ। যি বিপ্লৱৰ কণ্ঠত অভিনৱ সৃষ্টিৰ ওঙ্কাৰ নাই, গান নাই, সি বিপ্লৱ নহয়। যি সামাজিক, নৈতিক, অৰ্থনৈতিক বা ৰাষ্ট্ৰিক মুঠতে সাংস্কৃতিক এক অভিনৱ পৰিবৰ্ত্তনলৈ সমাজ যাবলৈ ভূমিকম্প কৰে সেয়েই বিপ্লৱ। এই বিপ্লৱৰ মুকুটত মানৱ আদৰ্শৰ মহাসৌন্দৰ্য্যৰ স্যমন্তক মণি জ্বলি থাকে। এই বিপ্লৱেই কল্যাণময়ী আলোকৰ অভিযান।

জীৱনৰ মহাশিল্পী মহাত্মা গান্ধীয়ে পৃথিৱীৰ বুৰঞ্জীত যি অভিনৱ সাংস্কৃতিক বিপ্লৱৰ পাতনি মেলি গল, সেই বিপ্লৱৰ জুইৰে আমি ভাৰতবৰ্ষ পুৰি তথা নিখিল পৃথিৱীকেই পুৰি সোণ কৰিব লাগিব। আজি ভাৰতবৰ্ষৰ পৃথিৱীজোৰা এই সাংস্কৃতিক অভিযান হব লাগিব। কিন্তু কতা সেই মনমোহা বিপ্লৱৰ ৰঙা নীলা অগ্নিশিখা? ক'ত সেই মানৱ মহাপ্ৰগতিৰ জলন্ত জ্যোতিৰেখা? মহাত্মাৰ মহান ব্যক্তিত্ব নুমাই যোৱাৰ লগে লগে দেখোন দুষ্কৃতি-দুৰ্নীতিৰ ধোঁৱাই আমাৰ নতুনকৈ উদয় হোৱা সংস্কৃতি-সূৰ্য্যক আঁৰকৈ ৰাখিছে। নতুন পোহৰৰ চাকিটো মূৰত লৈ ওলোৱা নতুন দিনৰ ভাৰতীয় আইদেউজনীৰ আলোকযাত্ৰা প্ৰতিহত কৰি দুৰ্নীতি-মহিষাসুৰে আগভেটি ধৰিছে। আমাৰ স্বাধীনতাৰ সপোন চূৰমাৰ কৰি দিব খুজিছে। গণপৰিষদৰ সভাপতি মাভালঙ্কাৰে অলপতে কৈছিল যে আজি "Average Indian is immoral"। তেন্তে এনেকুৱা সংস্কৃতিৰ বিপদ ভাৰতত কোনো কালেও হোৱা নাই। এই দুৰ্নীতি জয় কৰিবলৈ আজি দেশৰ সকলোৱেই অপাৰগ। আমাৰ প্ৰবীণ নেতাসকলে দুৰ্নীতি গুচাব

নোৱাৰি মূৰে-কপালে হাত দিছে, হতাশাৰ হুমুনিয়াহ পেলাইছে। দেশৰ জাতীয় গৱৰ্ণমেণ্টে দুৰ্নীতি নাশ কৰিবলৈ নানা আইন-কানুন ৰচনা কৰিও নিয়ন্ত্ৰণলৈ আনিবলৈ অক্ষম হৈছে। দেশৰ যুৱকশক্তিয়ে ইটোৰ পাছত সিটোকৈ দুনীতি নাশ কৰিবলৈ অভিযান কৰি বিফল হৈছে। দেশৰ জনসাধাৰণ দুনীতিৰ তাৰণাত বিক্ষুব্ধ হৈ পৰিছে। শিল্পীয়ে, সাহিত্যিকে, অধ্যাপকে সংস্কৃতি সংস্কৃতি বুলি চিয়ঁৰি দেশ তলওপৰ কৰিছে; কিন্তু দুৰ্নীতিৰ ৰাজত্বৰ শেষ নাই। শেষ ৰৈছেগৈ মাতৃসকল। আজি যদি মাতৃসকলে এই মহিষাসুৰ বিনাশ কৰিব নোৱাৰে তেন্তে ভাৰতৰ নতুন সংস্কৃতি ৰচনা কৰিবলৈ ওলোৱাটো মাত্ৰ বলিয়ালিহে হব। সেই কাৰণে মাতৃসকলক কব খোজোঁ যে যদি মাতৃসকলে ভৱিষ্যতে ভাৰতীয় নতুন দিনৰ আইদেউজনীক জোনাকী-বাটেদি আগবাঢ়ি যাবলৈ দিব খোজে, তেন্তে এই দুনীতি বিনাশৰ কাৰণে এবাৰ শক্তিস্বৰূপা হৈ আমাৰ জীৱনৰ কেন্দ্ৰত থিয় হওক। আজি মই শিল্পীয়ে আপোনালোকৰ অন্তৰত থকা অসুৰনাশিনী শক্তিক এবাৰ প্ৰচণ্ড হৈ জ্বলি উঠিবলৈ আমন্ত্ৰণ কৰিছো। আজি যদি ভাৰতৰ আন আন প্ৰদেশৰ মাতৃসকলে ভাৰতৰ এই দুৰ্য্যোগত একো কৰিব নোৱাৰে তেন্তে মোৰ এই অসমৰ মাতৃসকলে ভাৰতৰ নিখিল মহিলা সমাজৰেই নেতৃত্ব লওক। দুষ্কৃতি প্ৰতিৰোধ কৰি জগতৰ বুৰঞ্জীত একমাত্ৰ চানেকি ৰাখি থৈ যোৱা জয়মতীৰ দেশৰ মাতৃসকলে আজিও সেই শক্তি নিশ্চযেই হেৰুৱা নাই।

জীৱনক বিচিত্ৰ প্ৰকাশৰ পৰা আৰু এক বিচিত্ৰ প্ৰকাশলৈ নিয়াই আৰু এই পৃথিৱীৰ জীৱনক আনন্দময় কৰি তোলাই সংস্কৃতিৰ লক্ষ্য। মানুহৰ সকলো সুকৰ্ম্মই এই সাংস্কৃতিক অভিযানৰেই যোগান ধৰিছে। মানুহে দৰ্শনেৰে, বিজ্ঞানেৰে, অৰ্থনীতিৰে, সমাজনীতিৰে, অধ্যাত্ম-বিজ্ঞানেৰে মানৱ-জীৱনৰ সকলো শাৰীৰিক আৰু মানসিক প্ৰয়াস প্ৰচেষ্টাৰেই এই সাংস্কৃতিক পূৰ্ণ জীৱন পৃথিৱীত প্ৰতিষ্ঠা কৰিবলৈ পুৰুষাৰ্থ কৰিছে। কিন্তু মানৱ জাতিৰ এই আলোকযাত্ৰাৰ বাটত অন্তৰায বহুতো।

সংস্কৃতিয়ে প্ৰধানতে যুজিবলগীয়া হয় দুষ্কৃতিৰে। মানৱ-প্ৰকৃতিৰ পাশৱিক আৰু পৈশাচিক ভাগটোৰ বৰঘৰতেই এই দুষ্কৃতি থাকে। সংস্কৃতিৰ আৰু এক শত্ৰু হৈছে মানৱ-মনৰ ভ্ৰান্তি। অসম্পূৰ্ণ জ্ঞান আৰু সত্যৰ বিভ্ৰান্ত উপলব্ধিয়ে সংস্কৃতিৰ এটা বিকৃতি সৃষ্টি কৰে। এই বিকৃতি আৰু দুষ্কৃতিৰ পৰা যি দিনাই মানুহে তাৰ জ্ঞানৰ প্ৰভাৱেৰে মুক্তি পাব সেই দিনাহে মানৱৰ মুক্তি, সেই দিনাহে সংস্কৃতিৰ স্বৰ্গৰাজ্য শিল্পীৰ পৃথিৱী ৰচিত হব এই ঘোৰ সংসাৰত। দুষ্কৃতি আৰু বিকৃতি বিজয়ৰ কাৰণে মানুহৰ অমোঘ অস্ত্ৰ হৈছে পূৰ্ণজ্ঞান। জ্ঞান সত্যৰ ওপৰত প্ৰতিষ্ঠিত। সেই কাৰণেই সংস্কৃতিৰ সোণৰ মন্দিৰৰ বৰভেটি সত্য। ইয়াৰ বাবেই আদি যুগৰ পৰা মানৱ-সংস্কৃতি স্ৰষ্টাসকল সত্য বিচাৰি বিযাকুল। সত্য যেতিয়া উপলব্ধি কৰে, সেই বাটলৈ মানৱক মাতি ভ্ৰান্ত মানুহৰ হাতত নিজৰ জীৱনকো উচৰ্গা কৰি এই পৃথিৱীত সংস্কৃতিৰ শিলৰ ভেটি বান্ধি যাবলৈ প্ৰয়াস কৰে। মানৱৰ গোটেই জীৱন-বিকাশকেই যেতিয়া মই সংস্কৃতিক অভিযান বুলিছোঁ,—তেতিয়া বোধকৰোঁ মই কিয় শিল্পী হৈ, সাংস্কৃতিক প্ৰসঙ্গত ৰাজনীতি, সমাজনীতি, ধৰ্ম্মনীতি, অৰ্থনীতি, দৰ্শন, বিজ্ঞান আৰু সুকুমাৰ কলাৰ কথা একেলগে সামৰি কওঁ, বুজিব পাৰিছে। আচলতে মানুহৰ জীৱনটো এটা অবিভাজ্য গোট। অৱশ্যে কামৰ, চিন্তাৰ সুবিধাৰ কাৰণে আমি ভগাই লওঁ। জীৱনৰ এই ঐক্য আমি উপলব্ধি কৰিবলৈ যত্ন কৰা উচিত। পৃথিৱীৰ সকলো ধৰ্ম্মপ্ৰচাৰকে সেই বাবেই ধৰ্ম্মৰ সৈতে সকলো সাঙুৰি লয়। সেই কাৰণে মহাত্মা গান্ধীয়ে ৰাজনীতি, অৰ্থনীতি আৰু ধৰ্ম্মক বেলেগ বুলি নাভাবে।

ভাৰতৰ বুৰঞ্জীত কেতিয়াও আগেয়ে গোটেই ভাৰতবৰ্ষ এক ৰাষ্ট্ৰিক সংহতিলৈ অহা আছিল। অৱশ্যে সংস্কৃতি আৰু ধৰ্ম্মৰ ঐক্য গোটেই ভাৰততেই আছিল। অসমীয়া, বঙালী, পাঞ্জাবী, মাদ্ৰাজী, মাৰাঠী আদি জাতিবোৰে বেলেগ ৰাজনৈতিক গোট হিচাপে থকাত তেতিয়া এই প্ৰদেশবোৰৰ জাতীয় দৃষ্টিভঙ্গী যেনেকুৱা আছিল ১৯৪৭ চনৰ ১৫ আগষ্টৰ

পিছত সেই দৃষ্টিভঙ্গী প্ৰদেশবোৰে ৰাখিবলৈ চেষ্টা কৰাটো ভ্ৰান্তি মাথোন। আজি আমি অসমীয়া বা বঙালী যদিও আকৌ একে উশাহতে ভাৰতীয়ও। মোৰ এতিয়া ভাৰতমাতৃৰ সন্তান হিচাপে অসমীয়া, বঙলা, মাৰাঠী, তামিল আটাইবোৰেই মাতৃভাষা। আমাৰ ভাৰতমাতৃ বহুভাষিণী। এতিয়া আমি প্ৰত্যেক প্ৰাদেশিক গোটেই আন প্ৰাদেশিক গোটৰ ভাষা সংস্কৃতিক আগৰ চকুৰে চালে নহব। ভাৰতীয় মহাসংস্কৃতিৰ এই মাথোন বৈচিত্ৰ্য আৰু এই ভাষাগত, সংস্কৃতিগত বৈশিষ্ট্য থাকিলেহে ভাৰতীয় মহাসংস্কৃতি ধুনীয়া হব তাক আমি বুজিব লাগিব। পোন্ধৰ আগষ্টৰ আমাৰ দৃষ্টিভঙ্গী ৰখাৰ বাবেই প্ৰদেশবোৰৰ মাজত অলাগতিয়াল আৰু বহু কাজিয়াপেচাল হৈছে। আজি আমি আমাৰ সকলো সাংস্কৃতিক শক্তি গোটাই আমাৰ পুৰণি দৃষ্টিভঙ্গীৰ পৰা আমাক মুকলি কৰিব লাগিব। আজি অসমলৈ যিসকল আহিছে তেওঁলোকৰ সৈতে দ্বেষমূলক, অভিমানমূলক কোনো চিন্তা বা কৰ্ম্মৰেই আমি তেওঁলোকক আমাৰ সংস্কৃতি দিব বা লোৱাব নোৱাৰোঁ। তেওঁলোকক আমি আমাৰ সংস্কৃতিৰে মুগ্ধ কৰিব পাৰিলেহে তেওঁলোক আমাৰ আপোন হব।

এই নতুন দিনৰ নৱতম্ দৃষ্টি লৈ মাতৃসকল ওলাই আহক। আজি নতুন ভাৰত গঢ়িবলৈ, মাতৃৰ স্নেহৰ শক্তিৰে মহা উদাৰতাৰে আহি আমাৰ জীৱনক উদ্ভাসিত কৰোকহি।

আজি জাগা মোৰ মাতৃ!
জাগা আজি জোনাকী বাটৰ যত
শকতিৰূপিণী অভিযাত্ৰী।
আন্ধাৰৰ সতে শেষ সংগ্ৰামৰ বাবে
জাগা জননী-জাতি—
প্ৰালয়িকী ছন্দে—
অভিনৱ জীৱনৰ
সুৰ-লয়-তালে-মানে
আলোকময়ী গানে গন্ধে।

জাগা নৱভাৰতৰ
জাগা নৱঅসমৰ
উদ্বোধিতা জনমাতৃ,
সংস্কৃতি-সৰিতাৰে
পোহৰাই নবীন ধৰিত্ৰী
বাট দেখুৱাই বলা
নিখিল পৃথিৱীকে
পুণ্যভূমি ভাৰতৰ
জ্ঞানাৰুণ জ্যোতিস্নাতা
জোনাকী বাটৰ অভিযাত্ৰী
জাগা নৱ জীৱনৰ
অভিনৱ মাতৃ। *

---

* অসম প্ৰাদেশিক মহিলা সম্মিলনৰ দ্বাবিংশ অধিবেশনৰ কৃষ্টি-সভাৰ উদ্বোধনী ভাষণ।

# অসমৰ ফিল্ম-শিল্প

অসমত অসমীয়া ফিল্ম-শিল্পৰ বুৰঞ্জী এক বেজাৰৰ কাহিনী। ১৯৩৩ চনত মই চিত্ৰবন প্ৰতিষ্ঠা কৰি প্ৰথম অসমীয়া কথাছবি 'জয়মতী'ৰ প্ৰযোজনা কৰোঁ। এখন অসমীয়া কথাছবি উলিওৱা সেই সময়ত এটা অসম্ভৱ কথায়েই আছিল। প্ৰথমতে এখন কথা-ছবিত যি ধন ব্যয় কৰিব লাগিব তাক উলিয়াব পৰাই আছিল প্ৰধান অন্তৰায়। তাৰ পিছত অসমীয়া অভিনেত্ৰী ওলোৱাত সামাজিক বাধা। তৃতীয়তে এখন কথাছবি ৰাইজৰ মনোৰঞ্জককৈ কৰিবলৈ যিখিনি ব্যয় কৰিব লাগিব, অসমৰ মাত্ৰ অসমীয়া-প্ৰধান ছখন জিলাৰ পৰা সেই ধন নুঠে। যদিও মৰসাহ দি মই 'জয়মতী'ৰ বাবে ধন উলিয়ালোঁ আৰু নানা পুৰুষাৰ্থ কৰি, যুঁজ-বাগৰ কৰি অসমীয়া ছোৱালীক ফিল্ম-শিল্পত লগালোঁ, তথাপিও ষ্টুডিঅ' স্থায়ী কৰিবলৈ যি 'জয়মতী'ৰ পৰা আৰ্থিক বল পাব লাগিছিল সেয়ে নহল। ছবিখনৰ শব্দ-যোজনাৰ ক্ৰটি হল। ফটোগ্ৰাফীতো মাজে মাজে খুঁত থাকিল। অসমীয়া দৰ্শকৰ পৰা যদিও ছবিখনে যথেষ্ট সমাদৰ পালে তথাপি সেই সময়ত চিনেমা চোৱা ৰাইজ বৰ তাকৰ থকাৰ বাবে জয়মতীত চিত্ৰলেখা মুভিটনৰ প্ৰায় ডেৰ কুৰি হেজাৰ টকা লোকচান হ'ল। চিত্ৰবনত চিত্ৰলেখা মুভিটনৰ এটা সম্পূৰ্ণ ছাউণ্ড ষ্টুডিঅ' আছিলেই। কেমেৰা, ছাউণ্ড ৰেকৰ্ডিং যন্ত্ৰ আৰু লেবৰেটৰী সকলো আছিল। এই টকাখিনি চিত্ৰলেখাই লোকচান ভৰিবলগীয়া নলগীয়াহলে চিত্ৰবনৰ ষ্টুডিঅ' স্থায়ী হৈ এই ষোল বছৰে সি এটা অসমৰ বৃহৎ প্ৰতিষ্ঠান হৈ অসমীয়াৰ হাতৰ এটা শক্তিশালী অস্ত্ৰ হৈ পৰিলহেঁতেন। 'জয়মতী' প্ৰযোজনাৰ সমস্ত ক্ৰটিৰ দায়িত্ব মই কেতিয়াও অস্বীকাৰ নকৰোঁ; কিন্তু তাৰ লগে লগে অসমীয়া দৰ্শক আৰু সমালোচকসকলে যি সহনশীলতা দেখুৱাব

লাগিছিল আৰু অসমীয়া চালুকীয়া ফিল্ম-শিল্পক যি চকুৰে চাব লাগিছিল তাকে নকৰা আৰু সেইদৰে নোচোৱাৰ বাবেও আমাৰ মনত দুখ। জয়মতী কথাছবিত টেক্‌নিকেল ত্ৰুটি যদিও আছিল তথাপিও অসমীয়া কথাছবি হিচাপে তাৰ মন কৰিবলগীয়া কথাও কম নাছিল। দুখৰ বিষয় সেই সময়ত সাহিত্যিক আৰু কিছুমান অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য বুজোতা লোকে যদিও জয়মতীৰ অসমীয়া সংস্কৃতিৰ ফালৰ পৰা তাৰ মূল্য উপলব্ধি কৰি প্ৰশংসাৰে আমাক উৎসাহিত কৰিছিল তথাপিও প্ৰায় সমালোচক আৰু দৰ্শকেই হকে-বিহকে থকাসৰকাকৈ সমালোচনা কৰিছিল। বঙলা আৰু হিন্দুস্থানী ছবিৰ দৰে থিয়েটৰী-ভাবপ্ৰৱণ আৰু কৃত্ৰিম অভিনয় আৰু সেই ধৰণৰ পৰিচালনা নেপাই 'জয়মতী'ৰ বৈশিষ্ট্য বুজিব নোৱাৰি তেওঁলোকে বৰ কঠোৰ ভাবেৰেই সমালোচনা আৰু যিহকে তিহকে মন্তব্য কৰিছিল। সমালোচকসকলৰ এনে কঠোৰতাই যে অসমৰ কেঁচুৱা ফিল্ম-শিল্পক আঘাত নকৰাকৈ আছিল এনে নহয়।

সাধাৰণতে বঙলা আৰু হিন্দুস্থানী কথাছবিবোৰ বৰ অস্বাভাৱিক। মঞ্চাভিনয় আৰু চিত্ৰাভিনয়ৰ পাৰ্থক্য আনকি বিখ্যাত বঙলা ফিল্ম আৰু হিন্দুস্থানী ফিল্ম ডিৰেক্টৰসকলেও কৰিব নোৱাৰা যেন দেখা যায়। যিসকলে ইংৰাজী আৰু হিন্দী ফিল্ম ৰিজাই চাইছে তেওঁলোকে নিশ্চয় এই কথা বুজে। মঞ্চাভিনয় হৈছে কৃত্ৰিম আৰু চিত্ৰাভিনয় হৈছে স্বাভাৱিক। সেইদৰেই ফিল্মৰ পৰিবেশো হব লাগিব স্বাভাৱিক। কিন্তু আনকি আজিলৈকে বঙলা আৰু হিন্দুস্থানী ফিল্ম আচল ফিল্ম অভিনয়ৰ শাৰীলৈ আহিব পৰা নাই। এই বঙলা আৰু হিন্দুস্থানী ফিল্মবোৰে আমাৰ অসমীয়া দৰ্শককো সেই সাঁচতেই গঢ়ি তেনে ৰুচি-সম্পন্ন কৰি পেলাইছে। ইংৰাজী আৰু মাৰ্কিণ প্ৰথম শ্ৰেণীৰ ছবি চাই তৃপ্তি পোৱা অসমীয়া দৰ্শকে এই কথাটো ভালকৈ উপলব্ধি কৰিব পাৰে। কিন্তু ভাৰতীয় সাধাৰণ চিনেমা দৰ্শকৰ এনে ৰুচি হোৱাৰ ফলত ঠিক যি ধৰণে পৰিচালনা আৰু অভিনয় কৰিলে উপযোগী ফিল্ম

পৰিচালনা আৰু অভিনয় হব তাক কৰিলেই প্ৰযোজকৰ বিপদ। কাৰণ ইফালে আকৌ অভ্যস্ত ৰুচিমতে নকৰিলে ফিল্মখন ধনৰ যোগাৰৰ ফালৰ পৰা সৰবৰহী হৈ নুঠে। ভি, এছ শান্তাৰাম এজন প্ৰথম শ্ৰেণীৰ ভাৰতীয় পৰিচালক; কিন্তু তেওঁ ধনপ্ৰাপ্তিৰ খাতিৰত 'শকুন্তলা' চিত্ৰত নিজকে কিমানখিনি তললৈ নমাই আনিছিল তাক এই বিষয়ে বুজোঁতাসকলে জানে। জয়মতী ফিল্মতো এই সমস্যাই দেখা দিলে। 'জয়মতী' ফিল্মখন ইংৰাজী আৰু ৰুচীয় ফিল্মৰ আচল ফিল্মীয় পৰিচালনা আৰু অভিনয়েৰে কৰিবলৈ চেষ্টা কৰা হৈছে। 'জয়মতী'ত অভিনয়ৰ ভঙ্গী স্বাভাৱিক আৰু তাৰ উপৰিও অসমীয়া কথা কোৱাৰ বিশিষ্ট ভঙ্গী, অসমীয়াৰ মাত-কথাৰ বিশেষ ঠাচ ইত্যাদিলৈ ইয়াত অতি সূক্ষ্মভাবে মন দিয়া হৈছে। অসমীয়া বচন প্ৰকাশভঙ্গী, ঠাচ্ ইত্যাদি যে আমাৰ সাধাৰণতে মঞ্চত চলিত মাত-কথাত বহুত বেলেগ আৰু হোৱা উচিত তাকো এই ছবিত দেখুৱাব খোজা হৈছে। দেশভক্ত ফুকন, কৰ্ম্মবীৰ বৰদলৈ এইসকল আৰু আমাৰ সেই সময়ৰ জীৱিত সাহিত্যিক আৰু নেতাসকলৰ প্ৰায় ভাগেই অসমীয়া কণ্ঠতে অসমীয়াৰ সৌন্দৰ্য্য আৰু তাৰ নিজা বৈশিষ্ট্য প্ৰত্যেক শাৰীতেই ফুটাই কৈছিল। তেওঁলোকৰ নিভাঁজ বচনভঙ্গী, তাৰ উপৰিও কেবা বছৰো গাঁৱৰ বহুতো সম্ভ্ৰান্ত পৰিয়ালৰ মুনিহ-তিৰোতাৰ বচনভঙ্গী বিশেষভাবে অধ্যয়ন কৰি মই 'জয়মতী' ফিল্মৰ বচনভঙ্গী সেইদৰে গঢ় দিওঁ—যাতে আমাৰ উঠি অহা লৰা-ছোৱালীয়ে অসমীয়া ভাষাৰ সৌন্দৰ্য্য উলিয়াই তাৰ নিজা বিশিষ্টতা ৰাখি কথা কব পাৰে—অভিনয়, আবৃত্তি ইত্যাদি কৰিব পাৰে। আৰু আজি ৩০।৪০ বছৰে বঙলা নাটক অনুবাদ কৰি, কলিকতীয়া অভিনেতাসকলৰ বঙলা বচনভঙ্গীৰ অনুকৰণ কৰি আমাৰ অসমীয়া অভিনেতাসকলেও যেন অভিনয় বচনভঙ্গীৰ এটা নিজত্ব উলিয়াবলৈ ইঙ্গিত পায়। দুখৰ বিষয় এয়ে যে যদিও উচ্চ শিক্ষিত আৰু এই বিষয়ে অনুভৱ কৰোঁতা অতি কম সংখ্যক অসমীয়া লোকে এই প্ৰচেষ্টাত আৰু তাৰ কৃতকাৰ্য্যতাত সন্তোষ পালে

কিন্তু প্ৰায় ভাগেই এই কথাটো উপলব্ধি কৰিব নোৱাৰিলে। বহুতে পৰিচালকক অভিনয় বচনভঙ্গী কেনে হব লাগে সেই বিষয়ে অজ্ঞ বুলিও নোকোৱাকৈ নেথাকিল। এতিয়া উলিৱা নতুন সংস্কৰণ জয়মতীত মই সেই অসমীয়া বচনভঙ্গী আকৌ সুস্পষ্টভাৱে আগতকৈ আৰু সূক্ষ্মভাৱে চাই দিছো। অৱশ্যে এতিয়াও বঙলা আৰু হিন্দী ফিল্মৰ বচনভঙ্গীত প্ৰভাৱিত হৈ সৰহ ভাগ দৰ্শকে এই বচনভঙ্গী সতকাই ভাল নেপাবও পাৰে। মোৰ কিন্তু উদ্দেশ্য নকৈ উঠি অহা অসমীয়া লৰা ছোৱালী আৰু ডেকা-গাভৰুৰ আগত অসমীয়া বচন-ভঙ্গীৰ নিদৰ্শন দাঙি ধৰাহে। এই বাৰ এই কথাটো নতুনকৈ উঠি অহা লৰা-ছোৱালীৰ এক তৃতীয়াংশই ললেও মোৰ চেষ্টা সাৰ্থক হৈছে বুলি ধৰিম। আৰু এটা কথা যে মই জয়মতী ছবিখন আৰু তাৰ অভিনেতাক একেবাৰেই বাস্তৱিক দৃষ্টিৰে পৰিচালনা কৰিছোঁ—যিটো সকলো ইংৰাজ, মাৰ্কিন আৰু ৰুছীয় প্ৰথম শ্ৰেণী ফিল্মৰ লক্ষণ। সেই কাৰণে মোৰ জয়মতীয়ে ৰাজসভাত বক্তৃতা দি আন ঠাইত নানা ভাবপ্ৰৱণ বক্তৃতাৰে গোৰোহনি মৰা নাই। ধৈৰ্য্যশীলা, অল্পভাষিণী অসমীয়া সম্ভ্ৰান্ত বোৱাৰীয়ে নিজৰ কাৰ্য্যেৰে মৌনভাৱে য'ত কথা আৱশ্যক মাত্ৰ তাতহে মাতি আৰু ঘটনাৰ মাজেদি নিজৰ কৰ্ম্মৰ দ্বাৰাই চৰিত্ৰবল দেখুৱাই যায়। সেইদৰেই জয়মতীকো আঁকা হৈছে। অসমীয়া তিৰোতাৰ চৰিত্ৰ মই যিদৰে উপলব্ধি কৰিছোঁ সেইদৰে জয়মতীক ৰাইজৰ আগত দাঙি ধৰিছোঁ। নীৰৱতাতে অসমীয়া চৰিত্ৰৰ প্ৰধান লক্ষণ। সেই লক্ষণ জয়মতী চৰিত্ৰত মই পৰিস্ফুট কৰিবলৈ চেষ্টা কৰিছোঁ।

ইয়াৰ পিছত 'জয়মতী' কথা ছবিত আৰু এটা অসমীয়া ৰাইজে মনযোগ দিবলগীয়া কথা হৈছে—জয়মতী ফিল্মৰ দৃশ্য-সজ্জা। মন কৰোঁতাই অলপ ভাবিলেই পাব যে আজিলৈকে অসমীয়া ৰজাদিনীয়া (বাঁহ-কাঠ স্থাপত্যৰ) ঘৰবাৰী আৰু তাৰ ভিতৰৰ সজ্জা কেনেকুৱা আছিল তাৰ সঠিক ছবি কোনেও দিব নোৱাৰে। গৰগাঁৱৰ কাৰেং

তলাতলি ঘৰ ইত্যাদি যি ইটা আৰু পকীঘৰ আছে আৰু মঠ-মন্দিৰ আছে এইবোৰ বঙ্গদেশৰ পৰা অনা ঘনশ্যাম খনিকৰে গঢ়া আৰু পশ্চিমৰ ফালৰ পৰা অনা খনিকৰে গঢ়া। অসম দেশ কাঠ-বাঁহৰ স্থাপত্যৰ বাবেই ভাৰতবিখ্যাত আছিল। পুৰণি কামৰূপী সভ্যতাৰ সময়ত শিলৰ মঠ-মন্দিৰ আৰু ৰাজপ্ৰাসাদ আছিল। কিন্তু আহোম ৰাজত্বৰ প্ৰথম ভাগৰে পৰা মাজভাগলৈ কাঠ-বাঁহৰ স্থাপত্যৰেই ঘৰ-বাৰীৰ স্থাপত্য আছিল। জয়মতী ফিল্মত 'মেটেকা'ত থকা ৰজাৰ ঘৰ-বাৰী ইটা-পকীৰ নাছিল। তাৰ উপৰি গদাপাণি সেই সময়ত তুংখুং গাঁৱত কিছু বেয়া অৱস্থাত আছিল বুলি বুৰঞ্জীয়ে কয়।

আগৰ দিনৰ কাঠ-বাঁহৰ বিতোপন ঘৰ-বাৰীৰ নিদৰ্শন আজি ক'তো একো নাই। আজিলৈকে কোনো অসমীয়া প্ৰত্নতাত্ত্বিকে বা চিত্ৰশিল্পীয়ে কোনো নিদৰ্শনকেই আঁকি আমাক দিয়া নাই। অসমীয়া বাঁহ-কাঠৰ ঘৰ-বাৰীৰ নিদৰ্শন আজিকালিৰ সত্ৰৰ ঘৰ-বাৰী, গাঁৱলীয়া সম্ভ্ৰান্ত মানুহৰ ঘৰ-বাৰীত আগৰ সেই বাঁহ-কাঠ স্থাপত্যৰ, পিতলৰ, ৰূপৰ কামি-খুউৰা বেৰ, হেঙুল-হাইতাল বোলোৱা কুৱা-মাৰলী ইত্যাদিৰ একো নিদৰ্শন পাবলৈ নাই। কিছু আভাসহে পোৱা যায়। এই বাঁহ-কাঠ স্থাপত্যৰ একো নিদৰ্শন নোপোৱা বিপদত পৰি মই বুৰঞ্জী-বিদ্ ডঃ শ্ৰীসূৰ্য্যকুমাৰ ভূঞা, প্ৰত্নতাত্ত্বিক সৰ্ব্বেশ্বৰ কটকী, পুৰাতত্ত্ববিদ্ আনন্দচন্দ্ৰ আগৰৱালা, ৰজনীকুমাৰ পদ্মপতি, সাহিত্যগুৰু পদ্মনাথ বৰুৱা আৰু সাহিত্যৰথী বেজবৰুৱা ডাঙৰীয়া আদি কবি সাহিত্যিক, প্ৰত্নতাত্ত্বিক শিল্পীসকলৰ সৈতেও নানা পুথি-পাঁজি চাই আলোচনা কৰি শেষত সত্ৰৰ ঘৰ-বাৰী, অসমীয়া পুথিত থকা ছবি, অসমীয়া কাঁহী-বাটি, কাপোৰ-কানি, ঘৰ-বাৰীৰ বিষয়ে কিম্বদন্তী, তাৰ উপৰি বিদেশী ভ্ৰমণকাৰীয়ে লিখাৰ পৰা সমল গোটাই আৰু সেই বাটেদিয়েই কল্পনাক চলাই জয়মতীৰ দৃশ্যসজ্জা ৰচনা কৰিলোঁ। কামৰূপৰ ভাল বাঁহ-কাঠৰ কাম জনা মানুহৰ দ্বাৰাই সেইবোৰ নিৰ্ম্মাণ কৰোৱা হৈছিল। পিছত সকলোৱে সেই দৃশ্যসজ্জাই অসমৰ বাঁহ-কাঠ-স্থাপত্যক জীৱন্ত কৰি

তুলিলে বুলি সন্তোষ-প্ৰকাশ কৰিছিল। বেজবৰুৱা ডাঙৰীয়াই দৃশ্য-সজ্জা দেখি 'তুষণ্টা আহোম ৰাজ্যত সোমাই থকা যেন লাগিছিল' বুলি কৈছিল। ডঃ ভূঞা আদি সকলোৱেই দৃশ্যসজ্জা সম্পূৰ্ণ অসমীয়া বাঁহ-কাঠৰ স্থাপত্যৰ হৈছে বুলি মন্তব্য কৰিছিল।

অৱশ্যে এইবোৰ আৰু বেছি সমৃদ্ধকৈ দেখুৱাব পাৰি। আমি অসমীয়া মানুহ আন প্ৰদেশৰ মানুহৰ দৰে ধনী হোৱা হলে আৰু 'ছিকন্দৰ'ৰ দৰে দহ লাখ টকা ভাগি 'জয়মতী' ছবি কৰিবলৈ পোৱা হলে অৱশ্যেই পৃথিৱীক চমক খুৱাব পৰা বাঁহ-কাঠৰ কাৰেং দেখুৱাব পৰা গলহেতেন! পিছে মনটো থাকিলে কি হব? সিফালে যে ধন নাই! অসমীয়া দৰ্শক-সকলে যেতিয়া অসমীয়া ফিল্ম চাই লাখ লাখ টকা খৰচ কৰি কৰা বঙলা হিন্দুস্থানী ফিল্মৰ সৈতে ৰিজাই অসমীয়া ফিল্ম্ কিয় তেনে সাজ-সজ্জাৰে নোলায় বুলি ভাবে আৰু ক্ষুণ্ণ হয় তেতিয়া সদায় অসমীয়া জাতিৰ আৰ্থিক অৱস্থা আৰু অসমীয়া ফিল্ম্খন যে মাত্ৰ ছখন জিলাত থকা মানুহৰ আধাখিনি লোকসংখ্যা অসমীয়াৰ মাজত চলিব আৰু সেই জনসংখ্যাই দিয়া খোৰাক খাই অসমীয়া ফিল্মে তিমান-খিনিহে দিব পাৰিব, তাকো যেন ভালকৈ মনত ৰাখে। ইয়াক মনত ৰাখিলেই অসমীয়া প্ৰযোজকক অসমীয়া দৰ্শকে ফিল্ম্-শিল্প গঢ়াত এক প্ৰধান সহায় কৰা হব।

অসমীয়া ফিল্ম্ ভাল কৰাৰ এটা ডাঙৰ অন্তৰায় হৈছে, যিমান টকা ব্যয় কৰিলে এখন ভাল ছবি হয় সিমানখিনি টকা ছখন জিলাত প্ৰায়েই নুঠে আৰু উঠিলেও কোনোমতে কানে কান মাৰিহে ৰক্ষা পৰে। অসমীয়া যি কেখন ছবি জয়মতীৰ পিছত ওলাইছে তাৰ ভিতৰত ইন্দ্ৰমালতীয়েই খৰচৰ উলিয়ায়ো কিছু লাভ দিয়ে। কিন্তু ইন্দ্ৰমালতী কটকিনকৈ প্ৰায় বাৰ হেজাৰ টকাৰ ভিতৰত উলিওৱা হৈছিল। ইমান কম টকাৰে ছবি উলিয়াই সৰ্ব্বাঙ্গসুন্দৰ ছবি কৰিব নোৱাৰি। আজিকালিতো ষাঠি হেজাৰ সত্তৰ হেজাৰৰ কমে ছবিকে উলিয়াব নোৱাৰি। এতিয়া ওলোৱা ছবি ছিৰাজে ৰাইজৰ পৰা আশাতীত

সমাদৰ পাইছে আৰু টকাও যথেষ্ট উঠিছে। কিন্তু তেনে ছবিৰ বাবে সেইদৰে খৰচো হব। ছিৰাজত প্ৰায় এক লাখ টকাই খৰচ হৈছে। হয়তো ছিৰাজত দহ হেজাৰ টকা বা কুৰি হেজাৰ টকা ৰাহিও হব। কিন্তু ছিৰাজৰ দৰে সদায় প্ৰত্যেকখন ছবিয়েই লাখ টকা খৰচ কৰি উলিয়ালে যে ৰাইজৰ সেই সমাদৰ পাব তাৰো একো নিশ্চয়তা নাই। সেই কাৰণে এতিয়া প্ৰধান কথা হৈছে অসমীয়াৰ এটা নিজৰ ষ্টুডিঅ'ৰ আৱশ্যক। তেতিয়া বহু কম খৰচত ছবি উলিয়াব পাৰিব আৰু এখনত কিছু লোকচান হলেও আকৌ আন এখন উলিয়াবলৈ সমৰ্থ হৈ থাকিব।

# অসমীয়া স্থাপত্যৰ নৱৰূপ

আমাৰ নতুন ভাৰতৰ স্থাপত্য কি সাঁচত গঢ়িব লাগিব ? ই আজি আমাৰ কাৰণে এটা অতি গভীৰ ভাবেৰে চিন্তা কৰিবৰ বিষয় হৈ পৰিছে। স্থাপত্যতেই প্ৰতিফলিত হয় এটা জাতিৰ চৰিত্ৰ। এটা জাতিৰ জীৱনীও লিখা থাকে স্থাপত্যতে। পৃথিৱীৰ এক যুগৰ স্থাপত্য পৃথিৱীৰ বুৰঞ্জীৰ সেই যুগ বৰ্ণোৱা এটা পাতৰ দৰেই। ভাৰতত বা অসমত আদি যুগৰে পৰা আজিলৈকে থকা স্থাপত্যৰ নিদৰ্শন চাই আমি ভাৰতৰ বা অসমৰ সংস্কৃতি-সভ্যতাৰ বুৰঞ্জী গাই যাব পাৰোঁ। সেই কাৰণেই আমাৰ নতুন স্থাপত্যৰ ৰূপ—আজি আমাৰ গভীৰ চিন্তাৰ বিষয়। যি জাতি প্ৰগতিৰ ৰাজআলিলৈ ওলাই আহিছে সেই জাতিৰ স্থাপত্য হব লাগিব আন্ধাৰ বাটৰ দিক নিৰ্ণয় কৰা এটা আলোক-স্তম্ভৰ দৰে। সেই স্থাপত্যই জনতাক আগবাঢ়িবলৈ পোহৰৰ জিলিঙনি ছটিয়াই থাকিব লাগিব। স্থাপত্যই জনতাক আগবঢ়াই নিবও পাৰে, এটা স্থিতিশীল অৱস্থাতো ৰাখি থব পাৰে আৰু সঙ্কীৰ্ণ ৰক্ষণশীলতাকে খামুচি ধৰি থাকিবলৈকো মন্ত্ৰ দিব পাৰে! সেই কাৰণেই আজি আমি প্ৰগতিৰ ৰাজআলিলৈ ওলাই নতুন দিনলৈ যাত্ৰা কৰাৰ ক্ষেণত স্থাপত্যৰ বিষয়ে দকৈ নাভাবি নোৱাৰোঁ।

মানুহৰ মনৰ ওপৰত সুকুমাৰ কলাৰ প্ৰভাৱ শক্তিশালী। সদায়েই সুকুমাৰ কলাক মানুহৰ মনত কোনো দাৰ্শনিক সত্য ধাৰ্ম্মিক তত্ত্বৰ বিষয়ে দকৈ সাঁচ বহুৱাবলৈ ব্যৱহাৰ কৰা হৈছে। স্থাপত্যও সুকুমাৰ কলা। দৰাচলতে সুকুমাৰ কলাৰ ভিতৰত ইয়েই মানুহৰ সন্মুখত থাকি সমূহ জনসংখ্যাৰ আগত থাকি ইয়াৰ প্ৰভাৱ বিস্তাৰ কৰি থাকিব পাৰে। সেই কাৰণেই প্ৰত্যেক ধৰ্ম্মমতে তেওঁলোকৰ মঠ-মন্দিৰ, মছজিদ গিৰ্জ্জাবোৰ সভ্যতাৰ সকলো ঘৰ-বাৰীতকৈ ভালকৈ

সাজে আৰু সেই সেই স্থাপত্যৰ গাম্ভীৰ্য্যৰে তাৰ কলাকুশলতা, নিৰ্ম্মাণ কৌশল আৰু ৰৌপিক গঢ়েৰে মানুহৰ মনত এটা সেই ধৰ্ম্মবোৰৰ সত্যবোৰৰ বিষয়ে মনত চাব বহুৱাবলৈ আৰু তালৈ মানুহৰ মন আকৃষ্ট কৰিবলৈ চেষ্টা কৰে। সেইদৰেই সকলোৰেই ৰাজকীয় আৰু আদৰ্শ-বাদী দলবোৰে সদায়েই বিশেষকৈ জনতাৰ ওপৰত সিহঁতৰ প্ৰভাৱ বিস্তাৰৰ কাৰণে স্থাপত্যৰ সহায় লৈছে।

এখন দেশৰ—এটা জাতিৰ সভ্যতা-সংস্কৃতিৰ স্থাপত্যই যেনিবা এটা মূৰ্ত্তি বা প্ৰতিমাহে। সেইদৰেই এটা নৱোদ্বুধিত জাতীয়তাৰ সভ্য-তাৰ সংস্কৃতিৰ প্ৰচাৰৰ বাবে স্থাপত্যকো তাৰ ইঙ্গিতবৰ্ষীৰূপে জাতীয় খনিকৰি-প্ৰতিভাই ৰূপ দিব লাগিব। নহলে সেই নতুন যুগৰ সি স্থাপত্য নহব। আমি যদি পুৰণি স্থাপত্যৰ গঢ়তেই এই নতুন জাতীয় আদৰ্শবাদী আমাৰ স্থাপত্যিক প্ৰকাশ দিওঁ তেন্তে ই এটা স্থাপত্যিক 'এনাক্ৰনিজম্'হে হব। সেই কাৰণেই আজি ভাৰতীয়ই বা অসমীয়াই পৃথিৱীলৈ এক নতুন সংস্কৃতি-সভ্যতাৰ আদৰ্শ দাঙি ধৰি সেইমতে নৱভাৰতীয় স্থাপত্যৰ ৰূপ উলিয়াব লাগিব। যদি সেয়ে নহয় তেন্তে বুজা যাব যে আমাৰ দেশৰ কলাকৃষ্টিত এতিয়াও নতুনৰ পোহৰ পৰা নাই আৰু পৰিছে যদিও সি সেই নৱজীৱনৰ পোহৰৰ পৰশত সাৰ পাই উঠা নাই।

আজিৰ দিনৰ ভাৰতীয় বা অসমীয়া স্থাপত্যত প্ৰতিফলিত হব লাগিব আমাৰ আজিৰ নতুন মনটো। সেই কাৰণেই আমি আঁহ ফালি ফালি চাব লাগিব আমাৰ নতুন ভিতৰখন ভালকৈ অঁহিয়াই-কঁহিয়াই। ভূত-ভৱিষ্যত আৰু বৰ্ত্তমানৰ নানা ভাবৰ ক্ৰিয়া-প্ৰতি-ক্ৰিয়াৰ ধুঁৱলি-কুঁৱলিৰ মাজেদি আমাৰ নতুনকৈ ওলোৱা মনটোৱে পুৰণি সৃষ্টিৰ মোহ ত্যাগ কৰি বৰ্ত্তমানৰ খেলিমেলি আঁতৰাই ভৱিষ্যতৰ সাৰ্ব্বভৌম জনজীৱনৰ অৰুণোদয়ৰ প্ৰথম আলোক-প্ৰপাতত স্নান কৰি এটা মহামানৱীয় প্ৰগতিৰ বাটলৈ ওলাই আহিবলৈ উগ্ৰ চেষ্টা কৰিছে। এই মনটোৱে নিজে ওপজা মাটি-কঠাতে তাৰ স্থিতি লৈ

তাতেই থিয় হৈ নিজৰ ভৰিৰ তলৰ মাটিৰেই ৰস খাই আৰু সি যি জলবায়ুৰ মাজত জনম লভিছে তাৰ পৰাই সি বিকাশৰ সমল আহৰণ কৰি আকাশমুৱা হৈ বিশ্বৰূপ ধৰিবলৈ বিচাৰিছে। এই মনটোৱেই হৈছে পৃথিৱীৰ প্ৰগতিবাদীৰ মন। ভাৰতীয় প্ৰগতিবাদীৰ তথা অসমীয়া প্ৰগতিবাদীৰ মনটোও হৈছে এয়েই। তাৰ মানে হৈছে আজি আমি আমাৰ ঘৰুৱা বৈশিষ্ট্য আৰু সভ্যতা-সংস্কৃতিৰ প্ৰকাশৰ এটা স্থানীয় বৈচিত্ৰ্য ৰক্ষা কৰিবলৈ এটা বিশ্ব-সভ্যতা সংস্কৃতি গঢ়িবলৈ আগবাঢ়ি ওলাইছোঁ। সেই কাৰণেই বিশ্ববৈচিত্ৰ্য ৰক্ষা কৰিবলৈ আমি আমাৰ অসমীয়া সভ্যতা-সংস্কৃতি ৰক্ষা কৰিবলৈ যি চিন্তা বা কৰ্ম্ম কৰিম সি সঙ্কীৰ্ণ প্ৰাদেশিকতা হব নোৱাৰে। কিন্তু আমি যদি আমাৰ সভ্যতা-সংস্কৃতি এই সাৰ্ব্বভৌম আদৰ্শৰ পৰা আঁতৰাই আমাৰ মনটোক কেৱল লুইতৰ বৰচাপৰিতেই এৰাল দি থওঁ তেন্তে আমাৰ মনটো অসমৰ গৰুৰ দৰেই টিলিকা হৈ থাকিব। আমাৰ সংস্কৃতি, সাহিত্য, কলা সকলোৱেই থাকিব অসমৰ নাম-ঘৰতে পৰি। অসমীয়া সাহিত্যিক আমি যদি বিশ্বসভাত আগশাৰীত বহুৱাব খোজোঁ তেন্তে অসমীয়া সাহিত্যিকৰ চিন্তাই বিশ্বক সামৰিব পৰা হব লাগিব। অসমীয়া ৰাজনৈতিক এজন যদি সৰ্ব্বভাৰতীয় ৰাজনৈতিক হিচাপে জিলিকিব খোজে তেন্তে সেই জনে সৰ্ব্বভাৰতৰ বিষয়ে গোটেই ভাৰতীয়সকলৰ সমস্যাৰ বিষয়ে চেষ্টা কৰিব পৰা মনৰ অৱস্থালৈ যাব লাগিব। সেইদৰে এজন অসমীয়া বিশ্বকৱি হবলৈ হলে তেওঁৰ চিন্তাত জ্বলি উঠিব লাগিব সমগ্ৰ মানৱ জাতিৰ সমস্যা। মানৱ জাতিৰ সমস্যায়েই যেতিয়া অসমীয়াৰো সমস্যা তেতিয়া সেই অসমীয়া বিশ্বকৱিজনৰ চিন্তাত নিশ্চয় অসমীয়াৰ সমস্যাও সোমাই এনেয়ে হলেও থাকিবই। ঈশ্বৰ হৈছে সৰ্ব্বব্যাপী। আমি সকলো কাম ঈশ্বৰত সমৰ্পণ কৰি কৰিলে আমাৰ কৰ্ম্মবন্ধন নহয় বুলি শাস্ত্ৰই কয়। সেইদৰেই আমি সাৰ্ব্বজনীন বিশ্বসংস্কৃতিৰ এটা বৈচিত্ৰ্য হিচাপে অসমীয়া সংস্কৃতি-সভ্যতা গঢ়িবলৈ গৈ সেই ভাবেৰে চিন্তা

আৰু কৰ্ম্ম কৰিলে সি কেতিয়াও প্ৰাদেশিক সঙ্কীৰ্ণতা নহব। তাকে নকৰিলেই আমি সঙ্কীৰ্ণতাত বান্ধ খাম। আৰু সেয়ে হলেই আমি বিশ্বসভাত যি আসন বিচাৰি ওলাইছোঁ তাক পাবলৈ অসমৰ্থ হ্ম। মূঠৰ ওপৰত আমি অসমীয়াই বিশ্বমানৱ হৈ ফুটি উঠিব খোজোঁ, তাকে আমি হব খোজোঁ সভ্যতা-সংস্কৃতিৰ মৌলিকতাৰ মাজেদি আমাৰ বৈশিষ্ট্যৰ ভিতৰেদি। বিশ্ববৈচিত্ৰ্যৰ বাবে অসমীয়াই বঙালী, মাৰাঠী, গুজৰাটীয়ে আৰু সেইদৰেই ভাৰতীয়ই, আমেৰিকানে, ফৰাছীয়ে, ইংৰাজে, ৰুছিয়ানে, চীনাই তাকেই কৰিব লাগিব। এই বিশ্ববৈচিত্ৰ্য বোধৰ ভাবেৰে সকলো জাতি, মহাজাতি, উপজাতিয়ে নিজৰ সভ্যতা-সংস্কৃতি গঢ়িবলৈ আগবাঢ়িলে তাত আৰু সংঘৰ্ষৰ ঠাই কত? তেতিয়া হলে বঙালী বা মাৰাঠীয়ে যেনেকৈ নিজৰ সভ্যতা-সংস্কৃতিৰ বৈশিষ্ট্য ৰক্ষা কৰাটো কৰ্ত্তব্য বুলি ভাবিব আনফালে তেওঁলোকে যে অসমীয়া সংস্কৃতিকো ৰক্ষা কৰিব লাগিব সেই কৰ্ত্তব্যও উপলব্ধি নকৰি নোৱাৰিব। অসমীয়া ভৈয়ামীয়াসকলেও তেতিয়া আমাৰ অসমৰ-জনজাতিসকলৰ সভ্যতা-সংস্কৃতি যে ৰক্ষা কৰিব লাগিব তাকো বুজিব পাৰিব ভালকৈয়ে। বিশ্বসংস্কৃতিৰ বৈচিত্ৰ্যবোধ থাকিলেই যাক সাংস্কৃতিক সংঘৰ্ষ লোকে বুলিব খোজে সি আৰু কেনেকৈ থাকিব? বিশ্ব-শান্তিৰ বাটো এই ফালেদিয়েই।

আজি আমাৰ এই মনটোকেই প্ৰতিফলিত কৰি তুলিব লাগিব আমাৰ নতুন অসমৰ স্থাপত্যত। তেনেহলে আমাৰ স্থাপত্যৰ বিষয়ে মূল কথা কেইটা আমি পালোঁ যে ইয়াত থাকিব লাগিব নিজা বৈশিষ্ট্য আৰু আমাৰ বিশ্বমুখী মনৰ প্ৰতিবিম্ব। এই হল এক কথা। তাৰ পিছত আমাৰ স্থাপত্য গঢ়িবলৈ যাওঁতে ভাবিব লাগিব আৰু এটা কথা। সেইটো হৈছে আমি তাত যিটো নিজা বৈশিষ্ট্য প্ৰকাশ কৰিম তাৰ ৰূপ হব কি? আজি আমি প্ৰগতিবাদী ভাৰতীয়ই— অসমীয়াই থিৰ কৰিছোঁ যে আমাৰ ৰাষ্ট্ৰ কোনো ধৰ্ম্মৰ ওপৰত প্ৰতিষ্ঠিত হব নালাগে। হব লাগিব ধৰ্ম্মনিৰপেক্ষ ৰাষ্ট্ৰ। আমাৰ

সকলো ৰাজহুৱা বা জাতীয় বস্তুও হব লাগিব সেয়েই। আমাৰ জাতীয় স্থাপত্য নিশ্চয় ধৰ্ম্মনিৰপেক্ষ হবই লাগিব। শেষত আমি আমাৰ স্থাপত্য গঢ়াৰ মূল কথা কেইটা পালোঁগৈ যে ই হব লাগিব বিশ্বমুখী—তাৰ পিছত জাতীয় বিশিষ্ট্য—কিন্তু ধৰ্ম্মনিৰপেক্ষ অসাম্প্রদায়িক। এই কথাখিনি আমি বাঁহ, কাঠ, ইটা, লোহা, চিমেণ্ট, টিন, চূণ বালি আৰু ৰঙেৰে কিছুমান ঘৰ সজাৰ গঢ়-সাঁচৰ মাজেদি প্রকাশ কৰিব লাগিব আৰু তাকো কৰিব লাগিব এটা শিল্পী-সুলভ ঐক্য ৰক্ষা কৰি বিজ্ঞানসম্মতকৈ 'ইউটিলিটিক' বা আৱশ্যকতাক তাত প্রথম আৰু প্রধান আসনত বহুৱাই। সঁচাকৈয়ে আজি নৱ-ভাৰতৰ স্থাপত্য বা নৱভাৰতীয় অসমীয়া, বঙালী বা মাৰাঠী স্থাপত্য এই আটাইকেইটাৰে সমন্বয়ত গঢ়ি তোলাটো—আজি আমাৰ নতুন স্বাধীন ভাৰতীয় ৰাষ্ট্র গঢ়াতকৈও এটা টান কথা হৈ পৰিছে। কিন্তু মহাকালক আমি কথা দিছোঁ- আমি নতুন ভাৰত গঢ়িম বুলি- অৱশ্যেই সেই নতুন অসমৰ, স্থাপত্য আমি গঢ়ি মহাকালক সন্তুষ্ট কৰিব লাগিব। যদি তাকে কৰিব নোৱাৰোঁ মহাকালৰ বৰ নাপালে আমাৰ নতুন পৃথিৱীত ঠাই নাপাম। মাত্র নতুন পৃথিৱী গঢ়া নতুন মানুহৰ আমি খৰিভাৰী আৰু পানীযোগনিয়াৰ হৈ থাকিব লাগিব যে ই ধুৰুপ।

এতিয়া ওপৰত কৈ অহা মূল কথা কেইটাৰ ওপৰতে যদি প্রতিষ্ঠা কৰি আমি আমাৰ অসমীয়া নতুন স্থাপত্য গঢ়িব খোজোঁ, তেন্তে প্রথমতে আমি বিশ্বস্থাপত্যৰ বৰ্ত্তমান কি ৰূপ তাক চাব লাগিব। আমি পৃথিৱীৰ নৱতম স্থাপত্যৰ ফালে চালে দেখোঁ যে তাত আলঙ্কাৰিক আড়ম্বৰক একেবাৰে বাদ দি নৈমানিক গঢ় কেৱল মাত্র সহজ সৰল 'ছিমেট্রী'ৰ মাজেদি স্থাপত্যিক সৌন্দৰ্য্য ফুটাই তুলিব খুজিছে আৱশ্যকতাক প্রথম আৰু প্রধান স্থান দি। সৰলতাৰ সৌন্দৰ্য্যই হৈছে নৱতম বিশ্ব-স্থাপত্যৰ আদৰ্শ। ইয়াত সৌন্দৰ্য্য সৃষ্টি কৰিব খুজিছে কেৱল বিবিধ জ্যামিতি-পৰিধিৰ সমাবেশে। এই সমাবেশ বা ছিমেট্রীয়েই

হৈছে নৱতম স্থাপত্যৰ প্ৰাণ বা তাৰ পাছত থকা আত্মিক বাস্তৱ। এই সৌন্দৰ্য্য প্ৰকাশৰ মাজেদিয়েই ছিমেট্ৰীৰ সমাবেশৰ পৰিকল্পনা শিল্পীয়ে এনে সূক্ষ্ম চাতুৰ্য্যেৰে কৰিছে যে সেই সমাবেশেই মানৱৰ নৱতম সাংস্কৃতিক আদৰ্শকো ফুটাই তুলিছে। আজি পৃথিৱীৰ নানা দেশৰ 'মডাৰ্নিষ্ট' কিউবিষ্ট, ফিউছাৰিষ্টিক্ আৰ্কিটেক্ছাৰ' দেখিলেই মানুহৰ মনলৈ এটা অভিনৱ কম্পন আহে। মানুহ জাতিটো যেন এটা নতুন আলোকৰ যুগলৈ গুলাইছে। ই আমাক নতুন দিনলৈ আঙুলিয়াই দিছে। আজি যি বিশ্বস্থাপত্য গঢ়ি উঠিছে এই বিশ্বস্থাপত্যৰ মুল কথাখিনি ঠিক ৰাখি আমেৰিকানে, ইংৰাজে, জাৰ্ম্মানে, ৰুছিয়ানে তেওঁলোকৰ নিজৰ জাতীয় স্থাপত্যৰ যি বৈশিষ্ট্য সেই বিশ্বস্থাপত্যৰ গঢ়ত নিৰহ-নিপানীকৈ জীণ যাব তেনে গঢ় সাঁচ আৰু ঠাঁচ নিজৰ জাতীয় পুৰণি স্থাপত্যৰ পৰা বাছি উলিয়াই সেই বিশ্বস্থাপত্যৰ জাতীয় বিচিত্ৰতাৰ ৰহন খুৱাইছে। আজি তাকেই কৰিব লাগিব আমি ভাৰতীয়ই, অসমীয়াই, বঙালীয়ে, গুজৰাটীয়ে, মাদ্ৰাজীয়ে আৰু আন সকলোৱে। বিশ্বস্থাপত্যৰ নৱতম শ্ৰেষ্ঠ নিদৰ্শন যিবোৰ য়ুৰোপ, আমেৰিকাত প্ৰকাশ পাইছে তাক আমি সুক্ষ্মভাবে পৰ্য্যবেক্ষণ কৰিলে দেখিবলৈ পাওঁ যে এই-বিলাকত আমাৰ পুৰণি ভাৰতীয় বিশেষকৈ হিন্দু আৰু বৌদ্ধ স্থাপত্যৰ বহুতো জ্যামিতিক গঢ় সন্নিবেশিত হৈছে। ইয়াৰে গুৰিৰ কথা বিচাৰিলে আমি পাওঁ যে যিবোৰ শিল্পী-প্ৰতিভাই এই বিশ্বস্থাপত্যৰ নানান পৰিকল্পনা কৰিছিল আৰু কৰিছে তেওঁলোকে গোটেই পৃথিৱীৰেই স্থাপত্যসমূহ চালিজাৰি চাইছে। ভাৰতীয় হিন্দু আৰু বৌদ্ধ-স্থাপত্যৰ পৰা আলঙ্কাৰিক ৰূপ নিপুণতাৰে আঁতৰাই তাৰ কেৱল মাত্ৰ জ্যামিতিক ৰূপ উলিয়াই চালে দেখোঁ যে তাৰ সৌন্দৰ্য্যৰ ৰৰভেটিটো পতা আছে অতি সহজ আৰু সৰল সমাবেশৰ পৰিকল্পনাত। সেই কাৰণেই নিশ্চয় বৰ্ত্তমানৰ বিশ্বস্থাপত্যত ভাৰতীয় বৌদ্ধ আৰু হিন্দু স্থাপত্য মণিব পৰাকৈ

জিলিকি আছে। কিন্তু এই বিশ্বস্থাপত্যই য়ুৰোপত জনম লৈ আমাৰ আগলৈ অহাত আমি সাধাৰণতে ভাৰতীয় স্থাপত্যৰ অনুপ্ৰেৰণাও যে তাত আছে তাক ভাবি নোচোৱাৰ বাবেই আমাৰ চকুতো ধৰা নপৰে। কিন্তু পৃথিৱীৰ সকলো স্থাপত্যৰ বিষয়ে সূক্ষ্ম পৰ্য্যবেক্ষণ কৰা শিল্পীৰ চকুত ধৰা পৰে। বুদ্ধগয়াৰ মন্দিৰটোৰ গাৰ পৰা যদি আমি সকলো অলঙ্কাৰ আঁতৰাই দিওঁ আৰু তাৰ মূৰত থকা টুপবোৰো খঁহাই পেলাই কেৱল তাৰ শুদ্ধ জ্যামিতিক ৰূপটো থওঁ তেন্তে দেখিম যে সি আজিকালি যি আধুনিক 'চাইনোটাফ্'—সি প্ৰায় সেইটোৱেই। সেই কাৰণে আমি যদি কওঁ যে বৰ্ত্তমান বিশ্বস্থাপত্যৰ 'চাইনোটাফ'ৰ পৰিকল্পনাটো বুদ্ধগয়াৰ বৌদ্ধ-স্থাপত্যৰ আদৰ্শৰ মন্দিৰৰ এটা আলঙ্কাৰিক ছাল-বাকলি আৰু টুপটুপলি গুচোৱা আধুনিক ৰূপ, তেন্তে আমাৰ কথাটো পাশ্চাত্যৰ বিশ্বস্থাপত্যৰ শিল্পীয়ে অস্বীকাৰ কৰিবলৈ হাবাথুৰি খাব লাগিব। সেই দৰেই দাক্ষিণাত্যৰ মঠ-মন্দিৰৰ তাৰ আলঙ্কাৰিক ভাগৰ কাৰুকাৰ্য্যৰ পৰা উলিয়াই আনি চালে সি আমেৰিকাৰ 'স্কাই স্ক্ৰেপাৰ'ৰ মোমায়েকৰ পুতেক যেন হব। এই দৰেই আমি উত্তৰ ভাৰতীয় কোনো মঠ-মন্দিৰৰ ওপৰৰ দ'লটো নাইকিয়া কৰি তাৰ অলঙ্কাৰ খঁহাই কেৱল ৰৈখিক ৰূপটো উলিয়ালে বাৰ্লিনৰ আধুনিক স্থাপত্যৰ নিদৰ্শনৰ বিল্লয়থেকৰ স্থাপত্যৰ সৈতে মিলি যোৱা যেন লাগিব। সেই দৰেই আধুনিক বিশ্বস্থাপত্যৰ ৰৈখিক পৰিকল্পনাত কতোবা প্ৰাচীন মিছৰীয়, কতোবা সিংহলীয়, কতোবা কাম্বোডীয়, কতোবা চীনদেশীয় স্থাপত্যৰ কোনো কোনো বিশেষত্বৰ সৈতে মিল ওলাব। বিশ্বস্থাপত্যকেই আমি হুবহু আমাৰ ভাৰতীয় স্থাপত্যৰ আদৰ্শ বুলি গ্ৰহণ কৰিলেও সঁচাকৈয়ে-আমি আমাৰ মনটো তাত প্ৰতিফলিত নহয়। আমাৰ আজিৰ স্থাপত্যত সেই বিশ্বদৃষ্টিভঙ্গী থকাৰ লগে লগে আমাৰ ভাৰতীয় আৰু অসমীয়াৰ বৈশিষ্ট্যৰ উজ্জ্বল ভাবে স্পষ্ট কৰি

জিলিকিব লাগিব। তাৰ বৈখিক সমাবেশতো আমাৰ নতুন ভাৰতীয় আৰু অসমীয়া মনৰ মৌলিকত্ব ফুটি উঠিব লাগিব। সেয়ে হলেহে সি আমাৰ আজিৰ বা কাইলৈৰ স্থাপত্য হব।

আমি আমাৰ স্থাপত্যক বিশ্বমুখী কৰাৰ আহিলা আৰু তাৰ পৰিকল্পনাটো বিশ্বস্থাপত্যৰ বৰ্ত্তমান নিদৰ্শনত পাইছোঁৱেই। এতিয়া আমি চাব লাগিব, আমাৰ পুৰণি ভাৰতীয় আৰু অসমীয়া স্থাপত্যৰ পৰা তাৰে সৈতে খাপ খুৱাব পৰা কি কি অসাম্প্ৰদায়িক গঢ় পাওঁ। হিন্দুৰ পুৰণি মঠ-মন্দিৰ, বৌদ্ধ-স্তূপ আৰু মন্দিৰ, মুছলমানৰ মছজিদ সমাধি আৰু ৰজাৰ কাৰেং আদি যদিও আমাৰ অলেখ আছে তথাপিও আমি সেইবোৰৰ গঢ় একে উশাহতে লব নোৱাৰোঁ। সেইবোৰ স্থাপত্যৰ গঢ় এনেভাৱে কোনো নহয়, কোনো ধৰ্ম্ম আৰু সম্প্ৰদায়ৰ সৈতে সাঙোৰ খাই আছে যে তাক ব্যৱহাৰ কৰিলেই সাম্প্ৰদায়িক ছাঁ আহি আমাৰ স্থাপত্যত পৰিবই। অৱশ্যে যিবোৰে তাৰ পৰা গ্ৰহণ কৰিলে আমাৰ নতুন পৰিকল্পনাত জাতীয় বৈশিষ্ট্য ফুটাই তুলিবলৈ আমাক সহায় কৰিব তাক আমি বাছি বাছি সাৱধানে লব লাগিব।

বৃটিছ যুগৰ অসমত অসমীয়া স্থাপত্য বুলি একো এটা বস্তু নথকাৰ দৰেই। বৃটিছৰ যুগত আমাৰ যিবোৰ ৰাজহুৱা ঘৰ-বাৰী হ'ল সেইবোৰ আটাইবোৰেই এলিজাবিথীয়, ভিক্টোৰিয়ান যুগৰ ইংৰাজী স্থাপত্যৰ নিদৰ্শনৰ। ছিলঙৰ লাটচাহাবৰ বঙলা, বিধানসভাৰ ঘৰ আদিৰো সেই একে অৱস্থাই। আমাৰ কাছাৰী ঘৰবোৰো সেই য়ুৰোপীয় স্থাপত্যৰ আদৰ্শৰেই। ভাৰতৰ কিছুমান ঠাইত বৃটিছৰ আমোলত আধুনিক ভাৰতীয় স্থাপত্য এটা গঢ়াৰ চেষ্টা চলিছিল। ইয়াত আমাৰ ভাৰতীয় শিল্পীতকৈও ইংৰাজ শিল্পীয়েহে বেছিকৈ ভাগ লৈছিল। বিলাতৰ ইণ্ডিয়া হাউছ আৰু দিল্লীৰ বৰলাটৰ ভৱনকে এই বিধ স্থাপত্যৰ ডাঙৰ নিদৰ্শন বুলি ধৰিব পাৰি। কিন্তু ইয়াত ভাৰতীয় মনৰ একোটো নাই। মাথোন য়ুৰোপীয় আধুনিক স্থাপত্যৰ লগত পুৰণি ভাৰতীয় স্থাপত্যৰ গঢ়-সাঁচ ব্যৱহাৰ কৰি এটি বৃটিছ-

ভাৰতীয় ইম্পিৰিয়েল স্থাপত্যৰ গঢ় দিয়া চেষ্টাহে আছে। শিল্পীৰ দৃষ্টিকোণৰ পৰা এইবোৰৰ মূল্য কি সেই কথা বুৰঞ্জীলৈ এৰা হল। ইয়াৰ বাহিৰেও ভাৰতীয় বৃটিছ যুগৰ আন সকলো স্থাপত্যই গ্ৰীচিয়, ৰোমীয় নাইবা গথিক স্থাপত্যৰ আংশিক নিদৰ্শনহে।

বৃটিছ যুগত ভাৰতীয় শিল্পীৰ ফালৰ পৰাও অৱশ্যে এটা আধুনিক স্থাপত্য গঢ়াৰ চেষ্টা হৈছিল। সেইবোৰৰ নিদশন হৈছে প্ৰধানতে বৰোদাৰ লক্ষ্মীবিলাস প্ৰাসাদ, কাশী হিন্দু বিশ্ববিদ্যালয়, নিজামৰ ৰাজ্যৰ কিছুমান ঘৰ আৰু শান্তি নিকেতনৰ উত্তৰায়ণ। এইবোৰৰ বাহিৰেও ভাৰতৰ ডাঙৰ ডাঙৰ নগৰ চহৰবোৰত ভাৰতীয় স্থাপত্য শিল্পীয়ে বৌদ্ধ, হিন্দু মোগল স্থাপত্যৰ আলম লৈ তাতে 'কালচাৰিষ্ট' 'মডাৰ্নিষ্ট' ইত্যাদিৰে এটা বুজাবুজি কৰি কিছুমান স্থাপত্যৰ নিদৰ্শন দিছে। সেয়ে হলেও সেইবোৰ ধৰ্ম্মীয় বা সাম্প্ৰদায়িক স্থাপত্যৰ আলম লৈ কৰাত তাত সাম্প্ৰদায়িকতাৰ ভাব থাকি গৈছে। সেই কাৰণে আজি ভাৰতে যি ধৰ্ম্মনিৰপেক্ষ স্থাপত্য বিচাৰিছে তাক সেই স্থাপত্যৰ নিদৰ্শনে যোগাব পৰা নাই।

মুঠতে আমাৰ কাম্য নৱভাৰতীয় স্থাপত্য ভাৰতৰ কোনো ঠাইতেই আজিলৈকে গঢ়ি উঠা নাই। বৰ্ত্তমানে দিল্লীত আমাৰ যিটো লোকসভা-ভৱন সিও বৃটিছ-ভাৰতীয় ইঙ্গ-ভাৰতীয় স্থাপত্য। তেন্তে আমাৰ স্বাধীন ভাৰতৰ জাতীয় স্থাপত্য কেনেকুৱা হব? এইটোৱেই হৈছে স্বাধীন ভাৰতীয় স্থাপত্য শিল্পীৰ সমুখত ডাঙৰ প্ৰশ্ন। স্বাধীন অসমীয়াৰো সেই একেটা প্ৰশ্নই। এতিয়া আমি আজিৰ বা কাইলৈৰ আমাৰ স্থাপত্য গঢ়িব লাগিব বিশ্বস্থাপত্য ভাৰতীয় নৱস্থাপত্যৰ কোলাতে, অসমীয়া স্থাপত্যিক অসাম্প্ৰদায়িক বিশেষত্ব ফুটাই তুলি। তাৰ বাবে আমি মঠ-মন্দিৰৰ ওচৰলৈ গলেই মস্কিল কিন্তু আমাৰ ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ আদিৰ কাষত হাত পাতিব পৰা যেন লাগে। আমাৰ স্থাপত্যৰ গঢ়ৰ বিশেষত্বৰ বাবে অসমীয়া গহনা-গাঠৰি, অসমীয়া কাঁহী-বাটি,

অসমীয়া কাপোৰত বছা ফুলৰ চানেকী আদি তন্ন তন্ন কৰি চাব লাগিব। তাৰ উপৰি আমাৰ অসমৰ জনজাতীয় বৈচিত্ৰ্যৰ মাজৰ পৰা আমি যথেষ্ট অসাম্প্ৰদায়িক উপকৰণ পাম। অসমীয়া কেচবছা আৰু নগা মণিপুৰী কেচবছা চানেকীবোৰ এনে আচৰিতভাৱে বৰ্ত্তমান কিউবিষ্ট্ আৰু মৰ্ডাৰ্নিষ্ট্ আৰ্টৰ সৈতে মিলে যে সেইবোৰ দেখিলে আজিকালি কিউবিষ্ট আৰু মৰ্ডাৰ্নিষ্টে তাক আমাৰ ৰিহা-মেখেলাৰ পাতলিৰ পৰা আৰু নগা পৰ্ব্বতৰ পৰা চুৰকৈ নি য়ুৰোপত মেলা যেন বোধ হব। সেই দৰেই আমাৰ সকলো পুৰণি সংস্কৃতিৰ সমল-সম্পদ চালিজাৰি চালে নতুন দিনৰ নতুন বস্তু গঢ়িবলৈ আমি ভালকৈয়ে আহিলা পাম। সেই কাৰণেই নতুন দিনৰ সংস্কৃতি গঢ়িবলৈ ওলোৱাৰ সময়ত পুৰণি ধোৱাঁচাঙো বিচাৰি চলাথ কৰি য'ৰ যি বস্তু যেনেকৈ যি অৱস্থাতে আছে তাক সেই ভাবে আনি নতুন চাকিৰ পোহৰত থৈ সুক্ষ্মভাবে চাব লাগিব। সনাতন বস্তুৰ মূল্যৰ বস্তুখিনি নতুন সংস্কৃতি সৃষ্টিৰ কাৰণে ৰাখি, বাকী থকা ধুনীয়া বস্তুখিনিৰ মোহ এৰি সেইবোৰক যাদুঘৰত থবলৈকো মনত দৃঢ়তা হব লাগিব। যিখিনি সাংস্কৃতিক বস্তুক আমি নতুন দিনৰ জীৱন্ত আহিলা হিচাপে নাপাওঁ সি যিমানেই আমাৰ মৰমৰ হওক লাগিলে তাক এৰিব লাগিব। আমাৰ অতি মৰমৰ মানুহৰ জীৱ নাইকিয়া হলে দেহটোৰ মায়া ত্যাগ কৰি যেনেকৈ সেই শটো পুৰি পেলাওঁ বা পুতি থওঁ সেই দৰেই পুৰণি সংস্কৃতিৰ প্ৰাণ নথকা বস্তুখিনিকো আমি তাৰ মায়া এৰি যাদুঘৰতহে থব লাগিব। পুৰণি মানুহ বুঢ়া হৈ তাৰ প্ৰাণ নাইকিয়া হলে যেনেকৈ কাঠসংস্কাৰ কৰিব লাগে তেনেকৈ পুৰণি বস্তুকো ত্যাগ কৰা বাঞ্ছনীয়। কিন্তু জীয়াই থকা যি জ্ঞানী বুঢ়া মানুহ তেওঁৰ শুভ্ৰকেশ থকা বাবে আমি যেনেকৈ নতুন দিনতো তেওঁৰ সনাতন মূল্যৰ উপদেশ লৈ আগবাঢ়ি যাওঁ ঠিক সেইদৰে যিখিনি পুৰণি সাংস্কৃতিক সমলে আমাৰ নতুন

সংস্কৃতি গঢ়িবলৈ সহায়ক হব সেইখিনিক নিশ্চয় আমি শিৰত তুলি লবই লাগিব। এনে মূল্যবান বাহানি, আপুৰুগীয়া সমল আমাৰ অসমীয়া সংস্কৃতিত যথেষ্ট আছে। আমি তাক লবই লাগিব।

আমাৰ নতুন ভাৰতীয় তথা অসমীয়া স্থাপত্য কেনেকুৱা গঢ়ৰ হ'ব সেই বিষয়ে প্ৰথমে ভাবিবলৈ আৰম্ভ কৰোঁ মই বিলাতত থকা কালতেই। তেতিয়া লণ্ডনত ইণ্ডিয়া হাউছ সজা হব ধৰিছে আৰু ভাৰতত নয়াদিল্লীৰ নিৰ্ম্মাণ কাৰ্য্য চলিব লাগিছে। সেই সময়তে লণ্ডন মহানগৰীত মৰ্ডাৰ্নিষ্ট, কিউবিষ্ট আদি স্থাপত্যৰ আদৰ্শেৰে ঘৰ-বাৰী নকৈ সাজিবলৈ আৰম্ভ হৈছে। তেতিয়াই স্বাভাৱিকতে আমি ভাৰতীয় লৰাবিলাকে, বিশেষকৈ যিবিলাকে গান্ধী আন্দোলনত নামি স্বাধীনতাৰ এটা পিয়াহ বুকৰ ভিতৰত লৈ ফুৰিছিলো সেইবিলাকে ভাৰতীয় স্থাপত্য—অকল স্থাপত্যই নহয় ভাৰতে কি সংস্কৃতি-সভ্যতা জগতৰ আগত দাঙি ধৰিব তাক দকৈ চিন্তা কৰিবলৈ চেষ্টা কৰিছিলো। বিলাতত থাকোঁতে আৰু তাৰ পিছত য়ুৰোপ-ভ্ৰমণৰ কালত মই গ্ৰীচিয়, ৰোমীয়, গথিক আদি সকলো পুৰণি য়ুৰোপীয় স্থাপত্যৰ চহৰবোৰৰ নিদৰ্শন আৰু মৰ্ডাৰ্নিষ্ট, কিউবিষ্ট ইত্যাদি স্থাপত্যৰ নকৈ হোৱা ঘৰবোৰ বৰ মনযোগেৰে চাই ফুৰিছিলো। তাৰ লগে লগে সেই বিষয়ে জানিবৰ কাৰণে যিবোৰ সাহিত্য গঢ়িব লাগে তাকো বহলাই পঢ়িবলৈ চেষ্টা কৰিছিলো। য়ুৰোপৰ পৰা উভতি আহোঁতে মই কনষ্টান্টিনেপল, মছোল, বোগদাদ, কাৰবালা পুৰণি বেবিলন বছোৰা এইবোৰ চহৰত ইছলামীয় স্থাপত্য নিদৰ্শন খলিফাৰ দিনৰ মছজিদ আৰু আন আন স্থাপত্যৰ নিদৰ্শনৰ ঘৰ-বাৰীবোৰ প্ৰত্যক্ষে চাই তাৰ বিষয়ে জানিবলৈ চেষ্টা কৰিছিলো। মই উত্তৰভাৰত মধ্যভাৰতৰ বহু চহৰলৈ গৈছোঁ আৰু তাৰ পুৰণি হিন্দু বৌদ্ধ আৰু মোগল স্থাপত্যৰ চানেকীবোৰো

চাইছোঁ। ইয়াৰ বাহিৰে সিংহলীয়, দক্ষিণভাৰতীয় (কার্ণাটিক) পূর্ব্ব এছিয়া, মঙ্গোলীয়া আৰু ৰুছীয় আদি পৃথিৱীৰ ন আৰু পুৰণি যাৱতীয় স্থাপত্যৰ নিদর্শন, ছবি, সাহিত্য আৰু বিশেষকৈ বোলছবিৰ যোগেদি মোৰ চিনাকি হৈছে। ইয়াৰ উপৰিও ডঃ আনন্দকুমাৰ স্বামী আৰু ভাৰতীয় স্থাপত্যৰ বিষয়ে জনা ইংলিছমেন হাভেলৰ মতামতৰ বিষয়েও মই ভালকৈ অৱগত হবলৈ চেষ্টা কৰি আজিলৈকে ভাৰতৰ নতুন স্থাপত্য কি গঢ়েৰে গঢ়িব খুজিছে তাকো লক্ষ্য কৰি আমি নৱভাৰতীয় স্থাপত্য আৰু অসমীয় স্থাপত্যৰ বিষয়ে সপোন দেখি আছোঁ।

* * *

এইখিনিতে আৰু এটা কথা কোৱা ভাল হব যে অসমীয়া সংস্কৃতিৰ প্ৰাণস্বৰূপ শ্ৰীশঙ্কৰদেৱৰ জন্ম স্থান বৰদোৱাত যিটো নামঘৰ আছে সি আড়ম্বৰবর্জ্জিত আৰু তেনেই সহজ, সৰল— কেৱল মণিকূটৰ ওপৰত দ'ল আৰু নামঘৰটো। দলটো বাদ দিলে তাৰ বৈখিক ৰূপ বার্লিনত সজা মেক্সৰাইনহার্টৰ জনতাৰ থিয়েটাৰ (Valkishe Theatre) ঘৰৰ লগত মিলাব পাৰি। আমাৰ নামঘৰত থকা সিংহাসনৰ সিংহবোৰ একুৱাই পেলালে তাত আজি-কালিৰ কিউবিষ্ট পৰিকল্পনা, ডাৱৰ নোহোৱা আকাশৰ জোন জিলিকাদি জিলিকি পৰে। অসমৰ যিবোৰ নামঘৰ এতিয়াও পুৰণি স্থাপত্যৰ আহিঁৰে সজা হৈছে সেইবোৰ এনেকুৱাই। তেনেহলে অসমীয়া স্থাপত্যৰ এটা প্ৰধান নিদর্শন বুলি যদি আমি নামঘৰবোৰক ধৰোঁ তেন্তে দেখাতেই সি সহজ সৰল ৰৌপিক সৌন্দর্য্যৰ ওপৰত প্ৰতিষ্ঠিত। তাৰ টুপটুপলি, অলঙ্কাৰৰ আড়ম্বৰ নাই। অসমীয়া নাম-ধৰ্ম্ম যেনেকৈ সহজ সৰল দর্শনৰ ওপৰত প্ৰতিষ্ঠিত অসমীয়া নামঘৰৰ স্থাপত্যও তেনেকুৱাই। তেন্তে আজি অসমীয়া স্থাপত্যৰ আদর্শও সেই সহজ সৰল ৰৌপিক সৌন্দর্য্যও হব লাগিব। অতি আচৰিত কথা যে শ্ৰীশঙ্কৰদেৱৰ এই নামঘৰৰ সহজ সৰলতাই

আজি বিশ্বস্থাপত্যৰ আধুনিক আৰু ভাৱিষ্যিতিক ৰূপৰো আদৰ্শ। সেই কাৰণেই ৰবীন্দ্ৰনাথৰ উত্তৰায়ণ বা বেলুৰ মঠ বা কাশীৰ হিন্দু বিশ্ববিদ্যালয়ৰ স্থাপত্যৰ নিদৰ্শন অসমীয়া স্থাপত্যৰ আদৰ্শ হবই নোৱাৰে। বিশ্বস্থাপত্যৰ বৰ্ত্তমান আদৰ্শৰ ফালৰ পৰা চাবলৈ গলে আমাৰ নামঘৰৰ যৌপিক পৰিকল্পনা আজি পাঁচশ বছৰ আগতো আগবাঢ়িহে আছিল। তাৰ মানে আজি আমি হিন্দু বিশ্ববিদ্যালয় বা তেনে ধৰণৰ আলঙ্কাৰিক বা অৰ্দ্ধ আলঙ্কাৰিক স্থাপত্য বিচাৰিলে আকৌ শঙ্কৰী যুগৰ পিছলৈহে যাব লাগিব।

আদৰ্শত গান্ধী-সংস্কৃতি শ্ৰীশঙ্কৰদেৱৰ আদৰ্শৰ সৈতে একেই। গান্ধী-প্ৰতিভাই আজি বৃটিছ সাম্ৰাজ্যৰ সৈতে সংগ্ৰাম কৰি যদিও এটা বিৰাট আয়তন পাইছে আৰু বিশ্ববিশ্ৰুত হৈছে তথাপিও চিন্তাৰ ফালৰ পৰা শঙ্কৰ-প্ৰতিভাও সেই একে মহত্বৰেই পৰিচায়ক। আজি যদি ভাৰতীয়ই গান্ধী-সংস্কৃতি লবলৈ যায় তেন্তে নৱভাৰতীয় স্থাপত্যৰ আদৰ্শও সেই শ্ৰীশঙ্কৰদেৱৰ নামঘৰৰ সহজ, সৰল চানেকীৰেই হব লাগিব। অৱশ্যে শিল্পীয়ে এই সহজ সৰলতাৰ মাজেদিয়েই আমাৰ আগৰ নামঘৰতকৈ অভিনৱ বৈচিত্ৰ্যপূৰ্ণ ঘৰ-বাৰী সাজি উলিয়াব লাগিব। শ্ৰীশঙ্কৰদেৱৰ আদৰ্শও সৰলতা, মহাত্মা গান্ধীৰ আদৰ্শও সৰলতা আৰু নৱতম জনজীৱনৰ বিষয়ে যি সাম্যবাদী আদৰ্শই পৃথিৱীত ৰূপ লৈ ওলাইছে সেইবোৰৰ আদৰ্শও সৰলতাই। এতেকে নৱভাৰতীয় তথা অসমীয়া স্থাপত্যও প্ৰতিষ্ঠিত হব লাগিব সৰল, সহজ যৌপিক পৰিকল্পনাৰ ওপৰতেই।

যিসকল শিল্পীয়ে পাৰে অঙ্কণৰ যোগেদি আৰু যিসকলে আঁকিব নেজানে তেওঁলোকে তাৰ সমালোচনা দি আমাৰ নতুন অসমীয়া স্থাপত্যৰ ৰূপ উলিয়াবলৈ চেষ্টা কৰক। অসমীয়া বৈজ্ঞানিক ইঞ্জিনিয়াৰ আদিয়ে তাত বাস্তৱ ৰূপ দিয়ক। আজি অসমীয়া জীৱনত এক অগ্নি-মুহূৰ্ত্ত উপস্থিত। এই মুহূৰ্ত্ততেই আমি ভৱিষ্যতৰ ভাৰতবৰ্ষত অসমীয়া জাতিৰ বাবে এখন সুউচ্চ আসন উলিয়াই

লব পাৰিব লাগিব। অসমৰ স্থাপত্যৰ যোগেদি যদি আমি এক নৱ ভাৰতীয় স্থাপত্যৰ আহিঁ দাঙি ধৰিব পাৰোঁ, তেন্তে আমি সদৌ ভাৰতকে এই বিষয়ত বাট দেখুৱাব পাৰিম।

বুটিছ যুগৰ আৰম্ভণিতে বঙালী আৰু মাৰাঠীয়ে ভাৰতৰ সাংস্কৃতিক জীৱনৰ নেতৃত্ব কৰিছিল। আজি আমি অসমীয়ায়ো তাকে কৰিব পাৰিম বুলি মোৰ মনত দৃঢ় বিশ্বাস হৈছে। যোৱা বিয়াল্লিছৰ আন্দোলন যেতিয়া ভাৰতৰ আন আন প্ৰদেশত সুমাই গল, তেতিয়াও তাৰ অগ্নি অসমৰ মৃত্যু-বাহিনীৰ ডেকা-ডেকেৰীয়ে জ্বলাই থৈছিল অসমৰ গাঁৱে-ভূঞে, হাবিয়ে-বননিয়ে বহু দিনলৈকে। যি জাতিটোৰ বুকৰ অগ্নি আন আন ভাৰতীয়তকৈও প্ৰচণ্ডভাবে জ্বলিব পাৰে, আজি আত্মবিস্মৃতিৰ পৰা সাৰ পাই উঠা এই জাতিটোৰ মনৰ অগ্নিও অৱশ্যেই জ্বলি উঠিব—মাঘৰ বিহুৰ মেজিৰ জুইকুৰাৰ দৰেই। কোনে কব পাৰে কাইলৈ অসমীয়া প্ৰতিভাৰ জুয়ে বিশ্বক আলোকিত কৰি নুতুলিব বুলি? এই জাতিটোৰ 'কোৱানটিটী' নাথাকিলে কি হল—ইয়াৰ 'কোৱালিটী' যে সোণ-সেৰীয়া আৰু হীৰামূলীয়া তাক বুৰঞ্জীয়ে চিঞৰি চিঞৰি কৈ আছে। আজি অসমীয়া লৰা-ছোৱালীয়ে বুকুৰ তেজেৰে স্বাধীনতাক নোৱাই-ধুৱাই সিংহাসনত বহুৱাইছে। সিহঁতৰ প্ৰতিভাৰ সুবাসিত পদুমেৰে সিহঁতে আজি পূজা কৰিব সেই স্বাধীনতাক আৰু তাৰ বৰ লৈ জগতৰ পদূলিয়েদি অসমীয়া-প্ৰতিভাৰ নৱ শোভাযাত্ৰা আগবাঢ়ি যাব। আজি আমাৰ দেশ-নিৰ্ম্মাণৰ গুৰিধৰোঁতাসকলে চাব লাগিব কেনেকৈ ইমান দিনে একো ডাঙৰ সুযোগ নোপোৱা অসমীয়া শিল্পীসকলৰ প্ৰতিভাই, অসমীয়া বৈজ্ঞানিক আৰু ইঞ্জিনিয়াৰসকলে কেনেকৈ নিজৰ শিল্পপ্ৰতিভা আৰু নিৰ্ম্মাণ-কৌশল ভাৰতক দেখুৱাবলৈ সুবিধা পায়, সুবিধা আৰু সুযোগ নেপাই মৰামুজা হৈ থকা প্ৰতিভাই কেনেকৈ ঠন ধৰি উঠিব পাৰে।

জোনাকী যুগৰ চাকি জ্বলাওঁতা চন্দ্ৰকুমাৰে জোনাকীৰ আত্ম-

পৰিচয়ত লিখিছিল—"অসমীয়া জাতিৰ প্ৰতিভা ভাগ্যৰ জাপৰ তলত সোমাই আছে। সুযোগ আৰু সুবিধা পালেই এদিন ই ভমকাই উঠিবই উঠিব।"

আজি স্বাধীনতাই আমাৰ সেই ভাগ্যৰ জাপ মুকলি কৰি দিছে। আজি অসমীয়াৰ প্ৰতিভা ভমকাই জ্বলি উঠাৰ মাহেন্দ্ৰ ক্ষণ। সেই মনীষীৰ ভৱিষ্যত-বাণীয়ে আজি দিঠকত ৰূপ লওক। লক্ষ্মীনাথৰ মহাবাণী সাৰ্থক হওক—

"বাজক ডবা বাজক শঙ্খ
বাজক মৃদঙ্গ খোল,
অসম আকৌ উন্নতি পথত
জয় আই অসম বোল।"

# অসমীয়া সঙ্গীতৰ ধাৰা

আজি আমি সঙ্গীত-ধনত দুখীয়া, ভিকহু; বাটৰ কঙাল। এদিন আছিল, সেই দিন বহু অতীতৰ আন্ধাৰ খোঁটালীত লুকাল, যি দিনা আমাৰ সঙ্গীতৰ ভঁৰালত নানা মণি-মৰকত পদ্মৰাগ মণিয়ে জেউতি চৰাইছিল। সেই তাহানি দিনৰে কথা—সখী চিত্ৰলেখাৰ দিনৰে। আজি ইয়াত আৰু সঙ্গীত-প্ৰতিভাৰ পূৰ্ণ বিকশিত পদুম-ফুলনি নাই। নিখিল ভাৰততে সুৰৰ সুৰভি বিলোৱা পদুমৰ শতদলে আজি আৰু সুৰুযৰ পোহৰত পাহি মেলা নাই। আজি চিত্ৰলেখা নাই। যি চিত্ৰলেখাৰ বিষয়ে ভাৰতৰ শ্ৰেষ্ঠ ললিত কলাভিজ্ঞ ডক্টৰ আনন্দকুমাৰ স্বামীয়ে তেওঁৰ ভাৰতীয় ললিত-কলা বিষয়ক পুথিত কৈছে—"Chitralekha is the earliest known painter in India, who was a great virtuoso." আজি তেজপুৰৰ সঙ্গীত-কলাত অনভিজ্ঞসকলৰ কাৰণে মাথোন সেই চিত্ৰলেখাৰ জীৱন্ত প্ৰেৰণাহে আছে। তেজপুৰত জীৱন্ত প্ৰৱাহিত সঙ্গীতৰ মধুৰ বোল কাহানিবাই মাৰ গৈছে। আজি অতীতৰ চিত্ৰলেখাৰ বীণত মুখৰিত হৈ উঠা ৰাগ-ৰাগিণীৰ মূৰ্চ্ছনাৰ ভগা-ছিগা সুৰবোৰহে পৰি আছে তেজপুৰত।

ভাৰতৰ হিন্দু-সঙ্গীতৰ বৰ্ত্তমান সঙ্গীতজ্ঞসকলে দুটা বিভাগ থকা বুলি কয়—এটা হিন্দুস্থানী বিভাগ, আনটো কৰ্ণাটক বিভাগ। কৰ্ণাটক বিভাগত বৰকৈ মুছলমান প্ৰভাৱ পৰা নাই কিন্তু হিন্দুস্থানলৈ মোগল অহাৰ লগে লগে আৰু তাৰ আগৰে পৰা পাৰসিক, আৰবীয় আৰু আয়নীয় সঙ্গীতৰ প্ৰভাৱ পৰাত সেই আগৰ হিন্দু-সঙ্গীতত কৈ কিছু বেলেগ হৈ পৰিছে। সুৰ, ৰচনা-প্ৰণালী, নতুনকৈ আমদানী হোৱা তাল আৰু গীতে হিন্দুস্থানী বিভাগটোকে এটা স্বকীয়া ৰূপ দিছে। যদিও আমাৰ অসমৰ শ্ৰীশঙ্কৰদেৱৰ ৰাগবোৰো হিন্দুস্থানী

সঙ্গীতৰ ভিতৰৰ তথাপি আমি তাত এটা প্ৰভেদ পাওঁ। কৰ্ণাটক আৰু হিন্দুস্থানী বিভাগ দুটাক যি কেইটা কথাই সাঙ্গীতিক-কাৰিকৰিয়ে স্বকীয়া কৰি তুলিছে, সেই একে কথা কেইটাই অসমৰ এই সঙ্গীতকো আন আন দুটা বিভাগৰ পৰা প্ৰভেদ কৰিছে। সেই কাৰণেই মোৰ ধাৰণাৰে অসমীয়া সঙ্গীত যদিও ভাৰতীয় সঙ্গীতেই তথাপিও ই ওপৰোক্ত কাৰণত ভাৰতীয় সঙ্গীতৰ তৃতীয় বিভাগ। এই কথা এতিয়াও ভাৰতবৰ্ষত স্বীকৃত হোৱা নাই। অসমীয়া সঙ্গীতজ্ঞসকলে এই বিষয়ে অনুসন্ধান কৰি কাম হাতত লবলগীয়া হৈছে নিশ্চয়। অসমীয়া ৰাগৰ ঠাঁচবোৰ যদিও ভাৰতৰ আনবোৰৰ সৈতে মিলে, তথাপি আমাৰ সুৰ-ৰচনা প্ৰণালীত পাৰ্থক্য আছে। আমাৰ গীতৰ মীড় আৰু গমক-নিৰ্ব্বাচন বেলেগ। আমাৰ আসৰ প্ৰৱাহ আনতকৈ স্বকীয়া। তাৰ উপৰি আমাৰ ছন্দবোধটো অলপ আন। সেই কাৰণেই বহুতো বেলেগ বেলেগ অসমীয়া তাল সৃষ্টি হৈছিল। শঙ্কৰদেৱে দি যোৱা ওঠৰখন অসমীয়া তাল (মই এতিয়ালৈকে যেমান দূৰ জানিব পাৰিছোঁ) কিছুমান হিন্দুস্থানী তালৰ লগত মিলে যদিও কিছুমান তেনেই স্বকীয়া।

এই কেইটা কথাৰ বাহিৰেও আৰু কেইটামান কথাই অসমীয়া সঙ্গীতক ভাৰতৰ আন দুটা বিভাগতকৈ বেলেগ কৰিছে। সি হৈছে অসমৰ স্থানীয় প্ৰভাৱ আৰু মঙ্গোলীয় সঙ্গীতৰ সামান্য সংমিশ্ৰণ। মুঠৰ ওপৰত অসমীয়া সঙ্গীত ভাৰতীয় সঙ্গীতৰ তৃতীয় বিভাগ যে ই নিশ্চয় আৰু ইয়াৰ ক্ৰমোন্নতিও যে স্বাধীনভাবে হৈ এটা পৰিণতি পাইছে তাকো বৈজ্ঞানিকভাৱে প্ৰমাণ কৰিব পৰা যায়।

এতিয়া কথা হৈছে আমাৰ বৰ্ত্তমান অসমীয়া সঙ্গীতৰ বিষয়ে। আমি কিহক অসমীয়া সঙ্গীত বুলিম আৰু বৰ্ত্তমান অসমীয়া সঙ্গীতক কেনে গঢ় দিম বা নিজে নিজেই ই কেনে গঢ় লব ধৰিছে? এতিয়া আমি বৰ্ত্তমান অসমীয়া-সঙ্গীতৰ ভেটিটো পাইছোঁ। তাৰ লগতে হিন্দুস্থানী সঙ্গীতৰ দুটা বিভাগো আমাৰ হাতত আছে। তাৰ

উপৰিও পাশ্চাত্য-সঙ্গীতে 'হাৰমনী' লৈ আমাৰ দুৱাৰদলি পাৰ হৈছেহি। মোৰ বোধেৰে আমাৰ বৰ্ত্তমান সভ্যতাই যেনে গঢ় লৈছে তালৈ চাই এই ত্ৰিবেণী-সঙ্গম হোৱাই শ্ৰেয়। পাশ্চাত্য সঙ্গীতক আমাৰ সঙ্গীতৰ ভিতৰত সুমোৱাত বহুতৰে আপত্তি থকা দেখা যায়। এই বিষয়ে বিশ্বকবি ৰবীন্দ্ৰই অলপতে কৈছিল বোলে আজিলৈকে ভাৰতীয় সঙ্গীতে পাশ্চাত্য সঙ্গীত নিজৰ সৈতে জীণ নিয়াই লব নোৱাৰাটো আমাৰ বৰ্ত্তমান ভাৰতীয় সঙ্গীতৰ দুৰ্ব্বলতা-ৰহে লক্ষণ। সি সঁচা কথা। এসময়ত যদি পাৰসিক, আৰবীয় আদি সঙ্গীত আমাৰ সঙ্গীতেৰে সৈতে মিহলায়ো ভাৰতীয় সঙ্গীতৰ নিজত্ব ৰক্ষা কৰিব পৰা গৈছিল, এতিয়া নোৱাৰাৰ কোনো কাৰণ নাই। আমি সভ্যতাৰ আন বিভাগত যেনেকৈ পাশ্চাত্য খাপ-খোৱা বেহানিখিনি আমাৰ কৰি সামৰি লৈছোঁ তেনেকৈ সঙ্গীতৰ বিষয়েও তেনে কৰিব নোৱাৰাৰ একো অৰ্থ নাই। অসমীয়া সঙ্গীত গঢ়ি তুলিবলৈ সঙ্গীতৰ ভালকৈ চৰ্চ্চাৰ আৱশ্যক কিন্তু সেই পৰিমাণে যে অসমীয়াৰ মাজত সঙ্গীত-চৰ্চ্চাৰ অভাৱ তাক সকলোৱে জানে।

মোৰ গোহাৰি এয়ে যেন সঙ্গীতোৎসাহীসকলে ওপৰত কোৱা কথাখিনি দ'কৈ গমি চাই অসমীয়া সঙ্গীতৰ নামঘৰটি কোন স্থপতিৰ আদৰ্শমতে হব লাগে তাৰ এটা নিৰ্দ্দেশ দিয়ে আৰু এই আশা যেন অসমীয়া সঙ্গীতৰ ধ্বনিয়ে আকৌ পৰ্ব্বত-ভৈয়াম মুখৰিত কৰি দেশে-বিদেশে সুৰৰ লহৰী বিয়পাই দিয়ে, বনৰ হৰিণাকো মুগ্ধ কৰি মেধাবী মনীষীসকলকো পৰিতৃপ্ত কৰিব পাৰে।*

—ঃ০ঃ—

* তেজপুৰ অধিবেশন অসম সাহিত্য সভাৰ সঙ্গীত-শাখাৰ আদৰণি সভাপতিৰ ভাষণ। এপ্ৰিল, ১৯৩৬ চন।

# প্ৰাগজ্যোতিকা

গুৱাহাটী। সূৰুযে বাকি দিয়া ৰদালিক সোণপানীৰে গা তৈয়াই ভুৱনেশ্বৰী চকুৰ আগত তিৰবিৰাই জিলিকিছে। পুৱাৰ মুকুতাধুনীয়া পোহৰ-বৰণীয়া, ফটিক উজ্জ্বল নিয়ৰে মলচা সোণগুৱনী কলচী বিয়াৰ বেইত নোওৱা কইনাজনীৰ দৰে গহীন চকু আৰু জীপাল গালেৰে উষাৰ হাঁহি বিৰিঙাই, ৰ লাগি লুইতৰ ঢৌৰ গতি-বিচিত্ৰতা শুনিছে। সাৰ নৌ-পোৱা গুৱাহাটীয়ে পুৱতি টোপনিমগন চিতেৰে পুৰণি সূৰুযৰ ন ৰদকঁাচলিত গা ৰদাইছে! বহল লুইতৰ কৌ ৰাগৰ বৰগীতে পুৱতি নিশাৰ গহীন টোপনিৰ পৰা সকলোকে জগাবলৈ দুৱাৰে দুৱাৰে ৰাগকৰৰীৰ পাহিবোৰ সিঁচি ফুৰিছে। উৰ্ব্বশীৰ দুৱাৰদলিত আহি ৰাগে পাৰেমানে খুন্দিয়াই সমিধান নেপাই নিচুকি বৈ আকৌ উচুপি বিনাইছে। নিশা ফুলা শেৱালিৰ একুঁকি সুৰভি লৈ সমীৰণো আহি চাই চাই আছেহি—হিমালয়ৰ পৰা হাবাথুৰি খাই হিয়া ধাকুৰি, হিলদল ভাঙি লুইতৰ ঢৌবোৰ, উৰ্ব্বশীৰ চৰণ পখালিবলৈ নিতৌ আহি, উৰ্ব্বশীক নেপাই দেওধনীৰ দৰে কিবা অজান আনন্দৰ মূৰ্চ্ছনাৰ ছন্দত মূৰ আফালি উৰ্ব্বশীক প্ৰাণ টাকি চিঞৰি মাতিছে— কিন্তু উৰ্ব্বশী নুঠে, উৰ্ব্বশীয়ে সাৰ নেপায়। উৰ্ব্বশীৰ ফুলকুমলীয়া বুকুত অভিশাপৰ গধুৰ শিল! শিল টোপনিৰ ভৰত অচেতন। উৰ্ব্বশীয়ে লুইতৰ বৰগীত নুশুনে। পুৱাতে উঠি সোণ-সূৰুযৰ সোৱণশিৰীত বুৰ মাৰিবলৈ খোজত পদুম ফুলাই গল। নিশাৰ ভাটী দিয়া সুখ-সপোনলৈ বুলি এটি হুমুনিয়াহ পেলাই যাওঁ-নেযাওঁকৈ উৰ্ব্বশীয়ে আৰু শোৱনি-কোঠা নেৰে। তাপসৰ তপ ভাঙি কামৰ উম্ তোলা পৰশনে মাথোন আজি শিল-চেঁচা চুমাৰে প্ৰণয়ীক দূৰলৈ খেদি পঠাইছে। পূৰ্ণিমাৰ পোহৰৰ ঢৌত কঁপি উঠা উৰ্ব্বশীৰ ওঁঠ আজি কাঠকঠুৱা। বাটৰুৱায়ো এৰাই সাৰিব নোৱাৰা ওঁঠৰ নিমন্ত্ৰণো আজি মন্ত্ৰহীন। উৰ্ব্বশীক কোনে এনে দাৰুণ অভিশাপ দিলে?

উৰ্ব্বশী আপোনঘাতী হ'ল! শিলাময়ী উৰ্ব্বশীক কোলাত লৈ আজি প্ৰাগজ্যোতিষেও শিলাৰূপ ধৰি আছে। প্ৰাগজ্যোতিষৰ মনে আজি জোনালী জখলা বগাই লক্ষ যোজনৰ গ্ৰহ ফুৰিবলৈ নেযায়। দূৰদূৰণিৰ গ্ৰহ-নক্ষত্ৰৰ তিৰবিৰণিয়ে প্ৰাগজ্যোতিষৰ শিলাময় চকুত জলক লগালেও উৰ্ব্বশীৰ চকুৰ পাহিত আৰু কঁপনি নুঠে!

প্ৰাগজ্যোতিষে কোনোবা দিনা কিবা বেজাৰত নিজৰ গৌৰৱৰ বিজুলী পোহৰৰে নিজৰ চকুতে ছাটি মাৰি নিজে ধনী হ'ল। নিজৰ বহু শক্তিৰে নিজৰ বুকুতে শেল মাৰি প্ৰাগজ্যোতিষ জঠৰ—অলৰঅচৰ! কিন্তু প্ৰাগজ্যোতিষে শিলাময়ী উৰ্ব্বশীক কোলাত লৈ এতিয়াও ডাৱৰত চুলি মেলাই থিয় দি আছে। নিৰ্জ্জীৱ শিলামূৰ্ত্তিৰ পৰা জীৱন দিয়া স্পন্দন এতিয়াও গুৱাহাটীৰ দুৱাৰে দুৱাৰে সঞ্জীৱনীৰ বেহা বেহাই ফুৰিছে।

তাহানিৰ ওজা-খনিকৰে গঢ়া সেই ভুৱনেশ্বৰীৰ মন্দিৰ! ওজা খনিকৰ কৰবালৈ উটি গ'ল, কিন্তু সুনিপুণ শিলাকুটীৰ সৌন্দৰ্য্য-সাধনাৰ চিনে এতিয়াও বৰ্ত্তমানৰ বৰ্ব্বৰ আওহেলাকো নেওচি তাহানিৰ কলাবিলাসৰ নিদৰ্শন জিলিকাই থৈছে। যি জাতিৰ ওজা শিলাকুটীৰ পৈণত হাতৰ কাৰিকৰিৰ গুণত সিহঁতে আজি গৌৰৱৰ বৰপাগ মাৰি কাৰুকামৰ প্ৰদৰ্শনীত ডাঙৰীয়া বোলাই ৰঙা থঙাত বহি আগ ভাগ লব পাৰিছে, সেই জাতিৰে আজি এনে কলা-অক্ষমতা আৰু পৰ্ব্বতপ্ৰমাণ আওহেলা দেখি চকুপানী টুকিব লাগিছে। লোৰ টোপালবোৰে বাগৰি গৈ বুঢ়া লুইতৰ আগত ওজৰ দিছেহি। বুঢ়া লুইতেনো কৰিব কি? সিহঁতক বুকুত লৈ গুজৰিগুমৰি মূৰ আফালি মৰিছে।

ডাকজাহাজখনে লুইতৰ বুকু ফালি বাট উলিয়াই মোক গুৱাহাটীৰ বুকুৰ মাজলৈ সুমুৱাই আনিলে। সপোনবলিয়া মনে সপোন-ৰাজ্যলৈ বেগ ললে। গাঁৱৰ গৰখীয়া লৰাহঁতে গীত জুৰিলে। গৰখীয়াৰ গীতৰ সতে য়ুৰোপীয় সভ্যতাৰ বৰপোৰ নাতিয়েই নে আজোনাতিয়ে

এই ডাকজাহাজখনে ভাপেৰে ঘূকুৰা চকৰিৰে লুইতৰ বুকুত ডবা কোবাই তাল দিবলৈ ধৰিলে, যদিও মাজে মাজে তাল কাটি যাবলৈ ধৰিলে। আজনম মাত্ৰিক তাল গণা মনে জোৰ দিয়া তালৰ বোলত মাজে মাজে চক খাবলৈ ধৰিলে। চক খোৱা মনে বহুতো গীতৰ শাৰীলৈ মন দিব নোৱাৰি হেকুৱালে।

লুইতৰ পাৰৰে বৰেচহৰ!
গুণাৰ বনেকৰা বৰেপাগে পিন্ধি
তাহানি ধৰিলা বগা ডাৱৰ।
ডাৱৰে বুলিলে বেলিক লাজে দিয়ে
কি গুণা পিন্ধিছা,
বগী ডাৱৰৰো বৰণ আমোলাই
পিন্ধিলা পাগুৰি কিনো পাটৰ
পাগুৰিত পিন্ধিলা হীৰা-পাথৰ
লুইতৰ পাৰৰে বৰেচহৰ!
ওজা খনিকৰে, ওজা কাৰিকৰে
দিলে শিলৰ ঘৰে সাজি,
তাতে বহি বহি তৰা লেখি লেখি,
জোনাবাইৰ সতে কিবা মেলে পাতি
ভাগৰি-জিগৰি
অ' বৰেচহৰ! কত ডাৱৰীয়া ৰাতি—
এটি তৰাৰে দুটি গুলাব বুলি
ওৰে নিশাটো দিছিলা পৰ
লুইতৰ পাৰৰে বৰেচহৰ!
কামাখ্যা গোসাঁনী চহৰ-শুৱনী।

*　　　　*

লুইতৰ পাৰতে শিলৰে ঘৰ
লুইতৰ পাৰৰে বৰেচহৰ!

সৌৱা ভুৱনেশ্বৰীৰ মন্দিৰ! তাৰ কলচী তাহানিৰ দৰে আজিও আকাশমুৱা। তাৰ পৰা ধাৰেৰে বোৱা জুলীয়া জুইত আজি অসমীয়াৰ গা ধুবলৈ ভয়। তাহানি এদিন অসমীয়াই দিনৌ ডুবাৰকৈ তাত বুৰ মাৰি গাত ন বল বান্ধি এটা কথাৰ আঁতিগুৰি লৈ দহোটা কাম সমাধা কৰিছিল। কিন্তু আজি অসমীয়াই তাৰ পৰা ফালৰি কাটি ফুৰিছে। কামাখ্যা গোসাঁনী বা এতিয়া তাত আছেই বা কি নায়েই? আছে যদিও গোসাঁনী টোপনি-মগন। অসমীয়া আজি নিছলা, ডুৰ্ব্বলী, ডবা ভালকৈ কোবাব নোৱাৰে। সেইহে শিলৰ গোসাঁনী শুই আছে। অসমীয়াই আজি ডবাও কোবাব নোৱাৰা হল। ডবা কোবোৱাৰ তালো পাহৰি গল। যি তালৰ সঞ্জীৱনী গুণত, এদিন শিলৰ গোসাঁনীও জঠৰ হৈ থাকিব নোৱাৰি, বিবস্ত্ৰা হৈ নাচিছিল, আজি ইমান দিনে অসমীয়াৰ ডবাৰ খীণ শবদত, ভুল তালত গোসাঁনী তেনেই শিল মাৰিলে। জীয়া শিলৰ গোসাঁনী মৰা শিলৰ গোসাঁনী হলহি। অতীতৰ বিমানৰ জালত কঁপি থকা তালবোৰ! তোমালোক আকৌ উভতি নাহা নে? সোঁশৰীৰে উভতি আহিব নোৱাৰাহঁক যদি আকৌ জনম লোৱাহি। তোমালোকৰ কঁপনিত জীৱ পাই শিলৰ গোসাঁনীয়ে সজীৱ হৈ আকৌ চৰণ চলাওক। গোসাঁনীৰ শিল-জিভাত আশীৰ্ব্বাদৰ শবদে আকৌ বৰধেমালি পাতক।

তাহানি বোলে গোসাঁনীৰ উলঙ্গ নাচ জুমি চাই পোহৰৰ ছাটিত কাৰোবাৰ জীয়া চকু কণা হৈছিল। কিন্তু হে কামাখ্যা গোসাঁনী! আজি অসমীয়াৰ চকু-শিল অন্ধ। তুমি মন্দিৰৰ বাজলৈ ওলাই আহি মুকলি আকাশৰ তলত গোটেই জাতিয়ে দেখাকৈ উলঙ্গ হৈ নাচাহি। তোমাৰ নাচোনৰ ছন্দই ছন্দই নিজৰি অহা দিব্য পোহৰে কণা চকুত দৃষ্টি দিয়ক। তোমাৰ নিতম্বৰ ভৰত দেশ হেন্দোলদোপ দলদোপ কৰক। তোমাৰ চৰণ চলোৱাৰ আঘাতত টোপনি-মগন মহাসাগৰে সাৰ পাওক। তোমাৰ পিয়াহুৰ পৰা শকতি-দুধ বাগৰি

ছুৰ্ব্বলী সন্তানবোৰক শকতি দিয়ক। তোমাৰ বিশ্বমোহা মোহ-অন্তকাৰী চকুৰ চাৱনিয়ে আকৌ সৌন্দৰ্য্য-পিয়াহ ওভোতাই আনক। তোমাৰ শৰীৰ গঢ়িত নিপোটল লনি গঢ়ে ৰূপৰ পিয়াহত মানুহক বিয়াকুল কৰক। আৰু আই! এই যোনী-উপাসকসকলে তোমাৰ যোনী প্ৰত্যক্ষ দৰ্শন কৰি, আকৌ ন ন সৃষ্টি কাৰবলৈ হামৰাও কাঢ়ক। আকৌ সহস্ৰ বছৰলৈ বাহানি গঢ়িবলৈ এটা জাতিয়ে উদ্দীপনা পাওক। হে কামাখ্যা গোসাঁনী! হে সৃষ্টিকাৰিণী! তুমি এবাৰ মুকলিত নাচাহি। তুমি এবাৰ বিবস্ত্ৰ হৈ, উলঙ্গ হৈ, বিবসনা হৈ, তেনেয়ে নঙঠা ৰূপত নাচাহি। আই! অতীত বোলে মৰিল, গল, তাৰ কথা বোলে অন্ত হল! মনৰ পৰাই বোলে তাক বিসৰ্জ্জন দিব লাগে! কেনেকৈ অতীতক বিসৰ্জ্জন দিবা? কাৰ শক্তি আছে অতীতক মোহাৰি-সামৰি লুইতত জাহ দিব পাৰে? অতীত নাই মৰা, অতীত জীয়াই থাকিব। অতীতৰ আয়ুসৰ ৰেখাডালে বৰ্ত্তমান পাৰ হৈ ভৱিষ্যতত সোমাই অতি ভৱিষ্যতকো ভেদি গৈছেগৈ। অতীতে আমাৰ পদূলিমূৰত দিনৰ দিনটো ৰাতিৰ ৰাতিটো বহি বৰ্ত্তমানৰ ৰেহৰূপ, লাহবিলাহ, হাঁহি-কান্দোন, সুখ-দুখ, উঠন-পতন চাই চাই কেতিয়াবা কোনো দেশত হাঁহিছে, কোনো দেশত কান্দিছে, কোনো দেশত বিস্ময় মানিছে। কিন্তু এই অসমত অতীতে মাথোঁ দিনৰ দিনটো চকুপানী টুকিব লাগিছে। নিজৰ পো-পোৱালিক নিজৰ সৈতে গুৰাই অতীতে হা-হুমুনিয়াহ কাঢ়ি মৰিছে। অতীত আজিও জীয়াই আছে। কিন্তু জীৱলগা এই অতীতে সময়ৰ বন্দীশালত বিধতাৰ জিঞ্জিৰী পিন্ধি লৰিব-চৰিব নোৱাৰা হৈ আছে। অতীতে কথা সুধিলে উত্তৰ দিব, নুসুধিলেও কথা কব কিন্তু মাতিলে ওলাই আহিব নোৱাৰে। বৰ্ত্তমানেও গড়াল ভাঙি ভিতৰ সোমাব নোৱাৰে। পাৰিলেও, আনিলে কি হব? অতীতে বৰ্ত্তমানৰ আচহুৱা ঠাইত থাকিবলৈ টান পাই আকৌ উভতি নিজৰ ধন বিচাৰি ওলাব।

প্ৰাগজ্যোতিষৰ গৌৰৱ-চূড়া আকাশলঙ্ঘা, ডাৱৰচুমা! এই

গৌৰৱ-চূড়া অসমীয়াৰ জীৱন-বন্তিৰ দীপ-শিখা। এই দীপ-শিখাৰ উম লৈ দুৰ্দ্দিনৰ জাৰে ঠেটুৰা লগোৱা অসমীয়া আজিও জীয়াই আছে। আজি অৱসাদ অন্তত এই জাতিয়ে আকৌ শকতি গোটাই তাৰ পোহৰতে ভৱিষ্যতৰ বুকত নিজৰ ঠাই বিচাৰি আগবাঢ়িছে। কৌপিনধাৰী এই জাতিয়ে আকৌ এই পোহৰতে বহি মণি-মুকুতাৰ পোহাৰ মেলিবলৈ যো-জা কৰিছে।

*　　　　*

আমিনগাৱৰ পৰা ভাটীমুৱা ৰেলে বেগ ললে। ভুৱনেশ্বৰীৰ কলচীটো চকুৰ আগৰ পৰা লাহে লাহে আঁতৰি নেদেখা হল। অসমীয়া-জীৱনৰ কেন্দ্ৰৰ পৰা মই দূৰলৈ গুচি আহিলোঁ। দৰাচলতে মই অসম এৰিলোঁ।

এডিনবৰা, স্কটলণ্ড
৫ই জুলাই ১৯২৭

# ঢেকিয়াজুলি

## বিয়াল্লিছৰ আলেখ্য

অসমৰ বিয়াল্লিছৰ বিপ্লৱৰ কাহিনী আজিও সম্পূর্ণকৈ প্রকাশিত হোৱা নাই। অসমৰ স্বাধীনতা-যুদ্ধৰ বীৰত্বৰ কথা এতিয়াও বিশদভাবে প্রকাশ হোৱা নাই। কনকলতাৰ আৰু কুশল কোঁৱৰৰ কাহিনী জনাজাত হৈছে যদিও আন কেবাটাও কাহিনীৰ বিষয়ে ৰাইজে ভালকৈ নেজানে। বিয়াল্লিছত তেজপুৰৰ ঢেকিয়াজুলিৰ কাহিনী ভাৰতৰ অহিংস-সংগ্রামৰ বুৰঞ্জীতো অদ্বিতীয় ঘটনা। এই ঢেকিযাজুলিৰ ঘটনাত লিপ্ত থকা প্রত্যক্ষদর্শীৰ পৰা আৰু এই ঢেকিযাজুলিৰ সমদল পৰিচালনা কৰা সেৱাদলৰ নাযক ফণীধৰ দাসৰ পৰা মই নিজ কাণে শুনা বিবৰণ আজি দাঙি ধৰিলোঁ।

১৯৪২ চনৰ বিছ ছেপ্টেম্বৰৰ দিনা তেজপুৰৰ ঢেকিযাজুলি থানাৰ সমুখত এই ঘটনা ঘটে। দেশ জুৰি 'ভাৰত ত্যাগ' ধ্বনি মুখৰিত হৈ উঠাৰ লগে লগে মহাত্মা গান্ধীকে আদি কৰি কংগ্রেছৰ নেতৃবৃন্দক বোম্বাইত গ্রেপ্তাৰ কৰাৰ দিনাৰে পৰা বনাগ্নি বেগেৰে যি বিপ্লৱৰ জুই জ্বলি উঠিল, সেই জুই অসমতো বিয়পি পৰিলহি। সেই বিপ্লৱৰ অগ্নিত প্রথমেই অসমৰ নগাৱৰ ডেকা-ডেকেৰী জপিয়াই পৰিল। নগাৱৰ বিপ্লৱৰ ৰণ-শিঙাৰ ধ্বনিয়ে তেজপুৰতো হেজাৰ হেজাৰ সেৱাদলৰ সেনাক বিপ্লৱৰ বাবে সন্থম কৰি দিলে।

তেজপুৰত অমিয়কুমাৰৰ নেতৃত্বত বৈপ্লৱিক অভিযান আৰম্ভ হল। মযেই আছিলোঁ তেজপুৰ সেৱাদল-বাহিনীৰ অধিনায়ক। বিপ্লৱৰ কার্য্যসূচী বিজুলী সঞ্চাৰে প্রচাৰিত কৰি গোটেই তেজপুৰৰ সেৱাদল-বাহিনীক বিপ্লৱ আৰম্ভ কৰিবলৈ নির্দ্দেশ দিয়া হল।

অসমৰ প্রাদেশিক কংগ্রেছৰ নেতা আৰু কর্ম্মী সকলো গ্রেপ্তাৰ হৈ

যোৱাত প্ৰাদেশিক কেন্দ্ৰ পৰিচালনা কৰিবলৈ আৰু জিলাবোৰৰ কাৰ্য্যসূচী এক নিৰ্দ্দেশত চলাবলৈ কোনো গুৰিয়াল নোহোৱা হোৱাত নৰিয়া-পাটীত পৰি থকা ত্যাগবীৰ হেম বৰুৱাক সহায় কৰি কেন্দ্ৰ পৰিচালনা কৰিবলৈ অমিয়কুমাৰে মোক, বিশ্বদেৱ শৰ্ম্মা আৰু অজিত ত্ৰিপাঠীক গুৱাহাটীলৈ পঠাই দিলে। আন্দোলনৰ গুৰি ধৰিবলৈ অমিয়কুমাৰ, পুষ্পলতা, মহাদেৱ শৰ্ম্মা, গহন গোস্বামীকে আদি কৰি নেতাসকল তেজপুৰত থাকি বিপ্লৱৰ কাৰ্য্যসূচী আগবঢ়াই নিবলৈ ধৰিলে। বিজয় ভাগৱতী আৰু কামাখ্যা ত্ৰিপাঠী আগতেই গ্ৰেপ্তাৰ হৈছিল ।

গুৱাহাটীলৈ আহি হেম বৰুৱাৰ নিৰ্দ্দেশমতে মই ধুবুৰী, গোৱালপাৰালৈ যাত্ৰা কৰিলোঁ। আৰু মোৰ নামত গ্ৰেপ্তাৰী-পৰোৱানা থকাত তেতিয়াৰে পৰা আত্মগোপনকৈ ফুৰিবলৈ ধৰিলোঁ।

সেই সময়ত গোটেই অসমত ব্যাপকভাবে ঘৰ-বাৰী পোৰা আলিবাট, দলং ধ্বংস কৰা, টেলিগ্ৰাফৰ তাঁৰ উঠাই দিয়া, ৰেলবাট ধ্বংস কৰা, ৰেল পেলোৱা ইত্যাদি ধ্বংসমূলক কামবোৰ মানুহে খণ্ডত একো নাই হৈ কৰিবলৈ ধৰিলে। আসন্ন জাপানী আক্ৰমণৰ বাবে গোটেই অসম জুৰি ইংৰাজ-মাৰ্কিন ৰণসজ্জা আৰু ৰণোদ্যমেৰে দেশ তল-ওপৰ। মান-ভগনীয়া, দেশৰ আৰ্থিক বিশৃঙ্খলা, চৰকাৰৰ দমন-উৎপীড়ন আদি অমঙ্গলীয়া কথাত ৰাইজ উত্তেজিত আৰু বিক্ষুব্ধ !

তেজপুৰ জিলা-কংগ্ৰেছৰ নিৰ্দ্দেশমতে ঢেকিয়াজুলি থানাত বিছ চেপ্টেম্বৰ তাৰিখে স্বৰাজৰ পতাকা তুলিবৰ কাৰণে ঢেকিয়াজুলিৰ চাৰিও ফালৰ গাঁৱলীয়া কেন্দ্ৰবোৰ প্ৰস্তুত হল। সেই একে দিনাই চতিয়া, বিহালী, গহপুৰ থানাতো পতাকা তোলাৰ নিৰ্দ্দেশ আছিল। বিছ চেপ্টেম্বৰৰ দিনা ঢেকিয়াজুলি কেন্দ্ৰৰ সেৱাদল-বাহিনী আৰু আন আন কংগ্ৰেছ-কৰ্ম্মী আৰু তিৰোতাসকল হাতত স্বৰাজৰ পতাকা লৈ ঢেকিয়াজুলি থানাৰ ছমাইলমান আঁতৰত সমৱেত হ'ল। প্ৰায় আঠৈকুৰি জনৰ ওপৰ নেপালী সেৱাদলৰ ভলন্টিয়াৰে লগত খুকুৰি লৈ আহিছিল। নায়ক ফণীধৰ দাসে সেই নেপালী ভলন্টিয়াৰসকলৰ খুকুৰি খোলাই

এঠাইত গোট খুৱালে আৰু যে অহিংস ভাবেৰেহে থানাত পতাকা তুলিব লাগিব, তাকো সকলোকে ভালকৈ বুজাই দি সকলোকে লৈ সমদল নিৰ্ম্মাণ কৰি ঢেকিয়াজুলি থানাৰ সমুখলৈ যাত্ৰা কৰিলে।

দুহেজাৰৰো ওপৰ মানুহে সমদল কৰি যোৱা সেৱাদল-বাহিনী আৰু তিৰোতা-মুনিহ থকা বিৰাট সমদল গৈ ঢেকিয়াজুলি থানাৰ সমুখত থিয় হ'লগৈ। 'বন্দেমাতৰম', 'স্বাধীন ভাৰত কী জয়' আৰু 'স্বাধীন অসম কী জয়' ধ্বনিৰে আকাশ মুখৰিত হৈ উঠিল।

থানাতো পুলিচ সদলবলে সাজু হৈ আছিল। থানাৰ বাৰান্দাত প্ৰথমে এশাৰী লাঠিয়াল পুলিচ আৰু তাৰ পাছৰ শাৰীত ৰাইফলধাৰী পুলিচে এই পতাকা উত্তোলনত বাধা দিবলৈ অপেক্ষা কৰি আছিল। সেৱাদল-বাহিনীৰ ভলন্টিয়াৰৰ দলটো আনি নায়ক ফণীধৰ দাসে সেই লাঠীধাৰী আৰু ৰাইফলধাৰী পুলিচ-বাহিনীৰ সমুখাসমুখিকৈ থিয় কৰোৱালে। তিৰোতা আৰু জনতাৰ আন আন মানুহক পাছলৈ নিয়া হ'ল।

এইদৰে সাজু হৈ সেৱাদল ভলন্টিয়াৰে আকাশ কঁপাই বন্দে মাতৰম ধ্বনি কৰিবলৈ ধৰিলে। সেই দৃশ্য চাবলৈ থানাৰ সমুখৰ হাটখোলাত হেজাৰ হেজাৰ জনতাৰ ভিৰ হবলৈ ধৰিলে! সেই দিনা হাট-বাৰ আছিল। এনেতে থানাৰ ভিতৰৰ পৰা থানাৰ ইনচাৰ্জ্জ দাৰোগা ওলাই আহি পুলিচৰ আগত আৰু সেৱাদল বাহিনীৰ সমুখত থিয় হ'ল। দাৰোগাই ভলন্টিয়াৰসকললৈ চাই প্ৰশ্ন কৰিলে।

দাৰোগা—তোমালোক ভলন্টিয়াৰবোৰ ইয়ালৈ কিয় আহিছা ?

নায়ক ফণীধৰ দাস সমুখত থিয় হৈ আছিল। তেওঁ উত্তৰ কৰিলে—আমি কংগ্ৰেছৰ নিৰ্দ্দেশমতে থানাৰ ওপৰত স্বৰাজৰ পতাকা তুলিবলৈ আহিছোঁ।

দাৰোগা—তোমালোকে থানা আক্ৰমণ কৰিবলৈ আহিছা ?

নায়ক ফণীধৰ—আমি থানা আক্ৰমণ কৰিবলৈ অহা নাই। আমি শান্তিপূৰ্ণভাৱে থানাত পতাকা তুলিম। এই দেশ আমাৰ।

থানা-কাছাৰী সকলো আমাৰ। ইয়াত আমাৰ পতাকা উৰিব লাগিব।

দাৰোগা—তোমালোকক সেই কাম কৰিবলৈ আমি নিদিওঁ। এই বৃটিছ গৱৰ্ণমেণ্টৰ থানাত তোমালোকে কংগ্ৰেছ-নিচান উৰুৱাব নোৱাৰা।

নায়ক ফণীধৰ—আমি নিচান উৰাবই লাগিব। আমাৰ হুকুম আছে।

দাৰোগা—আৰু আমাৰো হুকুম আছে থানা ৰক্ষা কৰিবলৈ। তোমালোকে যদি কথা নুশুনা তেন্তে তোমালোকৰ ওপৰত গুলী চলোৱা হব।

নায়ক ফণীধৰ—গুলী চলাব পাৰে। আপোনাৰ যি ইচ্ছা তাকে কৰিব পাৰে। থানাত পতাকা নোতোলাকৈ উভতি যাবলৈ আমাৰ আদেশ নাই।

এই বুলি নায়ক ফণীধৰে সকলো ভলণ্টিয়াৰক সাৱধান হবলৈ ফুকাৰ দিলে আৰু 'আগবাঢ়া' বুলি আগবাঢ়িবলৈ হুকুম দিলে। এনেকুৱা অৱস্থাত পুলিচক কোনো অপকাৰ নকৰাকৈ সিহঁতক নিৰস্ত্ৰ কৰিবলৈ আমাৰ পৰা আদেশ দিয়া হৈছিল। তৎক্ষণাৎ ভলণ্টিয়াৰসকলে গৈ লাঠিয়াল পুলিচৰ সমুখত জপিয়াই পৰি পুলিচৰ হাতৰ পৰা লাঠীবোৰ কাঢ়ি ললে আৰু তাৰ পাছৰ দল ভলণ্টিয়াৰে বিজুলী সঞ্চাৰে আহি ৰাইফলধাৰী পুলিচবিলাকৰ ৰাইফলবোৰ থাপ মাৰি কাঢ়ি ললে। এনেতে চাৰিওফালে চিঞৰ-বাখৰ, হুৱাদুৱা লাগি পৰিল। থানাৰ খোঁটালীৰ ভিতৰলৈ সোমাই তাত থোৱা ৰাইফলেৰে পুলিচ দাৰোগাই জনতাৰ ওপৰত খিড়িকীয়েদি গুলী চলাবলৈ আৰম্ভ কৰিলে। দুজন কনিষ্টবলে থানাৰ পাছফালে বন্দুক লৈ আছিল। সিহঁতো আহি গুলী চলাবলৈ লাগিল। গুলী লাগি ভলণ্টিয়াৰ-জনতাৰ মুনিহ-তিৰোতা বাগৰি পৰিবলৈ ধৰিলে। কাঢ়ি লোৱা লাঠীৰে বা বন্দুকেৰে ভলণ্টিয়াৰে প্ৰতিআক্ৰমণ নকৰি গুলী-বৰ্ষণ বুকু পাতি লবলৈ ধৰিলে।

এইদৰে গুলীবৰ্ষণ চলি থাকোঁতেই সেই গুলী উপেক্ষা কৰি মনবৰ

নাথ নামৰ এজন কুৰি বছৰীয়া তেজস্বী ডেকাই হাতত ত্ৰিবৰ্ণ পতাকা লৈ আগবাঢ়ি গল। তেওঁ কেবাজনো ভলন্টিয়াৰৰ সহায়ত এডাল বাঁহৰ মৈৰে বগাই গৈ থানাৰ ওপৰত উঠি ত্ৰিবৰ্ণ পতাকা থানাৰ মুধচত বান্ধি দিলেগৈ। চাৰিও ফালৰ পৰা 'স্বাধীন ভাৰত কী জয়' ধ্বনিৰে আকাশ কঁপি উঠিল। পতাকা উৰাই মনবৰ নাথ থানাৰ চালৰ পৰা জাপ মাৰি মাটিলৈ নামোতেই তেওঁক গুলী কৰিলে। মনবৰ তেজেৰে ৰাঙলী হৈ মাটিত বাগৰি পৰিল। ইফালে গুলী-বৰ্ষণৰ ফলত জনে জনে তিৰোতা-মতা বাগৰি বাগৰি পৰিবলৈ ধৰিলে। আহত হোৱাবিলাক চুচৰি-বাগৰি আঁতৰিবলৈ ধৰিলে! গুলীৰ কোবত জনতা ভাগি ছেদেলিভেদেলি হৈ গল। প্ৰায় সোতৰ জন মতা-তিৰোতা গুলীৰ আঘাত লাগি ধৰফৰাই পৰি থাকিল। ভাগি যোৱা জনতাৰ পৰা প্ৰায় চাৰিকুৰিমান তিৰোতাৰ জুম এটাই আলিয়েদি গৈ বাঁওফালৰ আলিৰ ওপৰৰ দলঙৰ কাষ পালেগৈ। তেওঁলোকে দেখেগৈ যে দলঙত হেঙাৰ দি থোৱা আছে। এনেতে দলঙৰ তলৰ পৰা লাঠীধাৰী প্ৰায় পঞ্চাছ জন মানুহে ওলাই আহি তিৰোতাৰ জুমটো আক্ৰমণ কৰি নৃশংসভাবে তিৰোতাবোৰক টঙনিয়াবলৈ ধৰিলে। টাঙোনৰ কোবত তিৰোতাবিলাক জখম হোৱা দেখি আঢ়ৈ কুৰি বছৰীয়া আজীৱন কংগ্ৰেছকৰ্ম্মী ৰতন কছাৰীয়ে হাতত এডাল লাঠী লৈ তিৰোতাবিলাকৰ আগলৈ গৈ সেই লাঠীয়ালবোৰৰ সৈতে লাঠী ঘূৰাই আৰু সিহঁতৰ মাৰ নিজৰ গাত পাতি লৈ, তিৰোতাবিলাকক ৰক্ষা কৰিবলৈ ধৰিলে। কিন্তু ৰতন কছাৰীয়ে অকলে সেই পঞ্চাছটা লাঠীয়ালৰ আগত কিমান পৰ তিষ্ঠিব? সিহঁতৰ মাৰৰ কোবত তেওঁৰ গা ফাটি ছিৰাছিৰ হৈ তেজ ববলৈ ধৰিলে, মূৰ ফাটি গ'ল, হাত ভাগি গল। তাৰ পিছত ৰতন কছাৰী মহা বীৰত্বেৰে তিৰোতাবিলাকক ৰক্ষা কৰি থকা অৱস্থাতেই মাটিত অচেতন হৈ লুটি খাই পৰিল।

এনেতে তেজপুৰৰ পৰা তাঁৰৰ বতৰা পাই গোটেই অসমত্তে

নৃশংসভাৱে আন্দোলন দমন কৰি ফুৰা কেপ্তেইন ফিন্‌ছ চাহাব দুই লৰী গুৰ্খা সৈন্যেৰে ঢেকিয়াজুলি পালেহি। আহোঁতে তেওঁ বাটৰ বাটৰুৱাক, সমদলৰ পৰা ভাগি যোৱা মানুহক যাকে যতে পালে যধেমধে গুলীয়াই আহিবলৈ ধৰিলে। তাৰে কেইজন মৰিল আৰু কিমান আহত হল কোনেও ভালকৈ কব নোৱাৰে। এজন ভলণ্টিয়াৰ নায়ক চাইকেলেৰে বেগেৰে গাঁৱৰ ফালে গৈ থাকোঁতে তেওঁক ভৰিত গুলী মাৰি পেলাই দিলে। তেওঁ সেইদৰেই হাবিত সোমাই পলাই যায়।

তাৰ পিছত কেপ্তেইন ফিন্‌ছে থানাৰ গুলীৰা থলীলৈ আহি গুৰ্খা লগাই য'ত যি মানুহ আছিল বন্দুকৰ কুন্দাৰে খুন্দিয়াই, বেয়নেটেৰে খোচাই আঁতৰ কৰি মৰাশবোৰ লৰিত ভৰাই তেজপুৰলৈ লৈ গ'ল। হাত-ভৰিত গুলী লগা, লাঠীয়ালৰ মাৰত হাড়-মূৰ ভগা তিৰোতা বিলাক চুচৰি-বাগৰি ঘৰমুৱা হবলৈ ধৰিলে।

তিলেশ্বৰী নামেৰে এজনী পোন্ধৰ যোল বছৰীয়া সেৱাদলৰ সেৱিকা কৰঙনত গুলী লাগি পৰি আছিল। তাইক তাইৰ গাঁৱৰে পাঁচটা লৰাই ডাংদোলাকৈ লৈ যায় আৰু ঢেকিয়াজুলিৰ জে, এম, পি, কে দোকানৰ আগ পাওঁতে সিফালৰ পৰা মিলিটাৰী লৰী অহাৰ আৱাজ শুনি তাতে তাইক আলিৰ কাষতে থৈ সিহঁত পলাই যায়। তিলেশ্বৰীৰ গাৰ পৰা ধাৰাসাৰে তেজ বৈ আছিল। তাই আলিৰ কাষত পৰি পানী পানীকৈ চিঞৰি আছিল। সেই দোকানৰ পৰা এজন মানুহ আহি তাইৰ মুখত পানী বাকি দিয়ে। লাহে লাহে তাইৰ মাত ক্ষীণ হৈ আহিছিল। এনেতে কেপ্তেইন ফিন্‌ছৰ লৰী আহি পালে। তাইক মৰাশ তোলা লৰীখনত ভৰাই তেজপুৰলৈ লৈ গ'ল। আজিলৈকে কোনেও কব নোৱাৰে তাইৰ কি হ'ল!

মই যেতিয়া কলিকতাৰ পৰা তেজপুৰলৈ আহি মুক্তি পাই সাহায্য-পুঁজিৰ টকা সিহঁতৰ পৰিয়ালক আৰু আহতসকলক বিলাইছিলো তেতিয়া তিলেশ্বৰীৰ বুঢ়া বাপেকে বৰচলাৰ পৰা ত্ৰিছ মাইল বাট খোজ

কাঢ়ি আহি মোৰ আগত জীয়েকৰ কাহিনী কৈ কান্দি কান্দি ছোৱালীজনী বিচাৰি দিবলৈ কৈছিল। কিন্তু তিলেশ্বৰী! মই আৰু তাইক ক'ৰ পৰা আনি দিম !!

এই ঢেকিয়াজুলিত কিমান মানুহ মৰিল তাৰ একো সঠিক হিচাপ কোনেও দিব নোৱাৰিলে। গভৰ্ণমেণ্টৰ মতে সোতৰ জন আৰু কংগ্ৰেছৰ মতে সাতাইছ জন। আহত হৈছিল প্ৰায় ডেৰশৰ ওপৰ—তাৰে পোন্ধৰ জনমান জীৱনলৈ ঘূণীয়া হল।

এই ঘটনাৰ পিছত আকৌ সেই গাঁওবোৰত মিলিটাৰী-অভিযান হল। তাতো চলিল অত্যাচাৰ, নানা ৰকমৰ পাইকাৰী জৰিমনা। আদায়সূত্ৰে আকৌ নিষ্ঠুৰ অত্যাচাৰো হল বেয়াকৈয়ে।

এইদৰে এই হোজা গাঁৱলীয়াৰ তেজেৰে, চকুৰ পানীৰে আহিল আমালৈ স্বাধীনতা। আজি সেই স্বাধীনতাকে আমি উপভোগ কৰিছোঁ কিন্তু লগে লগে তাকে আমি কৰিব ধৰিছোঁ কলুষিত—আমাৰ দুৰ্নীতিৰে, আমাৰ নৈতিক অধঃপতনেৰে, আমাৰ আদৰ্শ-ভ্ৰষ্টতাৰে !

# তৰুণ-তৰ্পণ

তেজত নেতৃত্বৰ বীজ লৈ দেশভক্ত তৰুণৰাম ফুকন আমাৰ দেশলৈ আহিছিল। জীৱনজুৰি, সুখে-দুখে, বিপদে-আপদে ৰাষ্ট্ৰসঙ্কট আৰু ৰাষ্ট্ৰ-বিপ্লৱৰ মাজত জাতীয় জীৱনৰথৰ বাঘজৰী ধৰি মৰণৰ দিনালৈকে দেশক বাট দেখুৱাই নিয়া কঠোৰ কৰ্ত্তব্যৰ পৰা পাছ নুহুহকি আৰু অন্তৰৰে যি সময়ত যি পথ দেশৰ উন্নতিৰ সোঁবাট বুলি তেওঁ নিজে বিশ্বাস কৰিছিল ; তাতে অসীম দৃঢ়তাৰে আৰু অগাঢ় বিশ্বাসেৰে থিয় দি শেষ দিনালৈকে সমূহৰ নেতৃত্ব তেওঁ কৰি গল। তেজত নেতৃত্বৰ বীজ লৈ, মনত নেতৃত্বৰ মহাবল লৈ, বুকুত নেতৃত্বৰ সাহ লৈ, কণ্ঠত কৌটিক প্ৰেৰণা দিব পৰা বাণী লৈ ফুকনে জন্ম লৈছিল। জীৱনৰ মাজেদি এই সৰ্ব্বোতোমুখী প্ৰতিভাৰ পদুমৰ পূৰ্ণ বিকাশ দি, মৰণকো জয় কৰি ফুকন আজি মৃত্যুঞ্জয়ী আত্মা হৈ অশৰীৰী হল। দিনেকীয়া ক্ষন্তেকীয়া জীৱনৰ খেলা সামৰি ফুকন ভাৰতৰ বুৰঞ্জীৰ জীৱনৰ কাৰেঙত আজি নিগাজীকৈ প্ৰতিষ্ঠিত হল। জনমত ফুকনে যি গৌৰৱ লৈ আহিছিল, মৰণত সেই গৌৰৱ দেশবাসীক উপহাৰ দি গল।

অসমীয়া মানুহৰ ভিতৰৰ শক্তিশালী পুৰুষ কেজনক আমি আঙুলি মূৰত লেখিব পাৰোঁ। আজি যদি অসম এখন পূৰ্ণ ৰাষ্ট্ৰ হলহেতেন, আৰু স্বাধীন দেশখনে যদি কোনো প্ৰথম শ্ৰেণীৰ বিদেশী ৰাজ্যৰ সৈতে কোনোবা এটা সূক্ষ্ম আৰু অতি গুৰুতৰ ৰাষ্ট্ৰ সম্বন্ধীয় পৰিস্থিতিৰ বিষয়ে কৃতকাৰ্য্যতাৰে মীমাংসা কৰিবলগীয়া হলহেতেন আৰু অসমৰ ফালৰ পৰা কোনো লোকে, আন দেশৰ মেধাৱী ৰাজনীতিজ্ঞৰ ওপৰত নিজ ব্যক্তিত্বেৰে, নিজৰ বুদ্ধিমত্তাৰ প্ৰভাৱেৰে, নিজৰ ৰাজনৈতিক সোঁত-প্ৰতিসোঁত বিষয়ক বিচক্ষণ অভিজ্ঞতাৰে, আৰু নিজৰ আনে একোপধ্যে নিবাৰিব বা প্ৰতিৰোধ কৰিব নোৱাৰা সূক্ষ্ম আন

পৈণত যুক্তি, আৰু লোকক সেও মনাই শৰণ লগাব পৰা তৰ্কৰ প্ৰভাৱেৰে. আমাৰ ৰাষ্ট্ৰীয় স্বাৰ্থ সম্পূৰ্ণ বজাই ৰাখি, কোনো আঁৰ নথকা মীমাংসাত উপনীত হৈ আন জাতীয় বিজ্ঞজনৰ ওপৰত নিজৰ ব্যক্তিত্বৰ প্ৰভাৱেৰে সাঁচ বহুৱাই, কাৰ্য্য সুসম্পন্ন কৰি আহিবৰ আৱশ্যক হ'লহেঁতেন. তেন্তে তাৰ কাৰণে আৰু তাকে সুসমাধা কৰিব পৰা যদি কোনোবা আমাৰ দেশখনত আটাইতকৈ উপযুক্ত লোক আছিল—তেন্তে নিঃসন্দেহে তেওঁ দেশভক্ত তৰুণৰাম ফুকনেই।

অসমৰ ৰাজনৈতিক ক্ষেত্ৰৰ এই অসীম ক্ষমতাৱন্ত পুৰুষজনেই বিশ্বৰ ৰাজনৈতিক মেলত পতিয়ন নিয়াব পৰা যুক্তিৰে আৰু উপস্থিত বুদ্ধিৰে ব্যক্তিত্বৰ প্ৰভাৱ বিস্তাৰ কৰিব পৰা গুণেৰে হব পৰা লোক আছিল। ৰূপে-গুণে, শৌৰ্য্যে-বীৰ্য্যে, জ্ঞান-গৰিমাই, বুদ্ধি-মেধাৰে এৱেঁই অসমীয়াৰ প্ৰধান প্ৰতিনিধি হিচাপে মহাজাতিৰ মহামেলত বহি অসমীয়াৰ যশৰ গীত দহৰ মুখেৰে ফুটাই গোৱাই আহিব পৰা পুৰুষ আছিল। অসমীয়াৰ ভিতৰত ৰাজনীতিৰ ভিতৰ-বাহিৰ, তলানলা ভালকৈ বুজা আৰু তাৰ দ-তৰাং পানী ভালকৈ চিনিব পৰা আৰু গভীৰ পানীৰ তলিলৈকে মনিব আৰু ডকা-চাকনৈয়া কাটি সাঁতুৰি তলিলৈকে বুৰ মাৰি সকলোৰে তম-গম লব আৰু বুজিব পৰা, শিয়ান কূটবুদ্ধী বা ৰাজনৈতিকৰ কূট আৰু বিতৰ্কৰ কুঁৱলী ফালি কথাৰ স্বৰূপ চাব পৰা লোকো আমাৰ দেশত ফুকনেইহে আছিল। সেই কাৰণেই ফুকনৰ জীৱনত মৰণৰ আঁৰকাপোৰ পৰাত আজি দেশখনে ক্ষন্তেক থমকি ভাবিবলগীয়াত পৰিছে—আৰু এশ বছৰেও ফুকনৰ গুণেৰে গুণী, ফুকনৰ ব্যক্তিত্বৰ দৰে ব্যক্তিত্বসম্পন্ন আৰু এজন নেতা হৈ জনমা লোক অসমে সোণকালে পাব নে নাপায়।

অসমীয়া জাতিৰ এতিয়া জীৱন-যুঁজ জিনা নিৰ্ভৰ কৰিছে—বিশেষকৈ বিচক্ষণ নেতৃত্বৰ ওপৰতহে। অসমীয়াই এতিয়া নিজে গম পাইছে—অসমীয়াৰ সকলো উন্নতিৰ সমল-সজুলি আছে বুলি। অসমীয়াৰ উন্নতিৰ কাৰণে প্ৰবল ইচ্ছাও বৰ্ত্তমান আৰু উন্নতিৰ

বাটেদি খোজ দিবলৈকো গাত বলো পাইছে যথেষ্ট কিন্তু অসমীয়াৰ আৱশ্যক হৈছে—সূক্ষ্মদৰ্শী, কাৰ্য্যপটু, স্বাৰ্থত্যাগী আৰু ব্যক্তিত্বসম্পন্ন, অভিমানৱপ্ৰায় নেতাৰ। জাতিক, জনতাক সদায় নেতৃত্ব লাগিবই। নেতাৰ ওপৰতেই বেছি ভাগ জাতিৰ ভৱিষ্যত নিৰ্ভৰ কৰে। সেই কাৰণেই ফুকনৰ আজি অসমত অভাৱ হৈছে। ফুকনে আজি অসমক এজন নেতাৰ লগৰ নেতা হীন কৰি গৈছে। ফুকনে অসমক মানুহত দুখীয়া কৰি থৈ গৈছে।

যেতিয়াই আমি জাতিলৈ বা যুগলৈ চকু দিওঁ তাতে দেখিবলৈ পাওঁ – সংসাৰৰ অকোৱাপকোৱা বাটেদি বাট বুলি বাট হেকৰাই, কোনো চৌ-আলিৰ মূৰত, জীৱনৰ আশাৰ টোপালাৰ মেটমৰা ভাৰ কান্ধত লৈ, আগত নিৰাশাৰ নৈ দেখি নাইবা হতাশৰ মহাসমুদ্ৰৰ গাজনি শুনি বিবুদ্ধি, বিচূৰ্ত্তি আৰু বেবুৱা। কোন বাটেদি নিজৰ লক্ষ্যস্থান বা গম্যস্থান পাবগৈ পাৰি তাক কব নোৱাৰি আৰু চিনিব নোৱাৰি বিমোৰ হৈ কোটি কোটি মানুহ পথভ্ৰান্ত হৈ, বিচলিত হৈ ঘূৰি ফুৰিছে বা মূৰে-কপালে হাত দি—নিজৰ আশাকে জলাঞ্জলি দি বহি হা-হুমুনিয়াহ চাৰিছে। সদায় এনে অৱস্থাত দেখোঁ একো একো জন ক্ষণজন্মা পুৰুষ উপজি দেশক নিজৰ লক্ষলৈ লৈ গৈছে। এষাৰি মুখৰ প্ৰেৰণাময়ী বাণীৰে লাখো প্ৰাণীৰ প্ৰাণত আশাৰ সঞ্চাৰ কৰিছে, এষাৰি উদ্দীপনাৰ বাণীৰে দেশক জীয়াই জীৱন-যুঁজত জিনাই মানুহৰ অগ্ৰগামী অভিযান জয়শ্ৰীমণ্ডিত কৰিছে। আচল নেতাৰ অভাৱত কত জনতা, কত দেশ, কত জাতিয়ে তলমূৰ হৈ পৰি যাত্ৰীৰ গছকত ত্ৰাহি-ত্ৰাহি সুমৰিছে। আকৌ কত দেশ, কত জাতিয়ে নেতৃত্বৰ প্ৰেৰণাত আৰু প্ৰভাৱত মৰণকো জিনি দিগ্বিজয়ী হৈ বিজয়লক্ষ্মীক আদৰি আনি নিজ মন্দিৰৰ থাপনাত থাপি হীৰাখটোৱা সোণৰ মুকুট পিন্ধাই, পৃথিৱীত উচ্চশিৰ। কিন্তু বাঞ্ছিত এই পুৰুষ-সিংহ সকলো জাতিৰ সকলো সময়তে ভাগ্যত নঘটে। যাৰ ঘটিছে তাৰেই ভাগ্যৰ মন্দিৰত জয়শঙ্খ বাজি উঠিছে, যোড়শোপচাৰে

দেশমাতৃৰ পূজা চলিব লাগিছে। মাতৃপূজাৰ নিৰ্মালি আৰু প্ৰসাদ পাই দেশবাসী ধন্য, সুখী আৰু গৌৰৱদীপ্ত হৈছে আৰু তেওঁলোকৰ পূজাৰ পত্ৰ-পুষ্প, দীপ-ধূপৰ গন্ধাৱলীয়ে দশোদিশ আমোলমোলাই তুলিছে।

ভাৰতৰ ভাগ্য-আকাশতো আজি ক্ষণজন্মা নেতৃত্বৰ অভ্যুদয় হৈছে। অসমৰো সেই ভাগ্য হৈছিল তেনে নেতা পাই, দেশভক্ত তৰুণৰাম ফুকনক পাই, কৰ্ম্মবীৰ নবীন বৰদলৈক পাই।

নিজৰ জীৱন, সংসাৰী সুখ, সংসাৰিক ভৱিষ্যত পণ কৰি ফুকনে ভাৰত-সভাত অসমীয়ালৈ আহলবহল ঠাই উলিয়াই দি গল। নিজৰ বুদ্ধি, মেধা আৰু ব্যক্তিত্বৰ গুণেৰে ভাৰতৰ দহক হেজাৰক দেখুৱাই গল—অসমীয়াৰ মাজতো বাছকবনীয়া মানুহ আছে, অসমীয়া মানুহো ভাৰতৰ আন আন প্ৰদেশবাসীৰ সমকক্ষ।

এখন দেশৰ কোনো কোনো ক্ষেত্ৰত, সেই সেই ক্ষেত্ৰৰ নেতা ওলোৱা বৰ টান নহয়। কিন্তু এজন মানুহতে সৰ্ব্বগুণ বিৰাজ কৰা দৃষ্টান্ত কমেই। দেশভক্ত তৰুণৰাম ফুকন আছিল সৰ্ব্বগুণাকৰ নেতা। তৰুণৰামক আমি অকল ৰাজনৈতিক নেতা বুলিলে তেওঁৰ বহু গুণবিশিষ্ট ব্যক্তিত্বৰ মহিমা ক্ষুণ্ণ কৰা হব। ৰাজনৈতিক ক্ষেত্ৰত সুপণ্ডিত ফুকন, এজন ৰাজনীতি-বিশাৰদ ওজস্বী বক্তা, সাহিত্যৰ প্ৰধান সেৱক, জাতীয় ললিত-কলাৰ প্ৰতি প্ৰগাঢ় অনুৰাগ আৰু তাৰ উন্নতিৰ কাৰণে যত্নপৰ, দেশৰ শাৰীৰিক উন্নতি-বিধানত তৎপৰ, দেশৰ উচ্চ শিক্ষা, লোকশিক্ষাৰ কাৰণে ব্যগ্ৰ, জাতিৰ শৌৰ্য্য-বীৰ্য্য জগাই জাতিৰ মানুহৰ পৌৰুষৰ জীৱন্ত মূৰ্ত্তি স্বৰূপ মৃগয়ামুগ্ধ ফুকন, ধৰ্ম্মলৈ মলিয়ন নোহোৱা ভক্তিৰে ফুকন, জাতিৰ সভ্যতাৰ সকলো বিভাগতে—ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, শাৰীৰিক উন্নতি, জাতীয় কৃষ্টি, সাহিত্য, সঙ্গীত, কৃষি আৰু শিল্প আৰু ললিতকলা সকলো বিষয়তে ব্যুৎপত্তি, আগ্ৰহ থকা আৰু এইবিলাক বিষয়ে অধ্যয়ন অনুশীলন কৰোঁতা আৰু উৎসাহ দিওঁতা ফুকনক অকল ৰাজনৈতিক

নেতা বুলিলে, হিমালয় পৰ্ব্বতৰ মাথোন কোনোবা এটা শিখৰক হিমালয় বোলাৰ দৰেহে হব।

ফুকনৰ জীৱন-দৰ্শন মতে আমাৰ অনেকৰে বাহি নাহিব পাৰে। নাহিলেই বা? সকলোৰে জীৱন-দৰ্শন একে নহয়। বিশেষকৈ যে মেধাবী আৰু পণ্ডিতসকলৰ আৰু নহয়। আমি সাধাৰণ সংসাৰী মানুহে আমাৰ সাধাৰণ সংসাৰী অভিজ্ঞতা আৰু তাকৰীয়া জ্ঞানৰ সমলেৰে চাই জুখি, সংসাৰখন যেনে বুলি ভাবোঁ আৰু সংসাৰৰ স্বৰূপটো আমাৰ আগত যি মূৰ্ত্তিৰে ওলায় ঠিক তেনে দৰেই অতি জ্ঞানী আৰু মেধাবী-সকলেও সংসাৰখন চায় বা দেখে বা লয় বুলি আমি ভাবি থওঁ। আমাৰ অলপ-বিস্তৰ উৎকৰ্ষ সাধন কৰা মনে সংসাৰ আৰু সাংসাৰিক ঘটনাৱলী যি মানসিক স্তৰৰ পৰা দেখিবলৈ পায় আৰু সেই দৃষ্টিয়ে আমাক সংসাৰখন যেনে বুলি দেখুৱায়, মেধাবীসকলেও মানসিক অতি উচ্চ স্তৰৰ পৰা সংসাৰখন তেনে বুলিয়েই দেখে বুলি আমি একৰকম ধৰি লওঁ আৰু সেই কাৰণেই আমি বহু সময়ত সেই মেধাবীসকলৰ মন নুবুজাৰ লগে লগে তেওঁলোকৰ সাংসাৰিক আৰু সংসাৰ বিষয়ৰ ব্যৱহাৰো বুজিব নোৱাৰি সেই তেজস্বীসকলৰ জীৱন-চৰিত্ৰ, উপযুক্ততা আমাৰ ধাৰণাৰ ফালৰ পৰাই পৰ্য্যবেক্ষণ কৰি তেওঁলোকলৈ কটাক্ষপাত কৰোঁহক। ইয়াৰ কাৰণেই আমাৰ মাজৰ ডাঙৰ ৰাজনৈতিক, কৱি, দাৰ্শনিক, সাহিত্যিক বৈজ্ঞানিক, আৰু ৰূপশিল্পীসকলক আমি বুজিব পৰা কাৰ্য্যাৱলীৰ বাবে মূৰত তুলি লৈ আমাৰ খৰা মনে ঢুকি নোপোৱা তেওঁলোকৰ কাৰ্য্যাৱলীৰ বাবে আৰু তেওঁলোকৰ জীৱনৰ কিছুমান বিচিত্ৰ ব্যৱহাৰ—(যি ব্যৱহাৰ আমি বুজিব নোৱাৰাৰ বাবে আমাৰ কাৰণে নাভূতনাশ্ৰুত আৰু অদ্ভুত যেন হৈ পৰে) তাৰ বাবে মুখ বিকটাই, তেওঁলোকৰ সেই বিচিত্ৰ কাৰ্য্যৰ বিষয়ে দকৈ গমিপিটিকি চাবলৈ নগৈয়েই একোটা অবাঞ্ছনীয় মন্তব্যেৰে তেওঁলোকৰ গৌৰৱৰ মুকুটলৈ আলাদ্ধু ছটিয়াওঁ। সাধাৰণ জনতাই এনে ঠেক মনা আৰু ভ্ৰান্তিমূলক ব্যৱহাৰ সদায় বিশিষ্ট পুৰুষ-সকলৰ ওপৰত কৰি আহিছে আৰু কৰি থাকিবও। থাকিলেই বা!

জনসাধাৰণে কাৰোবাক ভুল বুজিলে বা নুবুজিলে, পাহৰিলে বা নাজানিলেই সেই বিশিষ্টসকলৰ বিশিষ্টতা কমিব জানো ? মহতৰ মহত্ত্ব কমিব জানো ? বেলিটোক পৃথিৱীৰ পৰা উদ্ভুত হোৱা ডাৱৰে গৈ ঢাকিলে পৃথিৱীৰ মানুহেহে বেলিটো আধা দেখে বা নেদেখা হয়। কিন্তু উৰ্দ্ধতৰ বিমানৰ বেলিটোক সেই ডাৱৰে দূৰৰে পৰা কাৰোবাৰ কাৰণে আঁৰ কৰিলেও বেলি বিশ্বজগতৰ আগত উজ্জ্বল হৈ থাকে। বেলিৰ ওচৰলৈ ডাৱৰ যাব পাৰে জানো ? পৃথিৱীয়ে নিজৰ গৰ্ভৰ কলা ডাৱৰ বেলিৰ আগত তৰি বেলিক আঁৰ কৰি নিজকে মাথোন বেলিৰ তাপ আৰু পোহৰৰ পৰা বঞ্চিত কৰে। বেলিটোক ঢাকিবও নোৱাৰে, আৰু মলিয়ন পেলাবও নোৱাৰে।

ফুকনৰ জীৱনৰ শেষ ভাগত দেশৰ এদল লোকৰ দেশ বিষয়ক কাৰ্য্যপদ্ধতিত সমূলি বিশ্বাস নথকাত আৰু তেওঁ অন্তঃকৰণেৰে আন কাৰ্য্য-পদ্ধতি বিশ্বাস কৰাত তেখেতৰ দেশৰ ৰাজহুৱা জীৱনৰ ভাগ লওঁতা বহুতৰেই সতে ভালকৈ ৰাহি নাহিছিল। তাৰ বাবে তেখেতে নিজকে মাজেসময়ে ৰাজহুৱা জীৱনৰ পৰা আঁতৰাই ৰাখি দেশৰ সেইসকলে তেওঁ সোঁ-বাট বুলি ভবা দেশৰ উন্নতিৰ বাটেদিয়েই নিশ্চয় হলেও এদিন নহয় এদিন বাট বুলিবহি বুলি দৃঢ় বিশ্বাস কৰি, সেই দিনালৈ অপেক্ষা কৰি আছিল আৰু তেওঁৰ মত এদিন ফলিয়াও দেখি গল।

এদিন ফুকনৰ সৱিতা-সম-প্ৰভ ব্যক্তিত্বই অসমৰ সকলোৰে তেওঁলৈ শ্ৰদ্ধাত মূৰ দোৱাই ৰাখিছিল—অসমৰে নহয়, ভাৰতবৰ্ষৰো। গোটেই ভাৰতবৰ্ষৰ পৰা এই দৰে সন্মান অৰ্জ্জা লোক আমাৰ ভিতৰত ফুকনৰ আগতে নাছিল, আনন্দৰাম বৰুৱাৰ বাহিৰে। তাৰ পিছতে ফুকনে ভাৰতবিখ্যাত হৈ অসমীয়াৰ কপালত গৌৰৱৰ সোণৰ সেন্দূৰৰ ৰেখা জিলিকালে। ভাৰতৰ মেধাবী ৰাজনৈতিক ডাঙৰীয়াসকলৰ সতে সমানে আগ ভাগ পাই ৰঙা থঙাত বহিবলৈ আসন পালে ফুকনেই। ফুকনৰ গৌৰৱৰ পোহৰে অসম জননীৰ মুখ উজ্জ্বলালে। ভাৰতবৰ্ষই

অত যুগ-যুগান্তৰৰ পিছত, এই পোহৰতে ভালকৈ অসমৰ মুখ দেখি চিনিব পাৰিলে।

ফুকনে ভাৰতৰ মাতৃপূজাৰ এই আসমুদ্ৰ হিমাচল জোৰা মন্দিৰটোত অসমী আইৰ ফালৰ পৰা বন্তি এগছ আগবঢ়াই ভাৰতী আইৰ বেদীৰ ওচৰত ধৰি আইৰ বেদীৰ এচুক পোহৰালে। আজিও সেই শলিতাগছি জ্বলিব লাগিছে। অসমৰ সৌভাগ্য আজি ফুকনৰ পিছত সেই বন্তিটিত তেল যোগাওঁতা অসমীয়া দুই চাৰিজন ওলাইছে আৰু সেই ভাৰতী-পূজাৰ বন্তি অখণ্ডকৈ জ্বলাই ৰাখিব পাৰিছে। অসমীয়াৰ এই ভাৰতী-আইৰ বেদীত দিয়া বন্তিটিত তেল লুইতৰ পানীৰ দৰে নুগুকুৰাকৈয়ে পৰি থাকক আৰু তাৰ শলিতাডাল নেজাল তৰাটোৰ নেজৰ দৰে দীঘল হৈ, তাৰ মূৰত নেজাল তৰাটোৰ দৰে উজ্জ্বল দীপশিখা নুনুমুৰাকৈ জ্বলি থাকক। যিগছি শলিতা ফুকনে জ্বলাই দি গল, তাক অসমীয়াৰ পো-পোৱালিয়ে দুগুণে তিনিগুণে উজ্জ্বলাই উজ্জ্বলাই, যুগে যুগে জ্বলাই ৰাখক। অসমী আইৰ আশীৰ্ব্বাদ লৈ কাললৈ নুমুৰা ফুকনৰ স্মৃতিৰ নীলা জুইকুৰাই চিৰকাললৈ অসমত পোহৰ বিলাই থাকক।

---

# বেজবৰুৱা প্ৰতিভা

জোনাকী-যুগৰ শুৱনি সৰিতা, জীৱ, দিয়া কৰিতা স্ৰজোঁতা, অসমীয়াৰ মৰহি যোৱা সাহিত্য বননিখনি 'বাঁহীৰ' সুৰদি সঞ্জীৱনী মন্ত্ৰেৰে ঠন ধৰাই তোলোঁতা, লক্ষ্মীনাথ সঁচাকৈয়ে বেলিটিৰ দৰেই দিনৰ সকলো কাম সমাধা কৰি নিজৰ জ্যোতিৰেই দিগন্ত তেজগোৱা কৰি মাৰ গ'ল। আজি লক্ষ্মীনাথৰ গৌৰৱৰ ৰঙা সোণ-সেন্দূৰে অসমৰ আকাশ বোলাই কেনে লাৱণি কৰিছে! লুইতৰ বহল বুকুৰ শীতল ফটিক যেন পানীত সাতোবৰণৰ ফেনে ধেমালি পাতিছে—তাকে দেখি আজি সকলোৰে প্ৰাণত এটি কি অভিনৱ ভাবৰ সৃষ্টি হৈছে! লক্ষ্মীনাথ মাৰ যোৱা সন্ধিয়াৰ ৰঙা চন্দনে আজি প্ৰত্যেক অসমীয়াৰ কপালতে আশাৰ ৰক্তচন্দন পিন্ধাই জীৱন-যুঁজত আগবাঢ়িবলৈ উছাহ দিছে।

প্ৰকৃতিৰ নিৰ্দ্দেশ মানি লক্ষ্মীনাথে আজি সকলোকে এৰি গুচি গল আনন্দৰ ৰাজ্যলৈ। আমি মানুহৰ মন দুৰ্ব্বল। অসমীয়াই হিয়াভগা বেজাৰৰ ভাৰ সব পৰা নাই। অসমীয়া অভিধানৰ সকলো শব্দকে আনি কাপৰ আগত লৈয়ো দেখোন আমাৰ অন্তৰৰ সব নোৱাৰা বেজাৰৰ কথা, লক্ষ্মীনাথৰ অভাৱৰ কথা প্ৰকাশ কৰিবলৈ অসমৰ্থ! যি ভাষাটিক ভাবে-শবদে ইমান চহকী কৰিলে লক্ষ্মীনাথে, সেই ভাষাটিয়েই আজি লক্ষ্মীনাথৰ গুণ-গৌৰৱৰ কথা, অসমীয়াৰ বেজাৰৰ কথা, অসমীয়াৰ অন্তঃস্থল ভেদি উঠা শোকৰ কৱিতা প্ৰকাশ কৰিবলৈ অসমৰ্থ।

জোনাকী-যুগৰ সাহিত্য-কোঁৱৰ কেজনে গঢ়া এই অসমীয়া সাহিত্যৰ উপবনখনিৰ এজুপি শেৱালিৰ চাঁত বহি আমিও এধাৰি ছুধাৰিকৈ মালা গাঁথি অসমী আইৰ পূজাৰ বেদীত নি লক্ষ্মীনাথ পূজাৰীৰ আগত ধৰি আইৰ পূজাত লাগিব নে বুলি সুধি আগবঢ়াই

দিলোঁ। তেওঁৰ সেই সৌম্য মুখৰ হাঁহিটি দেখি হাত পাতি গঁথা মালাধাৰি নি আইৰ পূজাৰ বেদীত থোৱা দেখি ভৱিষ্যতে আৰু ফুল গোটাই মালা গাঁথিবলৈ কত উৎসাহ পাইছিলোঁ। কিন্তু আজি কাৰ আগত সেই মালাধাৰি দাঙি ধৰিম? কোনে চাই সন্তোষৰ হাঁহি এটি মাৰিব? কাৰ এটি সন্তোষৰ হাঁহিৰ উমে ফিৰ্ ফিৰ্ কৈ নিৰুৎসাহৰ চেঁচা বতাহে কোবোৱা এই অসমীয়া সাহিত্য-বনখনিত আমাক চাই থাকি মালা গাঁথিবলৈ, নকৈ ফুলৰ গুটি ৰুবলৈ, পুলিবোৰ প্ৰতিপালন কৰিবলৈ, হোৱা গছবোৰ নিৰাবলৈ, নোহোৱা, গছৰ গুটি ৰুবলৈ, পূৰঠ গছৰ কেৰোণ গুচাবলৈ, বাহিৰৰ ধুমুহা বতাহ-বৰষুণ আৰু আচহুৱা মানুহৰ আক্ৰমণৰ পৰা ফুলি থকা ফুলনিৰ সৈতে এই অসমীয়া সাহিত্যৰ বৰফুলনিখনি ৰখিমেলি থাকিবলৈ হাক-বচন শুনাই থাকিব? সঁচাকৈয়ে আজি আমাৰ বৰ উৰুঙা লাগিছে। সাহিত্য-বনখন বৰ শুদা লাগিছে। সাহিত্যৰ মন্দিৰৰ ভিতৰৰ পৰা বজ্ৰগম্ভীৰ ওঙ্কাৰ ধ্বনি আৰু শুনা হৈছোঁ। তাৰ পৰিৱৰ্ত্তে কুমলীয়া মাতৰ মন্ত্ৰপাঠ হৈছে মাথোন! আকৌ এই কুমলীয়া পূজাৰীবিলাকৰ জোটন উচ্চাৰণবোৰ কেতিয়া চাগৈ বজ্ৰগম্ভীৰ ওঙ্কাৰলৈ পৰিণত হবগৈ! কিমান দিনৰ পিছত?

সিদিনাহে চিৰদিনলৈ বীণৰ তাঁৰৰ পৰা আঙুলি আঁতৰাই, বীণখনি কাতি কৰি থৈ চন্দ্ৰকুমাৰ নিমাত হল। মানৱ-প্ৰাণৰ সত্য নিজৰ মুখেদি প্ৰতিভাত কৰি, বীণৰ ঝঙ্কাৰেৰে অসমীয়া সাহিত্য-বনখন গীতিমুখৰকৈ ৰাখি, অসমীয়া সাহিত্য-মন্দিৰৰ শিলৰ বেদীত সোণৰ প্ৰতিমা নিজ হাতে গঢ়ি থাপি নিৰ্ব্বাক অতীজৰ নিমাত খোঁটালীত নিচুক হৈ সোমালগৈ। আকৌ নৌ মাহ পূৰ্বেঁতেই লক্ষ্মীনাথো হঠাতে বাজি থকা বীণখনিৰ মাত শুনি চক খাই "কলৈ গ'লা?" বুলি বিচাৰি কেতিয়াও ঘূৰি নাহিবলৈ গুচি গল। সেয়েহে দুয়ো অভিন্ন-হৃদয়।

লক্ষ্মীনাথ কলৈ গুচি গলগৈ? কিমান দূৰলৈ? পিছে লক্ষ্মীনাথ! তুমিতো যাবগৈ নোৱাৰা। তুমি থাকিবা। আমাৰ লগতে, এতিয়াও-

আগলৈকো, বহু যুগ-যুগান্তৰলৈ, শত-সহস্ৰ শতাব্দীলৈ, বহু বহু বহু দিনলৈ সূৰ্য্যৰ জ্যোতি হীনপ্ৰভ হৈ আন্ধাৰ হোৱা সেই পৃথিৱীৰ সন্ধিয়াৰ দিনলৈকে তুমি থাকিবা।

তোমাক কোনে পাহৰিব পাৰিব বাৰু? সুঁৱৰিব, তোমাক সুঁৱৰিব দিনে৷—পুৱা, সন্ধিয়া, নিশা, দুপৰীয়া, ভৱিষ্যতৰ বহু যুগান্তৰৰ অসমীয়াই। নবীন অসমীয়া দলে তোমাৰ ঝঙ্কাৰময়ী, দীপ্তিময়ী, উৎসাহময়ী, শক্তিময়ী, অমৃতময়ী লিখনীৰ শব্দ-প্ৰপাতত নিতৌ স্নান কৰি পুলকিত হব, হাঁহিব, কান্দিব, শত-সহস্ৰ হিয়াৰ তলিৰ পৰা সোঁৱৰণি-পদুমৰ আঁজলি তোমাৰ স্মৃতিৰ চৌপাশে ফুলি উঠিব। যুগান্তৰৰ পথত বাট বুলি যোৱা অসমীয়াই তোমাৰ প্ৰতিভাৰ পোহৰত আগবাঢ়ি যাব। অসমৰ আকাশে-বতাহে তোমাৰ প্ৰতিভাৰ সৌৰভে দিগন্ত আমোলাই থব। অসমৰ আকাশৰ ব্যোমপথত বাঁহীৰ সুৱদি সুৰে কতদিনলৈ লীলায়িত লয়লাসে নৃত্য কৰি এই দেশৰ শ্ৰৱণ সপোন বিভোৰ কৰি থব। তুমি থাকিবা আমাৰ ভাষাৰ শবদে শবদে, তুমি থাকিবা আমাৰ কৱিতাৰ শাৰীয়ে শাৰীয়ে, তুমি থাকিবা আমাৰ সাহিত্যৰ বাহিৰে-ভিতৰে, তুমি থাকিবা অসমীয়াৰ জীৱনৰ উশাহে-নিশাহে। তুমি থাকিবা, থাকিবা, থাকিবা।

আজি আমাৰ সাহিত্যৰ দুৰ্জ্জয় শক্তিৰ মূৰ্ত্তিমান ৰূপ এটি নাইকিয়া হল। যিজনে সোণৰ কাপৰ আগেদি জুলীয়া জুই উলিয়াই এটি মৰিবলগীয়া জাতিৰ ভাষাৰ গা তপত কৰি সঞ্জীৱিত কৰিলে, তেওঁ আজি সোণৰ কাপ কাতি কৰি থৈ ভাগৱত জিৰণি ললে। সচাঁকৈয়ে তেওঁ আৰু নাইকিয়া হল! তেওঁ আৰু লিখনী নচলায়! তেওঁৰ হাতৰ আহিঁ আৰু নাই। কৱিতা-কাব্য-গীত-নাট আৰু আমি নাপাওঁ। কিন্তু তেওঁৰ পুৰণি লিখাই অসমীয়াৰ কাৰণে সদায় নতুন হৈ থাকিব। অস্তাচলত লক্ষ্মীনাথ সদায় আমাৰ আগত দুপৰীয়াৰ বেলিটোৰ দৰেই উজ্জ্বল হৈ জ্বলি থাকিব। তেওঁৰ স্মৃতিৰ পৰাই তেওঁৰ প্ৰতিভাৰ পোহৰ নিজৰি নিজৰি ওলাই থাকিব। তেওঁৰ বহুমুখী প্ৰতিভাৰ জ্যোতি-

প্ৰপাত এতিয়াও আমাৰ ওপৰেদি বাগৰি যাব লাগিব, আগলৈকো নিছিগা ধাৰে বৈয়েই থাকিব।

চালুকীয়া কালতে দেশপ্ৰেমেৰে অনুপ্ৰাণিত লক্ষ্মীনাথে কলিকতীয়া ছাত্ৰ হৈ যিটি কাপ হাতত তুলি ললে অসমীয়াৰ হকে মাতিবলৈ, অসমীয়াৰ হকে লিখিবলৈ, অসমীয়াৰ হকে যুঁজিবলৈ, সেই অবিশ্ৰান্ত লিখনীৰ লিখা মাথোন মৰণৰ দিনাহে শেষ পৰিল। আজীৱন এইদৰে ছেদভেদ নোহোৱাকৈ অসমীয়া ভাষাৰ সেৱা কৰোঁতা, মৰ্ম্মে মৰ্ম্মে অসমীয়া ভাষাৰ অভাৱ-অনাটন অনুভৱ কৰোঁতা, অসমীয়া ভাষাৰ মহাদুৰ্দ্দিনৰ দিনা, ভাষাৰ বিপদ ভালকৈ বুজি বাহিৰা আক্ৰমণৰ পৰা নিশকতীয়া ভাষাটিক আবৰি ধৰি তাৰ হকে অবিশ্ৰান্ত ভাবে, অনৰ্গল যুঁজি ভাষাক ৰক্ষা কৰি ভাষাক টনকিয়াল কৰোঁতা, অসমীয়া পদ্য-সাহিত্যত ভাবৰ নিজৰা বোৱাওঁতা, অসমীয়া ভাষাৰ গদ্য-ৰচনাৰ ভেটি সুদৃঢ় কৰি অসমীয়া গদ্য-সাহিত্যৰ গঢ় লগাওঁতা, অসমীয়া শব্দাৱলীৰে একেৰাহে শক্তিশালীকৈ, কুমলীয়াকৈ, সুমধুৰকৈ, পতিয়ন নিওৱাকৈ ভাষাৰ সৃষ্টি কৰোঁতা অসমীয়াৰ নিভাঁজ গীত-মাতৰ আদৰ্শ দিওঁতা, অসমীয়া নাট্যমঞ্চত নিভাঁজ অসমীয়া নাট লিখাৰ চানেকি দাঙি ধৰোঁতা, অসমীয়া নাটকীয় চৰিত্ৰইদি নিখুঁতভাবে অসমীয়া চৰিত্ৰ প্ৰকাশ কৰোঁতা, অসমীয়া সাহিত্যত আপুৰুগীয়া, অনুপম, কৱিতাময়ী সুখৰ সমাজিক জগতৰ সাহিত্যৰ আন কোনো অনুপম সৌন্দৰ্য্য সৃষ্টিৰ সতে ফেৰ মাৰিব পৰা ডালিমা চৰিত্ৰ আকোঁতা, নাটকীয় কাৰিকৰি, সুক্ষ্মতা, বিচক্ষণতা আৰু সুনিপুণতাৰে প্ৰয়োগ কৰোঁতা, অসমীয়া নাট্য-সাহিত্যৰ ভেটি বান্ধোঁতা, অসমীয়া সাহিত্যৰ প্ৰত্যেক খোঁটালীতে প্ৰতিভাৰ বন্তি জ্বলাওঁতা, অসমীয়াক জাতীয়তাৰে অনুপ্ৰাণিত কৰোঁতা অসমীয়া সাহিত্যৰ প্ৰধান ওজা, শক্তিমন্ত যুঁজাৰু, অসমীয়া সাহিত্যৰ মেধাস্বৰূপ, প্ৰাণস্বৰূপ, এটি যুগৰ বতৰা কওঁতা লক্ষ্মীনাথ বেজবৰুৱাৰ কথা কৈও অন্ত পাবলৈ নাই, লিখি শেষ কৰিবলৈকো ভাগৰ লাগে।

লক্ষ্মীনাথ আহি জন্মিছিল এটি জাতিৰ সন্ধি-ক্ষণত। পৰাজিত, স্বাধীনতালুপ্ত, মুমূর্ষু, ধর্ষিত, অত্যাচাৰিত অসমীয়া জাতি সেই সময়ত সৰ্চাকৈয়ে জীৱন-মৰণৰ সন্ধি-ক্ষণত। যুগ-যুগান্তৰৰ গৌৰৱদীপ্ত স্বাধীনতাৰ বেলি মাৰ যোৱা সময়ত, নিজৰ মান-গৌৰৱ, ধন-দৌলত, শক্তি-সম্ভাৰ সকলো হেৰুৱাই মানৰ ত্ৰাসত পৰ্ব্বতে-পাষণ্ডে সোমাই আত্মৰক্ষা কৰি থকা সময়ত, বিদেশী সভ্যতা, বিদেশী কৃষ্টি, বিদেশী সাহিত্যৰ আক্ৰমণৰ পৰা তেনে দুৰ্ব্বল আৰু নিশকতীয়া অৱস্থা ৰোধ কৰিবলগীয়া সময়ত, নিজৰ সকলো পাহৰি বিজয়ী বিদেশী আৰু সিহঁতৰ লগৰ নন্দী-ভৃঙ্গীৰ ভয়ত পেপুৱা লগা সময়ত, অসমীয়াৰ সঁচাকৈয়ে নিজৰ জীৱনৰ সন্ধি-ক্ষণ। সেই দিনাই অসমীয়া সমূলঞ্চে চিনচাব নোহোৱাকৈ উচ্ছন্ন গলহেঁতেন নাইবা কাৰোবাৰ প্ৰবল গৰাহত সোমাই কাৰোবাৰ অন্তৰত উচুপি উচুপি জাহ গলহেঁতেন। কিন্তু সি নহলগৈ যেনিবা। সেই নিৰাশাৰ এন্ধাৰত কোনেও গম নোপোৱাকৈ জন্মিল অসমীয়াৰ কেবাজনো শক্তিশালী সন্তান। তেওঁলোকেই হাতত আশাৰ জোৰ লৈ আন্ধাৰে-মুধাৰে বাট বুলি, কত বাধা-বিঘিনি অতিক্ৰম কৰি, কত যুঁজ-বাগৰ কৰি, কেতিয়াবা জিনি, কেতিয়াবা হাৰি, উঠি-পৰি, আমাক আজি এই পুৱাৰ পোহৰৰ ৰাজ্যলৈ লৈ আহি বেলিৰ পোহৰত গোটেই বহল পৃথিৱীখনি দেখুৱাই দি গুচি গল। এতিয়া আমি পোহৰত উপজি তেওঁলোকৰ সেই আন্ধাৰৰ মাজে মাজে অহা দুখ-কষ্টৰ কথা, তেওঁলোকৰ দুৰ্জ্জয় সাহৰ কথা, তেওঁলোকৰ অজেয় মনোবলৰ কথা, তেওঁলোকৰ মাজে মাজে নিৰাশাত বুৰ লৈ হোৱা মানসিক অৱস্থাৰ কথা, জননী জন্মভূমিৰ তেনে নিশকতীয়া মলিন অৱস্থা দেখি হিয়াভগা শোকৰ কথা, চকুৰ আগতে দেখিও একো কৰিব নোৱাৰাত মনৰ খেদৰ কথা, বাহিৰা আক্ৰমণৰ সংঘৰ্ষত আহি দুখ-কষ্টত জৰ্জ্জৰিত হোৱাৰ কথা, সেই এমুঠি অসমীয়াৰ ভীম-বলৰ কথা, সেই এমুঠি অসমীয়াৰ ভীম-কৰ্ম্মৰ কথা আমি অনুভৱ কৰিব নোৱাৰোঁ, বুজিব নোৱাৰোঁ। সি আমালৈ সাধুকথা হেন হল, আমি সাধুকথাৰ দৰে পঢ়ি মাত্ৰ ৰোমাঞ্চিত হব পাৰোঁ।

সেই তেনে দিনত সেই "ঘোৰ তিমিৰ ঘন নিবিড় নিশিথে—পীড়িত মূৰ্চ্ছিত দেশে" আহি লক্ষ্মীনাথে জন্ম লৈছিল। সেই তেনে সময়ত সেই তেনে ৰাতি খপি আন্ধাৰতে কত কৰি থৈ গল। আমাক পোহৰলৈ হাবিবন ভাঙি উলিয়াই আনিলে। আমাৰ সেই দুৰ্দ্দিন নোহোৱা কৰিলে। আমাৰ কাৰণে এতিয়া -

"ৰাত্ৰি প্ৰভাতিল, উদিল ৰবিচ্ছবি
পূৰ্ব্ব উদয়গিৰি ভালে—
গাহে বিহঙ্গম, পুণ্য সমীৰণ
নৱ জীৱন ৰস ঢালে।"

আমি বেজবৰুৱা জনমা দিনৰ দুখৰ কথা ভাবিব নোৱাৰোঁ। বেজবৰুৱা যুঁজাৰু—যাৰ কেৱল মন্ত্ৰ আছিল দেশৰ কাৰণে যুঁজ কৰা, যি পৰাজয়ৰ কথা মনতে নাভাবিছিল, যি ক্ষত্ৰিয়ৰ দৰে যুঁজিছিল।

"হাৰিয়া জিনয় কিম্বা জিনিয়া হাৰয়।
কোনো কালে ক্ষত্ৰিয়ৰ নাহি পৰাজয়॥"

এই শঙ্কৰী পদ কেইফাকিকে যি সাৰোগত কৰি আন্ধাৰৰ সতে যুঁজি যুঁজি অসমীয়াক পোহৰৰ ৰাজ্যলৈ আনিলে সেই জনা বেজবৰুৱাৰ গুণ কিমান লম, কিমান কম! বেজবৰুৱাইনো কেনেকৈ আমাৰ সাহিত্য গঢ়ি আনিলে? তেওঁৰ আগতে আছিল কি? তেওঁনো কৰিলে কি? এই সকলোখিনি কথা এটি এটি কৰি ফঁহিয়াই চাই নগলে তেখেতৰ অসমীয়া সাহিত্যলৈ অমূল্য দানৰ বিষয়ে আমি ভালকৈ নুবুজিম। সেই কাৰণে আমি তেখেতৰ দুই এটা কথাৰ বহলাই বিচাৰ কৰি যাম।

*        *        *

বেজবৰুৱাই শঙ্কৰী সাহিত্য-আলোচনা আৰু তাৰ গৌৰৱ প্ৰচাৰ কৰি অসমীয়া পুৰণি সাহিত্য পোহৰলৈ আনি সেই সাহিত্যৰে অসমীয়াক অনুপ্ৰাণিত কৰি অসমীয়া পুৰণি সাহিত্যলৈ অসমীয়াৰ প্ৰগাঢ় ভক্তি আনি দি লগে লগে অসমীয়া সাহিত্যলৈ ৰাপ লগাই দিয়াটোও বেজবৰুৱাৰ

এটা প্ৰধান লেখত লবলগীয়া কাম। এই কাম তেখেতে যেনেকৈ কৰি গল সেইদৰে তেওঁৰ সমসাময়িক আন কাৰো দ্বাৰাই হোৱা নাছিল।

অসমীয়াৰ পুৰণি সাহিত্যত যে এনে অমূল্য সম্পদ সোমাই আছে, শঙ্কৰদেৱৰ কৱিতাৰ শাৰীয়ে শাৰীয়ে যে ইমানবোৰ ভাবৰ হীৰা-মণি-মুকুতা সোমাই জিল্‌মিলাই আছে, সেইবোৰৰ মূল্য নিৰূপণ কৰি আৰু তাৰ সৃষ্টি কৰোঁতা শঙ্কৰ-মাধৱৰ প্ৰতিভাৰ কথা অসমীয়াক দেখুৱাই দি আত্মবিস্মৃত অসমীয়াৰ মনলৈ তেওঁ আকৌ সংকল্প আনি দিলে। অসমীয়াই যেতিয়া দেখিলে যে ভাৰতৰ আন যি কোনো বৈষ্ণৱ কৱিৰ সমকক্ষ, আনকি আন কথাত তেওঁলোকতকৈও শক্তিশালী আৰু বিচিত্ৰ প্ৰতিভাৰ লোক তেওঁলোকৰো আছে, তেতিয়া সচাঁকৈয়ে অসমীয়া জাতিৰ নিজৰ ওপৰত বিশ্বাস জন্মিল। নিজৰ মনত সাহ উপজিল। সেই দিনা লক্ষ্মীনাথে শঙ্কৰ-প্ৰতিভা দেখুৱাই দি ওপজোৱা সাহত ভৰ দি আজিৰ অসমীয়াই কমখিনি বাট আগবাঢ়ি আহিল নে? স্বৰ্গীয় হৰিবিলাস আগৰৱালা ডাঙৰীয়াই যদিও পোনপ্ৰথমেই হাতেলিখা এই শঙ্কৰ-মাধৱৰ পুথিবোৰৰ আচল মোল বুজি প্ৰকাশ কৰি সকলো অসমীয়াৰ মাজত তাক প্ৰকাশ কৰিলে তথাপি এই ৰত্নৰাজিৰ মূল্য, গুণ আৰু তাৰ অসমীয়াক মোল বুজালে বেজবৰুৱাইহে। তেওঁ অকল তাকে কৰি এৰা নাই— সেই পুৰণি গৌৰৱময় সাহিত্যৰ আম-কঁঠাল, লেটেকু-পনিয়ল, শাক-পাচলি, ফল-মূলৰ, দিব্য বন ফুলনিৰে সুশোভিত আৰু পোতত সোণ-ৰূপ থকা বৰবাৰীখন ভালকৈ পাতি চিকুণাই-আবনাই তাতে বৰ্ত্তমান অসমীয়া সাহিত্যৰ বৰভেটি তুলি, বৰ-ঘৰ, মাৰল-ঘৰ, গোসাঁই-ঘৰ পাতিবলৈ বৰখুটাও পুতি গৈছে। এতিয়া যদি আমি অসমীয়াই সেইবোৰত চাল-বেৰ খুৱাই, টুপ-কলচীৰে সুশোভিত কৰি লব নোৱাৰোঁ তেন্তে সি আমাৰহে লাজৰ কথা হব। এওঁলো এটা যুগত যিখিনি কৰিব লাগে, তাতোকৈও এখোপ সৰহকৈ কৰি থৈ গৈছে। তেখেতৰ সূক্ষ্ম-দৰ্শিতাৰ কথা ইয়াতে ভালকৈ ওলাই পৰে। জাতিৰ মৰ্ম্মস্থান বেজবৰুৱাই চিনিব পাৰিলে আৰু সেই কাৰণে শঙ্কৰ-মাধৱৰ সাহিত্যত হাত দিলে আৰু

সেই লিখনীৰ মৃতসঞ্জীৱনীয়েই যে মৰিবলগীয়া অসমীয়াক পুনৰ্জ্জীৱন দি জগাব তাক ভালকৈ জানি বেজবৰুৱাই ওজা-বেজৰ দৰেই ঔষধ-পাতি দিলে। চাওঁতে চাওঁতেই ঔষধৰ গুণত আধামৰা সাহিত্যত জীৱনে ধেমালি পাতিলে। অসমীয়া সাহিত্য উঠি বহিব পৰা হল।

প্ৰাক্-শঙ্কৰী যুগৰ পিছৰে পৰা যি অসমীয়া জাতিৰ ধৰ্ম্ম, সমাজ, সাহিত্যই এটা স্বকীয়া গঢ় লৈ মূৰ্ত্ত হৈ উঠি আহিছিল এই তিনি বিষয়তে আধুনিক প্ৰভাৱ পৰাৰ আগলৈকে সেই অসমীয়াৰ ধৰ্ম্ম-সমাজ-সাহিত্য-জীৱনৰ শঙ্কৰদেৱেই যে কেন্দ্ৰ আৰু সকলো প্ৰেৰণাৰ উৎস তাক আৰু নকলেও হব। শঙ্কৰৰ শতমুখী প্ৰতিভাৰ প্ৰভাৱতে গোটেই অসমীয়া সমাজৰ বান্ধনি আজিলৈকে টনকিয়াল হৈ ৰৈ আছে। অসমীয়াৰ সাহিত্য, সমাজ, ধৰ্ম্ম-জীৱনৰ আচল গুৰি-ধৰোঁতা যে শঙ্কৰদেৱেই আৰু শঙ্কৰদেৱৰ মহান ব্যক্তিত্বই যে অসমীয়াৰ সকলোতে ওতঃপ্ৰোত ভাবে বিৰাজ কৰি অসমীয়া জীৱনৰ বাঘজৰী ধৰি আছে এই কথা লক্ষ্মীনাথৰ সূক্ষ্মদৰ্শনৰ আগত জল্‌জল্ পট্‌পট্ হৈ উঠিল আৰু সেই কাৰণেই লক্ষ্মীনাথে শঙ্কৰদেৱৰ জীৱনৰ সকলো খোটালীতে সোমাই তাৰ বিষয়ে ভালকৈ অনুসন্ধান, গৱেষণা আৰু আলোচনা কৰি শঙ্কৰদেৱৰ সাগৰসঙ্কাশ গুণৰাশি আৰু হিমাচল সম ব্যক্তিত্ব অসমীয়াক দেখুৱাই দি নিজেও সেই পুৰুষৰ গুণ-সাগৰৰ অঠাৱনীয়া পানীত নাদুৰি-সাঁতুৰি বুৰ মাৰি তাৰ গভীৰত্ব জুখিবলৈ শেষ দিনলৈকে যত্ন কৰি গল। শঙ্কৰদেৱৰ আগৰ 'আদি কৰি অপ্ৰমাদী'সকল আৰু শঙ্কৰদেৱৰ সমসাময়িক মাধৱকে আদি কৰি আৰু তাৰ পিছৰ যুগৰ অসমীয়াৰ পুৰণি সাহিত্য আকাশৰ সৰু-ডাঙৰ তৰাবোৰকো তেওঁ আঙুলিয়াই দি কাৰ কি গুণ, কোন কক্ষত কাৰ কি গতি, কোন কিমান ওচৰত বা কিমান দূৰত আৰু সেই তৰাবোৰৰ পাৰস্পৰিক সম্বন্ধ, সমসাময়িক প্ৰভাৱ আৰু শঙ্কৰ-সূৰ্য্যৰ সৌৰজগতত সেইবোৰৰ স্থান—এই সকলোবোৰ প্ৰাগজ্যোতিৰ্ব্বিদৰ দৰেই নিৰীক্ষণ কৰি তাৰ আঁতিগুৰি কৈ অসমীয়াৰ চকু গজাই থৈ গৈছে। এই পুৰণি সাহিত্য তেখেতৰ দৰে আজীৱন চৰ্চ্চা, আজীৱন আলোচনা

কৰোঁতা আৰু মৰণাৱধি তাৰ ৰস পিওঁতা আৰু বিলাওঁতা অসমত আৰু দ্বিতীয় জন তেওঁৰ দৰে অভ্ৰভেদী ব্যক্তিত্বেৰে কোন ?

বেজবৰুৱাৰ পুৰণি সাহিত্য বিষয়ক কাৰ্য্যাৱলীয়ে অসমীয়াৰ বৰ্ত্তমান সাহিত্য আৰু জাতীয় জীৱন পুনৰ গঠন কৰিবলৈ কেনেকৈ ডাঙৰ সহায় কৰিলে সেই বিষয়েহে আলোচনাৰ আমাৰ আৱশ্যক। অসমীয়া জাতি ঠিক সেই সময়তে বা তাৰ কিছু আগৰে পৰা এটা ডাঙৰ ৰাজনৈতিক পৰিবৰ্ত্তনৰ মাজেদি যাবলগীয়া হোৱাত কেবাটাও সমস্যাই আহি অসমীয়াৰ আগত থিয় দিলেহি। য়ুৰোপীয় সভ্যতা আহি অসমীয়াৰ দুৱাৰদলিত থিয় দি অসমীয়াৰ আগত এটা আচহুৱা সমাজ-সভ্যতা সাহিত্য আৰু কৃষ্টি দাঙি ধৰিলেহি। বিজয়ী জাতি এটাৰ আগত সেও মানি বিশেষকৈ মানৰ অত্যাচাৰৰ পিছত শৰণাপন্ন হৈ নিজৰ শৌৰ্য্য-বীৰ্য্যৰ ওপৰত আস্থা হেৰুৱাৰ লগে লগে নিজকে সকলো বিষয়ে হীন দেখিবলৈ ধৰিলে। বিশেষকৈ বিজ্ঞানৰ মহিমাত অসমীয়াই সেই জাতিৰ নিজতকৈ বহু ওপৰ শাৰীৰ জাতি বুলি মানি লৈ বিদেশী জীৱনৰ ৰেহ-ৰূপ, সভ্যতা, কৃষ্টি, সাহিত্য সকলোলৈকে বিস্ময়েৰে, ভয় আৰু ভক্তিৰ চকুৰে চাবলৈ লোৱাত স্বাভাৱিকতে নিজৰ সকলোলৈকে এটা হেয় ভাব পোষণ কৰিবলৈ ধৰিলে। যেই মাত্ৰ জাতিৰ এনে নীচাত্মিকা মনোবৃত্তি উপজিল, সেই মাত্ৰ অসমীয়া জাতিৰ গাত বিজতৰীয়া হোৱাৰ ব্যাধিয়ে বাহ লৈ অসমীয়াৰ জাতীয় জীৱন, জাতীয় সাহিত্য আৰু কৃষ্টিৰ বিশিষ্টতাক লাহে লাহে খীণোৱাই-শুকুৱাই নিয়াবলৈ ধৰিলে। ইয়াতে যদি ৰোগ চাই উপযুক্ত ঔষধ নপৰিলেহেঁতেন তেন্তে অসমীয়া জাতি আজি ভৌগোলিক সীমাবদ্ধ হৈ মাথোন অসমীয়া হৈ থাকি নিজৰ জাতীয় বৈশিষ্ট্য হেৰুৱাই অসমৰ কাষৰীয়া কোনো প্ৰবল জাতিৰ, নিজ বৈশিষ্ট্যবৰ্জ্জিত এটা জাতীয় বিভাগ হবলগীয়া হলহেঁতেন। কিন্তু শ্ৰীশঙ্কৰদেৱৰ অসমীয়া জীৱনৰ সোঁমাজতে সোমাই থকা প্ৰভাৱ আৰু শক্তিয়ে তাক বেগেতে হবলৈ নিদি বাধা দিলে আৰু লক্ষ্মীনাথৰ আগৰ আৰু সমসাময়িক মহান অসমীয়া সন্তান কেইজন-মানে সেই অসমীয়া জাতীয়তাৰ মৰণোন্মুখ গতি ৰোধ কৰিলে—পুৰণি

সাহিত্য-খোঁটালীৰ পৰা মৃত্যুসঞ্জীৱনী আনি। এই কেবাগৰাকী মৃত্যু-সঞ্জীৱনী আনোতাৰ ভিতৰত লক্ষ্মীনাথেই প্ৰধান আৰু পৰপালি দি অসমী আইৰ শিতানত বহি দিনে-ৰাতিয়ে ছেদভেদ নোহোৱাকৈ শুশ্ৰূষা কৰি সময়ৰ ঔষধ সময়ত খুৱাই শয্যাশায়ী অৱস্থাৰ পৰা ফুলনিত ফুৰিব পৰা অৱস্থালৈকে প্ৰতিপাল কৰোঁতাও হৈছে বেজবৰুৱা লক্ষ্মীনাথেই। হতশ্ৰী হবলৈ ধৰা জাতীয়ত্বক লক্ষ্মীনাথেই জয়শ্ৰীমণ্ডিত কৰিলে। লুইতত উটি ভটীয়াই যোৱা সাহিত্যৰ লখিমীক লক্ষ্মীনাথে ওভোতাই আনি আকৌ সাহিত্যৰ মন্দিৰৰ পুৰণি সাহিত্যৰ সাতখলপীয়া সোণৰ সিংহাসনত খিলঞ্জীয়াকৈ থাপিলে। মুঠতে লক্ষ্মীনাথে দেশ ৰাখিলে।

সাহিত্যৰ মাজেদিয়েই পৃথিৱীৰ জাতিৰ জাতীয় জীৱন গঢ়ি উঠিব লাগিছে, সভ্যতাৰ ক্ৰমবিকাশ আৰু ভাবৰাজ্যৰ বিপ্লৱপ্ৰসূত ৰাজনৈতিক পৰিবৰ্ত্তন হব লাগিছে। সাহিত্যৰ মাজেদিয়েই জগতলৈ নন পোহৰৰ ৰশ্মি আহি পৃথিৱীত ধৰ্ম্ম সম্বন্ধীয়, ৰাজনৈতিক, অৰ্থনৈতিক পৰিবৰ্ত্তন সংঘটিত কৰিছে, মৰিবলৈ যোৱাক ৰাখিছে, মৰাক জীয়াইছে, নিষ্পেষিতক আশাৰ অমৃত দিছে, দুখ-দৈন্যৰ অৱসানৰ বাবে জগতৰ আন্তৰ্জাতিক সম্বন্ধৰ ক্ৰমবিকাশ নিয়ন্ত্ৰিত কৰিছে আৰু একো একোটা ভূমিকম্পৰ দৰে ৰাষ্ট্ৰবিপ্লৱৰ অগনিয়ে চৌদিশ উদ্ভাসিত কৰি, দুখ-দৈন্য, অত্যাচাৰ-অনাচাৰৰ আন্ধাৰ দূৰ কৰি, জগতৰ মলিনতা আঁতৰাই জগতৰ জীৱন ফটিক-শুভ্ৰ কৰি নিৰানন্দৰ ৰাজ্যত আনন্দৰ স্বৰ্গৰাজ্য পাতিবলৈ অভিযান কৰিছে। ভাবৰাজ্যৰ জোৰ লৈ বাট দেখুৱাওঁতা বাৰ্ত্তাবাদী আইদিয়াৰ ভাটবোৰে সাহিত্যৰ মাজেদিয়েই মানুহৰ মনৰ ৰাজ্যত, পৃথিৱীত সুন্দৰৰ ৰাজ্য পাতিবলৈ বুলি গীত গাই ফুৰিব লাগিছে। সভ্য মানৱৰ ওপৰত সাহিত্যৰ প্ৰভাৱ ইমান শক্তিশালী, দুৰ্নিবাৰ আৰু সৰ্ব্বভেদী মানুহৰ ভাবৰাজ্য, অনুভূতিৰ ৰাজ্য, মন-ৰাজ্য এই সকলোতে সাহিত্যই মুকলিমূৰীয়াকৈ ফুৰি নিজ অভীষ্ট সিদ্ধি কৰিব পাৰে আৰু লগৰে লগৰী সঙ্গীতেও এই কেউ ৰাজ্যতে অবাধে বিচৰণ কৰি সাহিত্যৰ

বাণী প্ৰচাৰ কৰোঁতে ইন্দ্ৰিয়বোৰক সন্তুষ্ট কৰি আৰু বেগেতে অভিলাসিত কাৰ্য্য সাধিবলৈ সক্ষম। এই কথাটো জগতৰ সকলো মেধাবীয়েই জানে। শঙ্কৰদেৱে ইয়াক ভালকৈ জানিছিল দেখিয়েই তেৰাৰ লিখনীয়ে অসমীয়া পুৰণি সাহিত্য আৰু সঙ্গীত সকলো পিনেই জাতিষ্কাৰ কৰি গৈছে। অসমীয়া জাতিক মনে-প্ৰাণে জীয়াই তুলিবলৈ লক্ষ্মীনাথে আকৌ সেই সাহিত্যৰ বাঁহীটিয়েই হাতত তুলি ললে। পুৰণি সাহিত্যৰ পৰা জীৱনৰ আশা আনি দি অসমীয়াৰ মোহ ভাঙি তেখেতৰ নিজৰ সাহিত্য-সম্ভাৰেৰে জাতিক উদ্বুদ্ধ কৰি উন্নতিৰ বাটত কেবা'যোজনো আগবঢ়াই দিলে।

ব্যক্তি বা জাতিক জীৱন-যুঁজ জিকিবলৈ লাগে প্ৰধানতে আত্ম-বিশ্বাস। সেই সময়ত অসমীয়াৰ এই আত্মবিশ্বাস নোহোৱা হল। আনৰ প্ৰবল পৰাক্ৰমৰ আগত পৰাভূত হৈ, পদদলিত হৈ ভাবিলে যে নিজৰ বলবীৰ্য্য লোপ পালে। নকৈ অহা বিদেশী সভ্য জাতিটোক শৌৰ্য্যে-বীৰ্য্যে নিজতকৈ বলী বুলি ভবাৰ লগে লগে সেই জাতিৰ নতুন বৈজ্ঞানিক অদ্ভুত আৱিষ্কাৰ দেখি তেওঁলোকৰ মেধা, বুদ্ধি, সাহিত্য, সমাজ সকলোলৈকে এটা মহান শ্ৰদ্ধা উপজিল। এই শ্ৰদ্ধাৰ লগে লগে সেইবোৰলৈ শ্ৰদ্ধাজনিত অনুৰাগ আৰু আনফালে নিজৰ সকলোলৈকে বিৰাগ। শাৰীৰিকভাবে যদিও এই সময়ত অসমীয়া লোকসকল ভালকৈয়ে জীয়াই আছিল তথাপি জাতিৰ এই মানসিক অৰ্দ্ধমৃত অৱস্থা উপস্থিত হৈছিলহি। অসমীয়া জাতীয় জীৱন মুজুৰা মাৰিলে। এই সময়তে আৱশ্যক হল, জাতিটোৰ এই মানসিক জড়তা ভাঙি জাতিৰ মনত আত্মবিশ্বাস আৰু উদ্দীপনা সৃষ্টি কৰিবৰ।

আনন্দৰাম ঢেকিয়াল ফুকনকে আদি কৰি কেবাগৰাকীও অসমীয়াই অসমীয়া জাতিৰ এই পুনৰ উদ্বোধনৰ যজ্ঞ পাতি বিধে বিধে তাত উপচাৰ দি সেই অগ্নিৰ পোহৰেৰে, আত্মবিশ্বাস উদ্দীপনাৰ তাপেৰে অসমীয়াক জীয়াই তুলিলে আৰু এই যজ্ঞত পূৰ্ণাহুতি দি যজ্ঞ

সুসম্পন্ন কৰি অসমীয়াৰ জাতীয়ত্বক জীয়াই সবল সুস্থ কৰি 'আমি অসমীয়া নহওঁ দুখীয়া, কিহৰ দুখীয়া হম? সকলো আছিল সকলো আছে"—ইত্যাদি গাবলৈ সক্ষম কৰিলে লক্ষ্মীনাথ বেজবৰুৱাই।

লক্ষ্মীনাথে অসমীয়াক বুজালে যে শঙ্কৰদেৱ কিমান ডাঙৰ কৱি, কিমান শক্তিশালী ধৰ্ম্মপ্ৰচাৰক, কেনে ওজা-সাহিত্যিক, কিমান প্ৰভাৱশালী সমাজ-সংস্কাৰক, কিমান অগাধ পণ্ডিত! "তেজস্বীত নাহি কিছু অধৰ্ম্ম"—এই কথাষাৰি যি শঙ্কৰদেৱে লিখি থৈ গৈছে, সেই শঙ্কৰৰ গভীৰতা, বুদ্ধিৰ প্ৰখৰতা আৰু কল্পনা-শক্তি যে কি আঁকোৱালি নোপোৱা আৰু শঙ্কৰদেৱ যে আন আন দেশৰ মহতোমহীয়ানসকলৰ সমকক্ষ আৰু কোনো কোনো ক্ষেত্ৰত তাতোকৈও ধীসম্পন্ন এই কথাখিনি যেতিয়াই বেজবৰুৱাই শঙ্কৰী-সাহিত্য ভালকৈ আলোচনা কৰি অসমীয়াক পতিয়ন যোৱাকৈ বুজাই দিলে তেতিয়াই অসমীয়াৰ মনলৈ এটা ডাঙৰ প্ৰেৰণা আহিল। প্ৰেৰণাৰ কাৰণে অসমীয়াই অতীতলৈ ঘূৰি চাবলৈ আৰম্ভ কৰিলে। অসমীয়াই লগে লগে বৰ্ত্তমানৰ সৈতে যুঁজিবলৈ বল পালে। নিজৰ শক্তিত বিশ্বাস থাপিব পৰা হল। সাহিত্যৰ পৰাই এটা জাতিৰ মানসিক উৎকৰ্ষ বুজিব পাৰি আৰু মানসিক উপযুক্ততাৰ প্ৰমাণ ওলাই পৰে। পুৰণি সাহিত্যৰ যেতিয়া বিচক্ষণ সমালোচনা হবলৈ ধৰিলে আৰু তাৰ লগে লগে সেই পুৰণি সাহিত্যৰ প্ৰেৰণা লৈ আৰু নতুনৰে সামঞ্জস্য ৰাখি যেতিয়া বিশেষকৈ জোনাকী যুগৰ অসমীয়া সাহিত্য, কৱিতা, কাব্য, নাটক, উপন্যাস, গল্প, সমালোচনা, আলোচনা, গীত-মাত ইত্যাদিকে লৈ সকলো বিভাগেই নদনবদন হৈ আহিল তেতিয়া অসমীয়াৰ মনলৈ দুগুণ আশা আহিল। অসমীয়াই নিজৰ ওপৰত ভাৰসা কৰিব পৰা হল। এই যে জাতিটোলৈ এটা বিৰাট আত্মবিশ্বাস আনি জাতিক মানসিক, শাৰীৰিক ঘোৰ অৱসাদ এৰি যুঁজিবলৈ উপযুক্ত কৰিলে তাৰ ফলতেই আজি আমি অসমীয়াই ভাৰতৰ সভাত ন্যায্য স্থান লাগে বুলি দাবী কৰিব পৰা হৈছোঁ আৰু তাৰ

কাৰণে আমি উৎকট চেষ্টা কৰিবলৈকো ওলাইছোঁ। ইয়াৰ গুৰিতো যে বেজবৰুৱাই, অসমীয়া ভাষা-সাহিত্য বুৰঞ্জীৰ জোনাকী যুগৰ অধ্যায়ে আমাক ফট্‌ফটীয়াকৈ দেখুৱাই দিছে। বেজবৰুৱাৰ সৰ্ব্বতোমুখী প্ৰতিভায়েই অসমীয়া জাতিৰ জাতীয়-জীৱন ঠন ধৰালে—এই কথা অসমীয়া সাহিত্যৰ বুৰঞ্জী ভালকৈ আলোচনা কৰোঁতাসকলৰ কাৰণে মুকলি নীলাকাশত জোন জিলিকাদি জিলিকিব লাগিছে।

শঙ্কৰদেৱৰ ওপৰত উমুকিয়াই অহা 'তেজস্বীত নাহি কিছু অধৰ্ম্ম' মাত্ৰ এই পদ শাৰী লৈয়েই ইয়াৰ বিষয়ে আমি গৱেষণা আৰম্ভ কৰিলেই আমি শঙ্কৰদেৱৰ জুখিব নোৱাৰা জ্ঞানৰ ভালকৈ সন্ধান পাম। ছেক্সপীয়েৰৰ যদি অকল "There is nothing good or bad but thinking makes it so"—এই শাৰীটোৰ বিষয়ে আমি ভাবিবলৈ আৰম্ভ কৰোঁ। তেন্তে যেনেকৈ সাত দিন সাত ৰাতি ভাবিও আমি এই শাৰীটোৰ বিষয়ে সকলো কথা কৈ শেষ কৰিব নোৱাৰিম ঠিক সেইদৰেও শঙ্কৰদেৱৰ এই শাৰীটোৰ বিষয়ে আমি হাজাৰ পিঠিৰ গ্ৰন্থ লিখিও সেই শাৰীয়ে প্ৰতিপন্ন কৰিব খোজা কথাৰ কেউ চুক বিতংকৈ বুজাই শেষ কৰিব নোৱাৰিম। যি শঙ্কৰদেৱে এনেকুৱা এটা কথা মাথোন এশাৰী পদৰ আখৰ কেইটামানতে সুমাই দিব পাৰে, যি সৰু উদৰৰ ভিতৰতে বিশ্বৰূপ দেখুৱাব পাৰে তেন্তে সেইজন কি ধীসম্পন্ন, কিমান প্ৰতিভাৱন্ত, তেওঁৰ দৰ্শন কিমান সূক্ষ্মাতিসূক্ষ্ম, তেওঁ কি বিশ্বব্যাপী মহামনৰ মহামানৱ! এই এনেজন শঙ্কৰক যি চিনিব পাৰিলে, বুজিব পাৰিলে সেইজনো কম মেধাৱী নে? শঙ্কৰদেৱক ভালকৈ চিনোতা, শঙ্কৰী-সাহিত্য ভালকৈ বুজোঁতা, শঙ্কৰী-সাহিত্যৰ গুণ-গৰিমা প্ৰকাশ কৰিব পৰা ক্ষমতাৰ এইজন অসমীয়া সাহিত্যৰ এজন প্ৰধান ওজা যে ইয়াক বহলাই নুবুজালেও আপুনিয়েই সকলোলৈকে প্ৰতিভাত হৈ আছে।

* * * *

সাহিত্য আমাক কেলৈ? সাহিত্যৰ নানান বিভাগবোৰ আমাক বা জগতক কেলৈ? সেইবোৰৰ পৰা মানৱ সমাজৰ কি উপকাৰ সাধিত হৈছে? ব্যাপকভাবে কবলৈ গলে সাহিত্যই আমাক আনন্দ দিয়ে আৰু আমাক আনন্দলৈ নিবলৈ সদায় এটা প্ৰয়াস কৰি আছে। আনন্দ দিয়া আৰু আনন্দলৈ নিয়াই সাহিত্যৰ কাম। এই দুয়োটা কাম কেতিয়াবা সাহিত্যই একেলগে একে উশাহতে কৰে। কেতিয়াবা আগৰটো মুখ্য, পাছৰটো গৌণ আৰু কেতিয়াবা পাছৰটো মুখ্য আগৰটো গৌণ। মানুহ জাতিয়ে অতীতত আনন্দ পাবলৈ আৰু ক্ৰমাৎ আনন্দৰ ৰাজ্য গঢ়িবলৈ প্ৰয়াস পাইছিল। বৰ্ত্তমানে তাকে বিচাৰে আৰু তাৰ কাৰণে হাবিয়াস কৰিব লাগিছে আৰু ভৱিষ্যতেও তাকে বিচাৰিব, তাৰ কাৰণে অতি দূৰ ভৱিষ্যতলৈ দৃষ্টি কৰিব। বহু সময়ত এই কথা ধৰা নপৰিবৰ উপক্ৰম হয়। বিজ্ঞানে প্ৰশ্নৰ পৰা প্ৰশ্নৰ সমাধানৰ বাবে যুগে যুগে সাধনাৰ পৰা গভীৰ সাধনালৈ সোমাই গৈছে, দৰ্শনে ঈশ্বৰ, আত্মা কি আৰু ইয়াৰ ভিতৰত সম্পদ কি বিচাৰি যি এটা যাউতিযুগীয়া মহাপ্ৰশ্নকে খামোচ মাৰি ধৰি এটা দাৰ্শনিক সাহিত্যৰ পুথিৰে জগতখন ঠাহ খুৱাই পেলাইছে—ইয়াৰো গুৰিতেই আনন্দৰ ৰাজ্যলৈ যোৱাৰ অনন্ত প্ৰয়াস মাথোন। সাহিত্যই তাৰ নানান বিভাগেৰে মানৱ জাতিক আনন্দ দিবলৈ চেষ্টা কৰিছে আৰু আনন্দলৈ নিবলৈ চেষ্টা কৰিছে আনন্দলৈ নিবলৈ মানৱ জাতিৰ সকলো ক্ষেত্ৰতে সাহিত্যই এটা পৰিবৰ্ত্তন সাধি ক্ৰমোন্নতিৰ বাটে ঘাট বুলাই আনন্দৰ ৰাজ্যলৈ লৈ যাবলৈ চেষ্টা কৰিছে। দৰ্শন-সাহিত্যয়েই হওক বা বিজ্ঞান-সাহিত্যই হওক, ৰাজনৈতিক সাহিত্য বা বৈজ্ঞানিক সাহিত্যই হওক সকলোৰে গতি সেইফালে হৈছে। সাহিত্যৰ দৰে সকলো কলা বা আৰ্টেও সেই একে কামকে কৰিব লাগিছে। সকলোবেই একে উদ্দেশ্য— মানুহক আনন্দ দিয়া আৰু পৃথিৱীত আনন্দৰ ৰাজ্য স্থাপন কৰা।

আমি পৃথিৱীৰ যেই সেই সাহিত্যিকৰ সাহিত্য এই দুটা সোণৰ মোহৰেৰে জুখি সেই সেই সাহিত্যিকৰ সাহিত্যৰ একৰকম মূল্য নিৰূপণ কৰিব পাৰোঁহঁক। কিছু বিষয়ৰ সাহিত্য যদিও এই কথাৰে জুখিবলৈ গলে পোনপটীয়াভাবে এই দুই কথাৰে সম্বন্ধ নথকা যেন দেখা যায় তথাপিও তাৰ চূড়ান্ত উদ্দেশ্য গৈ থৈ ওপৰৰ দুয়ো কথাৰ সীমাৰ ভিতৰতেই পৰিব। আমি যদি মনোবিজ্ঞান-সাহিত্য আৰু আয়ুৰ্ব্বেদিক সাহিত্য আনকি অঙ্কশাস্ত্ৰকো এই দুই কথাৰ ফালৰ পৰা চাওঁ তথাপি দেখিম আওপাকে হলেও এই আটাইবোৰেই ইটো নাইবা সিটোৰ কাৰণে যোগান ধৰিছে। মানৱ সভ্যতাৰ জ্ঞান-বিজ্ঞানৰ যত বিভাগ সকলোৱেই মাত্ৰ মানুহৰ মাজত আনন্দৰ ৰাজ্য পাতিবলৈহে বাঞ্চা কৰিছে। কেতিয়াবা কেতিয়াবা বহুলৰ details-অৰ মহাজাৰণিত সোমাই এইবোৰ বিষয়ৰ দিক্‌ভ্ৰম হয় আৰু সময়ত আদৰ্শভ্ৰষ্ট হৈ ক্ষন্তেকলৈ ওভতনিৰ সোঁতত উটে যদিও তাৰ অভীষ্ট আনন্দৰ ৰাজ্যলৈ যোৱাটোহে। এইবোৰ কথাকে পানীকৈ খৰচি মাৰি ইয়াত আলোচনা কৰিবলৈ গলে আমাৰ প্ৰবন্ধৰ মুখ্য উদ্দেশ্যৰ পৰা আঁতৰি যাবগৈ লাগিব। সেই কাৰণে আমাৰ বেজবৰুৱা-সাহিত্যৰ মূল্য নিৰ্দ্ধাৰণৰ বাবে এই দুটিৰ গাত অন্তত গৈ ভাৰ দিবলগীয়া হবগৈ দেখি ইয়াতে উন্মুকিয়াই থোৱা হল মাথোন।

* * * *

বেজবৰুৱা আমাৰ জাতীয় নাট্যকাৰ। তেওঁৰ নাটক পঢ়োঁতাৰ কাৰণে এইটো ফট্‌ফটীয়া হৈ ওলাই আছে। কাৰণ তেওঁৰ নাটকত কল্পনা আৰু ভাবৰ কুঁৱৰীবোৰক নচুৱাবলৈ যিখিনি বাজনা মাৰিছে সেইখনৰ বাজনাই বোলে জাতীয়তাৰ বাণীহে ফুটাইছে আৰু যি ৰাগৰে বিধে বিধে সুৰ ৰচি সিহঁতক গোৱাইছে সেই ৰাগৰ basic notesখিনিয়ে জাতীয় ভাবৰ atmosphere সৃষ্টি কৰিছে আৰু তাৰে dominant টো অনুভৱ কৰিব পৰাকৈয়ে জাতীয়তাৰ

স্বৰূপ বন্ধা। তেওঁ নাটকৰ মাজেদি জাতীয়তাৰ প্ৰচাৰ কৰিছে বুলিলেও বৰ ভুল কোৱা নহব। কেতিয়াবা পোনপটীয়াভাবে, কেতিয়াবা আওপকীয়াকৈ, কেতিয়াবা লুকুৱাই, কেতিয়াবা দেখুৱাই, কেতিয়াবা কাণে কাণে ফুচ্‌ফুচাই, কেতিয়াবা ওখ মাচিয়াৰ পৰা চিঞৰি বক্তৃতা দি তেওঁ নাটকৰ মাজেদি জাতীয়তাৰ বাণীয়েই প্ৰচাৰ কৰি গৈছে। বেজবৰুৱা আমাৰ জাতীয় নাট্যকাৰ কাৰণ তেওঁৰ হাততেই আমাৰ অসমীয়া জাতীয় চৰিত্ৰ ফুটি উঠিছে। বিশ্ব-সাহিত্যৰ পুথিৰ পাতত লয়লাসে নাচিব পৰা ডালিমী মানসী-কন্যাৰ স্মৃষ্টি হৈছে। যিজনৰ নাটকত অসমীয়া জাতিৰ জাতীয় জীৱনৰ আগবাৰীৰ পৰা অন্তেসপুৰীয়া ৰৰঘৰৰ ভিতৰৰ চোৰচাঙৰ ছায়াছবিত প্ৰতিফলিত হৈছে, যাৰ নাটকৰ চৰিত্ৰৰ মাজেদি আমি অসমীয়া মানুহৰ আচল anthentic (বিশ্বাসযোগ্য) আৰু বেজীৰ জলাকো মনিব পৰা মনস্তাত্বিক বিশ্লেষণ পাই অসমীয়াৰ স্বৰূপ চিনিব পাৰি, অসমীয়াই নিজে নিজক ফটফটীয়াকৈ বেজবৰুৱাক প্ৰথম শ্ৰেণীৰ পাঠকৰূপী ডাঠ দাপোণত দেখিবলৈ সমৰ্থ হৈ নিজকে জানিব বুজিবলৈ সমৰ্থ হৈছোঁ, যিজনাৰ নাটকত গোটেই অসমীয়াৰ জাতীয় জীৱনৰ ছবিৰ দুয়ো পিঠি প্ৰতিফলিত হৈ দৰ্শনে-শ্ৰৱণেদি অসমীয়াৰ প্ৰাণৰ প্ৰাণত সম্যকভাবে জাতীয় ভাবৰ উন্মেষ কৰিব পাৰিছে সেই জন অৱশ্যে অৱশ্যেই আমাৰ জাতীয় নাট্যকাৰ। তেওঁৰ নাটক অসমীয়া নাট-লিখোঁতাৰ চানেকিৰ থল।

নাটকৰ সোৱাদলগা সাধু বাছি উলিওৱাত, নাটকীয় অভিনৱ চৰিত্ৰ-সৃষ্টি কৰাত আৰু চৰিত্ৰ অঁকাত, নাটকীয় বচনৰ ৰচনা-চাতুৰ্য্যত, নাটকীয় ঘটনাৱলী সজোৱাত, নাটকীয় চৰিত্ৰ আঁকি মৌলিকতা দেখুৱাত আৰু এনেবোৰ চৰিত্ৰ বিচিত্ৰকৈ সুচিত্ৰিত কৰিব পৰাত, যাৱতীয় নাটকীয় কাৰিকৰি মৌলিকতাৰে বিচক্ষণতাৰে খটুৱাই নাটকৰ শাৰীৰ নামে-গাঁৱে অসমীয়া নাটক গীতে-মাতে

মিঠাকৈ দিব পৰাত সুদক্ষ প্ৰথম শ্ৰেণীৰ নাট-লিখোঁতা বেজবৰুৱাক অসম দেশৰ জাতীয় নাট্যকাৰৰ মুকুট আমি পিন্ধাব পাৰোঁ।

*　　*　　*

এইখিনিতে নাটকীয় কাৰিকৰি বুলিলে আমি কি বুজোঁ তাৰ বিষয়ে অলপ মোখনি মাৰিলে আমাৰ পিছলৈ সুবিধা হব। নাটকীয় কাৰিকৰি (Dramatic Technique) হৈছে নাট্যকাৰৰ হাতৰ উপায় (means) যিহৰ দ্বাৰাই নাট্যকাৰে নাটকৰ মাজেদি নিজৰ কবলগীয়াখিনি তাৰ যোগেদি দৰ্শকক, পঢ়োঁতাক কয়। নাটকৰ বিষয়বস্তু, সাধু, নাটকীয় সৃষ্টি, নাটকীয় চৰিত্ৰাঙ্কণ, নাটকীয় বচন (Dramatic Dialogue), ঘটনা সজোৱা (Plot making), পৰিস্থিতি (situation), সংঘৰ্ষ (conflict), পাৰি-পাৰ্শ্বিকতাৰ সৃষ্টি ( Atmosphere), Action আৰু ঘটনা সজাওঁতে unity, suspense, climax, tempo, movement, interest, নাটকীয় বচনৰ লক্ষণালক্ষণ interesting brilliant witty condensed informative প্ৰাঞ্জল ইত্যাদিকৈ আৰু নাট্যকাৰে এইবোৰ সুচাৰুকৈ কৰিব পৰা ক্ষমতা আৰু নাটক লিখোঁতাৰ নাটক লিখাৰ কাৰণে কিছুমান মানসিক শক্তি যেনে ঘটনা বাছনি কৰিব পৰা সূক্ষ্ম বিশ্লেষণ আৰু পৰ্য্যবেক্ষণ কৰিব পৰা শক্তি (Power of observation) ইত্যাদি কথাবোৰ আমি নাটকীয় কাৰিকৰিৰ অন্তৰ্গত নাট্যকাৰৰ অভিলষিত গুণাগুণ দৰ্শকৰ মনত সৃষ্টি কৰি দৰ্শকৰ পৰা maximum response উলিয়াই ৰস সৃষ্টি কৰি উদ্দেশ্য সফল কৰাৰ উপায় বা অবলম্বন বুলিব পাৰোঁ। এইবোৰ নাট্যকাৰে যিমান পাৰদৰ্শিতাৰে কৰিব পাৰে বা প্ৰয়োগ কৰিব পাৰে নাট্যকাৰে সেই অনুপাতে কৃতকাৰ্য্য হবলৈ সক্ষম আৰু নাট্যকাৰৰ নাটে মঞ্চত সেই অনুপাতে সফলতা লাভ কৰি দৰ্শকৰ মনোৰঞ্জন কৰিব পাৰে। অৱশ্যে নাটকীয় কাৰিকৰিৰ সূক্ষ্ম প্ৰয়োগৰ উপৰিও নাট্যকাৰৰ বিষয়বস্তু, নাট্যকাৰৰ ভাবৰ গভীৰত্ব সৃষ্টি,

দৃষ্টি আৰু মেধাৰ, তীক্ষ্ণতাৰ ওপৰতেইহে আচলতে নাটকৰ মহত্ব (greatness) আৰু সাহিত্যিক মূল্য নিৰ্ভৰ কৰে। এখন নাটকত নাটকীয় ভাগ ভালকৈ প্ৰয়োগ হলেও যদি তাৰ নাট্যকাৰজন Technique of entertainmentsত অপাৰগ বা দুৰ্ব্বল হয় আৰু নাটকখন Dramatic গুণত চহকী হয় কিন্তু তাৰ Theatric অভিনয়ৰ ফালটো দুৰ্ব্বল হৈ থাকে তেন্তে সেই নাটকে পঢ়োঁতাৰ মনোৰঞ্জন কৰি সাঁচ বহুৱাব পাৰিলেও অভিনয়ত ভালকৈ কৃত-কাৰ্য্যতা লাভ কৰিব নোৱাৰে। এখন নাটকীয় কাৰিকৰিত নিখুঁত নাটকে দৰ্শকক appeal নকৰিও পাৰে কিন্তু আনফালে নাটকীয় কাৰিকৰিৰ বহুত দোষত দুষ্ট এখন নাটকে তাৰ উচ্চ মূল্যৰ বিষয়বস্তুৰ বাবে আৰু সাধুভাগৰ শক্তিশালী appeal আৰু নাটকীয় বচন চাতুৰ্য্যৰ বাবেই হয়তো দৰ্শকৰ মনত চাব বহুৱাই দিব পাৰে আৰু তাৰ সাহিত্যিক মূল্য সোণসেৰীয়া হব পাৰে। Entertainment Techniqueৰ ফালৰ পৰা এখন নিখুঁত নাটক অতি সৰবৰহী হৈ অতিকৈ জনপ্ৰিয় হোৱা সত্ত্বেও হয়তো সাহিত্যত ঠাই নাপাই দুদিনলৈ মানুহক বং লগাই Season flower ৰ দৰে চিনচাব নোহোৱা হৈ যাব পাৰে। নাটকীয় কাৰিকৰিৰ এইবোৰ বিবিধ বিভাগ আৰু খুতিনাতিৰ উল্লেখ আৱশ্যকমতে কৰি গৈ থাকিম আৰু এইবোৰ বেজবৰুৱাই কত কেনেকৈ প্ৰয়োগ কৰিছে নকৰিছে, তাৰো বাতৰি দি থাকিম। বৰ্ত্তমানে আমি জয়জয়তে বেজবৰুৱাৰ নাটত কিবা চৰিত্ৰ-সৃষ্টি আছে নে নাই চাওঁ আৰু তাৰ গুণাগুণৰ বিষয়ে আলোচনা কৰিবলৈ আগবাঢ়োঁহক। এইখিনিতে আকৌ পাতনি পাতিবৰ আৱশ্যক হল। নাটকীয় চৰিত্ৰ-সৃষ্টি বুলিলে আমি কি বুজিম তাক আগেভাগেই বুজি ললে বেয়া নহব।

নাট্যকাৰে যেতিয়া কোনো এটা idea ক বা কেবাটা idea মিহলাই তাকে ৰূপ দি অভিনৱ নাটকীয় চৰিত্ৰ হিচাপে নাটকৰ

মাজেদি দাঙি ধৰে তাকে আমি নাটকীয় চৰিত্ৰ-সৃষ্টি একৰকম বুলিব পাৰোঁ। অভিনৱত্বই হৈছে এই নাটকীয় চৰিত্ৰ-সৃষ্টিৰ প্ৰধান ভেটি। এই সৃষ্টি নাট্যকাৰে কেতিয়াবা কোনো এটা abstract idea ক ৰূপ দি কেতিয়াবা কোনোবা নাট্যকাৰে নতুন ভাবৰাজ্যৰ বাতৰিৰ (message) তেজ-মঙহেৰে গঢ়া জীৱ হিচাপে নাটকত সন্নিবেশিত কৰে। এই জীৱ সময়ত কল্পনাৰ (imagination) খোঁটালীৰ আৰু সময়ত intellectualism ৰ খোঁটালীত জন্ম লয়। আৰু ই আগেয়ে নোহোৱা-নোপজা জীৱ দেখিয়েই ইয়াক সৃষ্টি বোলা হয়। এই সৃষ্টি ভাল বা বেয়া, সম্পূৰ্ণ বা অসম্পূৰ্ণ হব পাৰে। বহুত সময়ত পুৰণি চৰিত্ৰ এটাৰ আলম লৈয়ো নাট্যকাৰে চৰিত্ৰ-সৃষ্টি কৰিবলৈ প্ৰয়াস পায়। ইয়াক বহুতে সম্পূৰ্ণ সৃষ্টি নুবুলিবও পাৰে। ই হৈছে পুৰণি চৰিত্ৰ এটাৰ নতুন interpretation দিয়া। এনেকুৱাত সেই পুৰণি চৰিত্ৰৰ বাহিৰা আৱৰণ যদিও একে থাকে নাট্যকাৰে কিন্তু সেই চৰিত্ৰৰ inner being কি নিজেই সৃষ্টি কৰি পুৰণি ফটিকাৰ বাটিত নতুন সুৰা দাঙি ধৰে। সেই চৰিত্ৰ নাট্যকাৰৰ মনৰ খোঁটালীত সোমাই তাতে পমি নাইকিয়া হৈ যায় আৰু নাট্যকাৰে সেই পমি যোৱা পদাৰ্থখিনিৰ পৰাই নকৈ মূৰ্ত্তি গঢ়ি তাৰ ভিতৰত এখন নতুন অভ্যন্তৰ গঢ়ি দৰ্শকক দান কৰে। লিখকৰ শোণিত-কুঁৱৰীৰ চিত্ৰলেখাৰ চৰিত্ৰটো এনে ধৰণৰ চৰিত্ৰ-সৃষ্টিৰ প্ৰয়াস। সি কৃতকাৰ্য্য হৈছে নে নাই সেই কথাৰ অৱশ্যে বিচাৰৰ ভাৰ আনৰ ওপৰত। নাটকীয় চৰিত্ৰ-সৃষ্টি আৰু চৰিত্ৰাঙ্কণ দুটা বেলেগ বস্তু। বৰ্ত্তমানে আমি প্ৰধান চৰিত্ৰ-সৃষ্টি হাতত লওঁ।

* * * *

বেজবৰুৱাৰ এই চৰিত্ৰৰ সৃষ্টি হৈছে জয়মতী-কুঁৱৰী নাটকত। ই যে এটা সম্পূৰ্ণ চৰিত্ৰ-সৃষ্টি আৰু প্ৰথম শ্ৰেণীৰ চৰিত্ৰ-সৃষ্টিৰ গুণ সমন্বিত তাক আমি বহলাই আলোচনা কৰিম। এই ডালিমী

চৰিত্ৰৰ বিষয়ে যিটো conception নাট্যকাৰে কৰিছে আৰু সূত্ৰপাতৰ সময়তে যি বুলি দৰ্শকক জানিবলৈ দিছে সেইবোৰ নাটকৰ অঙ্ক-দৰ্শনৰ মাজেদি ঘটনাৱলীৰ মাজেদি কেনেভাবে develop কৰিছে আৰু তাৰ প্ৰথম স্ফুৰণৰ পৰা শেষ পৰিণতিলৈকে নিখুঁতভাবে সম্পূৰ্ণৰূপে বিকাশ হৈ দৰ্শকৰ মনত অভিলষিত ৰস সৃষ্টি কৰি দৰ্শকক অভিভূত কৰি সেই চৰিত্ৰৰ নাটকীয় স্থিতিৰ বিষয়ে আৰু সেই চৰিত্ৰৰ মুখত দিয়া সত্যৰ বিষয়ে convinced কৰাব পাৰিছে নে নাই ইত্যাদি সকলো চাই যোৱা যাওক।

ডালিমীয়ে যদিও নগা-সাজেৰে নগা-পৰ্ব্বতত অনাইবনাই ফুৰি নাট্যকাৰৰ গদাপাণিৰ আত্মনিৰ্ব্বাসনত সহায় হৈ ফুৰিছেগৈ তাই নিশ্চয়কৈয়ে অসমীয়া লক্ষ্মীনাথৰ অশৰীৰী জীয়েক লক্ষ্মীনাথৰ বহল হিয়াৰ কথাখিনি সংক্ষেপকৈ ভৈয়ামৰ প্ৰতিনিধি গদাধৰৰ আগত বিনাইকৈ ফুৰিছে। লক্ষ্মীনাথৰ মৰমিয়াল, বিশ্বপ্ৰেমেৰে ভৰপূৰ অন্তৰখন কুমলীয়া, আলসুৱা ডালিমীজনীয়ে যেন নাটকৰ পাতে পাতে নাচি-বাগি অসমীয়াৰ লগে লগে মানুহৰ মনৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰি গোৰাত মৰমৰ ফল-ফুল লৈ বিলাই ফুৰিছেহি। জয়মতী নাটকৰ চৰিত্ৰৰ মুখৰ বচনৰ পৰা ডালিমীনো কেনে সেইটো জনাৰ লগে লগে ডালিমীজনীনো কি, নাট্যকাৰে তাইক উকা নাগিনীকৈয়ে উলিয়াইছে নে আন হিচাপে উলিয়াইছে তাক ভালকৈয়ে গম পাওঁ। নাটকীয় বচনবোৰে ডালিমীজনীৰ বিষয়ে এইদৰে আমাক inform কৰে বা খবৰ দিয়ে যে পৰ্ব্বতত যতবোৰ প্ৰাকৃতিক শোভা-সৌন্দৰ্য্য আছে সোপাই একেলগ হৈ ৰূপ ধৰা জীৱ। যাৰ নৈ বন, গছ-লতা আপোন, যি চৰাই চিৰিকতি, পছু-পতঙ্গৰ সৈতে ভাবৰ সলনাসলনি কৰে আৰু যি সকলোলৈকে মৰমতে মৰে। যি পখিলাৰ লগৰে লগৰীয়া আৰু সিহঁতে যেনেকৈ উৰিফুৰি ফুলৰ মৌ চুহি খাই ফুৰে আৰু পখিলা ধৰিলেও তাক আলফুলকৈ ধৰি উৰাই দিয়ে। মানুহে মানুহক মাৰিবলৈ

বিচাৰোঁতে ( হিংসা কৰোঁতে ) আচৰিত হয়। গদাপাণিক ৰাখি ফুৰা দেৱদূত—যি খোপাত বিজুলীৰ ফুল, কাণত পতুমৰ কেক আৰু হাতত মৃণালৰ খাৰু আৰু গলত সোণৰ সাতশৰী আঁৰিব খোজে, যি ডাৱৰ ধৰিব খোজে আৰু ডাৱৰৰ ওপৰে ওপৰে চৰি বিজুলী ধৰি বিজুলীৰ লগত ধেমালি কৰিবলৈ বিচাৰে, যাৰ মন চিৰনবীন, যি লৰা-বুঢ়া কাক কয় তাক নুবুজে, যি পুৰণি পৃথিৱীখন ফুটুকী ফুলেৰে সদায় লৰাতকৈও লৰা হৈ থকা দেখে, যি পুৰণি আকাশ ফুলাম তৰাৰে লৰাতকৈয়ো লৰা যেনে দেখে আৰু যি কৌটিকলীয়া মেঘৰ বুকুত নাচি উমলি থকা বিজুলীৰ দৰে সদায় নৃত্যময়ী নবীনা হৈ থাকিবলৈ বিচাৰে, যিজনীয়ে পখিলা খেদি খেদি ধেমালি কৰি ফুৰোঁতেও গদাপাণিক বিপদৰ পৰা ৰাখি-মেলি ফুৰি তীক্ষ্ন দৃষ্টিৰে গদাপাণিক চাই থাকে আৰু পিছত সেই কাম নোহোৱা হলত প্ৰকৃতিৰ সৌন্দৰ্য্য আৰু শোভাৰ মাজত কৰবাত নাইকিয়া হৈ যায়—এইজনী ডালিমীকে বেজবৰুৱাই জয়মতী-কুঁৱৰী নাটকৰ মাজেদি আমাৰ আগত দাঙি ধৰিছে। ডালিমী এটা স্বৰ্গীয় মঙ্গলময়ী শক্তি। তাই মৰতৰ বাছকবনীয়া সৌন্দৰ্য্যৰ ৰূপত থানিকা লৈছেহি। মঙ্গলময়ী শক্তিৰ দৰে বিৰাজ কৰি evil কো counteract কৰিছে। আমাৰ মঙ্গলময়ী দেৱী গোসাঁনী যেতিয়া মানুহৰ মাজলৈ আহে তেতিয়া evilঅক ধ্বংস কৰিবলৈ তেওঁ আৱিৰ্ভাব হোৱাৰ দৰে প্ৰথমেই ডালিমীয়ে দূৰে দূৰে মায়াপী ছায়ামায়া শক্তিৰ দৰে গদাপাণিৰ ওপৰত চকু ৰাখি প্ৰথমেই গদাপাণিৰ ওচৰলৈ আহি কৈছেহি যে তাই গদাপাণিক আক্ৰমণ কৰিবলৈ অহা চাওদাংবোৰক কড়িয়াই মাৰি আহিছে। এটা কৱিতাময়ী সৌন্দৰ্য্য-সৃষ্টিৰ কুমলীয়া আলসুৱা ডালিমীক বেজবৰুৱাই ৰণচণ্ডী ৰূপেৰে নিয়োজিত কৰিছে। ই হয়তো বৰ অদ্ভুত যেন লাগিব পাৰে কিন্তু দকৈ চাবলৈ গলে দেখা যায় যে সকলো মঙ্গলময় বস্তুৱেই মঙ্গল দানি থকাৰ লগে লগে evilঅকো ধ্বংস কৰে আৰু evil ধ্বংস কৰাটোও মঙ্গলদানৰ

ভিতৰতে পৰে। সেই কাৰণে শিল্পই যি জগতক মঙ্গল দানিলে তেওঁ আনফালে ধ্বংসৰ খেলাও খেলিছে। সত্যৰ সত্য প্ৰতিভাত হোৱাটোৱেই যদি কাম হয় তেন্তে সত্যৰ অসত্য নাশটোও লগতে লগা, মঙ্গলৰ মঙ্গল দান মানে অমঙ্গল নাশ। সৌন্দৰ্য্যৰ যদি সুন্দৰ কৰাই কাম হয় তেন্তে অসুন্দৰ গুচোৱাটোও জানো আপোনাআপুনি হৈ নপৰে? মুঠতে আমি এক কথাত কবলৈ গলে ডালিমী হৈছে কল্যাণ (good,। কল্যাণ সুন্দৰ হবই লাগিব, মঙ্গলময় হবই লাগিব আৰু evil counteract কৰিবই লাগিব আৰু এই good হৈছে সত্য। এই যে চিৰকল্যাণ (eternal good) ইয়েই ডালিমীৰ আত্মা বুলি মই কব খোজোঁ। আৰু এই চিৰকল্যাণক তেজমঙহেৰে ডালিমী কৰি বেজবৰুৱাই জয়মতী-কুঁৱৰী নাটত আমাক দিছে। সেই কাৰণেই ডালিমী চৰিত্ৰ-সৃষ্টি এটা মহৎ সৃষ্টি (a great creation)। আন আন সাহিত্যত এই চৰিত্ৰৰ parallel আছে নে নাই তাক আমি নাট্য-সাহিত্যৰ বিষয়ে comparative study কৰা অসমীয়া মনীষী কেজনৰ ওপৰত ভাৰ দি এতিয়া এই great সৃষ্টিটো বেজবৰুৱাই নাট্যশিল্পী হিচাপে কেনেকৈ বিকাশ কৰি দৰ্শকৰ আগলৈ কেনেকৈ উলিয়াইছে তাক আমি ইয়াৰ পিছত আলোচনা কৰিম।

এই ডালিমী চৰিত্ৰ সৃষ্টিৰ পৰাই বেজবৰুৱাক আমি Born Dramatist বুলি কব পাৰোঁ। জাৰ্ম্মান ভাষাত এটা পটন্তৰ আছে—"Kein meister hat vom Hliemmel gefallen" অৰ্থাৎ কোনো ওজা আকাশৰ পৰা সৰি পৰা নাই। কিন্তু আমি ডালিমী চৰিত্ৰ-সৃষ্টি দেখি কবৰ মন যায় যে বেজবৰুৱা অসমীয়া সাহিত্য জগতত এজন ওজা নাট্যকাৰ হৈ আকাশৰ পৰা সৰিছে পৰা।

বেজবৰুৱাই কল্পনাৰ কি ভাবৰ সমষ্টিক ভেটি কৈ ডালিমী চৰিত্ৰটো গঢ়িব খুজিছে তাক ওপৰত কৈ অহা হৈছে আৰু সেই

তেজমঙহৰ পুতলা স্বৰূপে গঢ়ি কেনেকৈ বেজবৰুৱাই নাট্যকাৰ হিচাপে তাক বিকাশ কৰি নাটকৰ মাজেদি দৰ্শকৰ আগলৈ সঞ্চাত যোৱাকৈ উলিয়াইছে তাকে আমি এতিয়া আঁহ ফালি বিচাৰ কৰিবলৈ প্ৰয়াস কৰিম।

প্ৰথমতে নাট্যকাৰৰ আগত মহা সমস্যা। যি 'চিৰকল্যাণ'ক নাট্যকাৰে দৰ্শকৰ আগলৈ উলিয়াব খুজিছে তাক উলিয়াব লগা হৈছে এজনী নাগিনীৰ মূৰ্ত্তিত। এতিয়া যদি দৰ্শকে প্ৰথম দৰ্শনতে ডালিমীক এজনী সাধাৰণ নাগিনী হিচাপেহে লয় তেন্তে নাট্যকাৰৰ আচল উদ্দেশ্যটো ব্যৰ্থ হৈ যাব আৰু নাট্যকাৰে ডালিমীক যি বুলি দৰ্শকক কব খুজিছে তাক দৰ্শকে নুবুজিব। আৰু যদি নাগিনীৰ ৰূপ ৰাখি ডালিমীজনীক কিবা এটা mystic figure হিচাপে নাইবা কিবা spiritঅৰ দৰে দেখুৱা যায় তেতিয়া হলে দৰ্শকে ডালিমীক সেই ৰূপধৰা চিৰকল্যাণ বুলি বুজিলেও জয়মতী নাটকখন যেনেকৈ ideo-realisticকৈ লিখিছে আৰু বিশেষকৈ বুৰঞ্জীমূলক কৰিছে তাত ডালিমীজনী কিবা এটা mystical figureঅৰ দৰে হৈ থাকিলে অস্বাভাৱিক হোৱাৰ ভয় আছে। সেই কাৰণে নাট্যকাৰে ডালিমীক প্ৰথমতে এনেভাবে উলিয়াব লাগিব যাতে তাই নাটক-খনৰ আন স্বাভাৱিক চৰিত্ৰবোৰৰ সৈতে নিৰহনিপানীকৈ মিলি যায় আৰু লগে লগে তাইৰ অন্তৰখন বা অভ্যন্তৰখন যে এটা অপাৰ্থিব বস্তুৰে গঢ়া আৰু তাই যে আন আন নাটকীয় চৰিত্ৰবোৰৰ দৰে একেবাৰেই মৰ্ত্ত্যলোকৰ নহয় তাকো দৰ্শকে একো অসুখ নোপো-ৱাকৈ আৰু মানসিকতাত ভেজা নোলোৱাকৈ সঞ্চাত যাব লাগিব। কৰবাত অলপ ব্যতিক্ৰম হলেই ডালিমী চৰিত্ৰত ঘূণ লগাৰ ভয়।

এই সমস্যা কিন্তু নাট্যকাৰ বেজবৰুৱাই এনে সুন্দৰকৈ আৰু বাহাদুৰিৰে সমাধান কৰিছে যে সেইটো বেজবৰুৱাৰ দৰে genius ৰ হে সম্ভৱ। কেৱল দায় এৰোৱাকৈয়ে নহয় কিন্তু তাকে masterly ভাবে সমাধান কৰিছে।

কোনো এটা চৰিত্ৰক দৰ্শকৰ আগলৈ অনাৰ আগতে দৰ্শকে সেই চৰিত্ৰ গুলোৱা মাত্ৰকে সেইদৰে গ্ৰহণ কৰাবলৈ হলে আগৰে পৰা দৰ্শকক তাৰ কাৰণে সাজু কৰিব লাগিব আৰু আগৰ পৰা এনেকুৱা পাৰিপাৰ্শ্বিকতাৰ সৃষ্টি কৰিব লাগিব যাতে দৰ্শকৰ মন সেই চৰিত্ৰ গ্ৰহণ কৰিবলৈ উপযোগী হৈ থাকে। জয়মতী কুঁৱৰী নাটৰ তৃতীয় অঙ্ক দ্বিতীয় দৰ্শনত প্ৰথমেই নাট্যকাৰে ডালিমীক উলিয়াইছে নগাপৰ্ব্বতৰ মনোমোহা প্ৰাকৃতিক দৃশ্যাৱলীৰ কোলাত। মঞ্চৰ সমুখ ভাগত দৰ্শকৰ ওচৰত গদাপাণিক বহুৱাই ডালিমীক প্ৰথমতে ৰাখিছে দূৰৈত এটা ছয়াময়া কায়াৰ দৰে পখিলীৰ পাছে পাছে লৰুৱাই। প্ৰথমতে দৰ্শকে দূৰত চিনো-নিচিনোকৈ নানা পৰ্ব্বতীয়া ফল-পাতৰ মাজত পখিলা খেদি ফুৰা দেখিলে তাইক নাগিনা যেন দেখিলেও, তাইৰ কাৰ্য্যই আৰু তাই ফুৰা প্ৰাকৃতিক মনোৰম দৃশ্যাৱলীৰ পাৰিপাৰ্শ্বিকতাই আৰু বিশেষকৈ দূৰৈত ছাঁৰ দৰে থকাত দৰ্শকৰ কল্পনা কিছু সজাগ হৈ পৰিব লাগিব আৰু দূৰৈত থকাৰ বাবে তাইনো কি জানিবলৈ এটা উৎসুকতা দৰ্শকৰ মনত হবই লাগিব। এই যে দৰ্শকৰ মনত প্ৰথমতে ডালিমীনো কি—দূৰৈত কিবা ছাঁয়াই নে মায়াই নে কায়াই জানিবৰ কাৰণে দৰ্শকৰ ইচ্ছা হব, ইয়েই গৈ পিছত ডালিমীজনীৰ আধ্যাত্মিক ফালটো বুজাবলৈ দৰ্শককে সহায় কৰিব। কাৰণ প্ৰথমেই দৰ্শকক নাট্যকাৰে ডালিমীৰ বিষয়ে কৌতুহলী হবলৈ আৰম্ভ কৰালে আৰু প্ৰথম দৰ্শনতে তাই যি সাজপাৰ পিন্ধি ওলাইছে সেই সাজপাৰ পিন্ধা এজনী সাধাৰণ মানুহ বুলি দৰ্শকৰ চকুৱে যদিও দেখিলে কিন্তু মনৰ ভিতৰত এটা প্ৰশ্নই থিত ললে। পিছত ডালিমীৰ কাৰ্য্যাৱলী, তাইৰ মুখৰ বচন—বিশেষকৈ তাইৰ ভাষাৰ বাহন (ভাজ নোহোৱা অসমীয়া হোৱাত) আৰু তাইৰ বিষয়ে গদাপাণিৰ বচনত বৰ্ণনাই দৰ্শকক তাইক উকা নাগিনী স্বৰূপে নোলোৱাকৈ ৰাখিব। ডালিমীক

উলিয়াওঁতেই এইদৰে নাট্যকাৰে তাইক দেখুৱাই তাইৰ বিষয়ে দৰ্শকক কৱিতাময় ধাৰণা কৰিবলৈ দিছে—বিশেষকৈ প্ৰাকৃতিক সৌন্দৰ্য্যৰ মাজত আৱিৰ্ভূতা কৰি আকৌ গদাপাণিৰ মুখত সেই পাৰিপাৰ্শ্বিকতা জীৱন্ত কৰি তুলিবলৈ নাটকীয় বচন দিছে। দৰ্শকৰ মনৰ মাজত আৱশ্যকীয় অৱস্থাৰ সৃষ্টি কৰিবলৈ গদাপাণিয়ে বচনত কৈছে—"আহা প্ৰকৃতিৰ কি সুন্দৰ শোভা! ঈশ্বৰৰ কি বিচিত্ৰ লীলা! ওপৰত নিৰ্ম্মল আকাশ! চাৰিওফালে নিৰ্ম্মল বায়ু! বনৰ ফুল, ফল, গছ-লতাই গোটেইখন জকমকাব লাগিছে! দূৰৈত সৌ ওখ পৰ্ব্বত শাৰী কেনেকৈ আকাশৰ ফালে মূৰ তুলি আছে! যেন স্বৰ্গৰ বিদ্যাধৰী-সকলৰ নৃত্য-গীত চাই থাকিহে সিহঁত তন্ময়, তদ্গত। চৰাইবোৰে মিঠা গীত গাই কেনেকৈ আনন্দত নাচি নাচি উৰি ফুৰিছে! সিহঁতৰ কি মুকলি ভাব! চৰাই-চিৰিকতি পছু-পতং সকলোৰে ইয়াত কেনে মুক্ত ভাব, উদাস প্ৰাণ! ইয়াত ভৈয়ামৰ শোক নাই, দুখ নাই, হিংসা নাই, খিয়াল নাই আৰু আনক তললৈ টনা, নিজেও তললৈ যোৱা পৰ্কিতি নাই, সকলোৰে মন উধাও। প্ৰকৃতিৰ সন্তান নগা-নাগিনীবোৰৰ সৰল মন আৰু সৰল ব্যৱহাৰ দেখিলে প্ৰাণ জুৰাই যায়। উদাৰ প্ৰকৃতিৰে সৈতে সিহঁত কেনে মিলি যোৱা! * * *" এইখিনি গদাপাণিৰ বচনত নাট্যকাৰে দৰ্শকক প্ৰকৃতিৰ সৌন্দৰ্য্য-ত একেবাৰে নিমজ্জিত কৰিছে আৰু লগে লগে ঘোৰ সংসাৰৰ পৰা দৰ্শ-কৰ মনটো সুন্দৰৰ ৰাজ্যলৈ নি ডালিমীৰ অভ্যন্তৰৰ কথা দৰ্শকৰ আগত গদাপাণিৰ হতুৱাই এইদৰে কোৱাইছে---"আৰু সেই ছোৱালীটী ডালিমী! এইটী স্বৰ্গৰ নে পৃথিৱীৰ? কৰ? মই দেখোন একোকে তৎ ধৰিব নোৱাৰোঁ। ডালিমী! কচোন, তই আকাশত উৰি ফুৰা মইনা চৰাই নে পৰ্ব্বতৰ গাত ফুলা বনৰীয়া ফুল: তই পৰ্ব্বতৰ জীয়াৰী গৌৰী নে লুইতৰ জীয়াৰী কোনোবা জলকুঁৱৰী? নাইবা এই পৰ্ব্বতত যতবোৰ প্ৰাকৃতিক শোভা-সৌন্দৰ্য্য আছে সোপাই একেলগ হৈ ৰূপ ধৰি এইদৰে ফুৰিছ? তই পখিলাৰ পাছে পাছে লৰি ফুৰি পখিলাৰে

উমলি ফুৰিছ। পখিলায়ো তোৰে উমলিছে। পখিলায়ো তোৰে সৈতে তাৰ মনৰ ভাব সলনাসলান কৰিছে। তই চৰাইৰে সৈতে শাৰী পাতি উৰি ফুৰিছ। চৰায়েও তোক তাৰ লগৰীয়া বুলি ভাবিছে। ভীমৰাজ চৰাইক তই সিঞাৰিছ। ভীমৰাজেৰে সৈতে হাঁহিছ। ভীমৰাজেও তোক সিঞাৰিছে আৰু তোৰে সৈতে হাঁহিছে। তই দুবৰি বনৰ ওপৰত পৰি শুই আছ। দুবৰি বনেও তোক বুকু পাতি লৈ আনন্দ পাইছে। লতাডালিক তই মেৰাই ধৰিছ। লতাডালিয়েও তোক মেৰাই ধৰি বুকুত সামৰি লৈ সুখ পাইছে। ফুলা ফুলপাহিৰে সৈতে তই হাঁহি হাঁহি কি কথা পাতিছ, ফুলে বুজিছে, হাঁহিছে আৰু সম্ভৱতঃ তোৰ কথাৰ সমিধান দিছে। সেই বৈ যোৱা জুৰিটিয়ে কি কথা কৈ কৈ যাব লাগিছে তই বুজিছ বুজি তোৰ হিয়া উবুৰিয়াই দি তাৰে কথা পাতিছ। ডালিমী! তোৰ পক্ষে গছ, লতা, নৈ, পৰ্ব্বত, বন, বাঁহ সকলো জীয়া, সকলো তোৰ বুকুৰ বান্ধ, সকলো তোৰ লগৰীয়া আহা ছোৱালীটীৰ মুখত কি সুমধুৰ ভাব! তাইৰ হাত-ভৰি, গা-মুখ কি গঢ়িত সুঠাম।”

ডালিমীক ফলে-ফুলে, নৈয়ে বনে জকমকোৱা প্ৰাকৃতিক সৌন্দৰ্য্যৰ মাজত পখিলা যেদি দৈহিক সৌন্দৰ্য্যেৰে ৰূপৱতী হৈ থকা দেখি আৰু গদাপাণিৰ বচনত ডালিমীৰ বিষয়ে শুনি দৰ্শকে ডালিমীক এতিয়া এটা কৱিতাময়ী প্ৰাণী হিচাপে সহজেই লব পাৰিলে আৰু তাই সাজেপাৰে নাকে-মুখে যদিও নাগিনী তথাপি যে নাট্যকাৰৰ এটা কৱিতাময়ী সৃষ্টি হৈ দৰ্শকৰ আগলৈ আহিছে এইটো দৰ্শকৰ ভালকৈয়ে উপলব্ধি হোৱাৰ লগে লগেই দৰ্শকৰ ডালিমীৰ প্ৰতি এটা আলসুৱা ভাব আৰু সহানুভূতি উপজিল। নাট্যকাৰে ডালিমীক যি বুলি বুজাব খুজিছে তাক সুন্দৰভাৱে বুজাবলৈ সমৰ্থ হল।

ইয়াৰ উপৰিও ডালিমীক যে উকা নাগিনীকৈ নাট্যকাৰে নাই উলিৱা তাকো শেহত পঞ্চম অঙ্ক অষ্টম দৰ্শনত বুঢ়া গামৰু মুখেদি আৰু এটা নগাৰ মুখেদি খাতাংকৈ কৈ দিছে। গদাপাণি

পলাই যোৱাৰ লগে লগে ডালিমীকো অন্তৰ্দ্ধান কৰোৱা হৈছে। আৰু বুঢ়া গামৰ মুখেদি নাট্যকাৰে কোৱাইছে এই বুলি—"মোৰ হৃদায় মনত খেলাইছিল হেইজনী মোৰ ছোৱালী নহয়, কিবা আকাহী দেও কি পানীৰ দেও মোৰ ছোৱালী হৈ আহিছে। তাই হৃদায় আমাৰ লগত না-থাকে। আমাক দুয়োকো এৰি কেতিয়াবা আকৌ আকাহলৈ কি পানীলৈ গুচি যাব। * * নাইবা জানিছ ডালিমীৰ মাক! তাই ঠিক দেও আছিল। এই হৰীৰেৰেই উৰি আকাহলৈ গুচি গল।" তাৰ উপৰি গদাপাণি যোৱাৰ পিছত তাইক দেখি অহা নগা এটাই এইদৰে বৰ্ণনা দিছে,—"হুন ককাই হুন। হেই যে ৰিণিকি ৰিণিকি ওখ পৰ্ব্বতটো দেকিছ, হেইফালে আজি আবেলি মই কৰি লুৰিবলৈ গৈছিলোঁ। পৰ্ব্বতৰ টিঙৰ পৰা মই কোনোবাই গীত গোৱা হুনিলো। হুনি হেইটোনো কি বুলি হেইফালে লাহে লাহে গলোঁ। গৈ দেখিলোঁ তহঁতৰ ছোৱালীজনী। তাই পৰ্ব্বতটোৰ এটাইতকৈ ওখ টিংটোৰ ওপৰত উঠি হেইদৰে গীত গাই আছে। মই তলৰ পৰা উকিয়াই মাতিলো—ডালিমী! নামি আহ। তই তাত অকলৈ কিকন কৰিছনো বাৰু? তোৰ বুৰা বাপেৰ-মাৰে তোক বিচাৰি নেপাই গোটেইটো পৰ্ব্বত পাত পাত কৰি পুৰিছে। মোৰ কথা হুনি তাই এনেকৈ হাঁহি মাৰিলে কিনো কবি গাম কাই! কিনো কবি আৰু, হেই গোটেইটো পৰ্ব্বত জনজনাই গল আৰু তাৰ পৰাও তেনে হাঁহি ওলাল। মোৰ গাটো বয়ত চমচমাই গল দেই। মই আকৌ ৰিঙিয়াই মাতিলোঁ, তাই কত আহে? পৰ্ব্বতটোৰ হেই টিঙৰ পৰা তাই এনে এটা জাপ মাৰি দিলে, দেকি বয়ত মোৰ হাত-ভৰি ঠক্ঠক্ কৰে কঁপিবলৈ ধৰিলে। তথাপি মই তেতিয়াই লৰি গৈ হেই ঠাইডোখৰৰ তলত বিচাৰিবলৈ দৰিলো। কত বিচাৰিলো, কত বিচাৰিলো কি কম? একোকে নাপালো। কলৈনো ছোৱালীজনী মায়া হৈ গল মই কবই নোৱাৰোঁ। মই টিক কৈছোঁ, তহঁতে মান নে নেমান কব নোৱাৰো—তহঁতৰ ছোৱালীজনী মান্নু নহয়, কিবা দেওহে আহিছিল।"

এতিয়া আমি ভালকৈ বুজিব পাৰিলোঁ যে নাট্যকাৰে ডালিমীক উকা নাগিনীকৈ উলিৱা নাই আৰু তাইক এটা abstract ideaৰ ৰূপধৰা মঙহৰ পুতলা হিচাপেহে সৃষ্টি কৰি উলিয়াইছে। এই বিষয়ে আৰু আমাৰ এতিয়া সন্দেহ কৰিবলৈ নাই। এই চৰিত্ৰ-সৃষ্টিৰ সূত্ৰপাত কেনে বিচক্ষণভাবে কৰিছে তাকো আগেয়ে আমি কৈ আহিছোঁ।

এতিয়া বেজবৰুৱাই এজন সুনিপুণ নাটকীয় কাৰিকৰি প্ৰয়োগকাৰ হিচাপে ডালিমী-চৰিত্ৰ নাটকত কেনেকৈ উলিয়াইছে তাৰ আলোচনা কৰিবলৈ চেষ্টা কৰা যাওক। প্ৰথমতেই ডালিমীজনীক উলিয়াবৰ কাৰণে নাট্যকাৰে উপযুক্ত পৰিবেশ সৃষ্টি কৰিব লাগিব। ডালিমী যেন তাই প্ৰথমে তেনে পাৰিপাৰ্শ্বিকতাৰ মাজেদি দৰ্শকৰ আগলৈ আহিলেহে দৰ্শক থিতাতে সেই মনৰ হবলৈ পাৰিব। সেই কাৰণেই তৃতীয় অঙ্ক দ্বিতীয় দৰ্শনত এক মনোৰম প্ৰাকৃতিক দৃশ্য দিয়া হৈছে। মঞ্চৰ দৃশ্যপটত এইবোৰ আঁকি দৰ্শকৰ মনত সেই পাৰিপাৰ্শ্বিকতাৰ সৃষ্টি কৰাৰ উপৰিও বুধিয়ক নাট্যকাৰে সেই মুহূৰ্ত্তত মঞ্চৰ ওপৰত এটাইতকৈ দৰ্শকক আকৰ্ষণ কৰোঁতা গদাপাণিৰ দ্বাৰাই সেই প্ৰাকৃতিক সৌন্দৰ্য্যৰ কথা দোহৰাইছে। প্ৰথমে দৰ্শকে যেতিয়া দৃশ্যপটত মনোৰম প্ৰাকৃতিক দৃশ্যাৱলী দেখিব তেতিয়া দৰ্শনেন্দ্ৰিয়ৰ দ্বাৰাই নাট্যকাৰৰ 'বক্তব্য' দেখিব আৰু তাৰ লগে লগে যেতিয়া শ্ৰৱণেন্দ্ৰিয়ৰে সেই দৃশ্যাৱলীৰ বিষয়ে শুনিবও তেতিয়া দৰ্শকৰ মনত illusion টো দুগুণে সৃষ্টি হব। মনোৰম দৃশ্যাৱলী দেখি যেতিয়া শুনিব গদাপাণিৰ মুখেদি—"আহা প্ৰকৃতিৰ কি সুন্দৰ শোভা! ঈশ্বৰৰ বিচিত্ৰ লীলা! ওপৰত নিৰ্ম্মল আকাশ! চাৰিওফালে নিৰ্ম্মল বায়ু! বনৰ ফুল, ফল, গছ, লতাই গোটেইখন জক্‌মকাব লাগিছে। দূৰৈত সৌ ওখ পৰ্ব্বতশাৰী কেনেকৈ আকাশৰ ফালে মূৰ তুলি আছে। যেন স্বৰ্গৰ বিদ্যাধৰী

সকলৰ নৃত্যগীত শুনি থাকিহে সিহঁত তন্ময় তদগত। চৰাইবোৰে মিঠা গীত গাই কেনেকৈ আনন্দত নাচি নাচি উৰি ফুৰিছে। সিহঁতৰ কি মুকলি ভাব! চৰাই-চিৰিকতি, পহু-পতং সকলোৰে ইয়াত কেনে মুক্ত ভাব, উদাস প্ৰাণ! ইয়াত ভৈয়ামৰ পচা শোক নাই, দুখ নাই, হিংসা নাই, খিয়াল নাই আৰু আনক তললৈ টনা নিজেও তললৈ যোৱা পকিতি নাই; সকলোৰে মন উধাও। প্ৰকৃতিৰ সন্তান নগা-নাগিনীবোৰৰ সৰল মন আৰু সৰল ব্যৱহাৰ দেখিলে প্ৰাণ জুৰাই যায়।"—তেতিয়া দৰ্শনে শ্ৰৱণে, দেখি-শুনি দৰ্শকৰ মনত নাট্যকাৰে সৃষ্টি কৰিব খোজা পৰিবেশ সৃষ্টি নোহোৱাকৈ কমেইহে থাকিব। পৰিবেশ সৃষ্টি কৰাৰ পিছত দূৰতে ডালিমীক পখিলাৰ নিচিনা এটা সুন্দৰ নিমাখিত, সকলো হিংসা-দ্বেষ বিবৰ্জ্জিত, সংসাৰৰ সকলো পঙ্কিলতাৰ পৰা দূৰত থকা জীৱ এটাৰ মাজত ডালিমীকো যে সেই পখিলাৰ দৰেই এটা জীৱ তাক বুজাবলৈ বিচক্ষণ বেজবৰুৱাই কেনেকৈ এই দৃশ্য ৰচনা কৰিছে চাওক। প্ৰথমেই দূৰতে পখিলাৰ লগৰ পখিলা কৰি ডালিমীক থোৱাৰ মানে হৈছে যে ডালিমীক যাতে সহজে দৰ্শকে কেঁচা নাগিনী ছোৱালী বুলি ভুল নকৰে, যাতে ডালিমী এটা বেজ-বৰুৱাৰ কল্পনাৰ ৰূপ লোৱা নাগিনীৰূপী প্ৰাণী আৰু ডালিমীয়ে এটা অশৰীৰী কথাৰ শৰীৰী ৰূপ তাক দশকে ভুল নকৰি প্ৰথম দৰ্শনতেই ডালিমীক আনভাবে লবলৈ পখিলাৰ মাজত ডালিমীক দূৰৈতে ছঁয়াময়াকৈ ৰাখি গদাপাণিৰ মুখেদি দশকক ডালিমীৰ অভ্যন্তৰৰ বিষয়ে কৈছে।

ডালিমীক সৃষ্টি কৰা পৰিবেশত থকা দেখি আৰু তাইক দূৰত তাইৰ কাৰ্য্য আৰু ছবি ছঁয়াময়াকৈ দেখি আৰু কাণেৰে দৰ্শকে ডালিমীৰ বিষয়ে ওপৰত গদাপাণিয়ে কোৱামতে শুনিলে নিশ্চয় দৰ্শকে ডালিমীক কেতিয়াও উকা নাগিনী বুলি লব নোৱাৰে। সাধাৰণ নাগিনীক চোৱাদি ডালিমীক চাব নোৱাৰে আৰু সাধাৰণ দেখিবলৈ ধুনীয়া নাগিনী হিচাপেও দশকে নিশ্চয় নলয়। দৰ্শকে লব এতিয়া

ডালিমীক নাট্যকাৰে তাইক যি বুলি উপস্থাপন কৰিব খুজিছে সেই বুলিহে নাট্যকাৰে তাইৰ প্ৰথম সূত্ৰপাত এনে বিচক্ষণতাৰে আৰু বুদ্ধিৰে কৰিছে যে দৰ্শকে তাইক নাট্যকাৰে বুজাব খোজা দৰে নলৈ সৰাৰ উপায় নাই। এই ডালিমীকনো নাট্যকাৰে কি বুলি ভাবিছে তাকো গদাপাণিৰ মুখেদি কোৱাই দিয়াত দৰ্শকে ডালিমীক Conception for introduction অৰ লগতে থোৰতে পোৱাৰ নিচিনা হৈছে।

ইয়াৰ পিছতেই ডালিমীক যেতিয়া দূৰৰ back-groundৰ পৰা দৰ্শকৰ বেছি ওচৰলৈ আনিছে তেতিয়া প্ৰথমেই কৰিতাময়ী ডালিমীক আনিছে ৰক্ষাকত্ৰী হিচাপে। ইয়াতে আমি আগেয়ে কৈ অহা 'চিৰকল্যাণ'ৰ মঙ্গলদান আৰু অমঙ্গলনাশৰ কথাটো নাট্যকাৰে প্ৰথমতে আগতে কৰোৱাই দেখুৱাই ডালিমী conception টো হাতে-কামে দৰ্শকক দেখুৱাই বুজাই দিছে। এই ডালিমীক প্ৰথমে উলিওৱা দৃশ্যটোতেই ডালিমীৰ মুখেদি ডালিমীৰ ভিতৰখন প্ৰতিফলিত হব পৰা "পুতৌ! মানুহক মাৰিবলৈ বিচাৰে"—এই বচনফাঁকি দি ডালিমীৰ মুখেদিয়েই তাইৰ অন্তৰৰ কথা কোৱাই তাইৰ বিষয়ে ইমান পৰ দৰ্শকৰ মাজত নাট্যকাৰে যি ধাৰণা জন্মাইছিল তাৰ প্ৰমাণ দিয়াইছে।

ইয়াৰ পিছতে নাট্যকাৰৰ কাম যে যি চৰিত্ৰটো তালৈ আনিছে তাৰ নাটকত থকাৰ প্ৰয়োজনীয়তা দেখুওৱা। সেই ক্ষেত্ৰত সেই অৱস্থাত সেই চৰিত্ৰটো যে এটা খাপ নোখোৱা বা বলেৰে সুমুওৱা নহয় তাকো সেই চৰিত্ৰটো নাটকৰ ঘটনাৰ মাজেদি অপৰিহাৰ্য্য বুলি প্ৰমাণ কৰিব লাগিব। তাকো সুনিপুণ নাট্যকাৰে কৰিছে এই দৃশ্যটোতে সেই অৱস্থাৰ সৃষ্টি কৰি, তেনে এটা স্বাভাৱিক উপযোগী আৰু নাটকত সম্ভৱপৰ ঘটনা ঘটুৱাই। চাওদাঙে গদাপাণিক আক্ৰমণ কৰাটো স্বাভাৱিক হৈছে আৰু ডালিমীয়ে চোৰাংকৈ চাই থাকি গদাপাণিক ৰক্ষা কৰাটোও 'জোৰ


জবৰদস্তি' কৰা নিশ্চয় হোৱা নাই। এই ঘটনাৰ মাজেদি ডালিমীক নাটকখনত চৰিত্ৰ হিচাপে থকাটোও স্বাভাৱিক কৰি দিছে। নগা পৰ্ব্বতত আত্মনিৰ্ব্বাসনত থকা গদাপাণিয়ে মৰমিয়াল ডালিমীজনীৰ সৈতে অনাইবনাই ঘূৰি ফুৰাটোও স্বাভাৱিক আৰু ডালিমীয়ে সময়ত গদাপাণিৰ প্ৰাণ ৰাখি নাটকত প্ৰধান চৰিত্ৰ আৰু নাটকৰ ভৱিষ্যত ঘটনাৱলীৰ নায়কজনক জীয়াই ৰাখি বা বিপদৰ পৰা সৰুৱাই নাটকৰ আগলৈ ঘটনাৱলী ঘটিবলৈ দিয়া কাৰণ এটা হিচাপে ডালিমী চৰিত্ৰ নাটকত শাৰীৰিকে ওতঃপ্ৰোতভাবে গ্ৰথিত।

ইয়াৰ পিছত নাট্যকাৰে দেখুৱাব লাগিব সেই দৃশ্যত ওলোৱা দুটা চৰিত্ৰৰ সম্বন্ধ। সেই ঘটনা-চক্ৰৰ সম্বন্ধটো ওপৰত কোৱাৰ দৰে দেখুৱাই ইটোৰ প্ৰতি সিটোৰ আন্তৰিক কি ভাব তাক দেখুৱাব লাগিব নাট্যকাৰে। বেজবৰুৱাই গদাপাণি আৰু ডালিমীৰ যি কথাৰে এই আপুৰুগীয়া সম্বন্ধটো ব্যক্ত কৰিছে তাক ভাবিলে কল্পনাও ভাগৰি পৰাৰ দৰে হয়! বেজবৰুৱাৰ 'জেনিয়াছৰ' গভীৰত্ব জুখিবলৈ গৈ এইখিনিতে আৰু ঠাউনি নোপোৱা যেন হোৱা যায়। মাত্ৰ এটা শব্দৰ প্ৰয়োগেই বেজবৰুৱাৰ বিৰাট প্ৰতিভা আমাৰ আগত দাণ্ডি ধৰিছেহি। যি ফালৰ পৰাই চোৱা যায় সেই ফালৰ পৰাই এই শব্দ প্ৰয়োজনৰ বিচক্ষণতাত, সৌন্দৰ্য্যত, বাহাদুৰিত আমি চিৰমুগ্ধ হব লাগিব। এই শব্দটো হৈছে ডালিমীয়ে গদাপাণিক মতা নামটো— **কৈঁচাসোণ**। ডালিমীৰ মতে গদাপাণিৰ যিটো আন্তৰিক সম্বন্ধ নাট্যকাৰে দেখুৱাব খুজিছে সেই সম্বন্ধটো যদিও নাটকৰ দৃশ্যই ডালিমী আৰু গদাপাণিৰ মুখৰ বচনৰ দ্বাৰাই প্ৰকাশ কৰোৱা হৈছে তথাপি এই ডালিমী ওলোৱা প্ৰথম দৰ্শনতে ডালিমীৰ মুখৰ এটা শব্দৰেই এটা শক্তিশালী ইঙ্গিত দিয়া হৈছে। কৃষ্টিসম্পন্ন দৰ্শকৰ কাৰণে এই শব্দই গদাপাণি-ডালিমীৰ সম্বন্ধৰ পৰিচায়ক হিচাপে যথেষ্ট। কৈঁচাসোণ শব্দই তৎক্ষণাৎ আমাক কৈ দিয়ে ডালিমীৰ অভ্যন্তৰৰ কথা—তাই

কেনে সৰল, পৱিত্ৰ, ভাজ নথকা মনৰ আৰু তাই যেনেকুৱা গদাপাণিকো তাই তেনেকুৱা দেখিছে সেই কাৰণেই গদাপাণিক কেঁচাসোণ বুলি মাতিছে। এই মতাৰ ভিতৰতে উপমা সোমাই আছে। গদাপাণিক কেঁচাসোণৰ লগত তাইৰ subconscious মনটোৱে তুলনা কৰিছে আৰু সেই কাৰণে তাইৰ conscious মনটোৱে মাতিছে কেঁচাসোণ বুলি। সোণ শব্দ পৱিত্ৰ, উজ্জ্বল, সদায় অম্লান হৈ থকা—যাক পুৰিলেও একো নহয়, ডালিমীৰ কাৰণে গদাপাণি তেনে বস্তু। যি গদাপাণিক তাই মনত সুমুৱাই মৰম কৰিছে সেই গদাপাণি অবিমিশ্ৰত সোণ কেঁচাসোণৰ দৰে তাইৰ মনত সদায় উজ্জ্বল হৈ চিৰঅম্লান হৈ থাকিব। মানুহৰ কাৰণে পাৰ্থিৱ ধন-সোণৰ ভিতৰত সোণেই অতি মূল্যবান—সেই কাৰণে গদাপাণি ডালিমীৰ কেঁচাসোণ। ডালিমীৰ যে গদাপাণিলৈ কি এটা প্ৰগাঢ় মৰম আৰু গদাপাণিক ডালিমীয়ে কি চকুৰে চাইছে তাক ডালিমীয়ে কেঁচাসোণ বুলি মতাত আনপাকে ওলাই পৰিছে। মুঠতে প্ৰথমৰ আৰম্ভণিতে বেজবৰুৱাই এনে এটা শব্দ ডালিমীৰ মুখত দিছে যিটোৱে গদাপাণি-ডালিমীৰ আন্তৰিক সম্বন্ধটো একে উশাহে কৈ দিছে। তাৰ উপৰি নাটকীয় বচনৰ শব্দ-বাছনি হিচাপে ইয়াৰ বাহাদুৰি চাওক। মইনা, বুকুৰ ধন মনতৰা, মোৰ জীউ মোৰ চকুৰ মণি ইত্যাদি নানা শব্দ অসমীয়া অভিধানৰ পৰা ডালিমীৰ মুখৰ কেঁচাসোণ শব্দৰ পৰিবৰ্ত্তে দিবলৈ চাওক কিন্তু কেঁচাসোণ গুচাই আন এটা শব্দ সতকাই দিওঁতা ওলোৱা টান। এই যে বেজবৰুৱাৰ কাপৰ আগত অসমীয়া অভিধানৰ অতবোৰ শব্দ থাকোঁতেও বাছনিত উঠিলগৈ কেঁচাসোণ ইয়াৰ বাবে বেজবৰুৱাৰ প্ৰতিভাৰ বাহিৰে আৰু কি দায়ী হব পাৰে? Drammatic dialogue অৰ যিটো ডাঙৰ কাম (function) ঘটনাৰ বিষয়ে বা চৰিত্ৰৰ আন্তৰিক ভাবৰ বিষয়ে inform কৰা বা দৰ্শকক জানিবলৈ দিয়া সেই কামটো এই এটা 'কেঁচাসোণ' শব্দই এই

ক্ষেত্ৰত কিমান সম্পূৰ্ণ সমাধা কৰিছে—তাক ভাবিলেই আচৰিত হব লাগে। কেঁচাসোণ মাতষাৰিৰে ডালিমীৰ গদাপাণিৰ প্ৰতি ভালপোৱাৰ ধৰণটোনো কি তাকো ব্যক্ত নকৰাকৈ থকা নাই। 'কেঁচাসোণ' বোলোঁতে তাইৰ মনৰ পৱিত্ৰতা, সৰলতা, নিৰ্ম্মলতা সকলো ওলাই আহিছে। নাই তাত কামনা-বাসনাৰ ছাঁ, নাই তাত কোনো শাৰীৰিক মিলনৰ হেঁপাহ কেঁচাসোণৰ দৰেই তাইৰ গদাপাণিৰ প্ৰতি ভালপোৱা খনিত থকা কেঁচাসোণৰ দৰেই ; কামনা-বাসনাৰ সুৱগাৰে যে মিশ্ৰিত নহয়—তাক কেঁচাসোণেই কৈ দিয়ে। এই শব্দ 'কেঁচাসোণ' বিচক্ষণ মেধাৱী নাট্যকাৰে এনেভাৱে এনে ঠাইত, এনে সময়ত, এনেকুৱা চৰিত্ৰৰ মুখত দিছে যে সি তাৰ আপোন অৰ্থৰ গৌৰৱত দৰ্শকক অভিভূত কৰাৰ উপৰিও এক নাটকীয় মুহূৰ্ত্তৰ কাৰণে সূত্ৰধাৰৰ সতে বচন গাই দৰ্শকক ভূত-ভৱিষ্যত আৰু বৰ্ত্তমানৰ কথা কব লাগিছে, 'কেঁচাসোণ' শব্দৰ ইয়াত ব্যৱহাৰ বিচক্ষণতো বিচক্ষণ। এজন যুগনায়ক সাহিত্যকৰ প্ৰতিভাৰ প্ৰভাৱতেহে শব্দৰ এনে আচৰিত সুপ্ৰয়োগ সম্ভৱ।

**টোকা** :—ওপৰত প্ৰবন্ধটোৰ ওৰ পেলোৱা হৈছে যদিও দৰাচলতে লিখকে বহল আঁচনি তৰি লিখিবলৈ লোৱামতে ইয়াৰ প্ৰকৃত সামৰণি পৰিবলৈ বহু বাকী থাকিল। আলচা কথা বাস্তৱত ৰূপায়িত কৰিবলৈ সুবিধা নিদি নিষ্ঠুৰ কালে লিখকক আমাৰ মাজৰ পৰা অকালতে হৰি লৈ গল! আধৰুৱাকৈ লিখা হলেও প্ৰবন্ধটো নিসন্দেহে মূল্যবান। —সম্পাদক



জয়-হিন্দ

# উপৰঞ্চি

## 'ঢেকিয়াজুলি' সম্পৰ্কে একেষাৰ

এই গ্ৰন্থত অন্তৰ্ভুক্ত হোৱা 'ঢেকিয়াজুলি' শীৰ্ষক প্ৰবন্ধটো আগৰৱালা-দেৱৰ জীৱিত কালতে 'অভিযাত্ৰী' নামৰ মাহেকীয়া আলোচনীত প্ৰকাশ হৈছিল আৰু তেতিয়া তাৰ কোনো প্ৰতিবাদো ওলোৱা নাছিল—হয়তো সেই প্ৰবন্ধ বহুতৰে চকুত পৰা নাছিল। বৰ্ত্তমানে এই পুথিৰ ছপা-কাম প্ৰায় শেষ হৈ যোৱাত পুনৰ সেই প্ৰবন্ধ যোৱা পোন্ধৰ আগষ্টৰ 'নতুন অসমীয়াত' ছপা হৈছিল। তাৰ ফলত সেই কাকতৰে পিছৰ দুটি সংখ্যাত দুখনি চিঠি প্ৰকাশ হৈ ওলায়। প্ৰথম আৰু দ্বিতীয় চিঠিত উল্লেখ কৰা উপাধিৰ ভুলটো শেষ মুহূৰ্ত্তত কোনোমতে টাপলি মাৰি শুধৰাই দিয়া হৈছে। লিখকৰ অৱৰ্ত্তমানত ইয়াত সংশোধনীমূলক চিঠি দুখন প্ৰকাশ কৰি আন কথাৰ বিচাৰৰ ভাৰ ৰাইজলৈ থোৱা হল।

—সম্পাদক

( ১ )

সম্পাদক ডাঙৰীয়া,

আপোনাৰ কাকতৰ যোৱা ১৫ আগষ্টৰ সংখ্যাত বিয়াল্লিছৰ ঢেকিয়াজুলি বিষয়ক প্ৰবন্ধটো পঢ়িলোঁ। তাত আছে—"এই দৰে গুলীবৰ্ষণ চলি থাকোঁতেই সেই গুলী উপেক্ষা কৰি মনবৰ কছাৰী নামৰ এজন কুৰি ছবীয়া তেজস্বী ডেকাই হাতত ত্ৰিবৰ্ণ পতাকা লৈ আগবাঢ়ি গল"। আৰু আছে—"পতাকা উৰাই মনবৰ কছাৰী থানাৰ চালৰ পৰা জাপ মাৰি মাটিলৈ নামোতেই তেওঁক গুলী কৰিলে"।

উক্ত শ্বহীদ গৰাকীৰ উপাধিটো বিকৃত হোৱা যেন লাগে। আমি জনাত বিয়াল্লিছৰ ঢেকিয়াজুলিত শ্বহীদ হোৱা লোকসকলৰ তালিকাত মনবৰ কছাৰী নামৰ কোনো শ্বহীদ নাই। তেজপুৰ কংগ্ৰেছ-অফিচৰ লগত যোগাযোগ কৰি 'মনবৰ নাথ'ৰ নামহে পোৱা হৈছিল। তেওঁৰ জন্মস্থান নগাঁৱৰ জামুগুৰি গাঁও। তেওঁৰ পৰিয়াল এতিয়াও আছে। পাম কৰিবলৈ গৈহে তেওঁ ঢেকিয়াজুলিত শ্বহীদ হয়। এই শ্বহীদ গৰাকীৰ স্মৃতি ৰক্ষাৰ্থে জন্মস্থান জামুগুৰিত এটি স্মৃতি স্তম্ভ, এখন বিদ্যাপীঠ আৰু দুটি পুথি-ভঁৰাল স্থাপন কৰা হৈছে। "মনবৰ নাথ স্মৃতি

পুথিভঁৰাল'ৰ সম্পাদক হিচাপে আমি স্বৰ্গীয় জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচিত বিবিধ-প্ৰবন্ধৰ সংকলনটো ছপা হৈ নোলাওঁতেই এই কথালৈ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

—শ্ৰীগজেন নাথ

সম্পাদক—মনবৰ নাথ স্মৃতি পুথিভঁৰাল,

পোঃ—বেবেজীয়া, নগাওঁ।

( ২ )

সম্পাদক ডাঙৰীয়া,

যোৱা স্বাধীনতা দিৱস সংখ্যা আপোনাৰ কাকতত প্ৰকাশ পোৱা স্বৰ্গীয় জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে লিখা "ঢেকিয়াজুলি—বিয়াল্লিছৰ আলেখ্য," নামৰ প্ৰবন্ধটি আমাৰ দৃষ্টিগোচৰ হৈছে। স্বৰ্গীয় আগৰৱালাদেৱে লিখিছে, তেখেতে 'সেই সময়ৰ সমদল পৰিচালনা কৰা সেৱাদলৰ নায়ক ফণীধৰ দাসৰ পৰা মই নিজ কাণে শুনা বিবৰণ আজি দাঙি ধৰিলোঁ।' শ্ৰীফণীধৰ দাসো সেই সমদলৰে এজন আছিল যে এইটো সত্য কিন্তু গোটেই গাভৰু-পাচনৈ সমষ্টিৰ সমদলৰ নায়ক শ্ৰীকমলাকান্ত দাসহে আছিল। সেই কাৰণে তেখেতে অতিৰিক্ত কাৰাবাসো খাটিবলগা হৈছিল। প্ৰবন্ধত প্ৰকাশ পোৱা সেৱাদলৰ নেপালী ভলণ্টিয়াৰসকলৰ খুকুৰি খোলাই এঠাইত গোট খুৱাই থৈ যাবলৈ দি অহিংস ভাবেৰে থানাত পতাকা তুলিবলৈ সকলোকে উপদেশ দিয়া আৰু থানাৰ সন্মুখত ইনচাৰ্জ্জৰ লগত বাদানুবাদ কৰা নায়ক শ্ৰীকমলাকান্ত দাসহে আছিল। শ্ৰীমহাদেৱ শৰ্ম্মাদেৱে লিখা "স্বাধীনতা যুঁজত ঢেকিয়াজুলি" নামৰ প্ৰবন্ধটিত এই কথা প্ৰকাশ পাইছে। দ্বিতীয় কথাটি হৈছে পুলিচৰ গুলীত মৃত্যু বৰণ কৰা প্ৰথম শ্বহীদজন আছিল ৺মনবৰ নাথ। প্ৰবন্ধত প্ৰকাশ পাইছে মনবৰ কছাৰী বুলি। (৺মনবৰ নাথৰ স্মৃতি ৰক্ষাৰ্থে কেইবা ঠাইতো পুথিভঁৰাল হাইস্কুল আদি স্থাপন হৈছে।) উক্ত ৺মনবৰ নাথে থানাৰ ওপৰত উঠি ত্ৰিবৰ্ণ পতাকা থানাৰ মূধচত বান্ধিবলৈ চেষ্টা কৰোঁতেই পুলিচৰ গুলীত ঢলি পৰে। কিন্তু ত্ৰিবৰ্ণ পতাকা মাটিত পৰিবলৈ নিদিয়াকৈ শ্ৰীচন্দ্ৰকান্ত নাথে তাক বান্ধি দিয়ে। পুলিচে তেওঁলৈকো গুলী নিক্ষেপ কৰে কিন্তু ভগৱানৰ ইচ্ছাত তেওঁ কথমপি বাগি দি ৰক্ষা পৰে।

জহামাৰী }
তেজপুৰ }

শ্ৰীতীৰ্থেশ্বৰ দাস
শ্ৰীঘনকান্ত দাস
শ্ৰীচন্দ্ৰকান্ত নাথ